● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



*দৃষ্টিভংগীয়েই মূল; অতীত, শিক্ষা, ধন, পৰিস্থিতি, পোছাক-পৰিচ্ছদ, মানুহৰ মন্তব্য, দক্ষতা আদিতকৈও দৃষ্টিভংগী অধিক গুৰুত্বপূৰ্ণ।*

চাৰ্লছ ছুইণ্ডল
*মাৰ্কিন লেখক*

www.dainikagradoot.in

৫ মনোৰমা আকাশ-কুঁৱৰী নীহাৰিকা জগত
১৫ আজি ভাৰত-ইংলণ্ডৰ অন্তিম এদিনীয়া
৪ অনিয়মেই এতিয়া নিয়ম

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৬৯ তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৪ চ'ত ১৪২৭ ভাস্কৰাব্দ ২৮ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 28 March 2021 মূল্য ঃ ৭.০০ টকা



*প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাৰ্থী ৰথী-মহাৰথীৰ ভোটদান ঃ বাওঁফালৰ পৰা ক্ৰমে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অতুল বৰা, কেশৱ মহন্ত, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা আৰু মন্ত্ৰী নব কুমাৰ দলে।*

# জয়ৰ দাবীৰে ৮০ শতাংশ ভোটদান

**আমিয়ে জয়ী হ'ম ঃ গৰিষ্ঠ সংখ্যক আসন দখলৰ দাবী প্ৰতিটো ৰাজনৈতিক দলৰ ■ চৰকাৰ গঠনত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনে গ্ৰহণ কৰিব গুৰুত্বপূৰ্ণ ভূমিকা**

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/নগাঁও/কমলাবাৰী/গহপুৰ/ডিব্ৰুগড়/তিনিচুকীয়া/কলিয়াবৰ, ২৭ মাৰ্চ ঃ** ব্যাপক জল্পনা-কল্পনা আৰু চৰ্চাৰ অন্তত ৰাজ্যৰ ৪৭টা বিধানসভা সমষ্টিত আজি বিপুল হাৰত ভোটদানেৰে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ অন্ত পৰে। ৰাজ্যৰ পৰৱৰ্তী চৰকাৰ গঠনৰ ক্ষেত্ৰত প্ৰতিটো দল তথা মিত্ৰজোঁটৰ বাবে এই পৰ্যায়ৰ নিৰ্বাচনৰ ফলাফল হ'ব অতি গুৰুত্বপূৰ্ণ। অহা দুই মে'ত প্ৰতিদ্বন্দ্বী দল তথা প্ৰাৰ্থীৰ জয়-পৰাজয় নিশ্চিত হ'ব যদিও তাৰ পূৰ্বেই আজি ব্যাপক সফলতাৰ দাবী কৰে প্ৰতিটো ৰাজনৈতিক দলে। ইয়াৰ মাজতে নিৰ্বাচন আয়োগৰ ব্যাপক প্ৰচাৰ আৰু জনসাধাৰণৰ মাজত গঢ়ি উঠা সজাগতাৰ বাবে আজি ভোটদানৰ *১০ পৃষ্ঠাত চাওক*

## পৰৱৰ্তী মুখ্যমন্ত্ৰী

*এক নিজস্ব বিশ্লেষণ*

কৈলাশ চন্দ্ৰ শৰ্মা



**অসম** বিধান সভাৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম পৰ্ব ইতিমধ্যে সমাপ্ত হৈছে। ৰাজনৈতিক দল, প্ৰাৰ্থী, প্ৰাৰ্থীৰ সমৰ্থক সকলোৰে নিৰ্বাচনীকেন্দ্ৰিক ব্যস্ততা তুংগত। শাসকীয় *১০ পৃষ্ঠাত চাওক*

## চামগুৰিত কংগ্ৰেছ-বিজেপিৰ সংঘৰ্ষ, নিৰ্বাচনী বিষয়াৰ বাহনত আক্ৰমণ



প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত দুই-এঠাইত বিক্ষিপ্ত ঘটনা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/চামগুৰি/শিমলুগুৰি/চাবুৱা, ২৭ মাৰ্চ ঃ** অনেক উৎসাহ-উদ্দীপনাৰ মাজেৰে সমাপ্ত হ'ল ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ। সামগ্ৰিকভাৱে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হ'লেও *১০ পৃষ্ঠাত চাওক*

## হিমন্তবিশ্ব কংসৰ দৰে জনপ্ৰিয় মামা

অমিত শ্বাহে তেওঁৰ পুত্ৰক পকৰি বেছি স্বাৱলম্বী হ'বলৈ নকয় কিয় ঃ কানহাইয়া কুমাৰ



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ২৭ মাৰ্চ ঃ** 'এজন গুজৰাটীয়ে দেশ বচালে আৰু এজন গুজৰাটীয়ে এফালৰ পৰা দেশ বিক্ৰী কৰিলে। *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

*দৌল উৎসৱ উপলক্ষে আমাৰ কাৰ্যালয় ২৮ মাৰ্চ, দেওবাৰে বন্ধ থকা হেতুকে ২৯ মাৰ্চ, সোমবাৰৰ 'দৈনিক অগ্ৰদূত' প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব ৩০ মাৰ্চ, মঙলবাৰে।*

—কাৰ্যাধ্যক্ষ

মহিলা শক্তি দেশৰ মহাশক্তি ঃ মুখ্যমন্ত্ৰী

## কংগ্ৰেছ-এআইইউডিএফ ক্ষমতালৈ আহিলে বিপন্ন হ'ব খিলঞ্জীয়াৰ অস্তিত্ব



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/কঠিয়াতলি/কচুৱা/কাকী, ২৭ মাৰ্চ ঃ** 'কংগ্ৰেছে চাহ শ্ৰমিকক কেতিয়াও সন্মান নিদিলে। প্ৰিয়ংকা গান্ধীয়ে *১০ পৃষ্ঠাত চাওক*

## চৰকাৰ ব্যৰ্থ বাবে অসমত মুখ্যমন্ত্ৰী প্ৰক্ষেপ কৰিব পৰা নাই বিজেপিয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ মাৰ্চ ঃ** অসমত বিজেপি চৰকাৰ ব্যৰ্থ বাবেই দলটোৱে এইবাৰ মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীজনক আগত ৰাখি নিৰ্বাচনত অৱতীৰ্ণ নোহোৱা বুলি আজি মন্তব্য *১০ পৃষ্ঠাত চাওক*

## ভোটগ্ৰহণ কেন্দ্ৰত পিষ্টল লৈ ভাবুকি

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৭ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সময়তে ডিব্ৰুগড়ত আজি সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই ভোট কেন্দ্ৰত ত্ৰাসৰ সৃষ্টি কৰে। জিলাখনত লাহোৱাল সমষ্টিৰ অন্তৰ্গত *১০ পৃষ্ঠাত চাওক*

## হাগ্ৰামাক জীয়াই ৰখাৰ সিদ্ধান্ত ভুল আছিল

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২৭ মাৰ্চ ঃ** 'হাগ্ৰামা মহিলাৰীৰ ১২জন বিধায়কে যদি আমাক সমৰ্থন নিদিয়া হ'লেও আমাৰ চৰকাৰ দিছপুৰত থাকিলহেঁতেন। আমিহে হাগ্ৰামা মহিলাৰীক *১০ পৃষ্ঠাত চাওক*






দেওবৰীয়া দৈনিক

# অগ্ৰদূত

যোৰহাট, ২৮ মাৰ্চ, ২০২১ দেওবাৰ পৃষ্ঠা তিনি


## বিজেপি-কংগ্ৰেছক ভোট দি পুনৰ প্ৰতাৰিত নহ'বলৈ আহ্বান চৰণ ডেকাৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** বিজেপি-কংগ্ৰেছক ভোট দি পুনৰ প্ৰতাৰিত নহ'বলৈ আহ্বান জনাইছে সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদক প্ৰধান তথা অসম আন্দোলনৰ অগ্ৰণী নেতা চৰণ ডেকাই। এক বিবৃতিত তেওঁ কয় যে বিজেপিয়ে অসম আৰু অসমীয়াক সৰ্বস্বান্ত কৰাৰ চক্ৰান্তৰে অসমক আৰু ইয়াৰ সম্পদ বিক্ৰীৰ ব্যৱসায়ত নামিছে। পুনৰ বাংলাদেশ, পাকিস্তান, আফগানিস্তান আদি বিদেশী নাগৰিকক আমদানি কৰি অসমীয়া ভাষা-সংস্কৃতিৰ ধ্বংসযজ্ঞ পাতিছে। ধন-বিত বিলাই অসমীয়াৰ বিবেক ক্ৰয় কৰাৰ আঠ পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## ভোটদাতাৰ সঁহাৰিৰ মাজেৰে শান্তিপূৰ্ণ ভোটগ্ৰহণ

# গোলাঘাটত চাৰি সমষ্টিত ৮০ শতাংশ ভোটদান

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ২৭ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ আজি প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত গোলাঘাট জিলাৰ চাৰিটা বিধানসভা সমষ্টিত সামগ্ৰিকভাৱে ৮০ শতাংশ ভোটদাতাই ভোটদান সাব্যস্ত কৰে। আজি পুৱাৰে পৰা আটাইকেইটা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৰুষ-মহিলা নিৰ্বিশেষে ভোটদাতাৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হয়। এই বাতৰি পৰ্যন্ত বহুতো ভোট গ্ৰহণ কেন্দ্ৰত ভোটাৰৰ দীঘলীয়া লানি পৰিলক্ষিত হয়। গোলাঘাট নিৰ্বাচনী জিলাৰ অধীনৰ ৯৫ নম্বৰ গোলাঘাট আৰু ৯৬ নম্বৰ খুমটাই বিধানসভা সমষ্টিৰ মুঠ ৪৮৬টা ভোটগ্ৰহণ কেন্দ্ৰত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰে গোলাঘাট সমষ্টিত ২৮৮ আৰু খুমটাই সমষ্টিত ১৯৮টা কেন্দ্ৰত পুৱাৰ পৰাই ভোটদাতাই ভিৰ কৰে। এইবাৰ গোলাঘাট সমষ্টিত অতিৰিক্ত ২৭টা আৰু খুমটাই সমষ্টিত অতিৰিক্ত ১০টা অৰ্থাৎ মুঠ ৩৭টা ভোট গ্ৰহণ কেন্দ্ৰৰ সংযোজন ঘটোৱা হয়। উল্লেখ্য যে গোলাঘাট সমষ্টিত ১৯টা আৰু খুমটাই সমষ্টিত দুটা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ ৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হয়। আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ ৰূপে প্ৰতিষ্ঠা কৰা গোলাঘাট সমষ্টিৰ হিন্দী হাইস্কুল কেন্দ্ৰ আৰু খুমটাইৰ কুৰালগুৰি হাইস্কুলত স্থাপন কৰা কেন্দ্ৰসমূহত গৰ্ভৱতী আৰু প্ৰসূতি মাতৃৰ বাবে বিশেষ সা-সুবিধা, শিশুৰ ওমলা ঘৰ, প্ৰদৰ্শনী, ছেল্ফি জ'ন, নিয়ন্ত্ৰণ আঠ পৃষ্ঠাত চাওক



*প্ৰথম পৰ্যায়ৰ ভোটদানৰ বাবে দীঘলীয়া শাৰি, ঢেকিয়াজুলিত শনিবাৰে।*

## শিৱসাগৰ নিৰ্বাচনী জিলাৰ ৫৭৪ টা কেন্দ্ৰত প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ সম্পন্ন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৭ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ আজি পুৱাৰে পৰা আৰম্ভ হোৱা প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত শিৱসাগৰ নিৰ্বাচনী জিলাত দুই-এটা অবাঞ্চিত ঘটনাৰ বাহিৰে শান্তিপূৰ্ণভাৱেই সম্পন্ন হয়। নিৰ্বাচনী জিলাখনৰ তিনিটা সমষ্টিৰ 574 টা ভোটগ্ৰহণ কেন্দ্ৰত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা গৈ পুৱা ছয় বজাত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল উপস্থিত হৈ ভোটগ্ৰহণ কৰে। জিলাখনৰ আমগুৰি সমষ্টিত 1,23,952 জন ভোটাৰৰ 83 শতাংশই, থাওৰা সমষ্টিত 1,15,364 জন ভোটাৰৰ 83 শতাংশই আৰু শিৱসাগৰ সমষ্টিত আঠ পৃষ্ঠাত চাওক

## বকলীয়াঘাটত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ সভা

# কংগ্ৰেছৰ চৰকাৰ হ'লে 'কা' বাতিল হ'বই ঃ সাংসদ গগৈ



**বিশেষ সংবাদদাত**

**ডিফু, ২৭ মাৰ্চ ঃ** 'জাতীয় নায়কে আজি জাতিক সুৰক্ষা দিব পৰা নাই, জাতিক বিশ্বাসঘাতকতাহে কৰিলে। 'কা'বিৰোধী আন্দোলনৰ কথা হয়তো আপোনালোকে পাহৰা নাই, য'ত পাঁচজনকৈ যুৱক ছহিদ হ'ল। কংগ্ৰেছ দলে অসম চুক্তিৰ জৰিয়তে ৰাজ্যলৈ শান্তি-সম্প্ৰীতি আনিছিল। এইবাৰ কংগ্ৰেছৰ চৰকাৰ হ'লে 'কা' বাতিল হ'বই। 'কা' আমি নামানো।'- এই আঠ পৃষ্ঠাত চাওক

## বিজেপি সাম্প্ৰদায়িক নহয় ঃ ছৈয়দ শ্বাহনাৱাজ হুছেইন

# অসমত পুনৰ হ'ব মোদীৰ ডাবল ইঞ্জিন চৰকাৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ/বগৰীবাৰী/মুকালমুৱা, ২৭ মাৰ্চ ঃ** 'বিজেপি সাম্প্ৰদায়িক নহয়। সাম্প্ৰদায়িক হ'লে নিজে বিজেপিৰ মুখপাত্ৰ, মন্ত্ৰী হ'ব নোৱাৰিলেহেঁতেন।' এই ভাষ্য বিজেপিৰ কেন্দ্ৰীয় মুখপাত্ৰ তথা বিহাৰৰ উদ্যোগ মন্ত্ৰী ছৈয়দ শ্বাহনোৱাজ হুছেইনৰ। আজি বৰক্ষেত্ৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা বিধায়ক নাৰায়ণ ডেকাৰ হৈ সমষ্টিটোৰ চৰাঞ্চল কুৰিহামাৰীত



এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি এইদৰে কয় কেন্দ্ৰীয় মুখপাত্ৰজনে। হেলিকপ্টাৰেৰে ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত চৰটোত আহি কে'বা সহস্ৰাধিক ৰাইজ উপস্থিত আঠ পৃষ্ঠাত চাওক

## ২০২১ৰ পৰাই প্ৰথম গৰাকী ভোটাৰৰূপে ভোটদান

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৭ মাৰ্চ ঃ** নিৰ্বাচন প্ৰথম ভোটটো দিয়াৰ চখ তেজপুৰ বিধানসভা সমষ্টিৰ এজন ভোটাৰৰ। নপাম নিবাসী তথা অৱসৰপ্ৰাপ্ত শিক্ষক শ্বেখ চাহাবুদ্দিনে আজিও তেওঁৰ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰথমজন ভোটাৰৰূপে ভোটদান কৰে। উল্লেখ্য যে নপাম এম ভি স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰত আজি প্ৰথমজন ভোটাৰৰূপে ভোটদান কৰা এইজন ব্যক্তিয়ে ইয়াৰ পূৰ্বে তিনিবাৰকৈ পঞ্চায়ত নিৰ্বাচন, চাৰিটা লোকসভা আৰু চাৰিটা বিধানসভা নিৰ্বাচনত একেটা ভোটকেন্দ্ৰত ভোটদান কৰিছে। তেওঁ কয় যে বিধানসভা নিৰ্বাচনত তেওঁ ২০০১ৰ পৰাই প্ৰথমজন ভোটাৰৰূপে ভোটদান কৰিছে। উল্লেখ্য যে শিক্ষকতাৰ জীৱনত তেওঁ চৰকাৰী কৰ্মচাৰীৰূপে মাত্ৰ দুবাৰহে নিৰ্বাচনী দায়িত্ব পালন কৰিবলগীয়া হৈছিল। এইদৰে প্ৰথমটো ভোটদান কৰিবলৈ পোৱাটো তেওঁৰ এক চখ। ভোটদান কৰি লাভ কৰা মানসিক প্ৰশান্তি আৰু ইয়াৰ পাছত সমগ্ৰ দিনটো দৈনন্দিন আঠ পৃষ্ঠাত চাওক

## কুৰালগুৰি, ঢেকীয়ালত ভোটদান শান্তিপূৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**বৰুৱা বামুণগাঁও, ২৭ মাৰ্চ ঃ** খুমটাই সমষ্টিৰ বাবে আজি অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ঢেকীয়াল, গণকপুখুৰী, লাওভগা, কুৰালগুৰিত শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। পুৱাৰে পৰা আটাইকেইটা কেন্দ্ৰত ভোটদাতাৰ দীঘলীয়া শাৰী প্ৰত্যক্ষ কৰা হয়। খুমটাই সমষ্টিৰ অন্তৰ্গত কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰটো গোলাঘাট জিলা প্ৰশাসনে এইবাৰ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে স্থাপন কৰি সজাই পৰাই তোলাত ভোটাৰসকল উৎফুল্লিত হয়। কেৱল মহিলা বিষয়াই পৰিচালনা কৰা এই কেন্দ্ৰটোৰ ১১৯ নম্বৰ কেন্দ্ৰত মুঠ ৬৭৬ গৰাকী আঠ পৃষ্ঠাত চাওক

## ফাকুৱা উৎসৱ উপলক্ষে যোৰহাট জিলাত স্থানীয় বন্ধ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৭ মাৰ্চ ঃ** যোৰহাট জিলাৰ উপায়ুক্তই এক আদেশযোগে অহা ২৯ মাৰ্চত ফাকুৱা উৎসৱ উপলক্ষে 'এন আই আইনৰ ১৮৮১ৰ অধীনত সমগ্ৰ যোৰহাট জিলাত স্থানীয় বন্ধ ঘোষণা কৰিছে। উক্ত দিনা সকলো চৰকাৰী কাৰ্যালয়, আদালত, শিক্ষানুষ্ঠান, বেংক, ৰাজ্য চৰকাৰৰ অধীনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু নিগম-নিকায়ৰ ক্ষেত্ৰত এই বন্ধ প্ৰযোজ্য হ'ব।

## শতাধিক কংগ্ৰেছ-এ আই ইউ ডি এফৰ কৰ্মীৰ অগপত যোগদান

# ভৱানীপুৰত সমষ্টি উন্নয়নৰ প্ৰতিশ্ৰুতিৰে অগপ প্ৰাৰ্থীৰ প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**ভৱানীপুৰ, ২৭ মাৰ্চ ঃ** অসম আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ গৃহ সমষ্টি ভৱানীপুৰ এ আই ইউ ডি এফৰ দখলৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰচাৰ অভিযান চলাইছে অগপ প্ৰাৰ্থী ড° ৰঞ্জিত ডেকাই। সমষ্টিটোৰ চুকে-কোণে থকা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, সত্ৰ-নামঘৰ, মন্দিৰ আদিত উপস্থিত হৈ ডেকাই সেৱা লোৱাৰ উপৰি ৰাইজৰ স'তে মিলিত হৈ সমস্যাৰ বুজ লৈছে। নিজৰ কৰ্মজীৱনৰাজি ৰাইজৰ আগত বৰ্ণনা দি ডেকাই কৈ গৈছে সমষ্টিটোৰ বাবে মনত পুহি ৰখা সপোনবোৰ। জৰাজীৰ্ণ সমষ্টিটোত এটা কৃষি প্ৰকল্প, শীত-তাপ নিয়ন্ত্ৰিত এটা ভঁৰালঘৰ, দুগ্ধ প্ৰকল্প আদি নিৰ্মাণৰ কথা প্ৰকাশ কৰিছে। সৰু-বৰ সভা-সমিতিয়ে ডেকাই ভাষণ প্ৰসংগত কয়, 'অসম আন্দোলনৰ প্ৰথমজন ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ গৃহ আঠ পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰত বিজেপি প্ৰাৰ্থীৰ মটৰ চাইকেল সমদল

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৭ মাৰ্চ ঃ** নলবাৰীৰ বিধানসভা সমষ্টিত মিত্ৰজোঁট আৰু মহাজোঁটে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। সমষ্টিটোৰ ১৯খন গাঁও পঞ্চায়তত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাই প্ৰচাৰ অভিযান চলাই এক আকৰ্ষণীয় ৰূপ দিয়াৰ সময়তে আজি দুপৰীয়া ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰৰ পৰা 'বিজয় সংকল্প বাইক আঠ পৃষ্ঠাত চাওক

## বিজেপিয়ে দেশৰ ৰাজহুৱা সম্পত্তি বিক্ৰী কৰিছে

**বিশেষ সংবাদদাতা**

**খেৰণি, ২৭ মাৰ্চ ঃ** বিজেপিৰ সমান্তৰালকৈ কংগ্ৰেছৰো নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত আছে পশ্চিম কাৰ্বি আংলঙত। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাথোঁ চাৰিটা দিন বাকী। যাৰ পৰিপ্ৰেক্ষিতত 'বৈঠালাংছ' বিধানসভা সমষ্টিত বিজেপিক প্ৰত্যাহ্বান জনাই কংগ্ৰেছৰ প্ৰাৰ্থী আগষ্টীন ইংহি আৰু জিলাখনৰ দলীয় নেতাই অধিক তৎপৰতাৰে সমষ্টিটোৰ আঠ পৃষ্ঠাত চাওক

## বিকল ইভিএম ঃ ভোটদানত ব্যাঘাত দক্ষিণ যোৰহাটৰ সাতটাকৈ কেন্দ্ৰত

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৭ মাৰ্চ ঃ** আজি সম্পন্ন হোৱা প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বেলিকা ইভিএমত হোৱা বিসংগতিৰ ফলত বহু কেন্দ্ৰত ভোটদানত বাধাহৰ সৃষ্টি হয়। মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৩ নম্বৰ কৰঙা গজপুৰীয়া এম ই স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰটোত দুবাৰকৈ ইভিএম বিকল হয়। ফলত কেন্দ্ৰটোত দীঘলীয়া শাৰীত ভোটাৰৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। প্ৰথমবাৰ বিসংগতি ঠিক কৰি ভোটদান পুনৰ আৰম্ভ কৰাৰ কিছুসময়ৰ পাছতে পুনৰ মেচিন বিকল হৈ পৰাত বহু ভোটাৰ ঘৰলৈ উভতি যায়। অৱশ্যে বহু ভোটাৰে পুনৰ উভতি আহি ভোটদান সম্পন্ন কৰে। ইপিনে, তিতাবৰ সমষ্টিৰ অন্তৰ্গত ছটাকৈ ভোটগ্ৰহণ কেন্দ্ৰত ইভিএম বিকল হয়। সমষ্টিটোৰ অন্তৰ্গত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ গৃহস্থান ৭৫ নম্বৰ ৰঙাজান পঞ্চায়তৰ ছটা কেন্দ্ৰতে ইভিএম এক-দুই ঘণ্টা ধৰি বিকল হয়। ৰঙাজান চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ ৪৩ নম্বৰ ভোট কেন্দ্ৰত পুৱাৰে পৰা সমবেত ভোটাৰে শাৰীপাতি ভোট প্ৰদান আৰম্ভ কৰা অৱস্থাতে ইভিএম বিকল হোৱাত প্ৰায় ডেৰঘণ্টা পলমকৈ ভোটদান আৰম্ভ হয়। উক্ত পঞ্চায়তৰে ৩০৩ নম্বৰ গটিঙা প্ৰাথমিক বিদ্যালয়ৰ ৩৬ নম্বৰ ভোটকেন্দ্ৰৰ ইভিএম মেচিন পুৱাৰ ভাগৰ পৰা ২-৩০ ঘণ্টা ধৰি বিকল হয়। ইপিনে, ৩১ নম্বৰ কৰঙাখাটি প্ৰাথমিক বিদ্যালয় কেন্দ্ৰত আধাঘণ্টা ধৰি ইভিএম বিকল হোৱা অভিযোগ উঠিছে। ৩১ নম্বৰ কেন্দ্ৰ ন-আলি সন্দিকৈ গাঁও নিম্ন বুনিয়াদী বিদ্যালয়তো আধাঘণ্টা ধৰি ইভিএম বিকল হয়। তদুপৰি ঢেকিয়াজুলি ৩০ নম্বৰ ভোট কেন্দ্ৰ বুৰুক বৰুৱা শিশু নিকেতন বিদ্যালয়ত প্ৰায় এঘণ্টা ধৰি ইভিএম বিকল হোৱাত ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উক্ত পঞ্চায়তৰ অন্তৰ্গত আঠ পৃষ্ঠাত চাওক

# হোজাই সমষ্টিত ২,৬৩,৭৮০গৰাকী ভোটাৰে নিৰ্ণয় কৰিব প্ৰাৰ্থীৰ ভাগ্য

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২৭ মাৰ্চ ঃ** ৰাজ্যৰ অন্যতম চৰ্চিত সমষ্টি হিচাপে পৰিচিত হোজাই সমষ্টিত এইবাৰ কি 'খেলা হবে'? দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া হোজাই বিধানসভা সমষ্টিত আকৰ্ষণীয় হ'ব নিৰ্বাচনী প্ৰেক্ষাপট। ৰাজ্যৰ এগৰাকী বিতৰ্কিত জনপ্ৰতিনিধি হিচাপে পৰিচিত শিলাদিত্য দেৱে প্ৰতিনিধিত্ব কৰা সমষ্টিটোত এইবাৰ দলে তেওঁক টিকট প্ৰদান কৰা নাই। শিলাদিত্য অবিহনে সমষ্টিটোত বিজেপিয়ে চলাইছে নিৰ্বাচনী প্ৰচাৰ। কংগ্ৰেছেও চলাইছে নিৰ্বাচনী প্ৰচাৰ অভিযান। সমষ্টিটোত বিজেপি প্ৰাৰ্থী ৰামকৃষ্ণ ঘোষৰ হৈ দলটোৰ ষ্টাৰ প্ৰচাৰক তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আহি নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ এতিয়ালৈকে কোনো দলীয় তাৰকা প্ৰচাৰকে আহি প্ৰচাৰ চলোৱা পৰিলক্ষিত হোৱা নাই। যোৱা ২৬ মাৰ্চত সমষ্টিটোত বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায় স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। হোজাই বিহুতলি খেলপথাৰত সহস্ৰাধিক লোকৰ উপস্থিতিত মন্ত্ৰীজনে ৰণ হুংকাৰ দিয়ে। ১৯৭২ত গঠন হোৱা সমষ্টিটোত প্ৰথমবাৰ কংগ্ৰেছৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল ইদ্ৰিছ আলী ফকীৰ আৰু ১৯৭৮ত জে এন পিৰ পৰা শান্তিৰঞ্জন দাসগুপ্তা বিজয়ী হৈছিল। ১৯৮৩ত হোজাই সমষ্টিত কংগ্ৰেছৰ পৰা বিজয়ী হয় সাধন ৰঞ্জন সৰকাৰ, ১৯৮৫ত পুনৰ নিৰ্দলীয়ৰ ৰূপত শান্তিৰঞ্জন দাসগুপ্তা জয়ী হয়। ১৯৯১ৰ পৰা ২০০১লৈ একেৰাহে তিনিটা কাৰ্যকালৰ বাবে বিধায়ক নিৰ্বাচিত হয় কংগ্ৰেছৰ পৰা ডাঃ অৰ্ধেন্দু কুমাৰ দে। ২০০৬ত সমষ্টিটোৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল এ আই ইউ ডি এফৰ প্ৰাৰ্থী ডাঃ আদিত্য লাংথাছা। ২০১১ত একেটা সমষ্টিৰ পৰা কংগ্ৰেছৰ টিকটত পুনৰ ডাঃ অৰ্ধেন্দু দে বিধায়ক নিৰ্বাচিত হয়। ২০১৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ পৰা শিলাদিত্য দেৱে সমষ্টিটো দখল কৰিবলৈ সক্ষম হয়। সমষ্টিটোৰ পৰা সৰ্বাধিক চাৰিটা কাৰ্যকাল বাবে বিধায়ক হোৱা ডাঃ দেই আঠ পৃষ্ঠাত চাওক


**Self Declaration about Criminal cases**

**(As per the judgment dated 25th September, 2018, of Hon'ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation & Ors. Vs. Union of India & Anr)**

Name and address of candidate : Dulu Ahmed
Resident of Sarudampur No. 2, PS : Hajo,
Sub-Division : Kamrup,
District : Kamrup, Pin : 781102, Assam

Name of Political Party : Assam Jatiya Parishad
Name of Election : Assam Legislative Assembly Election, 2021
* Name of Constituency : 55 Hajo Legislative Assembly Constituency

I, Dulu Ahmed, a candidate for the above mentioned election, declare for public information the following details about my criminal antecedent.

(A) Pending criminal cases

| Sl. No. | Name of Court | Case No. and dated | Status of case(s) | Section(s) of Acts concerned and brief description of offence(s) |
|---|---|---|---|---|
| 1 | Garchuk Police Station | Garchuk P.S. Case No. 11/2020 | Under investigation | Under section 143/294/427/506 IPC Description – Falsely alleging of defaming in public with obsence words and criminal intimidation. |
| 2 | Hajo Police Station | Hajo P.S. Case No. 36/2020 | Under investigation | Under section 143/294/447/427/507 IPC R/w sec. 67 of I.T. Act. Description– Falsely alleging of defaming in public with obscene words. |
| 3 | Hajo Police Station | Hajo P.S. Case No. 40/2020 | Under investigation | Under section 120(B)/420/468/471/506 IPC R/w sec. 67 of I.T. Act Description – Falsely alleging of cheating and defaming. |
| 4 | Hajo Police Station | Hajo P.S. Case No. 46/2020 | Under investigation | Under section 120(B)/506 IPC Description – Falsely alleging of cheating. |
| 5 | Bharalumukh Police Station | Bharalumukh P.S. Case No. 456/2020 | Under investigation | Under section 406/420/34 IPC Description – Falsely alleging of criminal intimidation |
| 6 | Dispur Police Station | Dispur P.S. Case No. 1791/2020 | Under investigation | Under section 294/500/507 IPC R/w section 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 7 | Hatigaon Police Station | Hatigaon P.S. Case No. 436/2020 | Under investigation | Under section 509/500 IPC R/w section 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 8 | Sualkuchi Police Station | Sualkuchi P.S. Case No. 129/2020 | Under investigation | Under section 500 IPC R/w sec. 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 9 | Bhangagarh Police Station | Bhangagarh P.S. Case No. 362/2020 | Under investigation | Under section 294/500 IPC Description – Falsely alleging of defaming in public |
| 10 | Bhangagarh Police Station | Bhangagarh P.S. Case No. 35/2021 | Under investigation | Under section 509/500 IPC Description – Falsely alleging of defaming in public |

(B) Details about cases of conviction for criminal offences

| Sl. No. | Name of Court & dete(s) of order(s) | Description of offences(s) & punishment imposed | Maximum Punishment Imposed |
|---|---|---|---|
| 1 | Nil | Nil | Nil |

I, hereby declare that the information furnished above is true to the best of my knowledge and that I have disclosed all material information relevant to the above mentioned order of the Hon'ble Supreme Court of India.

Sd/-
**Dulu Ahmed**

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৪ চ'ত ১৪২৭ ভাস্কৰাব্দ ২৮ মাৰ্চ ২০২১



## নাৰীৰ সম-অধিকাৰ কেতিয়া?




ভাৰতে মহিলা সবলীকৰণৰ দিশে অগ্ৰসৰ হৈছে যদিও এই লক্ষ্যত দেশখন কেতিয়া উপনীত হ'বগৈ, সেই সন্দৰ্ভত যথেষ্ট সন্দেহো আছে। দেশত আজিও ব্যাপক হাৰত লিংগ অসমতা (জেণ্ডাৰ ইনইকুৱেলিটী) সকলো ক্ষেত্ৰতে দৃষ্টিগোচৰ হয়। বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদ বা দায়িত্বৰ পৰা আৰম্ভ কৰি উপাৰ্জনলৈকে— সকলোতে দেখা যায় মহিলাসকলৰ স্থান পুৰুষসকলতকৈ তলত। শেহতীয়াভাৱে একাধিক গোচৰত উচ্চতম ন্যায়ালয়ে নৌবাহিনীকে ধৰি প্ৰতিৰক্ষা বাহিনীত মহিলাক শীৰ্ষ পদত নিযুক্তিৰ ক্ষেত্ৰত মহিলাৰ সপক্ষে ৰায় দিয়া আৰু ন্যায়ালয়েও নাৰী-বিৰোধী ধ্যান-ধাৰণা পৰিহাৰ কৰাৰ সপক্ষে ৰায়দান কৰাটো আদৰণীয় আৰু মহিলা সবলীকৰণ, লিংগ অসমতা দূৰীকৰণ নাইবা সম-অধিকাৰৰ ক্ষেত্ৰত ই অতি গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিব পাৰি। বৈবাহিক সম্বন্ধ স্থাপন আৰু এই ক্ষেত্ৰত নিজৰ পছন্দৰ পুৰুষ নিৰ্বাচন কৰাৰ ক্ষেত্ৰতো মহিলাৰ অধিকাৰক ইতিমধ্যে ন্যায়ালয়ে স্বীকৃতি দিছে। তদুপৰি বিভিন্ন সময়ত ন্যায়ালয়ে নাৰীৰ অধিকাৰ সাব্যস্ত কৰি বহু ৰায় প্ৰদান কৰি আহিছে; কিন্তু সম-অধিকাৰ নাইবা লিংগ সমতা লাভৰ বাবে নিৰন্তৰ সংগ্ৰাম আজিও অব্যাহত আছে। প্ৰশ্ন হয়, ভাৰতত নাৰীৰ সম-অধিকাৰ আজিও এক সপোন হৈয়ে আছে কিয়? লিংগ অসমতা দূৰ হোৱা নাই কিয়? ভাৰতৰ মহিলা যে পূৰ্বৰ স্থানতে ৰৈ আছে, তেনে নহয়। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় নাৰী বহুদূৰ আগুৱাই যাবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত চৰকাৰী বিধি-ব্যৱস্থা, আঁচনি আৰু ন্যায়ালয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ; কিন্তু এই ক্ষেত্ৰত উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাত যথেষ্ট পলম হৈছে নাইবা লেহেমীয়া হৈছে। অল ইণ্ডিয়া ছাৰ্ভে অৱ হায়াৰ এডুকেছন (এ আই এছ এইছ ই)ৰ প্ৰতিবেদন অনুসৰি স্নাতকোত্তৰ আৰু এম ফিল ডিগ্ৰীৰ ক্ষেত্ৰত মহিলাৰ সংখ্যাধিক্য তাৎপৰ্যপূৰ্ণ। শেহতীয়া তথ্য (২০১৭-২০১৮) অনুসৰি উচ্চ শিক্ষানুষ্ঠানত নামভৰ্তি কৰাৰ ক্ষেত্ৰত মহিলাৰ সংখ্যা বহুগুণ বৃদ্ধি পাইছে। যোৱা ২০১৮ৰ তথ্য অনুসৰি উচ্চ শিক্ষানুষ্ঠানত মহিলাৰ নামভৰ্তি ৪৭.৬ শতাংশলৈ বৃদ্ধি পাইছে। যোৱা ২০১০-১১ত আছিল ৪৪ শতাংশ। ভাৰতত মহিলাৰ উচ্চ শিক্ষাত মুঠ নামভৰ্তিৰ অনুপাত (জি ই আৰ) ১৭.৯ শতাংশৰ পৰা বৃদ্ধি পাই ২৫.৪ শতাংশ হৈছেগৈ; কিন্তু উচ্চ শিক্ষানুষ্ঠানত নামভৰ্তিৰ সংখ্যা অভূতপূৰ্ব হাৰত বৃদ্ধি পাইছে যদিও সেই অনুপাতে কৰ্মসংস্থান লাভ কৰা নাই। বিশ্ব বেংকৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ মুঠ কৰ্মশক্তি (ৱৰ্ক ফ'ৰ্চ)ৰ মাত্ৰ ২৯ শতাংশহে মহিলা। অৰ্থাৎ দেশৰ ২৯ শতাংশহে মহিলা কৰ্মচাৰী। সেয়ে এই তথ্যই স্পষ্ট কৰি দিয়ে যে কৰ্মচাৰীৰ সিংহভাগ পুৰুষৰ দখলত। আনহাতে, দেশ শাসন, দেশৰ গুৰুত্বপূৰ্ণ বিভাগসমূহৰ শীৰ্ষ পদ আদিতো মহিলাৰ অংশগ্ৰহণ অতি নগণ্য। ৰাজনৈতিক দলসমূহে সংসদ তথা বিধানসভাত ৩৩ শতাংশ আসন সংৰক্ষণৰ কথা কৈ আহিছে; কিন্তু আজিও এই আসন সংৰক্ষণ সম্ভৱ হোৱা নাই। যোৱা ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত মহিলা সাংসদৰ সংখ্যা ১৪ শতাংশলৈ বৃদ্ধি পাইছে যদিও সিংহভাগ আসন (৮৬ শতাংশ) পুৰুষৰ দখলতে আছে। দেশৰ কৰ্মক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ বিভাগবোৰো পুৰুষৰ দখলত আছে। ইয়াৰ অন্যতম প্ৰধান কাৰণ মহিলাসকলৰ বুদ্ধিমত্তা তথা দক্ষতাৰ সন্দৰ্ভত থকা পৰম্পৰাগত ক্ষতিকাৰক ধাৰণা। মহিলাৰ স্নাতকোত্তৰ তথা এম ফিলত নামভৰ্তি বেছি যদিও তেওঁলোকে নিজকে পৰম্পৰাগত কেতবোৰ বিভাগতে সীমাৱদ্ধ কৰি ৰাখিছে। এম ফিলত নামভৰ্তি কৰা প্ৰায় ৭০ শতাংশই মহিলা আৰু স্নাতকোত্তৰত নামভৰ্তি কৰাসকলৰ ৬০ শতাংশই মহিলা; কিন্তু মহিলাসকলে বাছি লোৱা বিষয় বা বিভাগবোৰৰ ভিতৰত আছে এম এ, এম কম, এম এছ চি (নাৰ্ছিং), মাষ্টাৰ অৱ লাইব্ৰেৰী ছায়েন্স, ফেশ্বন মেনেজমেণ্ট, হাস্পতাল এডমিনিষ্ট্ৰেছন, স্থাপত্য কলা, মাষ্টাৰ অৱ ফিজিঅ' থেৰাপী আদি। ইঞ্জিনীয়াৰিং আৰু প্ৰযুক্তি বিজ্ঞান বিষয়ত আজিও মাত্ৰ ২৮.৬ শতাংশহে মহিলাই নামভৰ্তি কৰে। বিজিনেছ এডমিনিষ্ট্ৰেছন, আইন, বিত্তীয় পৰিচালনা, কম্পিউটাৰ এডমিনিষ্ট্ৰেছন আদি বিষয়তো মহিলাৰ সংখ্যা কম বুলি দেখুওৱা হৈছে। মহিলাসকলে গুৰুত্বপূৰ্ণ বিভাগ বা বিষয়বিলাকত নামভৰ্তি নকৰাৰ ফলতে এই ক্ষেত্ৰবিলাকত মহিলাৰ অংশগ্ৰহণ কম হৈ আছে।

মহিলাসকলে শৈক্ষিক ক্ষেত্ৰত পিছপৰি থকাৰ এটা উদাহৰণ হ'ল ১৫-২৪ বছৰ বয়সীয়া যুৱতীসকলৰ এক চতুৰ্থাংশই প্ৰাথমিক বিদ্যালয় সম্পূৰ্ণ নকৰা বা কৰিব নোৱৰাটো। বিশ্বৰ মুঠ নিৰক্ষৰ লোকৰ দুই তৃতীয়াংশই হ'ল মহিলা। মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট গুৰুত্ব দিছে যদিও পিতৃ-মাতৃ বা অভিভাৱকসকলে ছোৱালীৰ শিক্ষাত, বিশেষকৈ স্বতন্ত্ৰ বা আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ শিক্ষিত কৰি তোলাত গুৰুত্ব দিয়া দেখা নাযায়। ভাৰতত মহিলা বা কন্যা সন্তানে আজিও স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব সমানে লাভ কৰা নাই। আনকি গৰ্ভাৱস্থাত লিংগ চিনাক্ত কৰি কন্যা সন্তানৰ ভ্ৰূণ হত্যা কৰা ঘটনা ভাৰতত যথেষ্ট বেছি। হয়তো এইবোৰ কাৰণতে আনকি ভাৰতত পুৰুষৰ অনুপাতে মহিলাৰ সংখ্যা যথেষ্ট কম। বৰ্তমান ভাৰতত প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৪৩ গৰাকী বুলি প্ৰকাশ পাইছে। অদূৰ ভৱিষ্যতেও ভাৰতত মহিলাৰ সংখ্যাৰ অনুপাত আশা কৰা মতে বৃদ্ধি নাপাব। অহা ২০৩৫ত প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৫৭ গৰাকীলৈ বৃদ্ধি পাব বুলি কোৱা হৈছে। হয়তো কিছু পৰিমাণে লিংগ বৈষম্য হ্ৰাস পাব; কিন্তু তেতিয়াও যে সমস্যা থাকিব আৰু লিংগ বৈষম্য অব্যাহত থাকিব, সেই বিষয়ত কোনো সন্দেহ নাই। তেতিয়াও দেশৰ কিছুমান অঞ্চল বা ৰাজ্যত লিংগৰ অনুপাত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে যথেষ্ট হ্ৰাস পাব বুলিহে কোৱা হৈছে। ২০৩৫ত দিল্লীত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৮৯৯ হ'ব বুলি প্ৰকাশ পাইছে। গুজৰাটত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হ'ব নশ গৰাকী। হাৰিয়ানাত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হ'ল ৯০৮ গৰাকী। বিশ্ব জনসংখ্যা ২০২০ৰ প্ৰতিবেদনত প্ৰকাশ পোৱা আন এক তথ্য অনুসৰি ভাৰতত লিংগ পক্ষপাতিত্ব বা 'জেণ্ডাৰ বায়াছ' কমা নাই, বৰঞ্চ বাঢ়িছেহে। পৰম্পৰাগতভাৱে ভাৰতীয়সকলৰ মাজত যি লিংগ পক্ষপাতিত্ব প্ৰোথিত হৈ আছে, তাৰ ফলতে ল'ৰা সন্তানৰ প্ৰতি পক্ষপাতিত্বও বাঢ়িছে। গৰ্ভস্থ কন্যা সন্তানৰ ভ্ৰূণ হত্যাও এনে কাৰণতে সংঘটিত হৈছে। বিশ্ব জনসংখ্যা (২০২০) প্ৰতিবেদনত সমগ্ৰ বিশ্বতে প্ৰতি বছৰে ১২ লাখ কন্যা সন্তান অদৃশ্য হয় বুলি প্ৰকাশ পাইছে। দুৰ্ভাগ্যজনক কথা হ'ল, এই ১২ লাখৰ ৪০ শতাংশই ভাৰতৰ কন্যা। ভাৰতৰ কন্যা শিশু, ভাৰতৰ মহিলা আজিও কিমান অসহায় আৰু নিৰাপত্তাহীন, সেই ছবিখনকে এই প্ৰতিবেদনে দাঙি ধৰা বুলি ক'লেও নিশ্চয় ভুল নহ'ব। চৰকাৰে 'বেটী বচাও বেটী পঢ়াও'ৰ দৰে অতি প্ৰশংসনীয় শ্ল'গান দি আহিছে; কিন্তু ই মাত্ৰ শ্ল'গান হৈয়ে থাকিলে নহ'ব। মহিলা সবলীকৰণ সফল হ'বলৈ হ'লে মহিলাৰ অসমতাৰ অৱসান ঘটোৱাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

## বিবেকেই পৃথিৱীৰ শ্ৰেষ্ঠতম আদালত

# অনিয়মেই এতিয়া নিয়ম



**আত্মজিজ্ঞাসা**

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

কোৱা হয় মানুহ সামাজিক জীৱ। Social Animal. মানুহ কিয় সামাজিক জীৱ? মানুহ জাতি আৰু গোষ্ঠীগতভাৱে একেলগে বসবাস কৰে বাবেই জানো মানুহ সামাজিক জীৱ? কেৱল সমাজবদ্ধভাৱে চলা-ফিৰা কৰাৰ বাবে মানুহ সামাজিক জীৱ নহয়। 'বিবেক'ৰ দ্বাৰা নিয়ন্ত্ৰিত বাবেই মানুহ সামাজিক জীৱ। এই বিবেকেই মানুহক অনিয়ন্ত্ৰিত জীৱন ব্যৱস্থাৰ পৰা এক স্বাভাৱিক জীৱন ব্যৱস্থালৈ লৈ আহে। বিবেকেই পৃথিৱীৰ শ্ৰেষ্ঠতম আদালত।

'সমাজ' এদিনতে গঢ়ি উঠা নাই। কোনো আইনৰ দ্বাৰাও 'সমাজ' গঠিত হোৱা নাই। মানুহৰ স্বাভাৱিক জীৱন যাত্ৰাৰ প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি সমষ্টিগতভাৱে মানুহৰ চাহিদাৰ বাবেই সমাজৰ সৃষ্টি। সমাজ সৃষ্ট আইন যিহেতু কোনো কৰ্তৃপক্ষৰ দ্বাৰা প্ৰণীত নহয়, সেইবাবে সামাজিক আইন বিলুপ্ত বা কৰ্তৃপক্ষীয় আদেশৰ দ্বাৰা বিলুপ্ত কৰা নাযায়। এজন স্বাভাৱিক মানুহে স্বভাৱগতভাৱে যি পদ্ধতিত জীৱন যাপন কৰে, সেই পদ্ধতিৰ সমষ্টিগত বিধি-বিধানৰ প্ৰতিফলনেই হ'ল সমাজ। সমাজে ব্যক্তিক নিয়ন্ত্ৰণ কৰে বাবেই মানুহ সামাজিক জীৱ।

সমাজ সৃষ্টি হোৱাৰ বহু পাছত ৰাষ্ট্ৰৰ জন্ম। জনগণৰ বাবে প্ৰয়োজন এখন কল্যাণমূলক ৰাষ্ট্ৰ। দীৰ্ঘদিনৰ পৰা অসমত হিন্দু-মুছলমান শান্তি-সম্প্ৰীতিৰে সমিল-মিলেৰে বাস কৰি আহিছে। এনে পৰিস্থিতিত বিধায়ক প্ৰশান্ত ফুকনে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ক'লে যে অসমৰ ভোটাৰে বিজেপিক ভোট নিদিলে নামঘৰত মুছলমানে নামাজ পঢ়িব।

কঠিন হাতেৰে নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন ধৰ্মৰ নামত মানুহক ভয় দেখুওৱাৰ। দেশক জিম্মি কৰি নিজৰ স্বাৰ্থ হাচিল কৰাৰ ৰাজনীতি। 'তুমি যদি দৃশ্যমান মানুহক ভাল পাব নোৱৰা, তেনেহ'লে অদৃশ্য ঈশ্বৰক কেনেকৈ ভাল পাবা' মাদাৰ টেৰেছাৰ এনে বোধশক্তিয়ে জাগ্ৰত কৰক আমাৰ বোধশক্তিক।

মোৰ বাবে অসমীয়া জাতিৰ সবাতোকৈ লজ্জাজনক দিশটো হ'ল মজ্জাগত ভণ্ডামি আৰু কপটতা। এই মাৰাত্মক ব্যাধিক মই ঘৃণা নকৰি নোৱাৰো। জন্মৰ পৰা মৃত্যু পৰ্যন্ত যি নীতিটো অসমীয়াৰ জীৱনত সবাতোকৈ অৱহেলিত আৰু অপমানিত হয় তাৰ নাম সত্যনিষ্ঠা।

**দুই**

২০ মাৰ্চৰ 'নিয়মীয়া বাৰ্তা' কাকতৰ আধাপৃষ্ঠাজোৰা লিডিং নিউজ। সিদিনাৰ কাকতত সেয়াই আছিল মুখ্য খবৰ।

অভাৱনীয়-অভূতপূৰ্ব-অবিস্মৰণীয়

অসমৰ ৰাজনৈতিক ইতিহাসত নজৰ গঢ়ি জালুকবাৰীত ড° শৰ্মাৰ মনোনয়ন। হিমন্তময়— কাষত এখন বিশাল ছবি।

ৰাজপথত জনতাৰ ছুনামি। তলত আৰু এখন ছবি।

ড° শৰ্মাৰ মনোনয়ন দাখিল পৰ্বত হেজাৰ হেজাৰ সমৰ্থকৰে মহানগৰীৰ ৰাজপথ ভৰি পৰাৰ পৰিপ্ৰেক্ষিতত দুপৰীয়াৰ ভাগত কে'বাঘন্টাজুৰি বিপুল যান-জঁটৰ সৃষ্টি হয়। জয়হো গুৱাহাটীবাসী। সঁচাকৈয়ে অভাৱনীয়। অভূতপূৰ্ব। অবিস্মৰণীয়।

সংবাদপত্ৰৰ স্বৰূপ উন্মোচনত সংবাদপত্ৰৰ সম্পাদকীয় মূল চাবি-কাঠি। সম্পাদকীয় পঢ়িলে পত্ৰিকাৰ দৃষ্টিভংগী সহজে বুজা যায়। শেষ বিচাৰত সম্পাদকীয়ই হৈছে সংবাদপত্ৰৰ দৃষ্টিভংগীৰ উন্মুক্ত দুৱাৰ। যাৰ দ্বাৰা অনায়াসে সংবাদপত্ৰখনক চিনা যায়। জনা যায়।

দৈনিক কাকতৰ সবাতোকৈ কম পঠিত অংশ বোধকৰো সম্পাদকীয়। পাঠকে সম্পাদকীয় নপঢ়াৰ কাৰণ কি? পাঠকৰ অনীহা? নে কাকতৰেই দোষ? গুৰুত্ব নিদিয়ে সম্পাদকীয়ক। লিখিব লাগে বাবে লিখে। পাঠকক আকৰ্ষণ নকৰে। দুয়োটাই সত্য আৰু দুয়োটাই পৰস্পৰ বিচ্ছিন্ন নহয়। পত্ৰিকাই সম্পাদকীয়ক গুৰুত্ব নিদিয়ে, পাঠকো আগ্ৰহী নহয় সম্পাদকীয় পঢ়িবলৈ। পাঠক আগ্ৰহী নহয় বাবেই হয়তো সম্পাদকে সম্পাদকীয় বিষয়টোক গুৰুত্ব নিদিয়ে। চাহিদা নাই। সৰবৰাহ থাকিব কিয়? কিন্তু সংবাদপত্ৰৰ বাবে সম্পাদকীয়তো খুবেই জৰুৰী। সম্পাদকীয়ক সংবাদপত্ৰৰ মেৰুদণ্ড বুলি কোৱা সংগত হয় নে নহয়, সেয়াও এক জিজ্ঞাসা।

সংবাদপত্ৰই সংবাদেই দিয়ে; কিন্তু প্ৰত্যেক সংবাদপত্ৰৰ এটা নিজস্ব দৃষ্টিভংগী থাকে। সংবাদপত্ৰ কোনো যন্ত্ৰ নহয়। এক জীৱন্ত সত্তা। তাৰ পাছত সেয়ে পৰিকল্পনা, নীতি, আদৰ্শ, লক্ষ্য, উদ্দেশ্য সকলো কিছু থাকে। অৰ্থাৎ এটা কেন্দ্ৰ থাকে, যাক মস্তিষ্ক বুলি ক'ব পাৰি। আৰু এই যে কেন্দ্ৰ সেয়া ধৰা পৰে সম্পাদকীয়ত। সম্পাদক অবিহনে যেনেকৈ পত্ৰিকা নহয়, সম্পাদকবিহীন পত্ৰিকা তেনেকৈ অসম্ভৱ। সম্পাদকীয় পাঠকৰ বাবে উপকাৰী।

কোনো সংবাদপত্ৰই নিৰপেক্ষ নহয়। হোৱা সম্ভৱো নহয়, উচিতো নহয়। কিয়নো সকলো সংবাদৰ ভিতৰতে এটা দ্বন্দ্ব থাকে। আচলতে ভিতৰৰ দ্বন্দ্বৰ পৰাই বাহিৰৰ সংবাদটো তৈয়াৰ হয়। পত্ৰিকাৰ চূড়ান্ত সাফল্য নিৰ্ভৰ কৰে, তাৰ গুৰুত্বৰ ওপৰত। আৰু এই গুৰুত্বৰেই এটা উৎস হৈছে সম্পাদকীয়। সম্পাদকীয়ক যেতিয়া গুৰুত্ব দিয়া হয়, তাৰ পিনে যেতিয়া চৰকাৰ, পাঠক, নীতি-নিৰ্ধাৰকবোৰে চাই থাকে, তেতিয়া বুজা যায় যে পত্ৰিকাখন খুবেই প্ৰভাৱশালী।

মতাদৰ্শৰ বিষয়ত চিন্তা, অংগীকাৰ আৰু দ্বন্দ্ব তিনিওটাৰেই খুব অভাৱ আজি দেশত। এই অভাৱে আমাক আগুৱাবলৈ দিয়া নাই। সংবাদপত্ৰই এই বিষয়ত আমাক অৱশ্যেই সাহায্য কৰিব পাৰে।

**তিনি**

সমাজৰ দুষ্ট চক্ৰই ধ্বংস কৰি দিছে দেশৰ তাৰুণ্যক। প্ৰাতিষ্ঠানিক দুৰ্নীতিয়ে গ্ৰাস কৰিছে চৌপাশ। মানুহৰ মানৱিক মূল্যবোধৰ স্থানবোৰ নষ্ট হৈ গৈছে। অনিয়মেই এতিয়া নিয়ম। অস্বাভাৱিকতাকে আমি স্বাভাৱিক প্ৰক্ৰিয়া হিচাপে গ্ৰহণ কৰিছো। এতিয়া ভালক ভাল বুলি কোৱা নাযায়। নষ্টামি ভণ্ডামিৰ বহু বেছি প্ৰাধান্য। মানুহ প্ৰভাৱশালীৰ কাষত জিম্মি। তাৰ পাছতো কাৰো একো ক'বলগীয়া নাই। সামাজিক আৰু নৈতিক মূল্যবোধৰ কোনো মূল্য নাই। জীৱনৰ স্বাভাৱিক প্ৰক্ৰিয়াবোৰ পংগু হৈ গৈছে। অন্যায়ক এতিয়া কোনেও অন্যায় বুলি মনে নধৰে। বৈষম্য বাঢ়িছে মানুহে মানুহে।

বিজ্ঞানৰ অভূতপূৰ্ব উন্নতিত পৃথিৱীৰ বহু কিছু সলনি হৈ গ'লেও কিছু বস্তু আগৰ দৰেই আছে। জীৱনত উন্নতি কৰিবলৈ হ'লে পৰিশ্ৰমৰ কোনো বিকল্প নাই। পৰিশ্ৰম সৌভাগ্যৰ প্ৰসূতি। পৃথিৱীৰ কোনো মানুহেই সৌভাগ্য লৈ জন্মগ্ৰহণ নকৰে। কৰ্মৰ মাধ্যমত নিজৰ ভাগ্যই গঢ় লয়। পৰিশ্ৰমে বৈ আনে সৌভাগ্য। নিষ্ঠা, একাগ্ৰতা, উদ্যম, আন্তৰিক প্ৰচেষ্টা আৰু কঠোৰ পৰিশ্ৰমৰ মাধ্যমতেই নিজৰ ভাগ্য সলনি হয়। সেয়ে কোৱা হয় পৰিশ্ৰমেই সৌভাগ্যৰ চাবি-কাঠি। কঠোৰ পৰিশ্ৰমেই হ'ল উন্নতিৰ চাবি-কাঠি। যি জাতি যিমান বেছি পৰিশ্ৰমী, সেই জাতি সিমান বেছি উন্নত।

ধৰ্মৰ কাৰণে যুদ্ধ-বিগ্ৰহ, অত্যাচাৰ-নিৰ্যাতন, হানা-হানি, মাৰা-মাৰি সংঘৰ্ষৰ ইতিহাস বহুত পঢ়িছো। সংঘৰ্ষৰ ইতিহাসক সম্প্ৰীতিৰ ইতিহাসত পৰিণত কৰিবলৈ একমাত্ৰ শুভবুদ্ধিৰ মানুহৰ পক্ষেই সম্ভৱ। মানৱতাৰ ধৰ্মতকৈ ডাঙৰ ধৰ্ম পৃথিৱীত আন একো নাই। ধৰ্মৰ সবাতোকৈ ডাঙৰ দিশ মানৱতা। মানৱতা উধাও হ'লে ধৰ্মত একো নাথাকে। ধৰ্মৰ পৰা মানৱতা উধাও

**অসমীয়া জাতিৰ সবাতোকৈ লজ্জাজনক দিশটো হ'ল মজ্জাগত ভণ্ডামি আৰু কপটতা। এই মাৰাত্মক ব্যাধিক মই ঘৃণা নকৰি নোৱাৰো। জন্মৰ পৰা মৃত্যু পৰ্যন্ত যি নীতিটো অসমীয়াৰ জীৱনত সবাতোকৈ অৱহেলিত আৰু অপমানিত হয় তাৰ নাম সত্যনিষ্ঠা**

হোৱা বহুত দেখিছো জীৱনত।

কবি নজৰুলৰ দৰে অসাম্প্ৰদায়িক চেতনাৰ মানুহ বিৰল। নজৰুলে লিখিছিল ঃ

মোৰা এক বৃন্তে দুটি কুসুম
হিন্দু-মুছলমান
মুছলিম তাহাৰ নয়নমণি
হিন্দু তাহাৰ প্ৰাণ।

ৰক্ষণশীল মুছলমানে নজৰুলক কাফেৰ আখ্যা দিছিল আৰু গোড়া হিন্দুৱে নজৰুলক বৰ্জনৰ আহ্বান জনাইছিল। সত্য শুনিবলৈ কাৰো ভাল নালাগে বাবেই নজৰুল সম্পাদিত পত্ৰিকা 'ধূমকেতু' নিষিদ্ধ কৰিছিল শাসকবৰ্গই। ইয়াতেই শেষ নহয়। তেওঁক কৰিছিল কাৰাৰুদ্ধ; কিন্তু কাৰাগাৰতো স্তব্ধ হোৱা নাছিল নজৰুলৰ কলম। নজৰুলে তেওঁৰ কৰ্মৰ মাজেৰে দেখুৱাই গৈছে কিবা কৰিব খুজিলে যিকোনো পৰিৱেশতে কৰা যায়।

**চাৰি**

ধৰ্মক পুঁজি কৰি মুনাফা অৰ্জন। ধৰ্ম এতিয়া জাগতিক। ধৰ্ম এতিয়া চকুৰে দেখা যায়। ধৰ্ম এতিয়া ব্যক্তিগত বিষয় নহয়। সংঘবদ্ধ শক্তি। ভোটৰ বাকচত ধৰ্ম এক অদৃশ্য ছীল-মোহৰ। ধৰ্ম এতিয়া বৃহৎ ৰাজনীতি।

দীৰ্ঘদিনৰ লালিত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িকতাই আমাৰ সমাজ আৰু ৰাষ্ট্ৰক এনেভাৱে বিভক্ত কৰিছে যে দেশ-জাতি-ধৰ্ম-সংস্কৃতি সম্পৰ্কে সুস্থ আৰু যুক্তিপূৰ্ণ চিন্তাৰ প্ৰকাশ কঠিন। অসুস্থ সামাজিক পৰিৱেশতো এক অসাম্প্ৰদায়িক প্ৰগতিশীল মধ্যশ্ৰেণী গঢ়ি উঠিছে যদিও তেওঁলোকৰ ত্যাগৰ মনোভাৱ নাই। আনপিনে শাসক শ্ৰেণী ইতিহাস, ঐতিহ্য আৰু জাতীয়তা সম্পৰ্কে সচেতন নহয়। তাৰ ফলত কোনোবাই এনে কথা-বাৰ্তা কয় আৰু কৰ্ম-কাণ্ড কৰে, যি সমগ্ৰ জাতিৰ লজ্জাৰ কাৰণ হয়।

দ্বিজাতিতত্ত্ব আচলতে জিন্নাৰ সৃষ্টি নহয়। দ্বিজাতিতত্ত্বৰ জন্মদাতা হিন্দু মহাসভাৰ দেৱতাতুল্য নেতা বীৰ চাভাৰকাৰ। ১৯৩৭ত আহমেদাবাদৰ হিন্দু মহাসভাৰ সৰ্বভাৰতীয় সন্মিলনত বীৰ চাভাৰকাৰে কৈছিল ঃ ভাৰতীয়বোৰ এক জাতি— এই সত্য মানি ল'বলৈ মই নাৰাজ। ভাৰতীয়বোৰ আচলতে দুই জাতি। হিন্দু আৰু মুছলমান। সেই সময়ত ব্ৰিটিছৰ পোষ্য আধা মুছলমান, আধা পাৰ্চী জিন্নাই মৌলবাদী হিন্দু চাভাৰকাৰৰ কথাখিনি হৃদয়ংগম কৰি মুছলিম লীগৰ কৰাচী সন্মিলনত কৈছিল ঃ চাভাৰকাৰে সম্পূৰ্ণ সত্য কথাই কৈছে। ভাৰতীয়বোৰ আচলতে দুই জাতি। হিন্দু আৰু মুছলমান। তাতেই দ্বিজাতিতত্ত্বৰ সূচনা হৈ সাম্প্ৰদায়িক বিভেদৰ বিষবৃক্ষ পোতা হৈছিল।

**পাঁচ**

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহি গুৰুজনাক অপমান কৰি গ'ল উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে। 'শংকৰদেৱৰ বাবেহে কংগ্ৰেছৰ তুষ্টিকৰণৰ ৰাজনীতিৰ পৰা ৰক্ষা পৰিল অসম।' এয়া যোগী আদিত্য নাথৰ অমৃত বচন।

অগপৰ প্ৰাৰ্থী ফণীভূষণ

বিজেপিৰ টুপী পিন্ধি দিলে মনোনয়ন

আধা অগপ আধা বিজেপি

এনেকৈয়ে দিন এনেকৈয়ে ৰাতি

নিৰ্বাচনৰ বতৰ এতিয়া। চলি আছে হৈ-হাল্লা। তামাচা। চলি আছে বাইক ৰেলি। চাইকেল ৰেলি। নৃত্য-গীত। হিমন্ত বিশ্বই গাড়ীৰ ওপৰত উঠিও চলাইছে প্ৰচাৰ। এখন ভৰি নিৰাপত্তাৰক্ষীয়ে খামোচ মাৰি আছে ধৰি। হে হৰি, যাতে নাযায় পৰি।

চলিছে গালি-গালাজ। গালি সকলো সমাজতেই আছে। পশ্চিমৰ সমাজতো গালি আছে প্ৰবলভাৱে; কিন্তু আমাৰ দেশৰ গালি সংস্কৃতিৰ স'তে ইয়াৰ ভিন্নতা আছে। দেশত গালিৰ মাজেৰে এজন মানুহক সামাজিক আৰু ব্যক্তিগতভাৱে হেয় কৰাৰ যি সংস্কৃতি আৰম্ভ হৈছে, সেয়া বেচ মৌলিক। সবাতোকৈ ডাঙৰ বিষয়, সেই গালি-গালাজত যুক্তিৰ ব্যৱহাৰ খুব এটা নাথাকে।

যুক্তৰাষ্ট্ৰভিত্তিক এছ'চিয়েছন অৱ ছাইক'লজিকেল ছায়েন্সত এক গৱেষণামূলক নিবন্ধ প্ৰকাশিত হৈছিল। লেখক মনোবিদ টিমোথি জে। নিবন্ধৰ শিৰোনাম আছিল 'দ্য ইউটিলিটী এণ্ড ইউবিকুইটী অৱ টাবু ৱাৰ্ডছ।' তাত লেখকে কৈছে যে গালি দিয়াটো বহুখিনি গাড়ীৰ হৰ্ণ বজোৱাৰ দৰে। আকৌ আনৰ প্ৰতিক্ৰিয়া দেখিবৰ বাবেও বহু সময়ত অশ্ৰাব্য শব্দ ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত মূলতঃ আনৰ চৰিত্ৰৰ ভিন্নৰূপ বাহিৰ কৰি অনাৰ চেষ্টা থাকে।

**ছয়**

সকলো গুণৰেই এক সৰ্বোচ্চ মান থাকে। যাক অতিক্ৰম কৰিলে এজন মানৱ মহামানৱৰ পৰ্যায়লৈ উন্নীত হয়।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*



# ঘঁহি দিলে ৰং এওঁ কৰে খং

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি, অহা দেওবাৰে দৌলগোবিন্দ মন্দিৰলৈ যোৱাৰ কথা কোৱা নাছিল আপুনি?

— অ' কৈছিলো। পিছে কি হ'ল?

— হওঁতে তেনেকৈ বিশেষ একো হোৱা নাই।

— তেনেহ'লে কিয় সুধিলা ? নে তোমাৰ কিবা লেঠা লাগিল?

— লেঠা একো লগা নাই। মই অন্য এটা কথাহে ভাবিছো।

— ক'ৰবালৈ যাব লগা হ'লেই তোমাৰ সেই ভবা-চিন্তাবোৰ অলপ বেছি হয়। ইমানদিনে সেই কথাটো মই কিন্তু লক্ষ্য নকৰাকৈ থকা নাই দেই।

— নহয়, মই ক'ব খুজিছো...।

— তাৰ মানে তুমি নোযোৱা। ফেৰিত উঠিবলৈ ভয় লাগে তোমাৰ। হয়নে?

— সেইটো নহয়।

— আমি ৰোপৱেৰে যাম দিয়া। বৰ মজা লাগিব। তুমিতো আগতে ৰোপৱেত উঠি পোৱা নাই? নে উঠিছা কেতিয়াবা?

— নাই উঠা।

— ভয় কৰিবলগীয়া একো নাই। বুজিছা? নমৰো দিয়া ইমান সোনকালে। আমি পাপী জীৱ যেতিয়া এই পৃথিৱীত কিছুদিন ভুঞ্জিবই লাগিব। ইয়াত কেৱল পূৰ্বজন্মৰ প্ৰায়শ্চিত্তহে কৰি আছো আমি। হয়নে?

— জন্ম, মৃত্যুৰ কথা মানুহে নাজানেই যেতিয়া ভয় কৰাৰ প্ৰয়োজনেই বা কি? সেইটো মই চিন্তা কৰা নাই দিয়ক।

— ৰ'বাচোন ৰ'বা। জন্ম-মৃত্যুৰ লগত বিবাহ নামৰ শব্দ এটাও আছিল নহয়, সেইটো দেখোন উল্লেখেই নকৰিলা তুমি?

— এনেয়ে কৰা নাই, তাতে কি হ'ল?

— এনেয়ে বুলি ক'লেই মানি ল'ম নেকি? নিশ্চয় কিবা কাৰণ আছে। নহ'লে এই শব্দটো মাজতে তুমি এৰি যোৱানে? কোৱাচোন কোৱা, কাৰণটো কি?

— এহ, আপোনাৰ আৰু ক'বলৈ আন কথা নাই নেকি?

— তাৰ মানে বাকী শব্দ দুটা নাজানিলেও মোৰ লগত যে তোমাৰ বিয়া হ'ব সেইটো আগতেই জানিছিলা। এতিয়া লাজ কৰিলে হ'ব কি! হয়নে নহয় কোৱা?

— চুপতি মাৰি থকাৰ সময় নাই মোৰ। মই যাওঁ।

— শুনাচোন শুনা।

— বেগতে কওক। ভাতৰ যা-যোগাৰ একোৱেই কৰা নাই। অলপ পাছতে ভোক লাগিছে বুলি তৎ নোহোৱা কৰিব নহয়।

— কোনদিনা তৎ নোহোৱা কৰিছোহে তোমাক? মিছাতে ভাল অপযশ এটা দিব পাৰা দেই।

— সেইবোৰ কথা এৰকচোন এতিয়া। ক'ৰ পৰা যে ক'লৈ যায় আপুনি। আচল কথাটো ক'ৰবাতেই পৰি থাকিল। আপুনি আজে-বাজে কথাতহে লাগিল।

— কি ক'লা তুমি? মই আজে-বাজে কথা কৈছো? মোৰ লগত কথা নাপাতা নাই, মোক বেয়া পোৱা তাতো মোৰ কোনো আপত্তি নাই। সেই বুলি তুমি....

— কিয়নো তেনেকৈ কয় আপুনি? কেতিয়া ক'লো আপোনাক বেয়া পাওঁ বুলি? আপোনাক কিমান ভাল পাওঁ মইহে জানো।

— আৰে, নকও দিয়া। ছিঃ ছিঃ নাপায় নহয়। এইখিনি কথাতে কান্দিলে কেনেকৈ হ'ব কোৱাচোন?

— মোৰ কিবা দুখ নালাগে নেকি?

— এহ ময়ো যে কি আৰু! হয়তো তোমাৰ কথাটোৱেই ঠিক। মই আচল কথাটো পাহৰিয়ে গৈছো। তুমি দৌলগোবিন্দ মন্দিৰলৈ যোৱাৰ কথা উলিয়াইছিলা নহয়!

— তাকেইতো ক'ব খুজিছো মই। নহ'লে অন্য এদিন যাম দিয়ক।

— হ'ব দিয়া, মোৰ কোনো আপত্তি নাই। তুমি ইমান দিনে খেচ খেচাই আছিলা বাবেহে কৈছিলো।

— মন্দিৰলৈ যোৱাৰ ইচ্ছাটোতো মোৰ আছেই। পিছে সেইদিনা ফাকুৱা নহয় জানো, সেই বাবেই কৈছো।

— ভালহে। তুমি একো নাজানা। সেইদিনাহে যাব লাগে। তাত কিমান ডাঙৰ উৎসৱ হয় তুমিতো দেখা নাই।

— নাযাও মই। ল'ৰাবোৰে যাকে তাকে ইমান বেয়াকৈ ফাকু দিয়ে। ফাকু ল'ব বেয়া পাওঁ মই।

— ফাকুৰ বহুত গুণ আছে বুজিছা? মানুহে এনেয়ে নলয় নহয়। ফাকুৱাৰ তাৎপৰ্য এটা নাই জানো?

— সেইটো হয়।

— ফাকুৱে যে বসন্ত ৰোগ নিৰাময় কৰে সেইটো জানানে নাই?

— হ'লেও ফাকু নলও মই।

— ফাকুৰ প্ৰতি তোমাৰ এনে বিতৃষ্ণা কিয় কোৱাচোন?

— ল'ৰাবোৰে যে সুবিধা বুজি যেনেকৈ তেনেকৈ, য'তে-ত'তে ৰং ঘঁহি দিয়ে...।

— দিয়ক দিয়া, এদিনহে দিব। ডেকা ল'ৰা, অকণমান স্ফূৰ্তি কৰিবই। ৰং দিলেও খং কৰেনে কোনোবাই!

— কি??

*ফোন ঃ ৯১০১৭৭৪৮৬৮*



# তুমি মুখখন ভালদৰে ধুই পেলাবা দেই

**ৰিজু হাজৰিকা**

**ঘৰত** পৰিয়ালৰ কোনোবা ভ্ৰমণ কৰিবলৈ গ'লে তেওঁক ৰেল ষ্টেচনলৈ আগবঢ়াই থ'বলৈ যোৱা, দবা বিচাৰি ছিট বিচাৰি তেওঁক বহুৱাই দিয়া, তাতে বহি একাপ চাহ খোৱা, বা বাদাম চানা আদি চোবোৱা বৰ স্ফূতিৰ কাম।

সিদিনা জগত চৌধুৰী গুজৰাটৰ এখন কনফাৰেন্সত যোগদান কৰিবলৈ নিমন্ত্ৰণ পোৱাত তেওঁৰ পত্নী ৰেল যাত্ৰাৰ চাৰিদিনমান আগৰ পৰা ব্যস্ত হৈ পৰিল। কাৰণ গিৰিয়েকজনৰ পাহৰা স্বভাৱটো বৰ বেছি। লেখা-মেলা কৰা টেবুলখনৰ পৰা আনটো ৰুমলৈ গ'লেও পাহৰি যায়— কি আনিবলৈ গৈছিল, কলমৰ সলনি দাখন লৈ আহে, মনত পৰিলে আকৌ গৈ দাখন থৈ কলমটো আনে। পদোৰামৰ মূৰৰ গামোচাখন ক'ত থ'লে পাহৰি গৈ বিচাৰি ফুৰে, ঘৈণীয়েকক সোধে মোৰ গামোচাখন ক'ত থ'লোহে? ঘৈণীয়েকে মূৰতে আছে দেখোন বুলি ক'লেহে লাজ পায়। জগৎ চৌধুৰীৰো তেনেকুৱা স্বভাৱ। গামোচাখন ধুতিৰ তলত আন্দাৰপেন কৰি পিন্ধি বিচাৰি ফুৰে, কামিজৰ তলৰ বুটাম ওপৰত মাৰে, পেণ্টৰ চেইন ডাল টানিবলৈ পাহৰিয়েই যায়, সৰু ফণীখন বেক পকেটত থৈ ড্ৰেছিং টেবুলত বিচাৰি ফুৰে। গতিকে ঘৈণীয়েকে চাৰিদিন আগৰে পৰা তেওঁৰ বস্তুবোৰ যতনোৱাত লাগি গ'ল।

গিৰিয়েকৰ বস্তুবোৰ যতনাই অনাটোও বৰ টান কাম। তেওঁৰ পকেটত তিনিখন ৰুমাল থাকিবই লাগিব— এখন মুখ মচা, এখন পিকমচা, এখনেৰে জোতা মচা। ফণী দুখন, গামোচা দুখন, পায়জামা, লংপেণ্ট, ধুতি ডাবল, চেণ্ডেল ডাবল, আন্দাৰপেণ্ট ডাবল ইত্যাদি সব ডাবল। তামোলৰ টোপোলা ডাবল। চূণ, ধপাত, জৰ্দাৰ টেমাও ডাবল। এজন গিৰিয়েকৰ ভ্ৰমণৰ যোগাৰ কৰাটো সহজ কাম নহয়। তথাপিতো চৌধুৰীৰ পৰিবাৰে ঘৰতো জিৰণি নোলোৱাকৈ যোগাৰখিনি কৰিছে। ভাগে ভাগে বান্ধি ভাগে ভাগে বেগতে সোমোৱাই ৰাখিছে।

সিদিনা চৌধুৰীয়ে অলপ সোনকালেই দুপৰীয়াৰ আহাৰখিনি খাই ল'লে। কাৰণ গাড়ীৰ টাইম তিনি বজাত। তেওঁ ভাল পোৱা আঞ্জাকে বনালে পৰিবাৰে। দাইলত দিয়া মিঠা আলু, কচু চকল কৰি ভাজিলে, ঔ টেঙা ৰান্ধিলে বৰালি মাছেৰে, তিল বড়া, দৈ, কল, গুৰ আদি চৌধুৰীয়ে ভাল পোৱা প্ৰত্যেকবিধ খাদ্য বনালে। পৰিবাৰে ক'লে— 'লাহে লাহে খাবা, সময় বহুত আছে। টিকট কনফাৰ্ম যেতিয়া একো চিন্তা নাই। তুমি আধা ঘণ্টা শুই ল'বও পাৰিবা। চৌধুৰীৰ এটা ভাল গুণ আছে— পৰিলেই টোপনি আহে। মানুহটোৰ কোনো টেনচন নাই, বিছনাৰ ভাল বেয়া একো বিচাৰ নাই। সৰুতে যাত্ৰা পাৰ্টি চাবলৈ যাওঁতে নাৰৰ বিছনাতে টোপনি যোৱা মানুহ। মুঠতে খাই উঠিয়েই বিছনাত বাগৰ দিলে।

এটা ঘোঁৰা বাগৰ দিয়েই চৌধুৰী উঠিল। মুখ-হাত ধুই কাপোৰ পিন্ধিলেই। কনকেও গাড়ী ৰেডি কৰি ৰাখিছে। মহানগৰতো ঘণ্টাত নব্বৈ কিলোমিটাৰ গাড়ী চলোৱা ড্ৰাইভাৰ তেওঁ। ঘৈণীয়েকে ক'লে— 'ইমান তাৰাতাৰি কৰিব নালাগে ৰ'বা, সময় আছে। লাহে-ধীৰে খোৱা, একাপ ৰঙা চাহ কৰি দিওঁ— খালে টোপনি ভাঙি যাব।' দিলে কৰি, খালে চৌধুৰীয়ে।

চৌধুৰীয়ে এইবাৰ সুধিলে— 'সকলো বস্তু ভৰোৱা হ'লনে তোমাৰ? এবাৰ পৰীক্ষা কৰা, কিবা ৰৈ যাবও পাৰে, ষ্টেছনত গৈ আৰু সময় নাপাবা।' পাৰিবাৰে ক'লে— 'আছে আছে সব ঠিক আছে। গাড়ীত বহি আকৌ এবাৰ চিন্তা কৰিব পাৰিম সব ল'লো নে নাই?' এইবাৰ চৌধুৰীয়ে নিশ্চিন্ত হ'ল। তেওঁ কাপোৰ পিন্ধাত লাগি গ'ল। কামিজ, পেণ্ট, ঠেঙা, কোটকে ধৰি কিমান যে পকেট থাকে পোছাক যোৰত। কোট, কামিজ, পেণ্টকে ধৰি কমেও ঊনৈশখন পকেট। ৰুমাল, ফণী, পইচা, কাগজ পত্ৰ, তামোলৰ টোপোলাকে ধৰি কিমান যে বস্তু পকেটবোৰত সোমোৱাব লাগে। সেই কাৰণে আগৰ দিনৰ মানুহ ভগবানসকলকে ধৰি কামিজ, ঠেঙা, কেটি আদি পিন্ধা নাছিল। তেওঁলোকে খালি গাত একোখন চাদৰহে মেৰিয়াই আছিল। গতিকে পকেটত একো বস্তুকেই লোৱা নাছিল। অৱশ্যে সাম্প্ৰতিক কালত আমাৰ যুৱক-যুৱতীসকলেও শৰীৰত আধা বস্ত্ৰহে পৰিধান কৰে।

যথাসময়ত গাড়ী ষ্টাৰ্ট দিলে। অৱশ্যে দেৱ-দেৱীসকলক সেৱা জনাই দুয়ো স্বামী-স্ত্ৰী গাড়ীত বহিল। তেতিয়া আছিল ইলেকচনৰ বতৰ, ৰাস্তাত গাড়ীৰ ভীষণ যান-জঁট। তথাপিতো কনকে কাটি কাটি গাড়ী আগুৱাই নি ষ্টেছন পৌচাই দিলে। গাড়ী ৰ'বলৈয়ে নাপায়, পোৰ্টাৰবিলাকে মন্দিৰৰ ভোগ খাবলৈ দৌৰি অহাৰ দৰে আহি চৌধুৰীহঁতক গাড়ীৰ পৰা নমাই লাগেজবোৰ মূৰত লৈ ক'লে— বাবু আয়িএ। চৌধুৰীহঁতো পিছে পিছে অনুসৰণ কৰিলে।

ইয়াৰ পাছত দবাবোৰ এফালৰ পৰা চাই চাই আগবাঢ়িল। পাই গ'ল তেওঁলোকৰ দবা। ছিটৰ নম্বৰ চাই বহি গ'ল। চৌধুৰীয়ে লাগেজখিনি ওপৰত তুলি থ'লে। চাহ বেচা ল'ৰা আহোতে চাহ দুকাপ আৰু নাস্তা কিনিলে। দুয়ো চাহ খাই থাকোতে গাড়ী যোৱাৰ ইঙ্গিত পালে। ইফালে পোৰ্টাৰজন ৰখিয়েই আছে টিপচৰ আশাত। গাড়ী লাহে লাহে ষ্টাৰ্ট হ'ল।

মিচেছ চৌধুৰীও নামি পৰিল। কিন্তু গাড়ীৰ হেণ্ডেল এৰি দিয়া নাই। সেই মুহূৰ্তটো অতি টেনচনৰ মুহূৰ্ত। শৰীৰত তৎ নাথাকে। ইফালে পোৰ্টাৰজনে টিপচ্‌ৰ আশাত হাত মেলিয়েই আছে। গাড়ীৰ স্পীড অলপ বাঢ়িল। চৌধুৰীয়ে মানি বেগটোৰ পৰা পইচা উলিয়াই হাতত ল'লে আৰু দবাৰ মুখলৈ আগবাঢ়ি আহিল আৰু হাতৰ পইচাখিনি ঘৈণীয়েকৰ হাতত দিলে আৰু পোৰ্টাৰজনক ডিঙিত ধৰি সেই দাড়ি গোফে ভৰোকাৰ মুখখনত চুমা খালে।

গাড়ীৰ স্পীড বাঢ়ি গ'ল। পৰ্টাৰজন আন পেচেঞ্জাৰক ধৰিবলৈ দৌৰিলে। মিচেজ চৌধুৰীয়ে লগে লগে ফোন লগালে—'ছিঃ ছিঃ তুমি তৎক্ষণাৎ মুখখন ভালদৰে ধুই লোৱা, সেই দাড়ি গোফে ভৰোকাৰ পোৰ্টাৰজনক চুমা খালা, মোক দিলা টিপচটো। ভালকৈ খাবা, শুবা, তাৰা হুৱা নকৰিবা, চাই-চিতিহে চুমা খাবা। বাই তা-তা। চৌধুৰী লাজতে মুচ-কচ যোৱাৰ দৰে হ'ল—ছিঃ।

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৮ মাৰ্চ, দেওবাৰ, ২০২১ পৃষ্ঠা ৫


# মনোৰমা আকাশ-কুঁৱৰী নীহাৰিকা জগত

**ড° অতুল চন্দ্ৰ শৰ্মা**






**২০১৬** পৰ্যন্ত সংগৃহীত মহাজাগতিক/ব্ৰহ্মাণ্ড সম্পৰ্কীয় প্ৰায়ভাগ তথ্য, বিৱৰণ আৰু আলোচিত বিষয়-বস্তু কম-বেছি পৰিমাণে আনুমানিক মতবাদ আছিল বুলি ক'ব পাৰি। কুৰি শতিকাৰ শেষৰ পিনে আৱিষ্কৃত আধুনিক টেকন'লজীৰে নিৰ্মাণ কৰা শক্তিশালী দূৰবীণ যন্ত্ৰ, পৃথিৱীৰ বায়ুমণ্ডলৰ বাহিৰত নিৰ্মিত বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ লগে লগে এক অভূতপূৰ্ব তথ্য সংগ্ৰহৰ সুবিধা হৈ উঠে। সেই সুবিধাৰে ২০১৬ত কৰা মহাজগত/ব্ৰহ্মাণ্ডৰ সম্ভৱপৰ জৰীপত নিৰ্ণয় কৰা তথ্যৰ মতে দৃষ্টিৰে ঢুকি পোৱা আমাৰ ব্ৰহ্মাণ্ডত আনুমানিক ২০ হেজাৰ কোটিৰ পৰা দুই কোটি নীহাৰিকা বিস্তাৰ হৈ আছে; আৰু তাৰ বেছিভাগেই তিনি হেজাৰৰ পৰা তিনি লাখ পোহৰ-বৰ্ষ ব্যাস-আয়তনৰ। আমাৰ নিজা নীহাৰিকা হাতীপটিৰ পৰা নিকটতম চুবুৰীয়া 'এন্দ্ৰোমিডা' নীহাৰিকা আঢ়ৈ কোটিৰ পোহৰ-বৰ্ষ দূৰত্বত ভ্ৰমণৰত হৈ আছে। (এইখিনিতে সহজে বুজা-পৰাৰ বাবে, পোহৰ-বৰ্ষৰ সবিশেষ পুনৰ বৰ্ণনা কৰিছো ঃ পোহৰ-ৰশ্মি বা আলোক-ৰেখাৰ গতিবেগ আমাৰ ব্ৰহ্মাণ্ডত (সম্ভৱতঃ সমগ্ৰ সৃষ্টিত বক্ষত!) অবিৰাম-অবাৰিত/অপৰিৱৰ্তনশীল ধ্ৰুৱক বা চিৰযুগমীয়া সংখ্যা বুলি গ্ৰহণ কৰা হৈছে। সৃষ্টিতত্ত্ব অন্বেষণত বৈজ্ঞানিক সমাজে তেনেকুৱা কে'বাটাও ধ্ৰুৱক সংখ্যা ব্যৱহাৰ কৰি আহিছে, তাৰে অন্যতম সংখ্যা হৈছে, পোহৰৰ গতিবেগ। যুগ-সৃষ্টিকৰ মহা-বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ যুগমীয়া 'থিয়ৰি অব ৰিলেটিভিটী' সমীকৰণ সূত্ৰৰ দৰে বিভিন্ন ৰহস্য সমাধানৰ বাবে গঢ়ি লোৱা গাণিতিক ইকুৱেছনত তাক ব্যৱহাৰ কৰি আহিছে। বিশেষকৈ, সহজ-সৰল ব্যৱহাৰৰ বাবে, তথাকথিত অনাদি-অনন্ত মহাকাশ/মহাশূন্য/নভোমণ্ডলৰ অসীম দূৰত্ব, আয়তন আৰু গাঁথনিৰ বৃত্তান্ত বনোৱাত আমাৰ গতানুগতিক মেট্ৰিক, আন্তৰ্জাতিক বা ব্ৰিটিছ একক মাত্ৰা পদ্ধতি ব্যৱহাৰ কৰিব নোৱাৰি'— ব্যৱহাৰ কৰিলে, গণনাত ওলোৱা সংখ্যাবোৰ 'কেৰালাতকৈ গুটি দীঘল' হোৱা সমস্যাৰ সৃষ্টি হয়। পোহৰ-ৰশ্মিৰ চিৰ-অপৰিৱৰ্তিত গতিবেগ, মানুহে ব্যৱহাৰ কৰি অহা প্ৰতি ছেকেণ্ড সময়ত ৪৭,৯৬৬,৭৯৩,২৮ কিলোমিটাৰ বা ২৯৯,৭৯২,৪৫৮ মাইল। সেই গতিত ভ্ৰমণ কৰা পোহৰ ৰশ্মিয়ে আমাৰ এবছৰ সময়ত ৯৪.০৪৮ কোটি কিঃ মিঃ বা ৫৮,৭৮০ কোটি মাইল দূৰত্ব অতিক্ৰম কৰে। এই দূৰত্বক মহাজাগতিক নভোমণ্ডল আৰু ব্ৰহ্মাণ্ডৰ দূৰত্ব জোখ-মাপত এক পোহৰ-বছৰ-আলোকবৰ্ষ একক হিচাপত লৈ গণনা কৰা হয়। সেই একক পদ্ধতি এই গ্ৰন্থত পৰিৱেশিত মহাজাগতিক আৰু ব্ৰহ্মাণ্ডৰ দূৰত্ব, আয়তন আৰু গঠনৰ জোখ-মাপ প্ৰকাশত ব্যৱহাৰ কৰা হৈছে। অকণ থমকি ৰৈ ভাৱক! আগৰ প্ৰসংগত উল্লেখ কৰা হৈছে যে গৱেষক বিজ্ঞানী সমাজে স্থান-স্থিতি আৰু সময়ক এক অবিচ্ছিন্ন একাকাৰ সত্তা বুলি কওঁতে কথাষাৰ আপচু যেন লাগিছিল নহয় জানো? পিছে, সময়ক দূৰত্ব জোখ-মাপত ব্যৱহাৰ কৰিলত কাল আৰু স্থানৰ সুকীয়া অস্তিত্ব থাকিল জানো?)।

**নীহাৰিকাৰ পৰিচিতি**

মহাকাশী নভোমণ্ডলৰ অন্যতম নিয়ন্ত্ৰক মহাকৰ্ষণ শক্তিয়ে প্ৰতিখন ব্ৰহ্মাণ্ডৰ বিৰাটকায় একোটা নিৰ্দিষ্ট অংশত, একে ৰীতি-নীতিৰে পৰিচালিত হৈ আছে। সমূহকে, নক্ষত্ৰপুঞ্জ, তাৰকা নিৰ্মাণ পদ্ধতিত ব্যৱহাৰ কৰিব নোৱৰা অৱশিষ্ট বস্তুজগত, আন্তঃনৈক্ষত্ৰিক ক্ষেত্ৰত থূপীকৃত হৈ থকা গেছীয় পদাৰ্থ জগত, মহাজগতৰ আৱৰ্জনাৰ স্তূপ আৰু অদৃশ্যমান তিমিৰাচ্ছন্ন তামস-অন্ধকাৰ শক্তিপুঞ্জক সহবাসী সংগঠন ৰূপত গঢ়ি তোলা গাঁথনিক নীহাৰিকা কোৱা হৈছে। আমাৰ নিজা নীহাৰিকা হৈছে আমাৰ ভাষাত হাতীপটি, ইউৰোপীয় ভাষাত আকাশী ছায়াপথ। অন্ধকাৰ নিশাৰ উৰ্ধ্ব-আকাশত ইমূৰৰ পৰা সিমূৰলৈ এক জ্যোতিৰ্ময় উজ্জ্বল পথ যেন লাগে; কিন্তু তাৰ ভিতৰখন ভৰি থকা জ্যোতিষ্ক মণ্ডলীক পৃথিৱীৰ পৰা ব্যক্তিগত ৰূপত দেখা নাযায়। আচলতে, সেই পথ অসংখ্য উজ্জ্বল তাৰকাৰ সমূহীয়া চিনাকি; গেছীয় বস্তু আৰু ধূলি-বালিৰ মেঘে ঢাকি ৰখা এক পোহৰৰ পটী!

আয়তনত গতানুগতিক নীহাৰিকা; আনুমানিক ১০ হেজাৰ কোটিৰ পৰা ৪০ হেজাৰ কোটি সৌৰজগত তথা নক্ষত্ৰ সৃষ্টিৰ সমূহীয়া বাসস্থান; আৰু বৃহৎ আয়তনৰ নীহাৰিকা কেন্দ্ৰত এশ কোটিৰো অধিক তাৰকা জগত বৰ্তমান। তাৰ প্ৰতিটো নক্ষত্ৰ, গ্ৰহ-উপগ্ৰহ, গ্ৰহাণু, জাগতিক/মহাজাগতিক অৱশেষ আৱৰ্জনা, ধূলি-বালি আৰু তামস শক্তিৰ সমষ্টিৰ সত্তাই নীহাৰিকা কেন্দ্ৰক প্ৰদক্ষিণ কৰি পৰিভ্ৰমণ কৰি আছে।

দৃশ্যমান আকৃতি আৰু গাঁথনিৰ ভিত্তিত নীহাৰিকা পুঞ্জক চাৰিটা মুখ্য বিভাগত ভাগ কৰা আছে ঃ বৃত্তাকাৰ/পিণ্ডকাৰ, উপবৃত্তাকাৰ, কুণ্ডলী-আকৃতি আৰু বিষম-আকৃতিহীন। প্ৰতি বিভাগৰ ভিতৰতো বেলেগ বেলেগ ভাগ আছে। কেতিয়াও দুখন নীহাৰিকা আকৃতি-প্ৰকৃতি বা আয়তনত একে নহয়। বৃত্তাকাৰ বন্ধ বা খোলা বেষ্টনীৰ হ'ব পাৰে। উপবৃত্তাকাৰ, দীঘল-চুটি ডিম্বাকাৰ ৰূপত, আৰু কুণ্ডলী-ভাগত শংখ-কুণ্ডলীৰ দৰে জটিল অথবা তুলনামূলক গঠনত সহজ-সৰল আকৃতিত গঢ়া হ'ব পাৰে। বিশেষকৈ, বিষম তথা আকৃতিহীন ভাগ বিভিন্ন গঠনৰ; যেনে— মেঘৰ গঠনহীন, ধেনুভিৰীয়া, ভাঁজ লগা বা সূতাৰ শলাৰ দৰে দীঘলীয়া। বিজ্ঞানৰ বৰ্ণনা অনুসৰি, ব্ৰহ্মাণ্ডৰ ৰীতি-নীতি অনুজ্ঞা বিধিৰে নিৰ্মিত, প্ৰশাসিত আৰু ক্ৰমবিকাশত নীহাৰিকাসমূহ নিয়াৰিকৈ সুন্দৰ ৰূপত সংগঠিত হৈ আছে; কিন্তু অৰীতি-অনীতিত গঢ়ি উঠা ভাগ অস্থিৰ, বিষম আৰু অনিয়মীয়া গঠনৰ। তেনেকুৱা সৰু-সুৰা অনিয়মীয়া নীহাৰিকা হ'লে, তাক নীহাৰিকাৰ সলনি 'নিবিউলা' বুলি কয়।




প্ৰায়ভাগ নীহাৰিকাৰ কেন্দ্ৰস্থানত একোটা অতিকায় বিধ্বংসকাৰী কৃষ্ণ-গহ্বৰ থাকিব পাৰে। তাৰ ভিতৰ ভাগৰ আকৰ্ষণ শক্তি আৰু ঘনত্ব-ভৰ অপৰিসীম পৰিমাণৰ। (সম্ভৱতঃ তেনেকুৱা অন্য এক কৃষ্ণ-গহ্বৰৰ বিস্ফোৰণত আমাৰ ব্ৰহ্মাণ্ডৰ জন্ম হৈছিল!) আচলতে, নীহাৰিকা কেন্দ্ৰস্থ কৃষ্ণ-গহ্বৰ একোটা মৃত্যু-কুণ্ড, —নীহাৰিকাৰ মৰিশালি। তাত পুৰণিকলীয়া বৃদ্ধ আৰু অক্ষম হৈ পৰা নক্ষত্ৰবোৰ 'ছুপাৰ-নভা', অথবা 'বামন নক্ষত্ৰ' হৈ নিজৰ সমূহ সৃষ্টিৰ স'তে কৃষ্ণ-গহ্বৰত বিলুপ্ত হৈ পৰেগৈ। আমাৰ নিজা নীহাৰিকা মিল্কী-ওৱে বা হাতীপটিৰ সোঁমাজত থকা কৃষ্ণ-গহ্বৰৰ ভিতৰ ভাগৰ ভৰ/ঘনত্ব আমাৰ নক্ষত্ৰ সূৰ্যতকৈ ৪০ লাখ গুণে বেছি বুলি বিজ্ঞানে নিৰ্ণয় কৰিছে। ২০১৬ৰ মহাজগত জৰীপত আৱিষ্কৃত আমাৰ ব্ৰহ্মাণ্ডৰ পৰা আটাইতকৈ পুৰণি আৰু দূৰণিত থকা, লগতে পৃথিৱীৰ পৰা কথমপি নিৰীক্ষণ কৰিব পৰা নীহাৰিকা সমষ্টি পৃথিৱীৰ পৰা প্ৰায় চাৰি হেজাৰ কোটি পোহৰ বছৰ দূৰত্বত পৰিভ্ৰমণ কৰি থকা প্ৰমাণিত হৈছে। সেই নীহাৰিকা আমাৰ ব্ৰহ্মাণ্ডৰ স্ৰষ্টা মহাবিস্ফোৰণৰ প্ৰায় ৪০ কোটি বছৰ আগেয়ে জন্ম হৈছিল বুলি ঠাৱৰ কৰা হৈছে।

আন্তঃনীহাৰিকা সংগম স্থান মহাজগত/মহাশূন্যৰ অংশ হিচাপে খালী ঠাই বুলি ক'ব পাৰি; কিন্তু এই অঞ্চলতো পাতল গেছীয় পদাৰ্থৰ পৰমাণু সিঁচৰতি হৈ আছে; কিন্তু তাৰ ঘনত্ব প্ৰতি লিটাৰ আয়তনত একোটা পৰমাণু পৰিমাণতহে বৰ্তমান। মানে, কাৰ্যতঃ সম্পূৰ্ণ শূন্য সত্তা আমাৰ স্থানীয় হাতীপটিৰ সংগম ক্ষেত্ৰৰ ঘনত্ব প্ৰতি লিটাৰত এটা পৰমাণুতকৈয়ো কম বুলি নিৰ্ণয় কৰা হৈছে।

ব্ৰহ্মাণ্ড জগতত নীহাৰিকা বিশেষ অকলশৰে নাথাকে। সাধাৰণতে, একোটা দল, সমষ্টি বা অতিকায় গোটত থূপ বান্ধি সন্মিলিত সংঘ আকাৰত বসবাস কৰি আছে। আমাৰ হাতীপটি ভীৰ্গো (জ্যোতিষ-শাস্ত্ৰত কন্যাৰাশি) নামৰ অতিকায় নীহাৰিকা গোষ্ঠীৰ এটা তেনেই সৰু অংশ মাথোন। নীহাৰিকা জগতৰ এই সংঘই গোষ্ঠী-দলীয় সম্প্ৰদায়বোৰৰ গঠন-আকৃতি সমতল-সমপৃষ্ঠ চেপেটাকায়ী, বিশাল সূতাৰ শলিতা সদৃশ দীঘল, আহল-বহল আকাশী ৰাস্তা বা ভাঁজ থকা কেকোঁৰা আকৃতিত দেখা যায়।

'যদি মহাবিস্ফোৰণ জাত ব্ৰহ্মাণ্ডক আমাৰ সৃষ্টিৰ নিৰ্মাতা, পৰিচালক আৰু নিৰাপত্তা দাতা পিতৃ ৰূপত প্ৰতিষ্ঠা কৰো, তেতিয়া নীহাৰিকাক তাৰকা-নক্ষত্ৰ, গ্ৰহ-উপগ্ৰহ, গ্ৰহাণু-পঁপীয়া-ধুমকেতুৰ লগতে আমাৰ সমগ্ৰ সৃষ্টিৰ পোহপাল দি নিয়ন্ত্ৰণ কৰা আমাৰ মাতৃ বুলি গণ্য কৰিব পাৰি। ব্ৰহ্মাণ্ড জগতৰ কোটি কোটি নীহাৰিক, অগণন নক্ষত্ৰ-গ্ৰহ-উপগ্ৰহ আদি সকলোৰে বসবাস ক্ষেত্ৰ যেন একপ্ৰকাৰ ব্ৰহ্মাণ্ডিক 'হেৰেম'ৰ তুল্য'— জ্যোতিৰ্বিজ্ঞানত এক মনোৰঞ্জক প্ৰসংগ।

**ব্ৰহ্মাণ্ড সৃষ্টিৰ ইতিহাসক লৈ আমেৰিকা নিবাসী প্ৰসিদ্ধ অসমীয়া বিজ্ঞানী ড° অতুল চন্দ্ৰ শৰ্মাৰ নৱতম গ্ৰন্থ 'সৃষ্টিৰ সংক্ষিপ্ত ইতিহাস'ৰ ধাৰাবাহিক প্ৰকাশ।**
**গ্ৰন্থখনৰ প্ৰকাশক ভাষা প্ৰকাশন, চান্দমাৰি, গুৱাহাটী**

## জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

### 'অসমৰ পদ্যবুৰঞ্জী'ৰ প্ৰণেতা দুতিৰাম হাজৰিকা স্বৰ্ণকাৰৰ ২১৫ বছৰীয়া জন্মজয়ন্তী পালন কৰোঁ আহক!

# মোৱামৰীয়া বিদ্ৰোহকে ধৰি আহোম ৰাজত্বৰ যথাযথ তথ্যভাণ্ডাৰ

**দ° দেৱব্ৰত শৰ্মা**

**বিগত** প্ৰায় একদশক জুৰি আমি এজন বিশিষ্ট বুৰঞ্জীবিদ-সাহিত্যিকৰ সন্ধানত আছিলো। তেখেত আন কোনো নহয় যোৰহাটৰ দুতিৰাম হাজৰিকা স্বৰ্ণকাৰ। সোতৰ শতিকাৰ শেহভাগৰ পৰা উনৈচ শতিকাৰ মাজ ভাগৰ আহোম (তথা বৃতিচ) ৰাজত্বকালৰ প্ৰায় 1679-1858 বছৰৰ বুৰঞ্জী অতি যথাযথভাৱে তথ্যসহকাৰে তেখেতে লিপিবদ্ধ কৰি গৈছে। জাতত তেখেত আহোম নাছিল; আছিল বৰ্তমানে অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত বৃত্তিয়াল বনিয়া সম্প্ৰদায়ৰ। কিন্তু পুৰন্দৰ সিংহ স্বৰ্গদেৱৰ ৰাজকাৰেঙলৈ তেখেতৰ অবাধ যাতায়ত আছিল। সেয়ে ৰজাঘৰৰ ভিতৰুৱা খা-খবৰ তেখেতে অনায়াসে পাই থাকিছিল।

আচৰিত কথাটো হৈছে এই তথ্যসমৃদ্ধ বুৰঞ্জীখন আদ্যোপান্ত পদ্যত ৰচনা কৰা হৈছিল। বুৰঞ্জীবিদজনৰ বিষয়ে জানিবলৈ বহুদিন জুৰিয়েই অনুসন্ধান কৰি আছিলো বিশেষ একো শুংসূত্ৰ পোৱা নাছিল। কিন্তু অলপতে শিৱসাগৰৰ বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঞিৰ সৌজন্যত দুতিৰাম হাজৰিকাদেৱৰ আজো-আজো নাতিনী শ্ৰীযুতা ৰীণা ধলুৱা দাসৰ লগত আমাৰ পৰিচয় হয়। তাৰপাচত আমাৰ সাদৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই শ্ৰীযুতা দাস আৰু তেখেতৰ কে'বাজনো আত্মীয়, বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঞিৰ সৈতে যোৱা 1-3-21 তাৰিখে উপস্থিত হয়হি আমাৰ মহাবিদ্যালয়ত। যোৰহাট মহাবিদ্যালয় আৰু জাতীয় ইতিহাসৰ যুটীয়া উদ্যোগত অনুষ্ঠিত সভাখনত বুৰঞ্জীবিদজনৰ স্মৃতিচাৰণৰ লগতে পদ্যবুৰঞ্জীখনৰ ওপৰতো আলোকপাত কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে বুৰঞ্জীবিদজনৰ স্মৃতিৰক্ষাৰ বাবে দ° দেৱব্ৰত শৰ্মাক সভাপতি, ৰীণা ধলুৱা দাস আৰু নবীন বুঢ়াগোহাঞিক উপসভাপতি আৰু দ° দিগন্ত কুমাৰ ফুকনক সম্পাদক হিচাপে লৈ তেখেতৰ 215 বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ বাবে এখন সমিতিও গঠন কৰে।

এতিয়া প্ৰশ্ন হ'ল পদ্যবুৰঞ্জীখনতনো আছে কি? মোৱামৰীয়া বিদ্ৰোহ সম্পৰ্কে থকা ইয়াৰ কেতবোৰ শাৰী তলত তুলি দিছোঁ ঃ

**"মালৌত মোৱামৰাৰ ভেঁটি**

সেহি সময়তে মোৱামৰাৰ মহন্তে।
কাকতল এৰি আসে সুতীয়াপতাতে।।
শিষ্যসব আসে যত সীমা সংখ্যা নাই।
সিসবৰ আগে তাৰ মহন্তেও কয়।।
ব্ৰহ্মপুত্ৰ দখিণে মালৌউ পথাৰত।
এক গুটি ভেঁটি মোক বান্ধি দিয়া আত।।
ইহাতেসে গৃহ কৰিবাৰ মন আছে।
নেদেখিয়া ভূমি জল আছে তাৰ কাছে।।
গাৰে গাৰে এক চপৰাক দিয়া মাটি।
সেহি চপৰাৰে হুইবে লাগে বৰভেঁটি।।
শুনি শিষ্যে এচপৰা কৰি মাটি দিল।
যেহেন পৰ্ব্বত সম বৰভেঁটি ভৈল।।...
...আসিল মৰাণ যত সীমা সংখ্যা নাই।
সুতীয়াপোতাৰ কোষে নুজুৰিলে ঠাই।।
আৰো থাকিলে বা কত কাকৰ তলত।
আমাত কৰিয়া চাৰ বুজিলোহোঁ আত।।
দিহিঙ্গৰ যিবা জন আছয় গোসাঞি।
তাহাঙ্ক আনিয়া মই কৰোঁহো আশ্ৰয়।।..."

(**অসমৰ পদ্য-বুৰঞ্জী**; পৃ.80-81)

মোৱামৰীয়া বিদ্ৰোহীৰ বিপৰীতে আহোম স্বৰ্গদেৱে দিহিং সত্ৰৰ লগত কৰা ৰণনৈতিক মিত্ৰতাৰ কথা ইয়াত উল্লেখ আছে ঃ

"...এক দিনা মহাৰাজা গুণয় মনত।
অনেক মহন্ত আছে মোহোৰ ৰাজত।।
তাৰাসবে কাকো নকৰয় অপকাৰ।
আশ্ৰয় কৰিলে ভাল আছয় আমাৰ।।...
দিহিঙ্গৰ যিবাজন আছে অধিকাৰ।
সিজন যোগ্য হোৱে মিত্ৰ কৰিবাৰ।।..."

(পৃ. 82)

উল্লেখযোগ্য যে দুতিৰাম হাজৰিকা নিজে দিহিং সত্ৰৰ অনুগামী আছিল আৰু দিহিঙক ৰাজসত্ৰ বুলি স্বীকৃতি দিয়া হৈছিল।

পুনৰ মোৱামৰীয়া বিদ্ৰোহৰ বিৱৰণ ইয়াত এনেকৈ পোৱা যায়, য'ত লেখকৰ মোৱামৰীয়া বিৰোধিতা ফুটি উঠে ঃ

**"মৰাণৰ আক্ৰমণ**

অল্প দিন ৰাজা হুয়া আছয় পাটত।
মৰাণেও খেদি লৈলা সেহি সময়ত।।
ৰাঘ নাহৰখোৱা দুই কিছু ফৌজ লৈই।
খেদিখোৱা বৰজনা গোহাঁইক দেখাই।।
কি কাৰণে মৰাণেও ৰাজ্য লৈবে তাক।
অনা যুদ্ধে আমাসাৰ পুৰী তুলিলেক।।
খোৱাৰ তনয় ৰমাকান্ত ৰাজা হয়।...
...সেহিমতে ৰাজা হুয়া আছে ৰমাকান্ত।
মগলীৰ জীয়ে দেখি বিষাদ মনত।।
আছে ৰাজ-ৰাণী হুয়া তভো আসে দুখ।
স্বভাৱে মৰাণ জাতি কিবা হুইবে সুখ।।
পাঞ্চে নৃপতিৰ পাশে লোক একজন।
আমাক ৰাখয় যদি নকৰিয়া ঘিণ।।
তেবে মৰাণক মাৰিবাক পাৰোঁ মই।
ঘৰিণী বুলিয়া মোক ৰাখিবে লাগয়।।
শুনি নৰপতিয়ে কহিলা সত্যবাণী।
যদি মাৰিবাক পাৰে হৈবে মোৰ ৰাণী।।
শুনি মগলিনীৰ মনত গুচে ভয়।
মৰাণক মাৰিবাৰ চিন্তিলা উপায়।।..."

(পৃ. 92-93]

আমি এই শিতানতে অহা দেওবাৰত পদ্যবুৰঞ্জীখনৰ বিষয়ে আৰু আলোচনা কৰিম। আজি এই বুলি সামৰোঁ যে বুৰঞ্জীখনৰ সামৰনিত গ্ৰন্থকাৰে নিজৰ পৰিচয় দিছে এইবুলি ঃ

"...নৱৈলেক জন্ম মোৰ চাৰি জাতি ঘৰে।
অকুলীন বুলি মোক সবে নিন্দা কৰে।।
জাতি-কুল বৰ্ণিক যে নাম দুতিৰাম।
জন্মৰধি বাসা মোৰ যোৰহাট গ্ৰাম।।..."

(পৃ. 183)

বৰ্তমান অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত বনিয়া সম্প্ৰদায়ৰ পৰা উঠি অহা এইজন মহান সাহিত্যিকৰ সন্দৰ্ভত তথ্য সংগ্ৰহত মুখ্য ভূমিকা লোৱা শ্ৰীযুতা ৰীণা ধলুৱা দাসৰ প্ৰতি আমি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ আৰু বুৰঞ্জীবিদজনৰ 215 সংখ্যক জন্মজয়ন্তীৰ অনুষ্ঠানত সকলোৰে সহযোগিতা বিচাৰিছোঁ।


লেখক **অসমীয়া জাতীয় অভিধান** তথা **জাতীয় ইতিহাস**ৰ মুখ্য সম্পাদক; ফোন ঃ 9435351255


## কেতিয়া পশুৰ স'তে মানুহৰ প্ৰভেদ নাইকিয়া হয়?

# জীৱনত উদ্দেশ্য কিমান অপৰিহাৰ্য

**নৰেন্দ্ৰ নাথ টায়ে**

**মানুহ** আৰু পশুৰ মাজত তুলনা কৰি শাস্ত্ৰকাৰসকলে লিখিছে— 'জ্ঞানং হি তেষাধিকো বিশেষ।' অৰ্থাৎ আহাৰ বিহাৰ ভয় নিদ্ৰা কামোচ্ছাৰৰ দৃষ্টিৰে মনুষ্য আৰু পশুৰ মাজত বিশেষ কোনো প্ৰভেদ নাই। শাৰীৰিক গঠনৰ ক্ষেত্ৰতো বৰ বেছি পাৰ্থক্য নাই— যেনে শৰীৰত প্ৰয়োজনীয় বস্তু যাৰ দ্বাৰা খোৱা-বোৱা, চলা-ফুৰা, মল-মূত্ৰ ত্যাগ আদি কাৰ্যৰ বাবে সৃষ্টিতে ভগৱানেও বিশেষ ব্যৱধান ৰখা নাই। কিন্তু ইমানবিলাকৰ ভিতৰতো অন্য প্ৰাণীতকৈ মানুহক কিছুমান বিশেষ বৈশিষ্ট্য প্ৰদান কৰিছে— যিটোক একে আষাৰে ক'ব পাৰি 'জ্ঞান'। মানুহৰ থকা-মেলা, খোৱা-বোৱা, ভাব-ভাষা আদিত বিশেষ বিশেষত্ব থকা বাবেই আৰু সেইবোৰৰ আধাৰতেই মানুহক বিশিষ্ট প্ৰাণীৰূপে গণ্য কৰিছে। মানুহ জীৱশ্ৰেষ্ঠ কাৰণ এই সকলোবোৰ লৈ অৰ্থাৎ মানুহৰূপে জীয়াই থকাৰ সমলবোৰ লৈ মানুহে নিত্য নৈমিত্তিক সুবিধা বিবিধ প্ৰকাৰে অৰ্জন কৰি জীৱন আগুৱাই নিব পাৰিছে; অৰ্থাৎ জ্ঞান আৰ্জন আৰু বিস্তাৰ কৰিব পাৰিছে। সাধাৰণভাৱে ইয়েই মানুহক তফাৎ কৰিছে। সাধাৰণ অৱস্থাত মানুহ জীয়াই থাকিবলৈ বা সাধাৰণভাৱে জীৱন-যাপন কৰিবলৈ সাধাৰণ পশু-পক্ষীৰ লগত কোনো পাৰ্থক্য নাথাকে। তেনেস্থলত মানুহ কিহৰ বাবে জীৱশ্ৰেষ্ঠ সংজ্ঞা পালে? এই প্ৰশ্নৰ উত্তৰ সহজেই দিব পাৰি যিটো হৈছে— মানুহৰ 'চিন্তা শক্তি'। চিন্তা শক্তি বা মনৰ জ্ঞান শক্তি আছে বাবেই মানুহ জগতৰ আটাইতকৈ শ্ৰেষ্ঠ। চিন্তাই হৈছে শক্তিৰ আধাৰ। এই চিন্তা শক্তিয়ে জগতত অন্য প্ৰাণীতকৈ মানুহক শ্ৰেষ্ঠতৰ কৰি ৰাখিছে। অসামঞ্জস্য প্ৰকৃতিক সামঞ্জস্য কৰি সজাই তোলাৰ কৌশল মানুহে জানে। তাৰ দ্বাৰাই পৃথিৱীত মানুহ মানুহ হিচাপে জীয়াই থকাৰ সমল পাইছে। ভাষা-সাহিত্যৰ সৃষ্টি কৰি তাৰ দ্বাৰাই ভাবৰ আদান-প্ৰদানৰ বাট মুকলি কৰিছে। চিন্তা শক্তিৰ বলত পৃথিৱীক শুধৰাই লৈ বা প্ৰকৃতিক নিজৰ মতে সাল-সলনি কৰি নিজৰ সুবিধাৰ্থে কৰি ল'ব পাৰিছে। অকল এয়েই নহয়—পৃথিৱীৰ সমস্ত লোকক লৈ সৃষ্টি আৰু সমন্বয় বজায় ৰাখিব পাৰিছে। ৰাস্তা-ঘাট-পদূলি ইত্যাদিক মানুহৰ নিত্যনৈমিত্তিক ব্যৱহাৰ্য বস্তুৰ সৃষ্টি কৰি লৈছে।

জগতত অন্য যিকোনো পদাৰ্থই নিজৰ উদ্দেশ্য আগত ৰাখি সেই মতে পৰিচালিত হৈছে। আনকি সূৰ্য আকাশত উদয় হৈছে নিৰ্দিষ্ট উদ্দেশ্য লৈ। সূৰ্যৰ উদ্দেশ্য হৈছে জগতক পোহৰ বিলোৱা; উত্তাপ আৰু জীৱন দায়িনী শক্তি প্ৰদান কৰি নিজৰ উদ্দেশ্য সম্পূৰ্ণ কৰা। তেনেকৈ বৃক্ষ, বনস্পতি, বায়ু, পানী, নদ-নদী, পাহাৰ সকলোৱে নিজস্বতা ৰক্ষা কৰি নিজ উদ্দেশ্য সাধন কৰি আছে।

এটা কথা আমি শিকি আহিছো। আমি জীয়াই থাকিম আমাৰ ভাল লগাকৈ। যিকোনো প্ৰকাৰে যেনে-তেনে জীয়াই থকা মানুহ মাত্ৰেই পাৰে। কিন্তু মনোমত এটা জীৱন-যাপন কৰা, সৰ্বতোপ্ৰকাৰে আপোনাক সুখী কৰিব পৰা জীৱন-জীৱিকা পাবলৈ আগতেই উদ্দেশ্য প্ৰণোদিত হ'ব লাগিব। সকলো সামৰ্থ্য থকা মানুহেই সুন্দৰ জীৱন এটা আশা কৰে আৰু তেনে আশা পূৰণ কৰিবলৈ সকুৰে পৰাই ইয়াৰ বাট বিচাৰিব লাগিব। ই সহজ নিশ্চয় নহয়— ই হ'ব একোটা যুঁজ দিয়াৰ আহ্বান। কিন্তু সামৰ্থ্য থকা মানুহে তাকেই বিচাৰে— নহ'লে মানুহৰূপে জীয়াই থকাৰ অৰ্থই বা ক'ত? ইয়াতেই পশু-পক্ষী আৰু মানুহৰ পাৰ্থক্য ওলাই পৰে। দাৰ্শনিক পণ্ডিতসবে এটা কথা হৈছে— 'উদ্দেশ্যহীনা পশুভি সমানাঃ'। অৰ্থাৎ যাৰ কোনো উদ্দেশ্য নাই তাৰ পশুৰ মাজত কোনো প্ৰভেদ নাই। মানুহ মানুহৰূপে জীয়াই থকাৰ অৰ্থই হ'ল— 'Struggle' অৰ্থাৎ জীৱন সংগ্ৰাম। সংগ্ৰামৰ দ্বাৰা যি কৃতকাৰ্যতা লাভ কৰা যায় তাৰ সোৱাদো বেলেগ। সেই ফলাফল অতি মধুৰ, তাকে পাবলৈ মানুহে অহৰহ চেষ্টা কৰিব লাগে। কিবা এটা কৰাৰ উদ্দেশ্য সন্মুখত নাথাকিলে সেয়া পোৱা নাযায়। উদ্দেশ্য আগত ৰাখি সেই মতে চেষ্টা কৰি ফলাফল পোৱা সন্মান আৰু গৌৰৱেৰে জীয়াই থকাৰ জীৱনৰ লক্ষ্য হোৱা উচিত। বহু ক্ষেত্ৰত তেনেদৰেই সফল হোৱা বহুকেইটা উদাহৰণ দিব পাৰি। তেনে এটা সুন্দৰ উদাহৰণ সিদিনা ১৪ ফেব্ৰুৱাৰী, ২০২১ত আমাৰ অসমত প্ৰকাশিত বাতৰি এনে ধৰণৰ। ২০ বছৰীয়া আমেৰিকাৰ এলিছা কাৰ্ছন। তেওঁ তিনি বছৰ বয়সতে মংগল গ্ৰহলৈ নাছাৰ প্ৰথম মহাকাশচাৰীৰূপে যাবলৈ সাজু। ২০৩০ত নাছাই Mars Tৰ তেওঁলোকৰ প্ৰথমগৰাকী মহাকাশচাৰীৰূপে এলিছা কাৰ্ছনক মংগল গ্ৰহলৈ প্ৰেৰণ কৰিবলৈ প্ৰস্তুত। ২০০১ৰ ১০ মাৰ্চত জন্মগ্ৰহণ কৰি এলিছা কাৰ্ছনে তিনি বছৰ বয়সত তেওঁৰ পিতৃ বাৰ্ট কাৰ্ছনক কৈছিল—'ডেডি,— মই ডাঙৰ হ'লে নভোচৰ হ'ম আৰু প্ৰথম মহাকাশচাৰী হৈ মংগল গ্ৰহলৈ যাত্ৰা কৰিম। সেই মুহূৰ্তত বাৰ্ট কাৰ্ছনক মংগল গ্ৰহৰ মানৰ অভিযান সম্পৰ্কে কোনো ধাৰণা নাছিল। কিন্তু এলিছা ডাঙৰ হৈ অহাৰ লগে লগে তেওঁ কন্যাৰ ইচ্ছা পূৰণৰ বাবে কৰিব পৰা সকলোবোৰ কামেই কৰি আছে।

মংগল গ্ৰহৰ পৰা পৃথিৱীৰ দূৰত্ব ১৯৬.৩৪ নিযুত কিলোমিটাৰ। সেয়ে পৃথিৱীৰ পৰা মংগলত উপস্থিত হ'বলৈ ছয়-আঠ মাহৰ প্ৰয়োজন হয়।'

উদ্দেশ্য প্ৰস্তুত কৰি লোৱাটোত স্বভাৱগতভাৱে ঢাল খাব লাগে। অদৰকাৰী আৰু ক্ষতিকাৰক উদ্দেশ্য আগত লৈ আগবাঢ়িব নালাগে; প্ৰস্তুতিও চলাব নালাগে। অদৰকাৰী বা গুৰুত্ব দিব নলগীয়া বিষয়টো যেনেদৰে হেলাৰঙে ত্যাগ কৰিব পাৰি বা কৰাৰ প্ৰয়োজন তেনেদৰে অতি প্ৰয়োজন আৰু মহৎ উদ্দেশ্য সাধন কৰিবলৈ তেওঁলোকৰ উদ্দেশ্য শিথিল হ'ব নালাগিব। এইখিনিতে মনত ৰাখিবলগীয়া কথাটো হৈছে—কিমান উৎকৃষ্টতা বা নিকৃষ্টতাক লৈ আমি জীৱনৰ উদ্দেশ্য বান্ধি ল'ব পাৰো। কথাটো হৈছে— মানুহ এজনেই। সকলো মানুহে সকলো সময়তে সকলো বিধৰ উৎকৃষ্টতা সাধিব নোৱাৰে। উদাহৰণ স্বৰূপে যেনেকৈ এজন বৈজ্ঞানিকে একে সময়তে দেশৰ বা বিশ্বৰ ৰাজনীতিত মূধাফুটা ব্যক্তি হ'ব নোৱাৰে। এইখিনিতে দাৰ্শনিক গ্যাটে কোৱা কথা প্ৰণিধানযোগ্য। তেওঁ কৈছিল—One can not always be a hero, but one can always be a man. অৰ্থাৎ সকলো ক্ষেত্ৰতে নায়ক হোৱাটো সম্ভৱ নহয়— কিন্তু মানুহটো হ'ব পাৰি। মানুহৰ শৰীৰ বা জীৱন এটাই। গতিকে এটা শৰীৰৰে যি ইচ্ছা তেনেকৈ হোৱা সম্ভৱ নহ'ব পাৰে। সেই কাৰণে নিজৰ ইচ্ছা নিজৰ ক্ষমতা, নিজৰ সামৰ্থ্যৰ ওপৰত ধ্যান ৰাখিব লাগে যাতে নৈতিকতা আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰা আঁতৰি নাযায়। জ্ঞানী লোকেও কৈছে— নৈতিক বিকাশ আৰু চাৰিত্ৰিক সংগঠনেই হৈছে অধ্যাত্মৰ বিশুদ্ধ উদ্দেশ্য। সকলোৱেই সেই জ্ঞানৰ আলম লৈ নিজেও তৃপ্তও হ'ব লাগিব। তাতো সাধাৰণ প্ৰাণী আৰু মনুষ্যৰ বিভিন্নতা ওলাই পৰিব। যিজনে নিজৰ নৈতিক আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰা আঁতৰি নাযায় তেওঁলোকৰ উদ্দেশ্যত একাত্মতা আৰু আন্তৰিকতা সদায় বৰ্তি থাকিব আৰু তেওঁলোকে কোনো বাধা-বিঘিনিলৈ ভ্ৰূক্ষেপ নকৰি নিজৰ উদ্দেশ্যৰ উত্তৰণ ঘটাবলৈ প্ৰয়াস কৰে। উদ্দেশ্য সাধনত তেনে স্থিতি যিয়ে বনাই ল'ব পাৰিছে তেওঁলোকে কোনো বাধা-বিঘিনিৰ প্ৰতি লাই নিদিয়ে। এই কথা মনত ৰখা উচিত যে বিবেচনাৰে কাম কৰিলে তাত সফল নোহোৱাৰ কথাই নাহে। ইপিনে যিটো সম্ভৱ নহয়গৈ তেনে এটা উদ্দেশ্য আগত ৰাখি কামত ধৰিলে সেই কাম আধা কেঁচেলুৱা হৈ পৰিব পাৰে লগতে তেওঁৰ নৈতিক বলৰ প্ৰতিও অনীহা আহিব পাৰে। তেনে দোমোজাত কাম কৰিব গ'লে একোৰেই সম্পূৰ্ণ হৈ নুঠিবগৈ পাৰে।

সন্দেহ নাই জীৱনৰ লক্ষ্যত উপনীত হোৱাটোত বা উদ্দেশ্য সফল হোৱাটো সদায়েই কঠিন— কিন্তু তেনে কঠিনতাক অতিক্ৰম কৰি যি আগবাঢ়ি যাব তেওঁ লক্ষ্যস্থান গৈ পাবই। উদ্দেশ্য সাধনত বা লক্ষ্যত উপনীত হ'বলৈ বিশেষ উপাদানবিলাকৰ ভিতৰত সংকল্প শক্তি আৰু উচ্চাকাংক্ষা অতি প্ৰয়োজন। উদ্দেশ্য নিৰ্ধাৰণ কৰি তাক সাকাৰ ৰূপ দিবলৈ বা সেই উদ্দেশ্য পূৰণৰ বাবে ঘাই কথা হৈছে সংকল্প শক্তি। মনত ইচ্ছা থাকিলেই সকলো ইচ্ছা বা উদ্দেশ্য পূৰণ নহয় যেতিয়ালৈকে সেই উদ্দেশ্য পূৰণ কৰিবলৈ দৃঢ়তাৰে আগবাঢ়ি নাযায়। সেই দৃঢ়তাত সংকল্প শক্তি থাকিব লাগিব। সংকল্প শক্তি হৈছে এক ধৰণৰ আধ্যাত্মিক শক্তি। আন্তৰিক দৃঢ়তা, স্থিৰতা আৰু একাগ্ৰতাৰ অভাৱে উদ্দেশ্য সাধনত বিফলতা আনিব পাৰে।



সংকল্প শক্তি অবিহনে হোৱা বিফলতাক নিয়তিয়ে কৰা বুলি ভাবে। কিন্তু নিয়তিক দোষ দিয়া কোনো বিবেকৰ কাম্য নহয়। নিজৰ সংকল্প অটুট ৰাখি জগতত মহত্ত্ব দেখুওৱাৰ বহু উদাহৰণ দিব পাৰি। উদ্দেশ্য নিৰ্ধাৰণত উচ্চাকাংক্ষাৰ বোধ থাকিবই লাগিব। বিৰাট কাম এটা কৰিবলৈ যাৰ আকাংক্ষা আছে তেৱেঁই উচ্চাকাংক্ষী। চুফী সন্ত বুল্লেছাহে এজন জিজ্ঞাসু যুৱকক কৈছিল— জীৱনৰ লক্ষ্য, হৃদয়ত উচ্চ আকাংক্ষা আৰু উচ্চ সপোনেৰে পূৰ্ণ কৰি লোৱা। লক্ষ্য আৰু উচ্চাকাংক্ষা নাথাকিলে আন্তৰিক একাগ্ৰতাৰ পৰা বঞ্চিত থাকিবা। নিজৰ আন্তৰিক শক্তিবোৰক একত্ৰ কৰি জীৱন আৰু জগতৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ লক্ষ্য সততে ৰক্ষা কৰে আৰু কেৱল তেৱেঁই ব্যক্তিত্ব নিৰ্মাণ কৰিব পাৰে। যুৱকজনে বুল্লেছাহক সুধিলে— এইটো কেনেকৈ হয়? এই প্ৰশ্নত তেওঁ ক'লে—'মাটিত পোট খাই থকা বীজলৈ চোৱা। কিদৰে নিজৰ সমস্ত শক্তি গোটাই মাটি ভেটি ওপৰলৈ উঠে। সূৰ্য দৰ্শনৰ প্ৰবল আকাংক্ষাই তাক অংকুৰ বনায়। ইয়াৰ প্ৰেৰণাতেই নিজৰ ক্ষুদ্ৰতাৰ পৰা বাহিৰ হয়। জীৱনত কিবা এটা পাবলৈ অলপ এনেকুৱা উচ্চাকাংক্ষাৰ আৱশ্যক। যেতিয়া এনেকুৱা হ'ব তেতিয়া জীৱন আৰু জগতত যি আটাইতকৈ গুৰুত্বপূৰ্ণ তাক পোৱাৰ আকাংক্ষা নিজেই পূৰ্ণ হৈ যাব।' মাত্ৰ এইটোৱে মনত ৰখা উচিত যে নিজৰ দক্ষতা আৰু সামৰ্থত্যাৰ ওপৰত বিশ্বাস ৰাখি এনে আকাংক্ষা পুহিব লাগে। ইংৰাজ কবি, দাৰ্শনিক Longfellow ই কৈছে— Most People would succeed in small things if they were not troubled with great ambitions তাৰ মানে মানুহৰ আকাংক্ষা উচ্চ হ'ব লাগে তেওঁৰ দক্ষতা আৰু সাধ্য অনুযায়ী— নহ'লে ইয়েই মানুহক অসন্তুষ্টি কৰায়, নিৰাশাত ভোগায় আৰু উচ্চাকাংক্ষা পৰিত্যাগ কৰাৰ চিন্তা কৰোৱায়। হাড় ভাগি যোৱাকৈ দীঘল জাঁপ কেতিয়াও মাৰিব নালাগে যিটোৰ পৰা ভৱিষ্যতেও আৰু ওপৰলৈ যোৱাৰ চিন্তাই বাদ দিব লগা হয়। নিজে কৰিব পৰাৰ ভিতৰত উচ্চ আকাংক্ষা ৰাখি তেনেদৰে কৃতকাৰ্যতা লাভ কৰাৰ পাছত পৰৱৰ্তী সময়ত আৰু উচ্চতাৰ কথা ক্ৰম অনুসাৰে ভাবিব পাৰি। মানুহে ভৱিষ্যৎ চিন্তনৰ সময়ত দীৰ্ঘম্যাদী বা হ্ৰস্বম্যাদী আঁচনি লৈ উদ্দেশ্যৰ অংশ কৰি লোৱা উচিত। সেই আঁচনি অনুসৰি কাম কৰি গৈ থাকিলে তেনে কামৰ অৰ্থাৎ উদ্দেশ্য সাধনৰ গতি নিৰূপণ কৰিব পাৰি। এনেবোৰ কাৰণতেই মানুহ জীৱশ্ৰেষ্ঠ। এনে আঁচনি অন্য প্ৰাণী বা জীৱ-জন্তুৰ দ্বাৰা সম্ভৱ নহ'ব পাৰে আৰু এনে চিন্তা প্ৰক্ৰিয়াই মানুহ আৰু জীৱ-জন্তুৰ মাজত প্ৰভেদ আনি দিব পাৰিছে। মানুহৰ জীৱনৰ পৰিসৰত এনেবোৰ আঁচনিয়ে সময় অনুসাৰে উদ্দেশ্য সাধনত কাম কৰাৰ সুবিধা দিয়ে।

উদ্দেশ্য কে'বাবিধো থাকিব পাৰে। যেনে ব্যক্তিগত উদ্দেশ্য সাধন আৰু ৰাজহুৱা উদ্দেশ্য। কোনোবা এজনৰ জীৱনত কিবা এটা হোৱাৰ উদ্দেশ্য ব্যক্তিগত উদ্দেশ্য। তেনে ক্ষেত্ৰত নিজৰ শুভাকাংক্ষীৰ বাদে অন্য বহুকেইজনৰ অৰিহণা বিশেষ নাথাকে। তেনে উদ্দেশ্য নিজে নিৰূপণ কৰি ল'ব লাগে। উদ্দেশ্য সঠিক নিৰূপণৰ পাছত ব্যক্তিজনে তেওঁৰ লিপ্সা বা উদ্দেশ্য সাধনত বহু ত্যাগ স্বীকাৰ কৰি হ'লেও একান্তভাৱে লাগি থাকিব লাগিব আৰু উদ্দেশ্য সাধন কৰি ল'ব লাগিব। তেওঁ মহাকাশচাৰীয়েই হওক বা ডাঙৰ ডাক্তৰ, ইঞ্জিনীয়াৰ বা বৈজ্ঞানিক যিয়েই নহওক আৰু সেই মতে নিজে বাট পোনাই ল'ব লাগিব; অধিক ধ্যান-ধাৰণা প্ৰক্ষেপ কৰিব লাগিব। আনহাতে একোটা উদ্দেশ্য সামূহিক বা ৰাজহুৱাও হ'ব পাৰে। সেই ক্ষেত্ৰত এজনৰ দ্বাৰা নহৈ কিছুমান মানুহৰ দ্বাৰা অহৰহ চেষ্টা কৰিব লাগে। ইয়াৰ মাজতে ৰাজনৈতিক উদ্দেশ্যৰ কথাও ক'ব পাৰি। ইয়ো ৰাজহুৱা উদ্দেশ্যৰ ভিতৰত পৰে। বৰ্তমানে ৰাজনীতিত এক বিশেষ প্ৰণালী বা Discipline বুলি ধৰা হয়। বহুতে ইয়াকো উদ্দেশ্য কৰি লৈ তাৰ যোগেদিয়েই নিজে কিবা এটা কৰিব বিচাৰি ব্যক্তিগত উদ্দেশ্য হাচিল কৰে। ৰাজনীতিত থাকিয়েই যাতে সৰ্বোচ্চ পদৱী হস্তগত কৰিব পাৰে সেই চেষ্টা কৰে। তাৰ কাৰণে অনেক ত্যাগ স্বীকাৰেই নহয় কিছুমান চতুৰালি নীতি-নিয়মৰ ধাৰা মানি চলিব লাগে। মাত্ৰ সকলোবোৰ ক্ষেত্ৰতেই নিজৰ লক্ষ্য স্থিৰ ৰাখি সেই মতে প্ৰয়োজন হ'লে ত্যাগ স্বীকাৰ কৰি উদ্দেশ্য সাধন কৰিব লাগে— নহ'লে ইফালেও নহয় সিফালেও নহয় তেনে এক অনিশ্চয়তাৰ আৱৰ্তত থাকি যায়।

বিবেচনাৰে কৰা সকলো উদ্দেশ্যই মহৎ। যেতিয়া উদ্দেশ্য লৈ কোনো পৰিকল্পনা কৰা নাযায় আৰু তেতিয়াই মানুহৰ জ্ঞান-গৰিমাৰ কথা পাহৰিব লাগিব আৰু সাধাৰণ পশু-পক্ষীৰ লগত প্ৰভেদ নাইকিয়া হ'ব। এইখিনিতে Longinus এ কোৱা এষাৰ কথা প্ৰণিধানযোগ্য যিটো কথাৰে লিখাৰ মুখনি মাৰিব পাৰো। তেওঁ কৈছিল—'In great attempts it is glorious even to fail.' অৰ্থাৎ আমাৰ উদ্দেশ্য যদি মহৎ হয় তাত অকৃতকাৰ্যতা হ'লেও গৌৰৱবোধ কৰিব পাৰি। যদি উদ্দেশ্য মহৎ হয় তাত কৃতকাৰ্যতা আকাশলংঘী হ'ব তাত কোনো সন্দেহ নাই। সেই বুলি মহৎ কামটোৰ বাবে উদ্দেশ্য নথকাটো বা চেষ্টা নকৰাটো মানুহৰ ধৰ্ম নহয়। যদিওবা কিবা কাৰণে ইয়াত ব্যৰ্থতাও স্বীকাৰ কৰিবলগীয়া হয়—তাতো গৌৰৱ আছে যিহেতু কৰিব বিচৰা কামটোৰ উদ্দেশ্য মহৎ আছিল আৰু এনে কামত চেষ্টা কৰাটো কোনো দোষণীয় নহয়; বৰঞ্চ গৌৰৱ কৰিবৰ থল আছে।


*ফোন ঃ ৯৪৩৫১৯৩০০২*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ মাৰ্চ দেওবাৰ, ২০২১ পৃষ্ঠা ৬

# দৌল উৎসৱৰ অৰ্থ ফাল্গুৎসৱ

**অসম**, বংগ, বিহাৰ আদি ৰাজ্যৰ দৰে বিশ্বৰ প্ৰান্তে প্ৰান্তে নানান জাতীয় আৰু কিছুমান যেনে দুৰ্গা পূজা, বৰদিন, ঈদ আদি সমগ্ৰ বিশ্বতে পালিত হৈ আহিছে। সাম্প্ৰতিক কালত দক্ষিণ ভাৰতৰ গণেশ পূজা ভাৰতৰ চুকে-কোণে উদ্‌যাপিত হ'ব ধৰিছে। অসমতো অন্যান্য উৎসৱৰ লগতে বিহু, পূজা আৰু দৌল উৎসৱ, দৌলযাত্ৰা বা ফল্গুৎসৱ বিভিন্ন পদ্ধতিৰে পালন কৰা হয়। কৃষ্ণ ভক্তিৰ আধাৰত 'ৰাসযাত্ৰা' দৌলযাত্ৰা বা হোলী উৎসৱ ভক্ত আৰু ভগৱানৰ মিলনৰ সেতু।

কীৰ্তনত শ্ৰীশংকৰদেৱে লিখাৰ দৰে ইন্দ্ৰদ্যুম্ন ৰজাই প্ৰথমে দৌল সাজি ৰাধা-কৃষ্ণক অৰ্চনা কৰিছিল। মহাপুৰুষে সেই আৰ্হিতে বৰপেটাত দৌল বান্ধি দৌলোৎসৱ পাতি আবিৰ সানি নানা গীত গাই মতলীয়া হৈছিল; যিটো আজিও চলি আছে।

বসন্ত কালত প্ৰকৃতিৰ অপূৰ্ব স্বাদলৈ ভাৰতৰ নানা ঠাইত পৃথক নামেৰে 'হোলী' উৎসৱ পালন কৰে। প্ৰসংগক্ৰমে ক'ব পাৰি যে পশ্চিমবংগত 'দোল পূৰ্ণিমা' গোৱাত 'শিগমা' হাৰিয়ানাই দুলাণ্ডি' অসম, বিহাৰ, ৰাজস্থানত 'হোলী' নামেৰে ৰঙৰ উৎসৱটো পালন কৰে। অসমত বিহু, পূজাত নতুন বস্ত্ৰ লোৱা আলহী আপ্যায়নৰ বাবে নানা পিঠা পনাৰ যোগাৰ কৰাৰ দৰে প্ৰতি ৰাজ্যতে

**শিৱ প্ৰসাদ শৰ্মাঠাকুৰ**

এনে ব্যৱস্থা প্ৰচলিত হৈ আছে।

সাধাৰণতে ফাগুনৰ শুক্লা চতুৰ্দশী আৰু পূৰ্ণিমাত কোনো বছৰত চ'তৰ চতুৰ্দশী আৰু পূৰ্ণিমাত গোবিন্দক দৌলত আৰোহণ কৰি পূজা-অৰ্চনা কৰি ফল্গুদান কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি আগদিনা ৰাতি 'মেষদাহ' বা 'বহ্ন্যুৎসৱ' পালন কৰা হয়। দৌলৰ পূব দিশত এটা সৰু খেৰীঘৰ সাজি তাত এটা 'মেষ' (ছাগলী) ৰাখি মন্ত্ৰোচাৰণেৰে গোবিন্দক তাৰ চাৰিও ফালে সাত পাক ঘূৰাই ঘৰটো জ্বলাই দি মেষটো (পোৰাৰ) দাহ কৰাৰ মেষটোক এক দৈত্যৰূপে প্ৰতিষ্ঠা কৰি সমাজৰ পৰা দুষ্কৃতি নাশৰ কামনা কৰা হয়। আন এক অখ্যান মতে 'হোলীকা' নামে প্ৰহ্লাদৰ এগৰাকী পেহীয়েক যাৰ এটা শক্তি আছিল অগ্নিয়ে তেওঁক দাহ নকৰে। দৈত্যপতি হিৰণ্য কশিপুৰ বাঞ্ছাসিদ্ধিৰ হেতু তেওঁ প্ৰহ্লাদক জুইত পেলাই নিজে বাচি থাকি ৰাজকাৰ্য সিদ্ধি কৰাৰ অৰ্থে প্ৰহ্লাদক লৈ জুইত প্ৰৱেশ কৰিলে- প্ৰহ্লাদৰ হানি নহ'ল কিন্তু ৰাক্ষসীয়ে প্ৰাপ্ত বৰকুকৰ্মত প্ৰয়োগ কৰা বাবে ভস্ম হ'ল। ইয়ো সমাজলৈ এক শুভ বাৰ্তা!

পূৰ্ণিমাৰ দিনা গোবিন্দক দৌল ৰাখি স্নান কৰাই দৌল প্ৰদক্ষিণ কৰি ভদ্ৰপীঠত ৰাখি পূজা-অৰ্চনা আৰু ফল্গুদান কৰা হয়। স্নানত পঞ্চগব্য, পঞ্চামৃত, পঞ্চগুড়ি পঞ্চ শস্য পঞ্চৰসেৰে স্নান কৰাৰ বিধান আছে। বৈদিক পৰম্পৰা মতে পুৱা,



দুপৰীয়া আৰু সন্ধিয়া তিনিবাৰ স্নান, ভ্ৰমণ আৰু হুৱনৰ ব্যৱস্থা আছে যদিও কোনোৱে এবাৰতে সামাধা কৰা দেখা যায়। পাছদিনা পুৱা বেলা পূৰ্বৰ দৰে পূজা হুৱন কৰি বিসৰ্জন দি নৃত্যগীত গাই আঞ্চলিকভাৱে ভ্ৰমণ কৰা হয়। কীৰ্তনত শংকৰদেৱে বহুগীত ৰচনা কৰি থৈ গৈছে— 'ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী।

দুই হাতে ফাকুগুড়া সিদ্ধান্ত মূৰাৰী!!

ভ্ৰমণ কালত অঞ্চলবাসীয়ে গোবিন্দক ধূপ-ধুনাদি আদৰণি জনাই ফল্গু গ্ৰহণ কৰি কৃতাৰ্থ হয়। এই যাত্ৰা ঘুণুচা যাত্ৰা বুলি মানি এনেদৰে গীত গাই-'চলি যায় প্ৰভু জগন্নাথ ঘুণুচা যাত্ৰা কৰি' ইত্যাদি। ভ্ৰমণ কালত গীত-নৃত্যৰ লগতে ফাকু আৰু নানা ৰং খেলি ল'ৰা-বুঢ়া সকলোৱেই আনন্দ কৰে। ঘূৰি আহোতে দৌলৰ মুখত এটি আমোদজনক নাটকীয় পৰিৱেশৰ সৃষ্টি হয়। ঘুণুচাৰ ঘৰলৈ যোৱাত লক্ষ্মী অসন্তুষ্ট হৈ পৰীয়াক দুৱাৰ খুলিবলৈ মানা কৰি থোৱা হেতু বহু বুজনিৰ অন্তত অৰ্থদণ্ড দিয়াতহে দুৱাৰ খুলি দিয়ে। এই সময়ত দুই পক্ষৰ বাদ বিসম্বাদৰ বাৰ্তালাপে আনন্দৰ খোৰাক যোগায়। কোনোৱে দৌলত সোমাই মজিয়া বোকা কৰি 'বোকা ভাৱনা' কৰা দেখা যায়।

দৌলযাত্ৰা উৎসৱ বৰপেটা সত্ৰত ফাগুনত চাৰিদিনীয়া আৰু চ'তত তিনিদিনীয়া হয়। প্ৰথম দিনা 'গোন্ধযাত্ৰা' মাজৰ এদিন বা দুদিন 'ভৰ দেউল' আৰু শেষণ দিনা সুৱেৰি বা ফাকুৱা। সুৱেৰীৰ দিনাই ঘুণুচা বাৰীলৈ যায় আৰু লক্ষ্মী বিৰহী হৈ বিদ্ৰোহ কৰে। সেয়ে ক'ব পাৰি দৌল উৎসৱ কেৱল ধৰ্মীয় অনুষ্ঠান নহয়, ইয়াৰ মাধ্যমেৰে প্ৰেম প্ৰীতি, বন্ধুত্ব, জনস্বাস্থ্যৰ বাবে শুদ্ধি ফাকু গ্ৰহণ যি বসন্ত ৰোগৰ প্ৰতিষেধক আৰু প্ৰাকৃতিক পৰিৱেশ সম্বলিত অনুষ্ঠান।

শেষত ক'ব পাৰি যে শ্ৰীকৃষ্ণৰ অৱতাৰ জীৱ জগতৰ হেতু এক ৰহস্যময় অধ্যায়। দৌল যাত্ৰা ৰাসযাত্ৰাৰ মাধ্যমত প্ৰেম-প্ৰীতিৰ নিৰ্দেশনাৰ উপৰি কালীয়দমন, কংসবধ, কুৰুক্ষেত্ৰ সমৰ ৰুক্মিণীহৰণ আদিৰ মহত্ত্ব দূৰদৰ্শিতা, ৰাজনীতি, সমাজ ব্যৱস্থা আৰু শান্তিৰ বাতাবৰণ সৃষ্টি সৰ্বদা স্মৰণীয়।

উপৰি উক্ত উৎসৱসমূহৰ যোগেদি যাতে আমাৰ সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ হৈ সুখ শান্তি বিৰাজ কৰক। স্কন্দ পূৰাণত কৈছে—

ধৰ্মাৎ সুলংচ ডড্ডানং চ সন্মানুভৰমাপ্ৰয়াৎ
তস্মাৎ সৰ্বং পৰিত্যজ্য বিদ্বানধৰ্ম সমাচৰেৎ!!

ধৰ্মৰ পৰা সুখ আৰু জ্ঞান পোৱা যায় সেয়ে সাংসাৰিক সকলো অতিক্ৰম কৰি বিদ্বান লোকে ধৰ্মাচৰণ কৰাতো উচিত।

*ফোন ঃ ৯৯৫৪৮৪০১৬৭*

# বৰপেটাৰ হোলী আৰু দৌল উৎসৱ



**দৌল** উৎসৱ আকৌ আহিল। দৌল উৎসৱ হ'ল ফল্গু উৎসৱ। এই উৎসৱটো ফাগুনতে হয়। নক্ষত্ৰৰ ক্ষণ গণনা অনুযায়ী এই উৎসৱটো কেতিয়াবা কেতিয়াবা চ'ততো হয়। ফাগুনত হ'লে বৰপেটাত ইয়াক 'ডেকা দেউল' আৰু চ'তত হ'লে 'বুঢ়া দেউল' বুলি কোৱা হয়।

দৌল উৎসৱক যদিও ফাকু খেলা উৎসৱ, ৰং-তামচা আনন্দৰ উৎসৱ বুলি ধৰা হয়, আচলতে ই সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰ উৎসৱ। ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজেদিহে এই উৎসৱটো পালন কৰা হয়। আনন্দ উৎসৱৰ কথাও ইয়াৰ লগত সাঙোৰ খাই নথকা নহয়।

অসমত প্ৰথমে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই বৰদোৱাত দৌল উৎসৱ পাতিছিল নানা ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিৰ মাজেদি। সেই একে ৰীতি-নীতি আৰু ধৰ্মীয় পৰম্পৰাৰে গুৰুজনাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে বৰপেটাত সত্ৰ স্থাপনৰ পাছৰ পৰাই দৌল উৎসৱৰ পাতনি মেলে। তেতিয়াৰ পৰা বৰপেটাত দৌল উৎসৱৰ আৰম্ভণি হৈ ক্ৰমে ইয়াৰ ঐতিহ্য-পৰম্পৰা আৰু আনন্দ উৎসৱ বাঢ়ি যাবলৈ ধৰে। এতিয়া বৰপেটাত দৌল বা দেউল বুলিলে আনন্দৰ সীমা নোহোৱা হয়। দৌলৰ নামত পথে পথে মানুহৰ ভিৰ, বিৰ দি বাট নোপোৱা অৱস্থা হয় বৰপেটাত, সকলো মানুহ কীৰ্তনঘৰমুখী হয় বৰপেটাত। বিভিন্নজনে ৰচনা কৰা হোলীগীতসমূহো বৰপেটাৰ স্বাভিমান। শ্ৰীধৰ কন্দলী, মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা দৌলৰ গীতবোৰতো আপুৰুগীয়া সম্পদ হিচাপে আছেই। তাৰ উপৰি শ্ৰীমন্ত শংকৰ গুৰুৰ ফাগুৰ গীতবোৰ অন্যতম ৰূপে আছেই।

দৌল বুলিলে বৰপেটাত ধৰ্মীয় ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি পালন কৰা এটা উৎসৱ য'ত মানুহৰ চান্দা হিচাপে তুলি ইয়াত খৰচ কৰা নহয়। ইও বৰপেটাৰ ঐতিহ্য। এই সম্পৰ্কত এজন সংখ্যালঘু সম্প্ৰদায়ৰ লোকে আমাক সুধিছিল—'আপোনালোকৰ দৌল উৎসৱৰ খৰচবোৰ মই অসমৰ বিভিন্ন ঠাই ঘূৰি ফুৰিছো আৰু এই ঠাইবোৰ ঘূৰি ফুৰোতে বিভিন্ন উৎসৱত বিভিন্ন ঠাইত চান্দা তোলা দেখিছো আৰু মই নিজেও বহুত চান্দা দিছো। কিন্তু আপোনালোকৰ দৌলত দেখোন চান্দা তোলা নেদেখো।' মানুহজন কোন ফালৰ কোনোবা ভিতৰুৱা গাঁৱৰ হ'লেও শিক্ষিত। বিভিন্ন ব্যৱসায়ৰ কামত তেওঁ ঘূৰি ফুৰে। বৰপেটালৈ তেওঁ প্ৰায়েই আহে। তেওঁৰ এই মন্তব্যই আমাক বাৰুকৈয়ে গৰ্বিত আৰু উৎসাহিত কৰে।

আচলতে দৌলৰ আকৰ্ষণীয় অনুষ্ঠান হ'ল সুৱেৰী বা হোলী। আমাৰ দেশৰ সৰ্বসাধাৰণ লোকে দৌল বুলি ক'লে হোলী বা ফাকুৱা বুলিহে জানে।

হোলী শব্দটো পুৰাণত বৰ্ণনা কৰা হোলীক দাহ আখ্যানৰ 'হোলিকা' শব্দৰ পৰা উৎপত্তি হোৱা বুলি বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে। ব্ৰহ্মা বৰ অনুযায়ী দৈত্যৰাজ হিৰণ্য কশিপুৰ ভগ্নী হোলিকা আছিল অদাহ্য অৰ্থাৎ জুয়ে পুৰি মাৰিব নোৱাৰা গুণৰ অধিকাৰী। ভ্ৰাতৃৰ নিৰ্দেশ অনুযায়ী ভগৱান শ্ৰীকৃষ্ণৰ পৰম ভক্ত প্ৰহ্লাদক হোলীকাই কোলাত লৈ অগ্নিৰ মাজত বহি প্ৰহ্লাদ যাতে অগ্নিত জাহ যায় তাৰ চেষ্টা চলাই বিফল হৈছিল। কাৰণ প্ৰহ্লাদৰ ভগৱান ভক্তিত সুপ্ৰসন্ন ভগৱানে প্ৰহ্লাদৰ কোনো ক্ষতিকেই

**সতীশ চন্দ্ৰ দাস**

নকৰিলে। ভক্ত প্ৰহ্লাদ সম্পৰ্কত আমাৰ দেশৰ ধৰ্মীয় পুথিবোৰত আৰু অন্যান্য কিছুমান সাহিত্যত এনে ধৰণৰ নানা কাহিনী বৰ্ণনা কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰা হ'ল যে আমি কেৱল প্ৰহ্লাদক 'ভক্ত প্ৰহ্লাদ' বুলিহে সহজভাৱে জানো। কিন্তু ইয়াৰ অন্তৰ্নিহিত কাহিনীবোৰ অতিশয় আকৰ্ষণীয় আৰু মন কৰিব লগা। ভগৱান ভক্তিৰ আগত অপশক্তিৰ মৃত্যু—এয়া প্ৰহ্লাদৰ ক্ষেত্ৰত। প্ৰহ্লাদৰ অগাধ ভক্তিয়ে তেওঁক কোনো অপশক্তিয়ে বিনাশ কৰিব নোৱাৰিলে।

দৌল উৎসৱৰ স'তে সংপৃক্ত 'মেঘদাহ' হ'ল ওপৰত উল্লেখ কৰা কাহিনীটোৰ প্ৰতীক। 'হোলীকা' শব্দটো প্ৰাচীন যদিও, 'হোলী' শব্দটো অৰ্বাচীন। বৰ্তমানৰ যিটো 'হোলী' শব্দ সেইটোৱে মূলৰ অৰ্থ প্ৰকাশ নকৰে। ইয়াৰ অৰ্থ হ'ল ফাকুৱা বা ফাগুৱা। সেয়ে ফাগুৱাৰ দৌল উৎসৱত যিবিলাক গীত গোৱা হয় সেয়ে 'হোলী গীত'। ইয়াত আছে ভগৱান ভক্তিৰ অগাধ বিশ্বাস আৰু প্ৰকৃতিৰ মনোমোহা বৰ্ণনা আৰু কৃষ্ণ প্ৰেমৰ বৰ্ণনা। এই গীতবোৰে অতি সুন্দৰ অৰ্থ প্ৰকাশ কৰে আৰু মানুহক তৎক্ষণাত আকৰ্ষণ কৰিব পাৰে। বিভিন্ন ৰঙৰ সুশোভিত ৰঙৰ সমাহাৰে দৌল উৎসৱক কৰি তোলে ৰঙীন। হোলীৰ আনন্দত ডেকা-গাভৰু হয় মতলীয়া। ৰঙে ৰঙে একাকাৰ হোৱাৰ উপৰিও হোলী গীতৰ সুৰে সকলো লোকক মোহিত কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই বৰদোৱাত দৌল উৎসৱৰ শুভাৰম্ভ কৰোতে কেইটামান গীত ৰচনা কৰিছিল। সেই গীতবোৰক ফাগুৰ গীত বুলি কোৱা হয়। সেইখিনি গীতক বৰগীতত স্থান দিয়া হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই ৰচনা কৰা অন্যতম গীত— 'ৰংগে ফাকু খেলে চৈতন্য বনমালী। দুহাতে ফাগুৰ গুড়া সিঞ্চন্ত মুৰাৰি...' ইত্যাদি। এই গীতটো কীৰ্তন ঘোষাৰ 'উৰেষা বৰ্ণন'ত সন্নিবিষ্ট কৰা আছে। তেনেদৰে মহাপুৰুষ মাধৱদেৱ গুৰুজনাই ৰচনা কৰা দৌলৰ গীত— 'দোলায় গোবিন্দ পৰম আনন্দে, ৰতন সিংহাসনে বসি/কনক বিৰচিত দৌলৰ মণ্ডপ, জ্বলয় যেন ৰবি শশী।' (বৰগীত) ইয়াৰ উপৰি 'ফাগু খেলে কৰুণাময়, এ নন্দ কুমাৰ', 'ভাই দেখো কমলাপতি দৌলৰ উপৰে, বৈকুণ্ঠৰ নাথ দৌল ৰসে কেলি কৰে।' ইত্যাদি। আনহাতে শ্ৰীধৰ কন্দলীয়েও 'জগন্নাথ হে হৰি' বুলিও ফাগুৰ গীত ৰচনা কৰিছে। এই গীতবোৰ আমাৰ অসমীয়া মানুহৰ সাংস্কৃতিক সম্পদ, আমাৰ স্বাভিমান।

আজিৰ পৰা ৫০-৬০ বছৰ আগতে কিছু অপসংস্কৃতিমূলক গীত কিছুমান হোলী গীত হিচাপে বৰপেটাৰ দৌল উৎসৱত গোৱা আমি শুনিছিলো, যিবিলাক দৰাচলতে হোলী গীত নহয়। পিছে সেইবোৰ বৰ বেছি দিন নৰজিল।

মহাপুৰুষ মাধৱদেৱ গুৰুজনাই শ্ৰীমন্ত শংকৰ গুৰুজনাৰ আৰ্হিৰে বৰপেটাত দৌল উৎসৱৰ আৰম্ভণি কৰিছিল যোড়শ শতিকাৰ নৱৈ দশকত। তেতিয়াৰ পৰাই বৰপেটাক দ্বিতীয় বৈকুণ্ঠপুৰীৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। সেই তেতিয়াৰ পৰাই অৱধাৰিতভাৱে বৰপেটাত দৌল উৎসৱ পালন কৰি অহা হৈছে। এই উৎসৱ কেৱল সত্ৰ চৌহদতে আবদ্ধ নহয়। এই উৎসৱ বৰপেটাৰ চৌপাশে বিভিন্ন ঠাইত পালন কৰা হয়। লগতে ইয়াৰ হোলী গীতবোৰে বৰ্তমান গোটেই অসমতে ৰাইজৰ আদৰণীয় হৈছে। ই এক শুভ লক্ষণ বুলি ক'ব পাৰি।

এইবেলি দৌলত অৱশ্যে কৰ'না নামৰ অতিমাৰীৰ উত্তাপ যেন প্ৰায় নাইকীয়া হৈছে। সেয়ে দৌলৰ উছাহ বাঢ়িছে। অম্বিকাগিৰী ৰায় চৌধুৰী, প্ৰসন্নলাল চৌধুৰী, পুৰুষোত্তম দাস, গিৰীশ দাস, প্ৰহ্লাদ দাস, গোকুল পাঠক আদি অসমীয়া হোলী গীতৰ স্ৰষ্টাসকলৰ লগতে হোলী গীতক গোটেই অসম ৰাজ্যখনতে বিয়পাই দিয়া, হোলী গীতৰ অন্যতম স্ৰষ্টাৰ প্ৰচেষ্টাতে নতুন লেখকৰ সৃষ্টি হৈছে আৰু সেইসকলৰ গীতৰ অন্যতম স্ৰষ্টাৰ প্ৰচেষ্টাতে নতুন লেখকৰ সৃষ্টি হৈছে আৰু সেইসকলৰ গীতৰ আখৰা পূৰ্ণোদ্যমে এতিয়া চলিব ধৰিছে আৰু চলি থাকিব। বৰপেটাৰ দৌলোৎসৱ সদায় জিলিকি থাকিব এই অসম ভূমিত আৰু সত্ৰনগৰীৰ স্বাভিমানো বৰ্তি থাকিব।

*ফোন ঃ ৯৭০৬৭৪৯৮০৭*

# বিশ্বেশ্বৰ মন্দিৰৰ বহ্নোৎসৱ আৰু দৌল

**কামৰূপৰ** বুৰঞ্জীত পোৱা মতে পঞ্চ শতাব্দীত প্ৰাক্ আহোম যুগৰ নাগাক্ষ নামে ৰজা এজনে বিশ্বেশ্বৰ মন্দিৰ সজায়। নলবাৰী জিলাৰ বেলশৰ গাঁৱৰ পূব প্ৰান্তত অৱস্থিত। ই অসমৰ ভিতৰত সৰ্বজনবিদিত এক শৈৱধৰ্মানুষ্ঠান। ইয়াৰ স্বকীয় বৈশিষ্ট্যও আছে। গাম্ভীৰ্যপূৰ্ণ পৰিৱেশে পুৰণি ঐতিহ্য ৰক্ষা কৰি আহিছে। প্ৰতিজন অনুসন্ধিৎসু লোকে কৌতূহলী হৈ অতীতৰ পম খেদি যাবলৈ বাধ্য হৈ পৰে। ৰ'দালিৰ চিক্‌মিকনিত লুইতৰ বালি জিক্‌মিকাই থকাৰ নিচিনা মন্দিৰটোৱে এক আকৰ্ষণীয় শোভা বঢ়াইছে। মন্দিৰৰ তলত থকা শিৱলিংগৰ মূৰ্তিয়ে কঢ়িয়াই আনে ধৰ্মীয় অনুপ্ৰেৰণা, চিৰনতুন ৰূপ মন্দিৰত দেখা যায়।

অতীতত এই মন্দিৰত দৌলোৎসৱ অতি আড়ম্বৰপূৰ্ণ আছিল। মন্দিৰৰ কিছু দূৰৈত এটা ছয়-সাত হাতমান ওখকৈ সজা মাটিৰ টিপৰ ওপৰত টিনৰ চাৰিচলিয়া এটা সৰু দৌলঘৰ আছে। দৌল পূজাৰ আগদিনা দেৱালয়ৰ মূল মন্দিৰত থকা পঞ্চ দেৱতাক ভালদৰে ধুৱাই-পখলাই আবেলি সময়ত ঢোল, খোল, বৰকাঁহৰ বাজনা আদিৰে শোভাযাত্ৰা কৰি দৌল ঘৰৰ সন্মুখত ৰখা হয়। পঞ্চ দেৱতা হ'ল শিৱ, লক্ষ্মী, গণেশ, কৃষ্ণ, নাৰায়ণ। দৌলৰ আগদিনা দৌল ঘৰৰ নিচেই কাষতে কলপাতেৰে এটা ঘৰ সজোৱা হয়। এই ঘৰটো মাঘ মাহৰ উৰুকাৰ দিনা সজোৱা ভেলা ঘৰৰ নিচিনা। আবেলি দৌলঘৰৰ বাহিৰত পঞ্চ দেৱতাৰ পূজাৰ পাছত ভেলাঘৰত এটা 'পঠা' ছাগলী বান্ধি থৈ দেৱতাৰ নামত উছৰ্গা কৰা হয়। ভেলাঘৰ বা কলপাতেৰে সজোৱা ঘৰটোৰ চাৰিওফালে চাৰিবাৰ এহাতে জোঁৰ এটা জুই লৈ আৰু কান্ধত মূৰ্তি লৈ প্ৰদক্ষিণ কৰাৰ পাছত প্ৰায় মাজৰাতি ছাগলীটোৰ অগ্নিদগ্ধ কৰা হয়। ইয়াৰ অৰ্থ অসুৰ বধ কৰা। কলপাতৰ ঘৰটোও জ্বলাই দিয়া হয়।



ছাগলীজনীয়ে ভীষণ চিৎকাৰ কৰিলে জনা যায় বহ্নি জলোৱা হ'ল। সেই সময়ত মন্দিৰৰ বৰদবাত কোব দিয়ে। যিয়ে এই দবাটোৰ মাত শুনিব, য'তেই নাথাকক তাৰ পৰাই মন্দিৰলৈ সেৱা জনায়। গাঁৱৰ ডেকা ল'ৰাৰ দল গৈ একোটা দল বান্ধি বলেৰে সেই আধাপোৰা ছাগলীটো ইদলে-সিদলৰ লগত বলপূৰ্বক টনা আঁজোৰ কৰি কাঢ়ি নিয়ে। শেষত যি দলৰ বল বেছি হয় সেই দলে পঠা ছাগলীটো নি লগভাত খায়। দৌলৰ আগদিনাৰ নিশাৰ উৎসৱক 'বহ্নোৎসৱ' বোলা হয়। বহ্নোৎসৱ চাবলৈ মানুহৰ যথেষ্ট ভিৰ হয়।

**যাদৱ সেন ডেকা**

দৌলৰ দ্বিতীয় দিনা দৌল ঘৰত ৰখা মূৰ্তিৰ পূজা কৰা হয়। সিদিনা শিৱক পূজা কৰা হয়, কৃষ্ণ পূজাহে হয়। তৃতীয় দিনাক সুৱেৰি উৎসৱ বোলা হয়। সুৱেৰিৰ দিনা কৃষ্ণ মূৰ্তিক এখন দোলাত ভৰাই গাঁওবিলাকৰ মাজেৰে ফুৰাবলৈ নিয়া হয়। গাঁৱৰ মাজেৰে গোসাঁইক ফুৰাবলৈ নিলে বসন্ত ৰোগ নহয় বুলি মানুহৰ বিশ্বাস। গোসাঁই উঠি যোৱা দোলাখনৰ কাষত দলৈ, ভাৰাকাইথ, পুৰোহিত, ধনভঁৰালী আদি কৰ্মচাৰীসকল যোৱাৰ লগতে বহু সংখ্যক লোক গোসাঁইৰ পাছে পাছে ঢোল, খোল, তাল, শংখ, ঘণ্টা, বৰকাঁহ আদি বজাই যায়। বাটত যাওঁতে প্ৰতিঘৰ মানুহে পদূলি মুখলৈ ওলাই আহি গোসাঁইক সেৱা জনায়। সেৱা জনোৱা পইচাবিলাক দোলাখনৰ ভিতৰলৈ দলিয়াই দিয়ে। পুৰোহিতে ফাকুৱাৰ ফোট দি যায়। গোসাঁইক কোনো কোনো লোকে ঘৰলৈও নিমন্ত্ৰণ কৰি নিয়া প্ৰথা আছে। কাৰোবাৰ নিমন্ত্ৰণ পালেই চোতাললৈ লৈ যোৱা হয়। গোসাঁইক নিমন্ত্ৰণ কৰা ঘৰৰ চোতাল, বাট আদি চাফা কৰি গোবৰ মাটিৰে পৱিত্ৰ কৰি থয়। গোসাঁইক গিৰিহঁতে নতুন কাপোৰ আদিও দিয়ে। লগত যোৱা মানুহবোৰক ভালদৰে আদৰ-সাদৰ কৰি অতি শ্ৰদ্ধাৰে বহিবলৈ দি তেতেলি টেঙাৰ চৰবৎ খুৱায়। আজি কালি চাহৰ প্ৰচলন হৈছে। ডেকা ল'ৰাবোৰে মন্দিৰ প্ৰাংগণত গোট খাই বিভিন্ন ঠাইলৈ ফাকুৱা খেলিবলৈ যায়। দেউলৰ গোসাঁইক ঘূৰাই ফুৰাই পুনৰ মন্দিৰৰ ভিতৰত থয়। দেউলৰ গোসাঁইক বাসন্তী পূজাৰ অষ্টমীৰ দিনা ওচৰৰ বুঢ়াদিয়া নদীলৈ নি স্নান কৰোৱা হয়। স্নান কৰিবলৈ নিয়াটোও চাবলগীয়া দৃশ্য? ঢোল, খোল, বৰকাঁহ আদি বজাই হৰিধ্বনি দি শোভাযাত্ৰা কৰি নিয়া হয়।

*ফোন ঃ ৯৪০১৯১৫১৫৮*

# অনিন্দ্য সুন্দৰ হোলী গীতসমূহ

**অসমীয়া** সাহিত্য সংস্কৃতিলৈ বৰপেটাৰ অনন্য সুন্দৰ অৱদান হোলী গীত। হোলী উৎসৱ বা দৌল উৎসৱ বা ফাকুৱা উৎসৱৰ বাবে সৃষ্টি কৰা গীত। আমাৰ গুৰুজনা মহাপুৰুষ শংকৰদেৱে বৰদোৱাত প্ৰথমে দৌল উৎসৱৰ আৰম্ভণি কৰে বুলি চৰিত পুথিত পোৱা যায়। তাৰে আৰ্হিত ভকতসৱৰ স'তে বৰপেটাত দৌল উৎসৱৰ পাতনি মেলে মহাপুৰুষ মাধৱদেৱে। তেতিয়াৰে পৰা বৰপেটাত প্ৰতি বছৰে ফাগুন বা চ'তৰ পূৰ্ণিমা তিথিত দৌল উৎসৱ চলি আছে। ফাকুৱা উৎসৱৰ কেন্দ্ৰত আছে পৰম পুৰুষ, নৱবৈষ্ণৱ ধৰ্মৰ আৰাধ্য ভগৱান শ্ৰীকৃষ্ণ। গুৰু দুজনাই আৰম্ভ কৰা এই উৎসৱটোক প্ৰাণ-প্ৰাচুৰ্যৰে ভৰাই দিছে হোলী গীতসমূহে। গুৰু দুজনাই আৰম্ভ কৰা দৌল-উৎসৱৰ বৰ্ণনা থকা বৰগীত, কীৰ্তন ঘোষাৰ 'ঘনুচা-কীৰ্তন' অধ্যায়, ভাগৱতৰ দশম স্কন্ধ আদিত থকা ঘোষা-পদসমূহকে দৌল উৎসৱত গোৱা হয়। কীৰ্তনৰ 'ওৰেষা বৰ্ণন'ৰ ঘোষা এটাৰ কিয়দংশ ইয়াতে দিয়া হ'ল—

ঘোষা-ৰংগে ফাকু খেলে চৈতন্য বনমালী।
দুয়ো হাতে ফাল্গু গুড়া সিঞ্চন্ত মুৰাৰি।।
পদ-ফাল্গুনীত গোবিন্দক তুলিয়া দৌলত।
দৌলযাত্ৰা কৰে মহোৎসৱে সিবেলাত।।

তেনেকৈ হোলীগীত হিচাপে গোৱা বৰগীতৰ উদাহৰণ এটি দিছো—

ধ্ৰু ঃ একান্ত খেলায় কৰুণাময় এ নন্দকুমাৰ।
দেৱৰ দুৰ্লভ কেলি ফাগুৰ বিহাৰ।
পদ ঃ ফাগু পৰি শ্যামকানু কৰে তিৰিমিৰি।
ৰবিৰ কিৰণে যেন মৰকত গিৰি।

শংকৰী যুগতে সৃষ্ট ফাল্গু উৎসৱ আৰু হোলী গীতে বৰ্তমানৰ বৰপেটাবাসীকো ৰোমাঞ্চিত কৰি ৰাখিছে। প্ৰেৰণা যোগাইছে আজিৰ হোলী গীত সৃষ্টিত। সৃষ্টি হ'ল নতুন হোলী গীতৰ। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী, গিৰীশ দাস, পুৰুষোত্তম দাস, গোকুল পাঠক, প্ৰমথ ৰঞ্জন কন্‌টি, নতুন চামৰ তৃষ্ণা লহকৰ এইসকলে বহুতো হোলীগীত ৰচনা কৰিলে। প্ৰমথ ৰঞ্জন দাস কন্‌টিয়ে প্ৰথমবাৰৰ বাবে বাণীবদ্ধ কৰি কেছেট-চিডি উলিয়াই সদৌ



অসমতে ইয়াক জনপ্ৰিয় কৰি তুলিলে। আধুনিক হোলী গীতৰ কিছু উদাহৰণ স্বৰূপে দিয়া হ'ল—

১। এনুৱা বসন্তে প্ৰাণ ক'লৈ উৰি যোৱা
ক'লৈ উৰি যোৱা প্ৰাণ মলয়া বতাহে।
(অম্বিকাগিৰী ৰায় চৌধুৰী)

২। গুঞ্জৰে মধুকৰে সুমংগল সুমধুৰ
কোকিল কুহক আনে
মন প্ৰাণ কৰে জুৰ। (গিৰীশ দাস)

৩। আজি ৰঙে ৰঙে একাকাৰ
আহা ভাই খেলো হোলী
মিলি সবে প্ৰাণে প্ৰাণ
আজি ৰঙে ৰঙে একাকাৰ। (গোকুল পাঠক)

৪। মাধৱী ৰূপালী নিশা প্ৰাণত পৰশ তৃষ্ণা
জাগে পৰশ তৃষা
শ্যাম সংগে নাচে গোপী আনন্দ কৰিয়া।
(তৃষ্ণা লহকৰ)

**হোলী গীতৰ ৰাগ-তাল আৰু সুৰ ঃ**

অনিন্দ্যসুন্দৰ হোলী গীতসমূহৰ সৌন্দৰ্য্য ৰাগ আৰু সুৰত। তুৰ বসন্ত, ভাটিয়ালী, সিন্ধুৰা ৰাগত বন্ধা গুৰু দুজনাৰ হোলীগীতসমূহ। আজিৰ গীতিকাৰসকলৰ গীতৰ সুৰ-ৰাগ পুৰণি

**হিৰণ শইকীয়া লহকৰ**

আৰু নতুনৰ ৰিমিক্স। হোলীগীতৰ তালবোৰ হ'ল—দীপছন্দী, কাহাৰবা, দ্ৰুতলয়ৰ কাহাৰবা খেমতা, খেমতাৰ বিলম্বিত আৰু দ্ৰুতলয় আদি। ৰাগ-তালৰ বাহিৰেও সুৰ-সঞ্চাৰ আৰু সুৰৰ বৈচিত্ৰ্যেই গীতসমূহক কৰিছে অতি আকৰ্ষণীয় আৰু সৌন্দৰ্যশালী।

**হোলী গীতৰ ৰস মাধুৰ্য ঃ** গুৰু দুজনাৰ প্ৰৱৰ্তিত প্ৰচাৰিত ধৰ্মটো আৰু তেৰাসৱৰ ৰচিত সমস্ত শাস্ত্ৰতে প্ৰধানকৈ ভক্তিৰস বিৰাজমান। তাৰ ভিতৰত দাস্য, শান্ত, সখ্য, মধুৰা ভক্তিৰসেই প্ৰাধান্য পাইছে। শ্ৰীকৃষ্ণৰ অলৌকিক ঐশ্বৰ্য আৰু তাত মুগ্ধ ভক্তৰ আসক্তি প্ৰকাশেই এই গীতসমূহৰ মূল ভাৱ।

দাস্য ভক্তিৰসত ভগৱান শ্ৰীকৃষ্ণ হ'ল প্ৰভু আৰু ভক্ত হ'ল দাস, দীন-হীন, মূঢ়মতি। যেনে—

দৌলৰ উপৰে মগৰ ভিতৰে
দোলয় ত্ৰিজগতপতি।
পৰম মূঢ়মতি কহয় মাধৱ
গোবিন্দ পদে মোৰ গতি।।

শ্ৰীকৃষ্ণৰ অৱতাৰসমূহক চিৰন্তন বুলি মানি শান্তৰসৰ বশীভূত হৈ ভক্তই নিজকে প্ৰভুৰ চৰণত সমৰ্পণ কৰে। শান্তৰসৰ গীতৰ অংশ এটা ইয়াতে দিয়া হ'ল—

**ঘোৰা ঃ** প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।
পদঃ হে কৃষ্ণ তয়ু পাৰে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ।

ভগৱানৰ লগত ভক্তৰ সম্বন্ধৰ প্ৰগাঢ়তা প্ৰকাশক গীতত সখ্য ভক্তি ৰস বিৰাজিত হয়। হোলী গীতত তাৰ প্ৰকাশ এনে ধৰণৰ—

গোকুলৰ গোপীগণে মহা আনন্দিত মনে
কৃষ্ণ গুণ গাৱে বাটে-ঘাটে।
কেহো গোপী ঘষে আসি শ্যামকানু মুখশশী
আবিৰ চন্দন লৈয়া হাতে।

কৃষ্ণসুখৰ বাবে ভক্তই কৰা আত্ম-সমৰ্পণৰ ভাৱ নিহিত থকা গীতবোৰ মধুৰা ভক্তিৰস সম্পন্ন হয়। যেনে—

১। ৰাধাৰ সংগে সংগে খেলে কলিয়া কানাই
ৰংগে অংগ দিয়ে আবিৰ বুলাই।
ৰাধাৰ লগতে কানাই খেলিছে।
আমাৰ মনতে অগনি জ্বলিছে।

হোলীগীতৰ ছন্দ ঃ অৰ্থযুক্ত ধ্বনিৰ সুৰ আৰু তালৰ ৰসময় স্পন্দন বৈচিত্ৰ্যৰ শিল্পসন্মত অভিব্যক্তিয়েই ছন্দ। হোলীগীত কেইটামান নিৰ্দিষ্ট ৰাগ আৰু সুৰত বন্ধা যদিও ইয়াত ছন্দৰ বৈচিত্ৰ্য দেখা যায়। পদ, দুলড়ী, ছবি, ঝুমৰী, কুসুমমালা আদিৰ স্বকীয় আৰু মিশ্ৰিত সংকৰ ছন্দ দেখা যায়।

**হোলী গীতত অলংকাৰ ঃ** পুৰণি আৰু আধুনিক দুয়োবিধ হোলী গীততে অলংকাৰৰ প্ৰাচুৰ্য দেখা যায়। অনুপ্ৰাস, যমক, শ্লেষ আদি শব্দালংকাৰ আৰু উপমা, ৰূপক, নিদৰ্শন, অতিশয়োক্তি আদি অৰ্থালংকাৰৰ ব্যৱহাৰে হোলীগীতসমূহক সৌন্দৰ্যশালী কৰি তুলিছে। উদাহৰণ দুটিমান দিওঁ শব্দ-অলংকাৰ—

কুঞ্জে কুঞ্জে আজি মধুকৰে গুঞ্জে।
প্ৰিয়তমা মাধৱীৰ মধুৰস ভুঞ্জে।
(কিৰণ দাস)
মধুঋতু মধুমাহে মধুৰ মলয়া বলে।
(পুৰুষোত্তম দাস)

> নৱবৈষ্ণৱ ধৰ্মৰ আৰাধ্য ভগৱান শ্ৰীকৃষ্ণ। গুৰু দুজনাই আৰম্ভ কৰা এই উৎসৱটোক প্ৰাণ-প্ৰাচুৰ্যৰে ভৰাই দিছে হোলী গীতসমূহে। গুৰু দুজনাই আৰম্ভ কৰা দৌল-উৎসৱৰ বৰ্ণনা থকা বৰগীত, কীৰ্তন ঘোষাৰ 'ঘনুচা-কীৰ্তন' অধ্যায়, ভাগৱতৰ দশম স্কন্ধ আদিত থকা ঘোষা-পদসমূহকে দৌল উৎসৱত গোৱা হয়।

অৰ্থালংকাৰ—

উপমা— ফাগু পৰি শ্যামকানু কৰে তিৰিমিৰি।
ৰবিৰ কিৰণে যেন মৰকত গিৰী। (মাধৱ দেৱ)

অতিশয়োক্তি—
বাউলী ফাগুনী বাৱে নিয়ে মন কাঢ়ি।
পিয়া অবিহনে হিয়া বুজাব নোৱাৰি।

হোলী গীতৰ শব্দৰ চয়ন, শব্দৰ বয়ন ঃ সংস্কৃত ভাষাৰ আলংকাৰিকসকলে কৈছে— 'শব্দাৰ্থো সহিতৌ কাব্যম'। ইংৰাজ কবিয়েও কৈছে— কবিতা best words in best order, সুবিন্যস্ত শব্দৰ বিন্যাস। হোলী গীতসমূহো উৎকৃষ্ট কবিতা। ইয়াত ব্যৱহৃত তৎসম আৰু তৎভৱ শব্দৰ চয়ন-বয়নে গীতসমূহক এক সুকীয়া মাধুৰ্য্য আৰু সৌন্দৰ্য প্ৰদান কৰিছে। এই উৎকৃষ্ট লিৰিকেল মাধুৰ্যৰ বাবে হোলীগীতসমূহ পুৰণা হৈও সদায় নতুন।

*ফোন ঃ ৮৬৩৮৩৭১৩৬৪*




# কৰ'নালৈ ছেৰামৰ পাশুপাত অস্ত্ৰ

## বিশ্বৰ ত্ৰাণকৰ্তাৰ ভূমিকা লৈছে ভাৰতীয় সংস্থাই

আশাপূৰ্ণা চক্ৰৱৰ্ত্তী

**কৰ'না** মহামাৰীয়ে এফালৰ পৰা বিশ্বৰ প্ৰতিটো প্ৰান্ততে সংক্ৰমণৰ বীজ বিয়পাই দিয়াৰ সময়ত বিভিন্ন ৰাষ্ট্ৰৰ চৰকাৰ প্ৰশাসনৰ হাতত কেৱল দুটাই পথ খোলা আছিল। তলাবন্ধ ঘোষণা কৰি সংক্ৰমণৰ শৃংখল ভাঙি দিয়া আৰু জনসাধাৰণক উপযুক্ত স্বাস্থ্য সেৱা যতনোৱাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা। ইয়াৰ বাদে যদি কৰিবলগীয়া কিবা আছিল, সেয়া ভেকচিন অহাৰ বাবে অপেক্ষা আৰু অদৃশ্যজনৰ ওচৰত প্ৰাৰ্থনা। দিনৰ পাছত মাহ বাগৰিছিল। কিন্তু ভেকচিন অহাৰ কোনো নাম- গোন্ধেই নাছিল। বিশ্বৰ ডাঙৰ ডাঙৰ পৰীক্ষাগাৰত অবিৰাম চলি গৈছিল পৰীক্ষা-নিৰীক্ষা। দেশ বিশেষে আৰম্ভ হৈছিল নমুনা পৰীক্ষা, কিন্তু প্ৰায়োগিক সফলতা কতোৱেই নাছিল। তাৰ মাজতে ভাৰততো পূৰাদমে চলিছিল ভেকচিন তৈয়াৰৰ কুচকাৱাজ। নেতৃত্ব লৈছিল আজিৰ তাৰিখত বিশ্বৰ সৰ্ববৃহৎ ভেকচিন প্ৰস্তুতকাৰী সংস্থাৰূপে পৰিচিতি লাভ কৰা পুনেৰ ছেৰাম ইনষ্টিটিউট নামৰ সংস্থাটোৱে।

কৰ'নাকালত বিশ্বব্যাপী ভাবমূৰ্তি উজ্জ্বলি উঠা ছেৰাম ইনষ্টিটিউট অৱ ইণ্ডিয়া (এছ আই আই) নামৰ এই ভাৰতীয় সংস্থাটোৱে যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ আৰু জটিল পৰিস্থিতিৰ মাজতো যিদৰে ঘাটি বা ব্যৰ্থতাৰ আশংকাকো একাষৰীয়া কৰি থৈ ভেকচিন তৈয়াৰৰ প্ৰায়োগিক সফলতা লাভ কৰিলে তাৰ ফলত নজিৰবিহীন আদৰ্শ দেখুৱাই এক অনন্য উচ্চতাত গৈ নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছেই। কৰ'নাৰ আৰম্ভণিতে বিশ্বৰ কেইখনমান মুষ্টিমেয় ৰাষ্ট্ৰই যেতিয়া প্ৰথম ভেকচিন সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছিল, তেতিয়াই ভেকচিন তৈয়াৰৰ দিশত আগবঢ়াৰ কথা ঘোষণা কৰিছিল ছেৰামেও। কিন্তু ছেৰামৰ এই যাত্ৰাৰ আৰম্ভণি ইমান মসৃণ নাছিল। বিবিচি অনলাইনক দিয়া এক সাক্ষাৎকাৰত সংস্থাটোৰ মুখ্য কাৰ্যবাহী বিষয়া আদৰ পুনেৱালাই জানিবলৈ দিয়া মতে, ২০২০ত এনে কেতবোৰ ভেকচিনৰ বাবে বিনিয়োগ কৰা হৈছিল, যিবোৰে আনকি নিয়ন্ত্ৰক সংস্থাৰ অনুমোদনো লাভ কৰা নাছিল। প্ৰবল অনিশ্চয়তাৰ মাজত চকু বন্ধ কৰি লোকচান হ'লেও হ'ব বুলি ভাবি আগবাঢ়িব লগা হৈছিল তেওঁ। পুনেৱালাৰ দৃঢ়তা আৰু বিশ্বাসৰ মূলতে আছিল পূৰ্বতে মেলেৰিয়াৰ ভেকচিন প্ৰস্তুত কৰাৰ সময়ত ছেৰামৰ স'তে যৌথ সহযোগিতাৰে কাম কৰা অক্সফোৰ্ডৰ বিজ্ঞানীসকল। সেইসকল দক্ষ বিজ্ঞানীক লগত লৈ বিনাদ্বিধাই আগবঢ়াৰ সিদ্ধান্ত লৈ পেলাইছিল তেওঁ। ২০২০ৰ এপ্ৰিলতে আদৰ পুনেৱালাই ভেকচিন উদ্ভাৱনাৰ পৰা আৰম্ভ কৰি প্ৰায়োগিক সফলতা লাভ কৰিলে বিতৰণ, ৰপ্তানি আদি বিষয়ক সকলো পৰিকল্পনা কৰি পেলাইছিল আৰু আগষ্টৰ পৰা উৎপাদন আৰম্ভ কৰি দিছিল। একমাত্ৰ পুনেৱালাৰ এই দূৰদৰ্শিতাৰ বাবেই হয়তো চলিত বছৰৰ প্ৰথমটো মাহৰ ভিতৰতে সাত-আঠ কোটি ডোজ ক'ভিশ্বিল্ড ভেকচিন প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিল ছেৰাম। সম্প্ৰতি বিশ্বৰ কৰ'না আক্ৰান্ত বহু কেইখন ৰাষ্ট্ৰৰ বাবে ত্ৰাণকৰ্তা স্বৰূপ হৈ পৰা এই ভাৰতীয় সংস্থাটোৱে অষ্ট্ৰাজেনেকা আৰু অক্সফোৰ্ড কোভিশ্বিল্ড ভেকচিনৰ কোটি কোটি ডোজ প্ৰস্তুত কৰি দেশৰ লগতে বিভিন্ন ৰাষ্ট্ৰলৈ ৰপ্তানি কৰি নজিৰ গঢ়িছে।

বিশ্বৰ সন্মুখত সমগ্ৰ ভাৰতবাসীক গৌৰৱান্বিত কৰা ছেৰাম নামৰ এই সংস্থাটোৰ মূল যাত্ৰা আৰম্ভ হৈছিল পুনেৰ এখন ঘোঁৰা পালন ফাৰ্মৰ পৰা। ফাৰ্মখনৰ গৰাকী আছিল পুনেৱালা পৰিয়াল। ১৯৪৬ত ঘোঁৰাৰ কৃত্ৰিম প্ৰজননৰ উদ্দেশ্যে খুব সাধাৰণভাৱে ফাৰ্মখন আৰম্ভ কৰা হৈছিল। কিছু বছৰ ফাৰ্মখন পৰিচালনা কৰি লাভ কৰা অভিজ্ঞতাৰে পুনেৱালা পৰিয়ালে প্ৰাণীৰ পৰা প্ৰাপ্ত এণ্টিটক্সিন ছেৰাম ব্যৱহাৰ কৰি ভেকচিন প্ৰস্তুত কৰাৰ সকলো আদৱ কায়দা বুজি উঠে আৰু ফাৰ্ম আৰম্ভ কৰাৰ সম্পূৰ্ণ ২০ বছৰ পাছত ১৯৬৬ত আদৰৰ পিতৃ ছাইৰাছ পুনেৱালাৰ নেতৃত্বত গঢ় লৈ উঠে ছেৰাম ইনষ্টিটিউট। সেয়াই আছিল ছেৰামৰ জয়যাত্ৰাৰ আৰম্ভণি। পৰৱৰ্তী সময়ত খুব কম দিনৰ ভিতৰতে তুলনামূলকভাৱে কম খৰচী অথচ ফলপ্ৰসূ আৰু কাৰ্যকৰী দৰৱ বিশ্বজুৰি সৰবৰাহ কৰি জনাজাত হৈ পৰে সংস্থাটো। পুনেৰ মঞ্জৰী নামৰ অঞ্চলটোত এশ একৰৰো অধিক ভূমিত স্থাপিত এই সংস্থাটোত মুঠ আঠ-নটা মান ৱৰ্কশ্বপেই আছে। ইয়াৰে কোনোবাটোত যদি গৱেষণাৰ কাম চলে, আন কোনোবাটো আকৌ ব্যৱহাৰ কৰা হয় ভেকচিন প্ৰস্তুত বা সংৰক্ষণৰ কামত। এই ৱৰ্কশ্বপৰ পৰাই ব্ৰাজিলৰ পৰা আৰম্ভ কৰি দক্ষিণ আফ্ৰিকা পৰ্যন্ত বিভিন্ন দেশলৈ দৰৱ আৰু ভেকচিন ৰপ্তানি কৰা হয়।

কৰ'না মহামাৰীৰ আগলৈ বহু সাধাৰণ ভাৰতীয়ৰ বাবে অপৰিচিত আছিল ছেৰাম। কিন্তু সফলতাৰ খতিয়ান দাঙি ধৰিব লাগিলে পূৰ্বৰে পৰা ইয়াৰ কৃতিত্বৰ তালিকাখন যথেষ্ট দীঘলীয়া। ক'ভিডৰ বাদেও সংস্থাটোৱে দীৰ্ঘকাল ধৰি পলিঅ' ডিপথেৰিয়া, টিটেনাছ, হেপাটাইটিছ বি, হাম আৰু ৰুবেলাৰ দৰে ভেকচিন উৎপাদন কৰি বিশ্বৰ প্ৰায় ১৭০খন দেশলৈ ৰপ্তানি কৰি আহিছে। ছেৰামৰ কাৰখানাত প্ৰতি বছৰে ১৫০ কোটি ডোজ বিভিন্ন ধৰণৰ ভেকচিন উৎপাদন কৰা হয়। বৰ্তমানে দৰৱ প্ৰস্তুতকাৰী সংস্থা অষ্ট্ৰাজেনেকাৰ অনুজ্ঞাপত্ৰৰ অধীনত ক'ভিড ভেকচিন উৎপাদন কৰি থকা হৈছে ইয়াত। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, এই ভেকচিন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ব্যয় বাহনৰ বাবে যি বৃহৎ পৰিমাণৰ পুঁজি দৰকাৰ হয় তাক সংগ্ৰহ কৰাৰ সময়ত প্ৰথমাৱস্থাত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল সংস্থাটো। একাধিক ক'ভিড ভেকচিন উৎপাদনৰ বাবে ২০২০ৰ মে'তেই ৮০ কোটি ডলাৰ সুৰক্ষিত কৰি ৰাখিছিল ছেৰামে। ইয়াৰ পাছতো পুঁজিৰ নাটনি হোৱাত সংস্থাটোৱে নিজাববীয়াকৈ আৰু প্ৰায় ২৬ কোটি ডলাৰ এই প্ৰকল্পৰ নামত বিনিয়োগ কৰে আৰু বাকীখিনি বিশ্বৰ অন্যতম শীৰ্ষ ধনী বিল গেটছসহ আন কিছু দেশৰ দাতব্য সংস্থাৰ পৰা অনুদান হিচাপে সংগ্ৰহ কৰি ব্যয় কৰে। সম্প্ৰতি এএফপি নামৰ সংবাদ সংস্থাটোৰ এক প্ৰতিবেদনত এই বুলি কোৱা হৈছে যে প্ৰতিদ্বন্দ্বী ফাইজাৰ-বায়ো এনটেক ভেকচিনৰ তুলনাত ছেৰামৰ কোভিশ্বিল্ডৰ সংৰক্ষণ আৰু পৰিবহণ ব্যৱস্থাৰ মান উন্নত। তাৰ উপৰি ফাইজাৰ বা মাৰ্কিন সংস্থা মৰ্ডানাৰৰ দ্বাৰা প্ৰস্তুত কৰা ভেকচিনসমূহৰ তুলনাত কোভিশ্বিল্ড কম খৰচী বাবে দৰিদ্ৰ দেশসমূহলৈ সৰবৰাহ কৰাত বিশেষ সুবিধা হ'ব বুলি ধাৰণা কৰা হৈছে প্ৰতিবেদনত। কম খৰচী আৰু উন্নত গুণ-মানৰ বাবেই নানা দেশৰ চৰকাৰে কোভিশ্বিল্ড ক্ৰয় কৰাৰ আগ্ৰহ দেখুৱাইছে। চলিত বছৰৰ আগষ্টৰ ভিতৰতে বিশ্বব্যাপী মুঠ ৩০ কোটি লোকক এই ভেকচিন দিয়াৰ লক্ষ্য স্থিৰ কৰিছে ছেৰামে। আনহাতে, অক্সফোৰ্ডৰ ভেকচিনৰ বাদেও দৰৱ প্ৰস্তুতকাৰী মাৰ্কিন প্ৰতিষ্ঠান নোভাভেক্সৰ কৰ'না ভেকচিন উৎপাদনৰ বাবেও সাজু হৈছে ছেৰাম। ইয়াৰ উপৰি কোভেক্সৰো ২০ কোটি ডোজ সৰবৰাহৰ পৰিকল্পনা কৰিছে সংস্থাটোৱে।

এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব লাগিব আদৰ পুনেৱালাৰ বিষয়ে। বৰ্তমানে ছেৰাম ইনষ্টিটিউটৰ চিইঅ'ৰূপে কাৰ্যভাৰ চম্ভালি থকা আদৰ হৈছে ছাইৰাছ পুনেৱালাৰ পুত্ৰ। চলিত বছৰৰ জানুৱাৰীত ৪০ত খোজ দিয়া আদৰে এই তৰুণ বয়সতে নিজৰ উদ্ভাৱনী মনোভাব লৈ যিদৰে চৰম অনিশ্চয়তা আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো বিপুল পৰিমাণৰ বিনিয়োগ কৰিছে আৰু দৃঢ়তা তথা সাহসেৰে সংস্থাটোৰ এই জয়যাত্ৰাত গুৰিবঠা ধৰিছে তাক প্ৰশংসা কৰিবই লাগিব। বিলাসবহুল জীৱনত অভ্যস্ত আদৰ পুনেৱালাক কৰ'নাৰ আগলৈ বহুতেই হয়তো তেওঁৰ দামী গাড়ী আৰু ব্যক্তিগত জেটৰ প্ৰতি থকা বিলাসিতা আৰু দুৰ্বলতাৰ বাবেহে চিনি পাইছিল। কিন্তু আজিৰ তাৰিখত সকলো বিলাসিতা বাদ দি বিশ্বলৈ ভেকচিন সৰবৰাহ কৰাৰ দায়িত্ব কান্ধ পাতি একাণপতীয়াভাৱে কাম কৰি থকা আদৰক সকলোৱে ভাৰতৰ বিশাল ব্যৱসায়িক ক্ষেত্ৰখনৰ ভৱিষ্যতৰ মহানায়ক হ'ব বুলি একেমুখে স্বীকাৰ কৰিছে।








# আধাৰ স্তম্ভ

## নামমাত্ৰ বিনিয়োগতেই সুৰক্ষা আৰু সঞ্চয়ৰ নিশ্চিতি

**পূৰ্বৰ** তুলনাত কৰ'না মহামাৰীয়ে দেখা দিয়াৰ পাছত ভাৰতত জীৱন বীমাৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। এনে জনপ্ৰিয় জীৱন বীমা পলিচীসমূহৰ ভিতৰত ভাৰতীয় জীৱন বীমা নিগম চমুকৈ এলআইচিৰ আধাৰ স্তম্ভ নামৰ আঁচনিখনে শেহতীয়াকৈ যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। আঁচনিখনৰ বিশেষত্ব এই যে ইয়াত প্ৰিমিয়ামৰ পৰিমাণ তুলনামূলকভাৱে ভালেখিনি কম যদিও সুবিধা বহুত।

মাহিলি মাত্ৰ কেইটামান টকাৰ প্ৰিমিয়ামতেই সুৰক্ষা আৰু সঞ্চয়ৰ নানা ধৰণৰ আকৰ্ষণীয় সুবিধা পাব পৰা যায় এই আঁচনিৰ জৰিয়তে। পলিচীৰ ম্যাদ পূৰ হোৱাৰ শেষত সৰ্বোচ্চ প্ৰায় চাৰি লক্ষ টকাৰ নিশ্চিত ৰিটাৰ্ণ সম্ভৱ ইয়াত। লগতে এই কম প্ৰিমিয়ামৰ সঞ্চয় প্ৰকল্পৰ জৰিয়তে বিনিয়োগকাৰীক 'ডেথ বেনিফিটো' প্ৰদান কৰে ভাৰতীয় জীৱন বীমা নিগমে। অৱশ্যে এই আঁচনিত কেতবোৰ সীমাবদ্ধতাও নথকা নহয়। আধাৰ স্তম্ভৰ সমস্ত সুবিধা কেৱল পুৰুষ উপভোক্তাসকলৰ বাবেহে উপভোগ্য। সংশ্লিষ্ট ব্যক্তিৰ আধাৰ কাৰ্ড থকাটো হ'ব বাধ্যতামূলক। ভাৰতীয় জীৱন বীমা নিগমৰ ৱেবছাইট licindia.inৰ পৰা লাভ কৰা তথ্য অনুসৰি, আধাৰ স্তম্ভ এনে এক বীমা পলিচী য'ত ডেথ আৰু মেচিঅ'ৰিটী বেনিফিটৰ উপৰি এড-অন ৰাইডাৰৰ সুবিধাও উপভোগ কৰিব পৰা যায়। বীমাৰ বজাৰত প্লেন ৯৪৩ নামেৰে জনপ্ৰিয় হৈ পৰা এলআইচিৰ এই আঁচনিখন হৈছে নন-লিংকড্ উইদ প্ৰফিট এণ্ড'মেণ্ট এছ্যুৰেঞ্চ জীৱন বীমা আঁচনি যিয়ে নিম্ন মধ্যবিত্ত আৰু নিম্নবিত্ত ভাৰতীয়সকলক জীৱন বীমাৰ সুবিধা আগবঢ়াই আছে। আঁচনিৰ নিয়ম অনুসৰি, ম্যাদ শেষ হোৱাৰ আগেই যদি দুৰ্ভাগ্যবশতঃ বীমাকাৰীৰ আকস্মিক মৃত্যু ঘটে তেন্তে তেওঁৰ নমিনিয়ে সকলোবোৰ ডেথ বেনিফিট লাভ কৰিব। আনহাতে জীৱিত বীমাকাৰীয়ে ম্যাদ শেষ হোৱাৰ অন্তত মেচিঅ'ৰিটী বেনিফিট হিচাপে বৃহৎ অংকৰ নগদ লাভ কৰিব।

**গুৰুত্বপূৰ্ণ দিশসমূহ ঃ**

* আধাৰকাৰ্ড থকা ন্যূনতম আঠৰ পৰা ৫৫ বছৰ বয়সৰ যিকোনো ব্যক্তিয়ে (পুৰুষ) এই আঁচনি ক্ৰয় কৰিব পাৰে।
* আঁচনিৰ ম্যাদ শেষ হোৱাৰ সময়ত আবেদনকাৰীৰ সৰ্বোচ্চ বয়স ৭০ বছৰৰ অধিক হ'ব নোৱাৰিব।
* এই পলিচীৰ আওতাত ন্যূনতম ৭৫,০০০ টকাৰ পৰা সৰ্বোচ্চ ৩,০০,০০০টকা পৰ্যন্ত ছাম এছিওৰ্ড কৰা হয়।
* পলিচীৰ ম্যাদ ন্যূনতম ১০ বছৰৰ পৰা সৰ্বাধিক ২০ বছৰ।
* পলিচী ইছ্যু কৰাৰ সময়ৰ পৰাই এই আঁচনিত ৰিস্ক ক'ভাৰেজ পাব পৰা যায়।



## কোনখন আঁচনিত বিনিয়োগ কৰাটো বেছি লাভজনক?

# সুকন্যা সমৃদ্ধি নে ৰাজহুৱা ভৱিষ্যনিধি?

**প্ৰধানমন্ত্ৰী** নৰেন্দ্ৰ মোদী 'বেটী বচাও, বেটী পঢ়াও' প্ৰচাৰ অভিযানৰ অংশ হিচাপে মুকলি কৰা সুকন্যা সমৃদ্ধি যোঁজনা নামৰ আঁচনিখন দেশৰ ভিতৰতে অন্যতম জনপ্ৰিয় শূদ্ৰ সঞ্চয় আঁচনি বুলি জনা যায় আজিকালি। কন্যা সন্তানৰ বিত্তীয় ভৱিষ্যৎ গঢ়াৰ বাবে ইয়াতকৈ শ্ৰেষ্ঠ লাভজনক আৰু চকু মুদি ভৰসা কৰিব পৰা আঁচনি হয়তো দ্বিতীয় নোলাব। কন্যা শিশুৰ নিৰাপদ আৰু সুৰক্ষিত ভৱিষ্যৎ সুনিশ্চিত কৰাৰ উদ্দেশ্যে অধিকাংশ অভিভাৱকে আজিকালি সুকন্যা সমৃদ্ধি যোজনাৰ ওপৰতে নিৰ্ভৰ কৰে। অন্যান্য ক্ষুদ্ৰ সঞ্চয় আঁচনি যেনে-ডাকঘৰৰ জমা আঁচনি আদিৰ তুলনাত এই আঁচনিত বহু বেছি পৰিমাণে ৰিটাৰ্ণ পাব পাৰি। তাৰ উপৰি আয়কৰ আইনৰ ৮০ চি ধাৰাৰ অধীনত এই আঁচনিত বিনিয়োগ কৰিলে (১.৫ লাখ টকা পৰ্যন্ত) সুত আৰু লাভসহ সমস্ত ধনৰাশিত সম্পূৰ্ণ কৰ ৰেহাইৰ সুবিধাও থাকে।

পিছে কন্যা শিশুৰ বিত্তীয় ভৱিষ্যতৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে কেৱল সুকন্যা সমৃদ্ধি আঁচনিৰ ওপৰত ভৰসা কৰি থাকিলে হ'বনে? পৰিস্থিতি সাপেক্ষে অন্যান্য বিনিয়োগ পৰিকল্পনাৰ ওপৰতো সমানেই নজৰ দিব লাগিব অভিভাৱকে। বিশেজ্ঞসকলৰ মতে, বৰ্তমান যিহেতুকে এই আঁচনিৰ সুতৰ হাৰ আন প্ৰায়ভাগ সঞ্চয় আঁচনিৰ তুলনাত অধিক (সাত দশমিক ছয় শতাংশ), গতিকে সদ্যহতে আগন্তুক কেইটামান ত্ৰিমাসিকত ইয়াৰ সুতৰ হাৰ বঢ়াৰ কোনো সম্ভাৱনা নাই। উদাহৰণস্বৰূপে, ৰাজহুৱা প্ৰভিডেণ্ট ফাণ্ড বা পিপিএফ আৰু জ্যেষ্ঠ নাগৰিকৰ সঞ্চয় আঁচনিৰ সুতৰ হাৰ যথাক্ৰমে ৭.১ শতাংশ আৰু ৭.৪ শতাংশ। এই ক্ষেত্ৰত প্ৰতিটো ত্ৰিমাসিকত সুতৰ হাৰ সংশোধিত হোৱাৰ সম্ভাৱনা পূৰামাত্ৰাই আছে এই দুই আঁচনিত। যদিও কন্যা সন্তানৰ নিশ্চিত বিত্তীয় ভৱিষ্যতৰ বাবে এই আঁচনি সৰ্বোত্তম, তথাপি কেৱল এটা প্ৰকল্পৰ নামতে সমস্ত সঞ্চয়ৰ ধন খটুওৱাতকৈ সঞ্চয়ৰ এক ক্ষুদ্ৰ অংশ ৰাজহুৱা ভৱিষ্যনিধি চমুকৈ পিপিএফৰ দৰে লাভজনক আৰু ৰিটাৰ্ণৰ নিশ্চিতি থকা আঁচনিতো বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে বিশেষজ্ঞসকলে। উল্লেখ্য যে, অহা ৩১ মাৰ্চত অন্ত পৰিবলগীয়া বিত্তীয় বৰ্ষটোৰ শেহৰটো ত্ৰিমাসিকত সুকন্যা সমৃদ্ধি আৰু পিপিএফৰ সুতৰ হাৰ আছিল ক্ৰমে ৭.৬ শতাংশ আৰু ৭.১০ শতাংশ। অৰ্থাৎ পিপিএফৰ তুলনাত সুকন্যা সমৃদ্ধিত সুতৰ হাৰ ০.৫০ শতাংশ বেছি। বিশেষজ্ঞসকলৰ মতে, পিপিএফ আৰু সুকন্যা সমৃদ্ধিৰ মাজত যদি যিকোনো এটা বাছনি কৰিবলগীয়া হয় তেতিয়া সুকন্যা সমৃদ্ধিক বাছি লোৱাটো বেছি যুক্তিসংগত হ'ব। কিয়নো পিপিএফৰ তুলনাত সুকন্যাত অধিক সুত পাব পাৰি। তদুপৰি আগন্তুক দিনতো এই হাৰ অব্যাহত থকাৰ ইংগিত দিছে বিশেষজ্ঞমহলে। উল্লেখ্য যে উভয় আঁচনিতে আয়কৰ ৰেহাইৰ সুবিধা থাকে।

**কি কি সুবিধা আছে সুকন্যা সমৃদ্ধি একাউণ্টত?**

১০ বছৰৰ তলৰ যিকোনো কন্যা শিশুৰ অভিভাৱকে সুকন্যা সমৃদ্ধি একাউণ্ট (এছএছএ) খুলিব পাৰে। এটা পৰিয়ালৰ সৰ্বাধিক দুগৰাকী কন্যা শিশুৰ বাবে এছএছএ খুলিব পাৰি। অৱশ্যে যমজ সন্তানৰ ক্ষেত্ৰত দুটাতকৈ অধিক একাউণ্ট খুলিব পৰা যায়। সুকন্যা সমৃদ্ধি আঁচনিৰ সুতৰ হাৰ নিৰ্ধাৰণ কৰে কেন্দ্ৰীয় চৰকাৰে। প্ৰতি ত্ৰিমাসিকৰ মূৰে মূৰে এই সুতৰ হাৰ পৰিবৰ্তন কৰাৰ নিয়ম। কোনো এটা বিত্তীয় বৰ্ষত এই আঁচনিত ন্যূনতম বিনিয়োগৰ পৰিমাণ হৈছে ২৫০ টকা আৰু সৰ্বোচ্চ বিনিয়োগৰ পৰিমাণ হৈছে ১.৫ লক্ষ টকা। যদি অভিভাৱকে কোনো এটা বিত্তীয় বৰ্ষৰ ভিতৰত ন্যূনতম ধন বিনিয়োগ নকৰে তেন্তে সংশ্লিষ্ট একাউণ্টক ডিফল্ট একাউণ্ট হিচাপে গণ্য কৰে ডাক বিভাগে। এনে ডিফল্ট একাউণ্ট সহজতে পুনৰুদ্ধাৰো কৰিব পাৰি। ইয়াৰ বাবে একাউণ্ট খুলাৰ পাছৰে পৰা ১৫ বছৰ পূৰ্ণ হোৱাৰ আগমুহূৰ্তলৈ যিকোনো সময়ত পুনৰ ন্যূনতম ২৫০ টকাকৈ আৰু প্ৰতিটো ডিফল্ট বছৰৰ বাবদ অতিৰিক্ত ৫০ টকাকৈ জমা দিব লাগিব। কন্যাৰ ১৮ বছৰ পূৰ হোৱাৰ পাছত অথবা দশম শ্ৰেণীৰ পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পাছতহে সুকন্যা সমৃদ্ধি একাউণ্টৰ ধন মোকলাব পাৰি। একাউণ্ট খোলাৰ দিনাৰ পৰা ২১ বছৰ পৰ্যন্ত বা কন্যাৰ বিয়াৰ বয়সলৈ এই একাউণ্টৰ ম্যাদ থাকে সচৰাচৰ।




# আয়কৰ ৰিটাৰ্ণৰ পৰা পিএফলৈ..

## পহিলা এপ্ৰিলৰ পৰা সলনি হ'ব এইবোৰ নিয়ম

**চলিত** বিত্তীয় বৰ্ষটো অন্ত পৰিবলৈ আৰু মাত্ৰ কেইটামান দিন। অহা পহিলা এপ্ৰিলৰ পৰা আৰম্ভ হ'ব ২০২১-২০২২ বিত্তীয় বৰ্ষৰ। নতুন বৰ্ষটোৰ পৰাই দেশৰ বিভিন্ন বিত্তীয় সেৱা, আয়কৰ দাখিলৰ নিয়মৰ পৰা আৰম্ভ কৰি চাকৰিয়ালৰ দৰমহালৈ বিভিন্ন ক্ষেত্ৰত পৰিৱৰ্তন অনাৰ যো-জা চলাইছে কেন্দ্ৰীয় চৰকাৰে। এই বিষয়ে জানো আহকচোন—

**প্ৰবীণ নাগৰিকৰ বাবে ৰেহাই ঃ** প্ৰবীণ নাগৰিকসকলৰ বাবে নতুন বিত্তীয় বৰ্ষটোৱে কঢ়িয়াই আনিব আশাৰ বতৰা। নতুন নিয়ম অনুসৰি, ৭৫ বছৰৰ অধিক বয়সৰ বয়োজ্যেষ্ঠ ব্যক্তিয়ে আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ প্ৰয়োজন নহ'ব আগন্তুক বৰ্ষৰ পৰা। যিসকল প্ৰবীণে পেঞ্চন বা সুতৰ পৰা অৰ্থ উপাৰ্জন কৰে তেওঁলোকক আয়কৰ ৰিটাৰ্ণ জমা দিয়াৰ পৰা ৰেহাই দিছে চৰকাৰে। অৱশ্যে এই ৰেহাই তেতিয়াহে পাব পৰা যায় যেতিয়া পেঞ্চনৰ ধন জমা হোৱা আৰু সুতৰ বাবদ হোৱা আয় জমা হোৱা একাউণ্ট একেটা বেংকতে থাকিব।

চাকৰিয়ালৰ মাহিলি দৰমহা নতুন বিত্তীয় বৰ্ষটোত চাকৰিয়ালসকলৰ মাহিলি দৰমহাৰ ক্ষেত্ৰতো কেতবোৰ পৰিৱৰ্তন দেখা যাব। কিয়নো এতিয়াৰে পৰা চাকৰিয়ালৰ মুঠ বেতনৰ ৫০ শতাংশ বেছিক বেতন হোৱাটো বাধ্যতামূলক হ'ব। ফলস্বৰূপে যিসকল চাকৰিয়ালৰ পি এফ একাউণ্ট আছে তেওঁলোক লাভান্বিত হ'ব। কিয়নো পূৰ্বৰ তুলনাত অধিক পৰিমাণৰ ধন নিযুক্তি দাতাৰ ফালৰ পৰা জমা হ'ব পি এফ একাউণ্টত। ইয়াৰ ফলত ইনহেণ্ড বেতনৰ ওপৰতো প্ৰভাৱ পৰিব। আনহাতে, পি এফ জমাৰ ক্ষেত্ৰতো চৰকাৰে বৃহৎ পৰিৱৰ্তন আনিছে। এতিয়াৰে পৰা পিএফত বছৰি পাঁচ লাখ টকাৰ অধিক জমা কৰা ব্যক্তিয়ে সুতৰ বাবদ কৰ ভৰিব লাগিব।

**ভ্ৰমণ ঃ** ভ্ৰমণ কৰি ভালপোৱা চৰকাৰী চাকৰিয়ালসকলে ক'ভিড কালত উপভোগ কৰি থকা কেতবোৰ বিশেষ সুবিধা নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰে পৰা লাভ কৰিব নোৱাৰিব। যোৱা বছৰ তলাবন্ধ আৰু ক'ভিড সংক্ৰমণৰ আশংকাত বিপৰ্যস্ত হৈ পৰা পৰ্যটন ব্যৱস্থাটোলৈ লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে চৰকাৰী চাকৰিয়ালসকলক এলটিচি আঁচনিৰ আওতাত বিশেষ কৰ ৰেহাইৰ সুবিধা আগবঢ়াইছিল। এই সুবিধা নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ দিনটোৰ পৰাই কৰ্তন কৰা হ'ব। আনহাতে, পহিলা এপ্ৰিলৰ পৰাই এভিয়েচন ছিকিউৰিটি মাচুল ২০০ টকা বৃদ্ধি হোৱাৰ বাবে বিমান ভ্ৰমণ ব্যয়বহুল হোৱাৰো সম্ভাৱনা আছে।

**টিডিএছ ঃ** কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুসৰি, যিসকল আয়কৰৰ আওতাত পৰা ব্যক্তিয়ে আয়কৰ ৰিটাৰ্ণ (আইটিআৰ) দাখিল নকৰে তেওঁলোকৰ পৰা দুগুণ টিডিএছ কৰ্তন কৰা হ'ব। আয়কৰ আইনৰ অধীনত নতুনকৈ সংলগ্ন কৰা ২০৬ এ বি ধাৰা অনুযায়ী, অহা পহিলা এপ্ৰিলৰ পৰা এই নিয়ম প্ৰবৰ্তন কৰা হ'ব।



**বেংকৰ চেকবুক ঃ** দেনা বেংক, বিজয়া বেংক, অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ, ইউনাইটেড বেংক অৱ ইণ্ডিয়া, অন্ধ্ৰ বেংক, কৰ্পোৰেছন বেংক আৰু এলাহাবাদ বেংকৰ চেকবুক আৰু আই এফ চি কোড বাতিল হোৱাৰ কথা অহা পহিলা এপ্ৰিলৰ পৰা। গতিকে উক্ত বেংকসমূহৰ উপভোক্তাই নিজ নিজ বেংকৰ শাখাৰ স'তে যোগাযোগ কৰি বিকল্প উপায় সম্বন্ধে জানি বুজি লোৱাটো জৰুৰী হ'ব।

# প্ৰতিমাহে তিনি হেজাৰ টকাকৈ উপাৰ্জন কৰক এই আঁচনিৰ জৰিয়তে

বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে যদি আপোনাৰ সুবিধাৰ্থে আজি এনে এক আঁচনিৰ বিষয়ে জনাবলৈ ওলাইছো য'ত বিনিয়োগ কৰিলে প্ৰতিমাহে ন্যূনতম তিনি হেজাৰ টকাকৈ উপাৰ্জন কৰিব পাৰিব। যিকোনো আঁচনিত নিজৰ কষ্টোপাৰ্জিত টকাকেইটা ব্যয় কৰাৰ আগতে আমি সকলোৱে আঁচনিখনৰ জনপ্ৰিয়তা, কাৰ্যকাৰিতা আৰু ৰিটাৰ্ণৰ নিশ্চিতিৰ বিষয়ে জানি-বুজি লোৱাটো খুবেই জৰুৰী। চৰকাৰী আঁচনি হ'লে বিনিয়োগকাৰীৰ মনৰ খুদুৱনিও কম হয়, লগতে শংকাও নাথাকে। এই মুহূৰ্তত বিভিন্ন চৰকাৰী আঁচনিসমূহৰ ভিতৰত জনপ্ৰিয়তাৰ শীৰ্ষত থকা আৰু ৰিটাৰ্ণৰ নিশ্চিতি তথা পুঁজিৰ নিৰাপত্তা দিব পৰা আঁচনিসমূহৰ অন্যতম হৈছে প্ৰধানমন্ত্ৰী শ্ৰম যোগী মান-ধন (পিএমএছৱাইএম) আঁচনি। আহকচোন আঁচনিখনৰ বিষয়ে কিছু কথা জানো। জনতালৈ সামাজিক সুৰক্ষা আগবঢ়োৱাৰ নিমিত্তে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰা বিভিন্ন আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী শ্ৰম যোগী মান-ধন (পিএমএছৱাইএম) আঁচনিখনো অন্যতম। ২০১৯ৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা শুভাৰম্ভ হোৱা এই আঁচনিক দেশৰ অসংগঠিত ক্ষেত্ৰখনৰ স'তে জড়িত প্ৰায় ৪২ কোটি শ্ৰমিকৰ কল্যাণৰ লক্ষ্যৰে মুকলি কৰা হৈছে।

অসংগঠিত ক্ষেত্ৰত কৰ্মৰত ১৮ ৰ পৰা ৪০ বছৰ বয়সৰ যিকোনো শ্ৰমিক-কৰ্মচাৰীয়ে এই আঁচনিৰ সুবিধা উপলব্ধ কৰিব পাৰে। ইয়াৰ বাবে চৰ্ত মাথোঁ এটাই। যিসকল শ্ৰমিকৰ মাহিলি বেতন ১৫ হেজাৰ টকা বা তাতকৈ কম, তেওঁলোকৰ বাবেহে এই সুবিধা উপভোগ্য। ইয়াৰ সমান্তৰালভাৱে নিউ পেঞ্চন স্কিম আৰু ইএছআইচি প্ৰকল্পৰ আওঁতাত পৰাসকলেও প্ৰধানমন্ত্ৰী শ্ৰম যোগী মান-ধন আঁচনিৰ সুবিধা ল'ব পাৰে।

**ধন জমা কৰাৰ পদ্ধতি আৰু সুবিধা কি কি?**

চৰকাৰী ঘোষণা অনুসৰি, প্ৰধানমন্ত্ৰী শ্ৰম যোগী মান-ধন প্ৰকল্পৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো এই যে ৬০ বছৰ পাৰ কৰাৰ পাছত এই আঁচনিৰ গ্ৰাহকে প্ৰতি মাহে ন্যূনতম তিনি হেজাৰ টকাৰ নিশ্চিত পেঞ্চন লাভ কৰিব পাৰে। ইয়াৰ ওপৰঞ্চিভাৱে পেঞ্চন চলাকালীন গ্ৰাহকৰ মৃত্যুও হয়, তেন্তে তেওঁৰ স্ত্ৰী বা স্বামীয়ে ৫০ শতাংশ হাৰত পাৰিবাৰিক পেঞ্চন লাভ কৰে। আনহাতে, কোনো গ্ৰাহকে যদি এই পেঞ্চন ফাণ্ডত নিয়মীয়াকৈ টকা জমা কৰি থাকে আৰু কোনো কাৰণত ৬০ বছৰ পূৰ কৰাৰ আগতেই গ্ৰাহকৰ মৃত্যু হয়, তেন্তে তেওঁৰ স্ত্ৰী বা স্বামীয়েও এই আঁচনি চলাই নিয়াৰ সুবিধা পায়। অৱশ্যে এই ক্ষেত্ৰত কোনো বাধ্য-বাধকতা নাই। আঁচনিখনৰ আওতাত ধন জমা কৰাৰ পদ্ধতিও তেনেই সহজ। এই আঁচনিৰ বাবে দিবলগীয়া ধনৰাশি ৬০ বছৰ পৰ্যন্ত সংশ্লিষ্ট গ্ৰাহকৰ জমা বা জন ধন বেংক একাউণ্টৰ পৰা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে স্বয়ংক্ৰিয়ভাৱে কৰ্তন কৰা হয়। লগতে উক্ত পৰিমাণৰ ঠিক সমপৰিমাণৰ ধন কেন্দ্ৰীয় চৰকাৰৰ পক্ষৰ পৰাও গ্ৰাহকৰ পিএমএছৱাইএম পেঞ্চন ফাণ্ডত জমা দিয়া হয়।

# কৰ্পোৰেট এফডিত আকৰ্ষণীয় সুত

চৰকাৰীয়েই হওক বা বেচৰকাৰীয়েই, বেংকৰ জমা আঁচনিৰ সুতৰ হাৰ ক্ৰমাগতভাৱে হ্ৰাস পাইছে। ফলত ফিক্সড্ ডিপ'জিট বা চমুকৈ এফ ডিৰ সুতৰ ধনেৰে বাজেটৰ খৰচ মিলোৱা বহু মধ্যবিত্তৰ বাবে সমস্যাৰ সৃষ্টি হৈছে। স্বাভাৱিকতে ইয়াৰ পাছত বেংকৰ জমা আঁচনিৰ প্ৰতি আকৰ্ষণ পূৰ্বৰ তুলনাত কমিছে নতুন বিনিয়োগকাৰীসকলৰ মাজত। বিপৰীতে, বৰ্তমানে বহু বিনিয়োগকাৰীক কোম্পানী বা কৰ্প'ৰেট ফিক্সড্ ডিপ'জিটৰ প্ৰতিহে বিশেষভাৱে আগ্ৰহী হৈ উঠা দেখা গৈছে। আপাত দৃষ্টিত চাবলৈ গ'লে বেংকৰ এফডি আৰু কৰ্পৰেট বা কোম্পানী এফডিৰ মাজত কোনো পাৰ্থক্য নাই। বেংকৰ ফিক্সড্ ডিপ'জিটৰ ক্ষেত্ৰত সংশ্লিষ্ট বেংকটোত গ্ৰাহকৰ ধনৰাশি জমা হয় আৰু কোম্পানী এফডিত গ্ৰাহকৰ জমাৰাশি উক্ত কোম্পানীৰ হাতত থাকে। কিন্তু বেংকৰ তুলনাত কৰ্পোৰেট এফডিত সুতৰ হাৰ যথেষ্ট আকৰ্ষণীয়। কোনো কোনো কোম্পানীয়ে এনে এফডিত বাৰ্ষিক ন শতাংশ পৰ্যন্ত সুত প্ৰদান কৰি আছে বৰ্তমানে। গতিকে গ্ৰাহক আকৃষ্ট নোহোৱাৰ প্ৰশ্নই নুঠে। পিছে লাভ যিমান, লোকচান ভৰাৰ আশংকাও কিন্তু সিমানেই। বেংকৰ তুলনাত এই ধৰণৰ এফডিত ঘাটিৰ আশংকা বেছি। আনহাতে, বেংকত যেনেদৰে ন্যূনতম সাত দিনৰ পৰা সৰ্বোচ্চ ১০ বছৰ পৰ্যন্ত বিভিন্ন ম্যাদৰ এফডি একাউণ্ট খোলাৰ সুযোগ পোৱা যায়, কৰ্পোৰেট এফডিত সাধাৰণতে ম্যাদ ন্যূনতম ১০ মাহৰ পৰাহে আৰম্ভ হয়। এনে একাউণ্টত সৰ্বাধিক ১২০ মাহ পৰ্যন্ত ধন জমা কৰি ৰাখিব পাৰি।

**কি কি কাৰণত জনপ্ৰিয়তা বাঢ়িছে কৰ্পোৰেট এফডিৰ...**

সুতৰ হাৰ বেংকত বৰ্তমানে ফিক্সড্ ডিপ'জিট আঁচনিসমূহত খুব বেছি পাঁচ শতাংশৰ পৰা ছয় শতাংশ সুত দি থকা হৈছে। ইয়াৰ বিপৰীতে কৰ্পোৰেট এফডিত ন্যূনতম ৪.৩ শতাংশৰ পৰা সৰ্বাধিক ন শতাংশ পৰ্যন্ত সুত প্ৰদান কৰি থকা হৈছে। আনকি প্ৰবীণ নাগৰিকসকলকো এই ধৰণৰ কৰ্পোৰেট এফডিৰ বাবদ তুলনামূলকভাৱে অধিক সুত আগবঢ়োৱা হৈছে।

ক্ৰেডিট ৰেটিং মূল্যায়ন ঃ এনে আঁচনি আগবঢ়োৱা কৰ্পোৰেট সংস্থাসমূহৰ ক্ৰেডিট স্কোৰ সময়ে সময়ে মূল্যায়ন কৰি থকা হয়। ক্ৰাইছিল (CRISIL) ইক্ৰা (ICRA), আৰু কেয়াৰ (CARE) দৰে আগশাৰীৰ ক্ৰেডিট ৰেটিং সংস্থাই এইবোৰৰ মূল্যায়ন কৰে, য'ত নেকি বেংকৰ ক্ষেত্ৰত এনে কোনো মূল্যায়নৰ সুযোগ নাই।

সুত আহৰণৰ ম্যাদ ঃ কৰ্পোৰেট ফিক্সড্ ডিপ'জিটৰ ক্ষেত্ৰত জমাকাৰী উপভোক্তাই সুত আহৰণৰ ম্যাদ নিজৰ সুবিধা অনুযায়ী বাছনি কৰি ল'ব পাৰে। সাধাৰণতে মাহিলি, তিনি মাহিলি ছয় মাহিলি বা বাৰ্ষিক হিচাপত এই সুত প্ৰদান কৰে কৰ্পোৰেট সংস্থাসমূহে।

**বৰ্তমানে বজাৰৰ শ্ৰেষ্ঠ কৰ্পোৰেট এফ ডি আঁচনিসমূহৰ সুতৰ হাৰৰ তালিকা দিয়া হ'ল—**

কোম্পানীৰ নাম ম্যাদ সুতৰ হাৰ

হকিন্স কুকাৰ এফডি ১২-৩৬ ৮.৫০-৯.০০ শতাংশ।

হাডকো ১২-৬০ মাহ ৭.০০-৭.৫০ শতাংশ।

বাজাজ ফাইনেন্স- ১২-৬০ মাহ ৬.১৫-৭.২৫ শতাংশ।

পি এন বি হাউচিং ফাইনেন্স-১২-১২০ মাহ ৫.৯০-৬.৭০ শতাংশ।

আইচিআইচিআই হোম ফাইনেন্স ১২-১২০ মাহ ৪.৩০-৬.৪৫ শতাংশ।

এইছডিএফচি ১-৫ বছৰ ৫.৭০-৬.২০ শতাংশ ।

মহিন্দ্ৰা ফাইন্সে ১২-৬০ মাহ ৫.৭০-৬.৪৫ শতাংশ।

# কুৰালগুৰি, ঢেকীয়ালত ভোটদান

তিনি পৃষ্ঠাৰ পৰা ভোটাৰৰ বিপৰীতে ৪৬৩টা ভোট সাব্যস্ত হয়। ১২০ নম্বৰ কেন্দ্ৰত ৫২৭টা ভোটৰ বিপৰীতে ৪৯১টা ভোট সাব্যস্ত হৈছে। ঢেকীয়াল গাঁও পঞ্চায়তৰ অন্তৰ্গত মলিয়া গাঁও প্ৰাথমিক বিদ্যালয়ৰ কেন্দ্ৰত ৭৯৯টা ভোটৰ বিপৰীতে ৬৫২টা, ঢেকীয়াল বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেন্দ্ৰত ৯৩৬ গৰাকী ভোটৰ বিপৰীতে ৭৮০টা ভোট সাব্যস্ত হৈছে। সেইদৰে গৌৰাংগ সত্ৰ প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা কেন্দ্ৰটোত ৮৩২ ভোটৰ বিপৰীতে ৬৮৮ গৰাকী ভোটাৰে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে।

# গোলাঘাটত চাৰি সমষ্টিত ৮০ শতাংশ

তিনি পৃষ্ঠাৰ পৰা কক্ষ, চিকিৎসা ব্যৱস্থা আদি সকলো ধৰণৰ সা-সুবিধাৰ ব্যৱস্থা কৰি আটকধুনীয়াকৈ সজাই-পৰাই তোলে।

ইফালে, সমষ্টি দুটাৰ অন্তৰ্গত সীমান্তৱৰ্তী অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ লগতে জটিল তথা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত অৰ্ধ সামৰিক বাহিনী নিয়োগ কৰা হয়। নিৰ্বাচন জিলাখনৰ ২৪৩টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হয়। কোনো ভোটগ্ৰহণ কেন্দ্ৰতে এতিয়ালৈকে কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। উল্লেখ্য যে গোলাঘাট নিৰ্বাচন জিলাত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩,৪৬,২৮৭ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ১,৭২,৮৯৫ গৰাকী আৰু মহিলা ভোটাৰৰ সংখ্যা হৈছে ১,৭৩,৩৯২ গৰাকী। গোলাঘাট সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা ২,০৫,১৯৬ গৰাকী। ইয়াৰে ১,০২,৫১৬জন পুৰুষ আৰু ১,০২,৬৮০ গৰাকী মহিলা ভোটাৰ। আনহাতে, খুমটাই সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা ১,৪১,০৯১ গৰাকী। ইয়াৰে ৭০,৩৭৯জন পুৰুষ আৰু ৭০,৭১২ মহিলা ভোটদাতা। সমষ্টি দুটাত ৫১৬ গৰাকী বিশেষভাৱে সক্ষম ভোটাৰ, ৭৪১৬ গৰাকী ১৮ৰ পৰা ১৯ বছৰ বয়সৰ, ৩৮৮৪ গৰাকী ৮০ বছৰ বয়সৰ উৰ্ধৰ, ৭২০গৰাকী ডি ভোটাৰ আৰু ৫৫৮ গৰাকী ছাৰ্ভিচ ভোটাৰ আছে।

# শিৱসাগৰ নিৰ্বাচনী জিলাৰ ৫৭৪টা

তিনি পৃষ্ঠাৰ পৰা 1,51,675 জন ভোটাৰৰ 81.60 শতাংশই ভোটদান কৰি নিৰ্বাচনী প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয় কৰে। শিৱসাগৰ সমষ্টিৰ অন্তৰ্গত কোঁৱৰপুৰৰ শাস্ত্ৰীজী হাইস্কুলৰ এটা ভোটদান কেন্দ্ৰত দুটা ভি ভি পেড ভোটগ্ৰহণৰ আৰম্ভণিতেই বিকল হৈ পৰে। তেনেদৰে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰু ৰুদ্ৰসাগৰ প্ৰাথমিক বিদ্যালয়ৰ পূব খণ্ডৰ এটা ভোটদান কেন্দ্ৰত ই ভি এম এটা বিকল হৈ পৰাত ভোটগ্ৰহণত কিছু পলম হয়। দিচাংমুখৰ ছিনিয়ৰ বেছিক স্কুলত থকা ভোটদান কেন্দ্ৰত একাংশ বিজেপি কৰ্মীয়ে ভোটাৰক মুক্তভাৱে বিজেপিক ভোট দিবলৈ হেঁচা প্ৰয়োগ কৰা বুলি একাংশ কংগ্ৰেছ কৰ্মীয়ে অভিযোগ কৰে। আনহাতে, থাওৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাজমাই চাহ বাগিচাৰ 85 নম্বৰ ভোটদান কেন্দ্ৰত গাঁওৰক্ষী বাহিনীৰ দুজনমান কৰ্মীয়ে একাংশ ভোটাৰক ভোটদান কেন্দ্ৰৰ ভিতৰলৈ গৈ বিজেপিক ভোটদান কৰিবলৈ হেঁচা প্ৰয়োগ কৰা বুলি একাংশ কংগ্ৰেছ কৰ্মীয়ে এই সংবাদদাতাৰ আগত অভিযোগ কৰে। ইফালে, আমগুৰি সমষ্টিত দুই-এটা ভোটদান কেন্দ্ৰত ই ভি এমৰ কাৰিকৰী বিসংগতি হোৱাৰ উপৰি কাৰৈমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 14 (ক) আৰু 15 (ক) ভোটদান কেন্দ্ৰ দুটাৰ বাহিৰত কংগ্ৰেছ তথা অগপ-বিজেপিৰ দুই দলৰ কৰ্মীৰ মাজত নিৰ্বাচনী বিধি উলংঘনৰ প্ৰতি অভিযোগেৰে তুমুল বাক্-বিতণ্ডাৰ সৃষ্টি হয়। পিছত গৌৰীসাগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# বিজেপি-কংগ্ৰেছক ভোট দি পুনৰ

তিনি পৃষ্ঠাৰ পৰা মানসিকতা পোষণ কৰিছে। সৌভাগ্য যে অসমীয়াৰ বিবেক, মন-মগজু কোনোৰে টকাৰে কিনিব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে প্ৰতিগৰাকী অসমবাসীয়ে বিজেপিক বুজাই দিবলৈ তিলমানো কুণ্ঠাবোধ কৰা নাই।

ইফালে, বিবৃতিটোত কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন নেতাজনে কয় যে সংশোধিত নাগৰিকত্ব আইনৰ বিৰোধিতা কৰাটো যে কংগ্ৰেছৰ ৰাজনৈতিক মুনাফা আদায়ৰহে কৌশল সেই কথা অসমীয়াই বুজিছে বুলি উল্লেখ কৰে। সংশোধিত নাগৰিকত্ব আইনৰ বিৰোধ কৰিয়ে সেই দলটো অসম প্ৰেমী হৈ যোৱা বুলি ভবাটো এটা ডাঙৰ ভুল। অসম স্বাধীনতাৰ ৭৭ বছৰৰ ভিতৰত প্ৰায় ৬২ বছৰ কাল ধৰি সেই দলটোৰ চৰকাৰে অসমত ছহিদৰ তালিকা ইমান দীঘলীয়া কৰিছে অসমীয়াই পাহৰিব নোৱাৰে। ভাষা আন্দোলনৰ ছহিদ, খাদ্য আন্দোলনৰ ছহিদ, বিদেশী বহিষ্কৰণ আন্দোলনৰ ছহিদ, অসমৰ ভাষা-সংস্কৃতি ৰক্ষাৰ হকে অসমবাসীয়ে কিমান আন্দোলন কৰিব লগা হ'ল আৰু সেই দলটোৰ চৰকাৰে কেনেদৰে দমন-পীড়ন কৰি অসমৰ আবাল-বৃদ্ধা-বনিতা, ছাত্ৰ-যুৱক, কৰ্মচাৰী-শিক্ষকক ছহিদ কৰালে তাৰ হিচাপ পাহৰিব নোৱাৰে অসমবাসীয়ে। অসম আন্দোলনৰ কলংকিত অধ্যায়, ১৯৮৩ৰ জুইয়ে পোৰা নিৰ্বাচনত কি দশা পৰিছিল, কেনেকৈ আন্দোলনকাৰীক শাৰী পতাই গুলীয়াই হত্যা কৰা হৈছিল সেই লোমহৰ্ষক ঘটনাবোৰ কোনোৱে পাহৰি যাব নোৱাৰে বুলি উল্লেখ কৰে ডেকাই। তদুপৰি আইএমডিটি আইন প্ৰণয়ন কৰি অসমক বিদেশীৰ হাতত চমজাই দিয়াৰ ৰাজনীতি এই কংগ্ৰেছে কৰিছিল বুলি উল্লেখ কৰি কয় যে অসমৰ অস্তিত্বহীনতা এতিয়াৰ পৰিণতি সৃষ্টি কৰাৰ বাবেই কংগ্ৰেছী চৰকাৰে আজি হঠাৎ নাগৰিকত্ব আইন বিৰোধী হৈয়ে অসম প্ৰেমী হৈ পৰা বুলি ভবাটো এটা সাংঘাতিক ভুল পদক্ষেপ হোৱাটো নিশ্চিত বুলি কয়। বৰ্তমানৰ চৰকাৰৰ দিনতো আন্দোলনকাৰীক হত্যা কৰাৰ ঘটনা, কেন্দ্ৰত বিজেপি, অসমত অগপৰ শাসনত গুপ্তহত্যা লীলাৰ ভয়াৱহ ঘটনাও অসমীয়াই পাহৰা সমীচীন নহয় বুলি ৰাইজৰ মনোযোগ আকৰ্ষণৰ কামনা কৰে কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদক প্ৰধানজনে।

# হোজাই সমষ্টিত ২,৬৩,৭৮০গৰাকী

তিনি পৃষ্ঠাৰ পৰা হিতেশ্বৰ শইকীয়া আৰু তৰুণ গগৈ চৰকাৰত গুৰুত্বপূৰ্ণ মন্ত্ৰী পদো লাভ কৰিছিল। ২০০১ৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোৰ পৰা ডাঃ দেই ৫১০৪৮টা ভোট লাভ কৰি বিধায়ক নিৰ্বাচিত হৈছিল। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপি প্ৰাৰ্থী ৰাম প্ৰসাদ সাহাই ৪৪৮৮৭টা ভোট লাভ কৰিছিল। ২০০৬ৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল এ আই ইউ ডি এফৰ ডাঃ আদিত্য লাংথাছা। তেওঁ ভোট লাভ কৰিছিল ৪৪৩৬৪টা আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ডাঃ দেই ৩৯০১১টা ভোট আৰু বিজেপি প্ৰাৰ্থী বিদ্যা সাগৰে ২৯৯৯৭টা ভোট লাভ কৰিবলৈ সক্ষম হয়। সেই বছৰৰ অগপৰ প্ৰাৰ্থী কমল দত্তই লাভ কৰে ২৫১০৭টা ভোট। ২০১১ত সমষ্টিটোৰ পৰা পুনৰবাৰ বিধায়ক নিৰ্বাচিত হয় কংগ্ৰেছৰ ডাঃ অৰ্ধেন্দু কুমাৰ দে। কংগ্ৰেছৰ প্ৰাৰ্থী ডাঃ দেই লাভ কৰিছিল ৭০৬৪৭টা ভোট। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ প্ৰাৰ্থী ডাঃ লাংথাছাই ৫০৭৫৫টা ভোট পোৱাৰ বিপৰীতে বিজেপি প্ৰাৰ্থী শিলাদিত্য দেৱে লাভ কৰিছিল ৩০০১১টা ভোট। অগপৰ প্ৰাৰ্থী নাৰায়ণ চন্দ্ৰ ভৌমিকে লাভ কৰিছিল ২৬২৩টা ভোট। ২০১৬ত সমষ্টিটোত অভিলেখসংখ্যক ভোট লাভ কৰি বিধায়ক নিৰ্বাচিত হয় বিজেপি প্ৰাৰ্থী শিলাদিত্য দেৱ। তেওঁ লাভ কৰিছিল ১০৫৬১৫টা ভোট। তাৰ বিপৰীতে এ আই ইউ ডি এফৰ প্ৰাৰ্থী ধনীৰাম থাউছেনে ৪৯৭৫৬টা ভোট আৰু কংগ্ৰেছৰ প্ৰাৰ্থী ডাঃ অৰ্ধেন্দু কুমাৰ দেই লাভ কৰে ৩৫২০৭টা ভোট। ২০২১ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান এতিয়া তুংগত। সমষ্টিটোত এইবাৰো পদুম ফুলিবনে? নে খেলা হবে? এই লৈ ৰাজনৈতিক মহলত চলিছে সৰৱ চৰ্চা। দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া হোজাই বিধানসভা সমষ্টিত মুঠ পাঁচগৰাকী প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। প্ৰাৰ্থীকেইগৰাকী হৈছে ক্ৰমে ৰাজকুমাৰ গুপ্তা (লোক ৰক্ষা পাৰ্টি), ৰামকৃষ্ণ ঘোষ (ভাৰতীয় জনতা পাৰ্টি), দেৱব্ৰত সাহা (ভাৰতীয় জাতীয় কংগ্ৰেছ), দুলাল সূত্ৰধৰ (নিৰ্দলীয়), নজমুল হুছেইন লস্কৰ (নিৰ্দলীয়)। হোজাই সমষ্টিত মুঠ ২,৬৩,৭৮০গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এইবাৰ সমষ্টিটোত দ্বিকোণীয় প্ৰতিদ্বন্দ্বিতা হোৱাৰ লক্ষণ দেখা গৈছে। সমষ্টিটোত এইবাৰৰ মিত্ৰতাৰ বাবে এ আই ইউ ডি এফে প্ৰাৰ্থী থিয় কৰোৱা নাই। ঠিক একেদৰে ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদেও প্ৰাৰ্থী দিয়া নাই সমষ্টিটোত। এই দৃষ্টিত এতিয়া সমষ্টিটোত মূল যুঁজখন হ'ব কংগ্ৰেছ আৰু বিজেপিৰ মাজত। কংগ্ৰেছৰ টিকটৰ পৰা বঞ্চিত হৈ প্ৰবীণ কংগ্ৰেছ নেতা ডাঃ দেই বিজেপিত যোগ দিয়াৰ বিপৰীতে বিজেপিৰ টিকটৰ পৰা বঞ্চিত বৰ্তমানৰ বিধায়ক শিলাদিত্য দেৱে বিজেপি প্ৰাৰ্থীজনৰ হৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত নহ'ল।

# কংগ্ৰেছৰ চৰকাৰ হ'লে 'কা' বাতিল হ'বই

তিনি পৃষ্ঠাৰ পৰা মন্তব্য কংগ্ৰেছ দলৰ লোকসভাৰ সাংসদ গৌৰৱ গগৈৰ। কংগ্ৰেছ দলৰ ডিফু সমষ্টিৰ প্ৰাৰ্থী চুম ৰংহাঙৰ সমৰ্থনত কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটত নিৰ্বাচনী প্ৰচাৰৰ বাবে আহি এক বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে কংগ্ৰেছ সাংসদগৰাকীয়ে। উল্লেখযোগ্য যে, নিৰ্বাচনৰ দিন ক্ৰমাৎ চমু চাপি অহাৰ লগে লগে নিজ নিজ দলৰ শক্তি প্ৰদৰ্শনত নামি পৰিছে কংগ্ৰেছ-বিজেপি উভয় দল। কালি বোকাজানত এক নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰি মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি দলৰ শক্তি প্ৰদৰ্শন কৰাৰ পিছত আজি বকলীয়াঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এক বিশাল নিৰ্বাচনী সভাৰ আয়োজন কৰি কংগ্ৰেছ দলেও শক্তি প্ৰদৰ্শনৰ চেষ্টা চলায়। আজি দিনৰ প্ৰায় এক বজাত হেলিকপ্টাৰযোগে সভাস্থলীত উপস্থিত হৈ প্ৰদান কৰা ভাষণত কংগ্ৰেছী সাংসদ গৌৰৱ গগৈয়ে চুম ৰংহাঙৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ সমান্তৰালভাৱে শাসকীয় বিজেপি দলকো কঠোৰ ভাষাৰে সমালোচনা কৰে। দৰ্শক-সমৰ্থকৰ প্ৰবল হৰ্ষোল্লাসৰ মাজত ভাষণ প্ৰদান কৰি ডিফু সমষ্টিত নিৰ্বাচনৰ পূৰ্বেই ৰাইজে ফলাফল নিশ্চিত কৰিলে বুলি মন্তব্য কৰি ডিফুৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থী চুম ৰংহাং ঐতিহাসিক ব্যৱধানত জয়লাভ কৰিব বুলি মন্তব্য কৰে। সমষ্টিটোত বৃহৎ জনপ্ৰিয়তা থকা নেতাগৰাকীক কংগ্ৰেছ দলৰ সমৰ্থকসকলে ভোট দিয়াৰ লগতে বিজেপি দলৰ সমৰ্থকসকলৰ পৰাও ভোট লাভ কৰি ৰংহাং বিজয়ী হ'ব বুলি সাংসদগৰাকীয়ে দাবী কৰে। আনহাতে, এইবাৰ অসমত কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ গঠন হোৱাটো নিশ্চিত বুলি দাবী কৰি উক্ত চৰকাৰত চুম ৰংহাঙে এক ভাল স্থান লাভ কৰিব বুলিও সাংসদগৰাকীয়ে উক্ত সভাতে ঘোষণা কৰে। ভাষণ প্ৰসংগত বিজেপি নেতৃত্বাধীন কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক কঠোৰ ভাষাৰে সমালোচনা কৰি সাংসদ গগৈয়ে জিলাখনত সম্প্ৰতি ছিণ্ডিকেট আৰু ঠিকাদাৰৰ চৰকাৰ চলিছে বুলি অভিযোগ কৰে। পৰিষদ কৰ্তৃপক্ষই নিজা লাভালাভৰ স্বাৰ্থত কাম কৰে বুলি মন্তব্য কৰি ৰাইজৰ বাবে এয়া উচিত সিদ্ধান্ত লোৱাৰ সময় বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। ভাষণ প্ৰসংগত মূল্যবৃদ্ধি, নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ ব্যৰ্থতাক সমালোচনা কৰি সাংসদগৰাকীয়ে কংগ্ৰেছ দলৰ পাঁচ গেৰান্টী সন্দৰ্ভত সবিস্তাৰে ব্যাখ্যা আগবঢ়ায়। কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি সাংসদ গগৈয়ে কয় যে মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কথাবোৰ শুনিবলৈ ভাল যদিও কামবোৰ ভাল নহয়। ২৫ লাখ চাকৰিৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰখনে এক লাখ চাকৰিও দিবলৈ সক্ষম নহ'ল বুলিও চৰকাৰখনক সমালোচনা কৰে। ইয়াৰ বিপৰীতে ইয়াৰ বিপৰীতে কংগ্ৰেছ দলে কথাৰ ফুলজাৰি নামাৰে, কথা দিলে কামো কৰি দেখুৱায় বুলি সাংসদগৰাকীয়ে কয়। বিজেপি চৰকাৰৰ শাসনত পৰিৱৰ্তনৰ নামত ধনীসকল অধিক ধনী হ'ল আৰু দুখীয়াসকল অধিক দৰিদ্ৰ হ'ল বুলি আক্ষেপ প্ৰকাশ কৰি বিজেপি চৰকাৰে এপদ এপদকৈ অসমৰ সকলো সম্পদ বিক্ৰী কৰা বুলি অভিযোগ কৰে। সাংবাদিকৰে হোৱা বাৰ্তালাপত কংগ্ৰেছী সাংসদগৰাকীয়ে আজি ভোটদান অনুষ্ঠিত হোৱা উজনি অসমৰ আটাইকেইখন আসনতে কংগ্ৰেছ দলে ভাল ফলাফল আগবঢ়াব বুলি আশা প্ৰকাশ কৰে। মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰথম পৰ্যায়ত চল্লিশ খনৰো অধিক আসন লাভ কৰিব বুলি কৰা দাবীসন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ২৫ লাখ চাকৰিৰ প্ৰতিশ্ৰুতি দিও প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰা মন্ত্ৰীগৰাকীৰ এনে মন্তব্যৰ কোনো ভিত্তি নাই বুলি কয়। কাৰ্বি আংলং জিলা কংগ্ৰেছৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী খৰছিং ইংতিয়ে আঁত ধৰা সভাখনত আদৰণি ভাষণ প্ৰদান কৰি দলটোৰ ডিফুৰ প্ৰাৰ্থী চুম ৰংহাঙে সুদীৰ্ঘ কাল কংগ্ৰেছী ৰাজনীতিৰ স'তে জড়িত থাকি শেহতীয়াকৈ বিজেপিত যোগদান কৰিছিল যদিও সম্প্ৰতি বিজেপি দলক টাটা বাই বাই দিয়া বুলি কয়। অহা এক এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত কংগ্ৰেছ দলৰ সমৰ্থনত ভোটদান কৰিবলৈ সকলো ৰাইজকে হাতযোৰ কৰি অনুৰোধ জনায় চুম ৰংহাঙে। সভাখনত তেলেংগানাৰ বিধায়িকা তথা দলীয় পৰ্যৱেক্ষক ধনচাৰী অনসূয়া, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ডাঃ মংৰে ৰংপি, কাৰ্বি আংলং জিলা কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি অশোক টেৰণকে ধৰি ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

# নলবাৰীত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ অলকা লাম্বাৰ প্ৰচাৰ সভা

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২৭ মাৰ্চ ঃ** 'অসমৰ জনতাই এইবাৰ কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ বনাবলৈ সিদ্ধান্ত লৈছে। পেট্ৰ'ল, ডিজেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক মাধমাৰ শোধাইছে। এই মূল্যবৃদ্ধিৰ বাবে সাধাৰণ লোকসকল কোঙা হৈ পৰিছে। নলবাৰী সমষ্টিৰ কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী প্ৰদ্যুৎ ভূঞাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই এইদৰে মন্তব্য কৰে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ তথা দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সভানেত্ৰী অলকা লম্বাই। ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিত যোৱা দুদিন ধৰি ভূঞাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ঘগ্ৰাপাৰ, বালিতাৰা, চ'ক বজাৰ, বালা মুগকুছি, দিহজাৰী, সাহপুৰ, দৌলগোবিন্দপুৰ, বাসুদেৱ নামঘৰ প্ৰাংগণকে ধৰি বৰ বিষ্ণুপুৰত দলীয় সভাত অংশগ্ৰহণ কৰি ভাষণত তেওঁ কয়, 'বিজেপি চৰকাৰে যোৱা পাঁচ বছৰত নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। দিনক দিনে নিবনুৱা সমস্যা হাৰ অধিক বৃদ্ধি হোৱাৰ কথাও তেওঁ ভাষণত দোহাৰে। ইফালে, কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীয়ে ঘোষণা কৰা পাঁচ গেৰাণ্টীৰ কথা পুনৰ উল্লেখ কৰি মহিলাসকলক প্ৰতি মাহেকত দুহেজাৰ টকাকৈ একাউণ্টত ভৰাই দিয়াৰ কথা ব্যক্ত কৰি পাঁচ লাখ নিবনুৱা যুৱক-যুৱতীক চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

# ২০২১ৰ পৰাই প্ৰথম গৰাকী

তিনি পৃষ্ঠাৰ পৰা প্ৰয়োজনীয় কাম কৰাৰ বাবে সুবিধা হয়। ভোটাৰজনে লগতে কয় যে এইদৰে ভোটদানৰ বাবে তেওঁ আগ্ৰহী হৈছিল নপামৰ এজন বিশিষ্ট ব্যক্তি প্ৰয়াত শ্যামলাল শৰ্মাক দেখি। এইজন স্বাধীনতা সংগ্ৰামীয়ে নপামত সদায়েই প্ৰথমতেই ভোটদান কৰিছিল আৰু তেওঁক দেখিয়েই অৱসৰপ্ৰাপ্ত শিক্ষকজনে এই অভ্যাস নিজেই গঢ়ি তুলিছিল। তেওঁ পুৱা প্ৰায় পাঁচ বজাতেই ভোটদানৰ বাবে সাজু হয় বুলি উল্লেখ কৰি কয় যে সাম্প্ৰতিক সময়ত পাঁচমাইল অঞ্চলৰ ক্ষেত্ৰত একাংশ ৰাজনীতিকে যেনেদৰে সাম্প্ৰদায়িক অপপ্ৰচাৰ চলাইছে সেয়া প্ৰকৃততে শুদ্ধ নহয়। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাক নিৰ্দলীয় হিচাপে বিজয়ী কৰাত বিশেষ ভূমিকা থকা এই বৃহত্তৰ অঞ্চলৰ ৰাইজে তেজপুৰ আৰু ৰঙাপৰাৰ প্ৰাক্তন বিধায়ক প্ৰয়াত ৰাজেন বৰঠাকুৰকো এজন নিৰ্দলীয় প্ৰাৰ্থীৰ ৰূপত জিলা পৰিষদৰ সদস্যৰূপে বিজয়ী কৰাইছিল। আজি চাহাবুদ্দিনে ভোটদান কৰি উঠি কয় যে স্বাধীন দেশৰ নাগৰিকৰূপে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰি তেওঁৰ দায়িত্ব পালন কৰাৰ লগতে দেশ তথা ৰাজ্যৰ মংগলময় ভৱিষ্যৎ কামনাৰ লগতে এই গণতান্ত্ৰিক ব্যৱস্থাই যাতে মানুহক মানুহৰ ওচৰ চপাই আনে তাৰে কামনা কৰিছে।

# বিজেপিয়ে দেশৰ ৰাজহুৱা

তিনি পৃষ্ঠাৰ পৰা ইমূৰৰ পৰা সিমূৰলৈ নিৰ্বাচনী প্ৰচাৰ চলাই আসন দখলৰ চেষ্টা ৰখা পৰিলক্ষিত হৈছে। আজিও সমষ্টিটোৰ দুৰ্গম অঞ্চলত অৱস্থিত জেৰিকীণ্ডিঙত কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী আগষ্টীন ইংহিয়ে উপস্থিত হৈ কে'বা শতাধিক ৰাইজ তথা কংগ্ৰেছ সমৰ্থকক কয় যে বৈঠালাংছ' সমষ্টিত কংগ্ৰেছৰ জয় এশ শতাংশই নিশ্চিত। কেৱল ইয়াতে নহয়, এইবাৰ অসমত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰ গঠন হ'ব। কংগ্ৰেছ আমোলত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক চৰকাৰী আঁচনিৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজ উপকৃত হৈছিল, উগ্ৰপন্থী সমস্যা দূৰ হৈ শান্তিপূৰ্ণ পৰিৱেশ সৃষ্টি হৈছিল। গেছ, তেল, খাদ্য সামগ্ৰীৰ দাম আদি সকলো শ্ৰেণীৰ লোকৰ বাবে বহনক্ষম আছিল, কিন্তু বিজেপি চৰকাৰ অহাৰ লগে লগেই সম্পূৰ্ণ ইয়াৰ বিপৰীত ছবিহে দেখিবলৈ পাইছে ৰাইজে। পুঁজিপতিৰ বাহিৰে সাধাৰণ ৰাইজ চলিব নোৱৰা হৈ পৰিছে। আনকি 'বিজেপিয়ে দেশৰ ৰাজহুৱা সম্পত্তি ব্যক্তিগত খণ্ডৰ হাতত বিক্ৰী কৰি শেষ কৰিছে' বুলিও মন্তব্য কৰে ইংহিয়ে। বাছ, ৰেল পৰিবহণ, বিদ্যুৎ বিভাগ, অসমৰ তৈলক্ষেত্ৰ আদি ব্যক্তিগতকৰণ কৰি শেষ কৰিছে, সংস্থাপনৰ সুবিধা নোহোৱা কৰিছে এই বিজেপি চৰকাৰে বুলি ইংহিয়ে ক্ষুৰধাৰ সমালোচনা কৰে বিজেপিক। সেয়ে ৰাজহুৱা সম্পত্তি ৰক্ষা, উন্নয়ন-বিকাশ, সংস্থাপন, ঐক্য, শান্তি আদিৰ স্বাৰ্থত কংগ্ৰেছত ভোট প্ৰদান কৰি কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰ গঠন কৰাত সহায়-সহযোগ আৰু বৈঠালাংছ' সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীক বিপুল ভোটেৰে জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায় ইংহিয়ে। আনহাতে, সভাত উপস্থিত থকা চত্তিছগড়ৰ বিধায়ক ৰাম কুমাৰ যাদৱে বিজেপি চৰকাৰ তথা দলক কঠোৰ ভাষাৰে তীব্ৰ সমালোচনা কৰি বিজেপি এটা ভ্ৰষ্টাচাৰী দল, ধৰ্মীয় সংঘাত সৃষ্টি কৰা দল আৰু জাতি ধ্বংসকাৰী দল হিচাপে আখ্যা দিয়ে। বিজেপিয়ে শান্তি, উন্নয়ন, বিকাশ, প্ৰগতি আদি কৰিব নোৱাৰে বা নাজানে, বিজেপিয়ে কেৱল শোষণ কৰিব জানে বুলি মন্তব্য কৰে যাদৱে। প্ৰচা সভাত কংগ্ৰেছৰ প্ৰাৰ্থী ইংহিৰ বিপৰীতে চত্তিছগড়ৰ বিধায়ক ৰাম কুমাৰ যাদৱ, কাৰ্বি পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য এলিচ ইংতিপি, পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছৰ সভাপতি সাৰ্থে ক্ৰামছা, আমৰেং মণ্ডল কংগ্ৰেছৰ সভাপতি সাৰ্থে ৰংহি, মহিলা কংগ্ৰেছৰ সম্পাদিকা, যুৱ কংগ্ৰেছৰ সম্পাদককে ধৰি ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# ভৱানীপুৰত সমষ্টি উন্নয়নৰ

তিনি পৃষ্ঠাৰ পৰা সমষ্টি ভৱানীপুৰত ছহিদজনৰ স্মৃতি বিজড়িত হৈ থকাৰ বাবে আমি গৌৰৱ বোধ কৰো; কিন্তু সমানেই আমি দুখ অনুভৱ কৰো কোনোবাই আমাক এই সমষ্টিৰ বিধায়ক কোন বুলি সুধিলে। যিটো সমষ্টিত বিদেশী খেদা আন্দোলনৰ প্ৰথমজন ছহিদৰ ঘৰ আজি এই সমষ্টিটোত বিদেশীসকলক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে গঠন হোৱা দল এ আই ইউ ডি এফৰ বিধায়ক আব্দুল কালাম আজাদ। ৰাইজে আজি ভৱানীপুৰ সমষ্টিক লৈ গৌৰৱবোধ কৰে। আমাক বহুতেই প্ৰশ্ন কৰে কিহৰ বাবে ঐতিহ্যমণ্ডিত সমষ্টি এটাত এ আই ইউ ডি এফে দখল কৰিব পাৰিলে। এ আই ইউ ডি এফৰ ছদ্মবেশী নেতাই ইয়াত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰি সমষ্টিটো এ আই ইউ ডি এফ দখল কৰাত ইমান দিনে সুবিধা কৰি দি আহি অৱশেষত ৰাইজৰ চকুত নিজে ধৰা দি এইবাৰ সেই দলটোৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। প্ৰতিদ্বন্দ্বিতা কৰি ইয়াকেই প্ৰমাণ কৰিছে যে বিদেশীক ৰক্ষণাবেক্ষণ দিয়া দলটোৰ স'তে পূৰ্বৰে পৰা থকা সু-সম্পৰ্কৰ কথা। বাৰে বাৰে আমাক প্ৰতাৰণা-বিশ্বাসঘাতকতা কৰিবলৈ এইসকল নেতা সমষ্টিলৈ আহিছে। যোৱা ১০ বছৰে আমাৰ ঐতিহ্যপূৰ্ণ সমষ্টিটো ২০ বছৰ পিছুৱাই গ'ল। যোৱা ১০ বছৰে আমাৰ সমস্যা লৈ বিধানসভাত আমাৰ সমষ্টিটোৰ বিধায়কে এবাৰো প্ৰশ্ন কৰা আমি দেখিবলৈ সক্ষম নহ'লো। আমি বিজেপি নেতৃত্বাধীন চৰকাৰখনে প্ৰায়ভাগ সমষ্টি উন্নয়ন কৰিছে। একমাত্ৰ বিৰোধী বিধায়ক থকাৰ বাবে আমি চৰকাৰৰ এই উন্নয়নৰ পৰা বঞ্চিত হৈছো। এইবাৰ দিছপুৰত মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাটো নিশ্চিত। যদি আমি এইবাৰো এজন বিৰোধী দলৰ বিধায়কক নিৰ্বাচন কৰি দিছপুৰলৈ পঠিয়াই দিও তেন্তে আৰু পাঁচ বছৰৰ বাবে আমাৰ এই সমষ্টিটো পুনৰ পিছুৱাই যাব। ৰাজ্যত এতিয়া উন্নয়নৰ জয়যাত্ৰা চলিছে। এই উন্নয়নৰ ধাৰাৰ স'তে আমি খোজ মিলাই যাব লাগিব। আমাৰ সমষ্টিটোত জালুকবাৰী, মাজুলীৰ দৰে অসমৰ ভিতৰত জাকতজিলিকা সমষ্টিৰূপে উজলাই তুলিব লাগিব। আমি সেই আশাৰে আগবাঢ়ি আহি ৰাজনীতিত যোগদান কৰিছো। ব্যক্তিগতভাৱে সহায় কৰিলে আমি সীমিত সংখ্যক লোককহে সহায় কৰিব পাৰো আমি বহল দৃষ্টিভংগীৰে আগবাঢ়িব বিচাৰো ৰাজনৈতিক পৰিসৰৰ মাজেৰে বহুসংখ্যকৰ সমস্যা দূৰ কৰিব পাৰিম বুলি আমি পৰম বিশ্বাসী। সেয়ে নিজৰ আপোন মানুহৰ বাবে, নিজৰ আপোন সমষ্টিৰ বাবে কিবা এটা কৰাৰ হেঁপাহেৰে আমি ওলাইছো। আমাক আশীৰ্বাদ কৰিব। আজি বহুতো নেতাই একমাত্ৰ নিজৰ স্বাৰ্থ আগত ৰাখি কথাৰ ফুলজাৰিৰে ৰাইজক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰি আহিছে কিন্তু আমি মনত ৰাখিব লাগে যে আমাৰ এই সমষ্টি ছহিদৰ স্মৃতি বিজড়িত ঐতিহ্যপূৰ্ণ সমষ্টি। এইবাৰেই আমাৰ শেষ যুদ্ধ আমি যিকোনো প্ৰকাৰেই আমাৰ এই সমষ্টি উদ্ধাৰ কৰিবই লাগিব বুলি কয় ডেকাই। ভৱানীপুৰ সমষ্টিৰ কৰাগাড়ীত আনখন সভাত কংগ্ৰেছৰ দুই শতাধিক কৰ্মীয়ে অগপত যোগদান কৰে। ইপিনে, সমষ্টিটোৰ তালতলত ড০ ডেকাৰ নিৰ্বাচনী কাৰ্যালয় মুকলি সভাত দাতিৰবড়ী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা এ আই ইউ ডি এফৰ কৰ্মী সুজিত মণ্ডলসহ কে'বাগৰাকীও এ আই ইউ ডি এফৰ কৰ্মী-সমৰ্থকে অগপত যোগদান কৰে। ইয়াৰ পাছতেই তেওঁ মাধপুৰ, নকুছি, কৰাগাড়ী, গলিয়া, নমাটি, পূব লোৱাগুৰ, মাহতলী, ভৱানীপুৰ চ'ক বজাৰ আদি বিভিন্ন ঠাইত নিজৰ সমৰ্থনত প্ৰচাৰ চলায়। এই নিৰ্বাচনী সভাসমূহত ডেকাক সংগ দিয়ে অগপ নেতা মৃণাল কাকতি, দিলীপ দাস, বিজেপি নেতা মণ্টু তালুকদাৰ, হৰদ্বীপ দাস, প্ৰাণজিৎ মণ্ডল, বনজিৎ মণ্ডল, ভূপেন মেধি, অগপ কৰ্মী হেমাংগ ডেকা, খনিন্দ্ৰ শৰ্মা আদিয়ে উপস্থিত থাকে।

# ছিপাঝাৰত গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছত যোগদান যুৱ সমাজকৰ্মীৰ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৭ মাৰ্চ ঃ** ঐতিহাসিক খটৰা সত্ৰত কংগ্ৰেছৰ এক নিৰ্বাচনী সভাত সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত যোৱা ২৬ মাৰ্চত দুহেজাৰ সমৰ্থক সহ কংগ্ৰেছত যোগদান কৰে যুৱ সমাজকৰ্মী ছৈয়দ আব্দুলাহে। উল্লেখ্য যে, কিছু দিনৰে পৰাই ৬৬ নম্বৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰক্ষেপিত প্ৰাৰ্থী কুলদীপ বৰুৱাৰ হৈ যুৱ সমাজকৰ্মী আব্দুলাহে বৃহৎ সংখ্যক সমৰ্থকসহ গাঁৱে গাঁৱে প্ৰচাৰ চলাই কংগ্ৰেছৰ সমৰ্থকসকলৰ মাজত ব্যাপকভাৱে চৰ্চিত হৈছে। সমষ্টিটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত বহুদিনৰ পৰা জড়িত হৈ সকলোৰে আদৰ লাভ কৰা আব্দুল্লাহে সকলো সময়তে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সহায় কৰি আহিছে। লক্ষ্যণীয় যে সদায় ৰাইজৰ কাষত থকা আব্দুল্লাহে বিগত তলাবন্ধৰ সময়ছোৱাত কে'বা হেজাৰ লোকক যোগান ধৰিছিল খাদ্য-সামগ্ৰী। ইফালে পশ্চিম দৰঙত থকা তেওঁৰ আমন হেল্থ কেয়াৰ ডায়েগ্নষ্টিক চেণ্টাৰে দৰিদ্ৰ ৰাইজক চিকিৎসা ক্ষেত্ৰত বিভিন্ন ধৰণে সেৱা আগবঢ়াই আহিছে। ইফালে একেখন সভাতে সাংবাদিক, সাহিত্যিক ত্ৰিদীৱ শৰ্মা, ইন্দুমতী চহৰীয়া, দীনেশ হাজৰিকা আৰু ভদ্ৰ চহৰীয়াই বৃহৎ সংখ্যক সমৰ্থকসহ কংগ্ৰেছত যোগদান কৰে।

# বাঘবৰত ৰিপাব্লিকান পাৰ্টিৰ প্ৰাৰ্থী লিলচান উদ্দিনৰ নিৰ্বাচনী প্ৰচাৰ

**আলোপতি, ২৭ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন ক্ৰমাৎ চমু চাপি অহাৰ লগে লগে বাঘবৰ সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে। দলীয় নেতা-কৰ্মীসকলে জনসমৰ্থন আদায় কৰিবৰ বাবে ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে বাঘবৰ সমষ্টিৰ ৰিপাব্লিকান পাৰ্টিৰ প্ৰাৰ্থী লিলচান উদ্দিনে কালিৰে পৰা বাঘবৰ সমষ্টিৰ চৰাঞ্চলৰ আলোপতি, বাঘমাৰাচৰ, খাটিয়ামাৰী, মাজৰচৰ, নিচানৰচৰ, ধৰ্মপুৰ ভাতনাপাইতি আদি অঞ্চলত সৰু সৰু সভা অনুষ্ঠিত কৰাৰ লগতে ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা খুজে। বাঘবৰৰ চৰাঞ্চলত মাটিৰ পট্টা, খহনীয়া ৰোধ কৰা, বাঘবৰত কেন্দ্ৰীয় বিদ্যালয় স্থাপন, ষ্টেডিয়াম নিৰ্মাণ কৰা আদি প্ৰতিশ্ৰুতিৰে ভোট যুদ্ধত অৱতীৰ্ণ হৈছে প্ৰাৰ্থীজনে। নিৰ্বাচনী প্ৰচাৰ অভিযানত প্ৰাৰ্থীজনে কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থীক ক্ষুৰধাৰ সমালোচনা কৰে। ইপিনে, সমষ্টিটোত এ আই ইউ ডি এফ আৰু কংগ্ৰেছেও ব্যাপক নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই নিৰ্বাচনী বতাহ উত্তপ্ত কৰি তুলিছে।

# ধুবুৰী জিলাৰ পাঁচ সমষ্টিৰ এটাতহে কংগ্ৰেছ প্ৰাৰ্থী

**বক্সিৰহাট, ২৭ মাৰ্চ ঃ** অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ নেতৃত্বত এআইইউডিএফ, চিপিআই, চিপিএম আঞ্চলিক গণ মৰ্চাই গঠন কৰিছে মহাজোঁট বন্ধন। সেই সূত্ৰে ধুবুৰী জিলাৰ মুঠ পাঁচটা বিধানসভা সমষ্টিৰ ভিতৰত এটাতহে কংগ্ৰেছৰ প্ৰাৰ্থী ভোট যুঁজত অৱতীৰ্ণ হৈছে। জিলাখনৰ বিলাসীপাৰা পূব, বিলাসী পশ্চিম, ধুবুৰী, গৌৰীপুৰ আৰু গোলকগঞ্জ সমষ্টিৰ ভিতৰত কেৱল গোলকগঞ্জ সমষ্টিতহে কংগ্ৰেছে প্ৰাৰ্থিত্ব আগবঢ়াইছে। বাকী চাৰিটা সমষ্টিত এআইইউডিএফক এৰি দিছে কংগ্ৰেছে। এইবেলি গোলকগঞ্জ সমষ্টিত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা হ'ল আঠ। ইয়াৰে ছয়গৰাকী দলীয় আৰু দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও কংগ্ৰেছ আৰু বিজেপিৰ মাজতহে মূল প্ৰতিদ্বন্দ্বিতা হ'ব বুলি অনুমান কৰা হৈছে।

# কুলহাটীৰ বনবেৰীয়া থানত দৌল উৎসৱ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৭ মাৰ্চ ঃ** তীৰ্থনগৰী হাজোৰ কুলহাটী বালাদিয়া পথাৰস্থিত বনবেৰীয়া থানত দিনজোৱা কাৰ্যসূচীৰে কাইলৈ দৌল উৎসৱ উদ্‌যাপন কৰিব। তদুপলক্ষে পুৱা বন্তি প্ৰজ্বলনৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰিব কুলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাসে আৰু বনবেৰীয়া থানৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি নগেন্দ্ৰ নাথ দাসে। ইয়াৰ পাছতে ভাগৱত পাঠ, আয়তীসকলৰ নাম-প্ৰসংগ, সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। উদ্যোক্তা সমিতিয়ে সমগ্ৰ কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰিছে।



তেজুপৰত ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ভোটাৰৰ দীঘলীয়া শাৰি, শনিবাৰে।

# দলগাঁৱত গছত উঠি ডাল কাটিব গৈ থিতাতে নিহত হৈ ওলমি থাকিল শ্ৰমিক

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৭ মাৰ্চ ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত আজাদ নগৰত আজি গছত উঠি ডাল কাটিব গৈ বিদ্যুৎ সংযোগ ঘটি শ্ৰমিক এজনৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। বিভাগৰ পৰা বিদ্যুৎ সংযোগ কৰ্তন নকৰাকৈয়ে আহেদ আলীৰ গৃহৰ চৌহদত থকা গছজোপাত ডাল কাটিবলৈ উঠাইছিল জামালপুৰৰ ছামাদ আলী ওৰফে ফকিৰ নামৰ শ্ৰমিকজনক। আজি আবেলি চাৰি বজাত ডাল কাটি থাকোতে ওচৰৰে যোৱা ১১ হেজাৰ ভল্টেজৰ বিদ্যুতৰ তাঁৰত গছজোপা লাগি ধৰে। লগে লগে মানুহজনৰ শৰীৰত বিদ্যুৎ সংযোগ হৈ থিতাতে নিহত হৈ গছৰ ওপৰতে ওলমি থাকে শ্ৰমিকজন। এই খবৰ পোৱা মাত্ৰকে হেজাৰ হেজাৰ লোকৰ সোঁত বয় ঘটনাস্থলীলৈ। শ্ৰমিক সন্থাৰ লোকে আহি ঘটনাস্থলীত উপস্থিত হৈ বিদ্যুৎ কৰ্তন নকৰাকৈয়ে কিয় শ্ৰমিকজনক গছত উঠালে তাকে লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। এই খবৰ পোৱা মাত্ৰকে বিদ্যুৎ বিভাগে বিদ্যুৎ কৰ্তন কৰাৰ উপৰি আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ নিহত শ্ৰমিকজনক গছৰ পৰা নমাই আনি থানালৈ লৈ যোৱাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

# বিকল ইভিএম ঃ ভোটদানত

তিনি পৃষ্ঠাৰ পৰা ঢেকিয়াজুলি তিতাৰাম বৰদলৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২৯ নম্বৰ 'এ' ভোট কেন্দ্ৰটো আধাঘণ্টা ধৰি ইভিএম বিকল হয়। এশ নম্বৰ তিতাবৰ বিধানসভা সমষ্টিৰ ৭৫ নম্বৰ ৰঙাজান পঞ্চায়তৰ ছটাকৈ কেন্দ্ৰত ইভিএম বিকল হোৱা কাণ্ডই ভোটাৰ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাইজে অভিযোগ কৰা মতে, মেচিন বিকল হোৱাৰ বাবে বহু ভোটাৰে ভোটদান নকৰাকৈয়ে উভতি যায়।

# ঘগ্ৰাপাৰত বিজেপি প্ৰাৰ্থীৰ মটৰ

তিনি পৃষ্ঠাৰ পৰা মহাৰেলী' উলিয়াই শক্তি প্ৰদৰ্শন কৰে। ভাৰতীয় জনতা যুৱ মৰ্চা, নলবাৰী জিলা সমিতিৰ উদ্যোগত উলিওৱা সমদলটো ঘগ্ৰাপাৰ হাইৱে চ'ক হৈ বৰাজোল-খাতিকুছি-জাজিয়াবাৰী-পাইকাৰকুছি, খাটা পঞ্চায়তৰ মাজেৰে নলবাৰী টাউন হৈ বাঁহজানী মৌজাৰে সমষ্টিটো পৰিভ্ৰমণ কৰি বাঁহজানী গোপাল থানত সামৰণি পৰে। মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাই সমদলটোত অংশগ্ৰহণ কৰি কয়, 'ৰাইজে মিত্ৰজোঁটৰ প্ৰতি সম্পূৰ্ণ আস্থা প্ৰকাশ কৰিছে। ইয়াৰ জ্বলন্ত উদাহৰণ আজি এই মটৰ চাইকেল সমদলটোত ১০ হেজাৰ যুৱ কৰ্মীয়ে স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। তেওঁ এক লাখ ২০ হেজাৰ ভোট লাভ কৰিব বুলি দাবী কৰে। মহাঁজোট ২০ হেজাৰতে সীমাবদ্ধ থাকিব বুলি তেওঁ কয়। লগতে কংগ্ৰেছ আৰু এ আই ইউ ডি এফক সমালোচনা কৰি এই দুয়োটা দলৰ মিত্ৰতা অসমৰ বাবে অশুভ ইংগিত বুলি কয়। আজি সমদলটোত বৰুৱাক সংগ দিয়ে নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, নলবাৰী জিলাৰ ভাৰতীয় জনতা যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মন, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, বড়িগোগ, বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা আদিয়ে।

# অসমত পুনৰ হ'ব মোদীৰ

তিনি পৃষ্ঠাৰ পৰা থকা সভাত কেন্দ্ৰীয় বিজেপি নেতাজনে কয় যে আজিৰ এই সভাত ইমান মানুহ দেখি তেওঁ আচৰিত হৈ উঠিছে। ইয়াৰ পৰা নিশ্চিত যে বৰক্ষেত্ৰীৰ সংখ্যালঘু ৰাইজে নাৰায়ণ ডেকা, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাল পাব ধৰিছে। কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি মন্ত্ৰীজনে কয় যে আজমল আৰু কংগ্ৰেছৰ ভয়, প্ৰতাৰণাত এতিয়া আৰু সংখ্যালঘু ৰাইজ নচলে। বিজেপিৰ উন্নয়ন আৰু সমবিকাশ দেখি ৰাইজ ওলাই আহিছে। অসমৰ সংখ্যালঘু ৰাইজে বিজেপিৰ লগত থকা বুলিও তেওঁ দাবী কৰে। আনহাতে, নিৰ্বাচনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা চৰাঞ্চলৰ ভোটাৰ ৰাইজক উদ্দেশ্য কৰি বিজেপি প্ৰাৰ্থী নাৰায়ণ ডেকাই কয় যে কংগ্ৰেছে 'ডি' ভোটাৰ সজাই সংখ্যালঘু ৰাইজক হাৰাশাস্তি কৰি নিকৃষ্ট ৰাজনীতি কৰিছিল। বিজেপিয়ে এজনো 'ডি' ভোটাৰ সৃষ্টি কৰা নাই। ৰাইজে কংগ্ৰেছৰ পাঁচ গেৰাণ্টিক বিশ্বাস নকৰে। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভা উপলক্ষে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰা সভাখনত কে'বাজনো দলীয় নেতাও উপস্থিত থাকে।

ইফালে, আজি ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টি দলীয় প্ৰাৰ্থী বনেন্দ্ৰ কুমাৰ মুছাহাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিজেপিৰ কেন্দ্ৰীয় মুখপাত্ৰজনে। গৌৰীপুৰৰ আশাৰীকান্দিত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত তেওঁ কংগ্ৰেছ আৰু এআইইউডিএফৰ বিৰুদ্ধে সৰৱ হৈ পৰে। কংগ্ৰেছক এখন ভৰি বিশেষভাৱে সক্ষম ব্যক্তিৰ লগত তুলনা কৰি সেইজন ব্যক্তিৰ কান্ধত আজমল উঠিছে বুলি কটাক্ষ কৰে। লগতে কংগ্ৰেছক এজন অচল ব্যক্তি বুলিও কয়। আনহাতে, বিহাৰত কংগ্ৰেছৰ কাৰ্যকালত ভাগলপুৰত মুছলমানসকলক গণহত্যা কৰি তাত খেতি বাতি কৰা বুলি অভিযোগ কৰি তেওঁ কয় যে ধুবুৰীত কংগ্ৰেছে নিৰপেক্ষ দল বুলি জাহিৰ কৰিবলৈ লৈছে। হেলিকপ্টাৰযোগে নিৰ্বাচনী সভাত উপস্থিত হোৱা বিহাৰৰ মন্ত্ৰীজনে এইবুলি অসমৰ আটাইকেইটা সমষ্টিতে বিজেপিৰ নেতৃত্বাধীন মিত্ৰজোঁটে দখল কৰিব বুলি দাবী কৰে।

ইফালে, বিলাসীপাৰা পশ্চিম সমষ্টিৰ পিয়াজবাৰীত কালি সন্ধিয়া দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই বিহাৰৰ মন্ত্ৰী তথা বিজেপিৰ কেন্দ্ৰীয় মুখপাত্ৰজনে। বিজেপিৰ প্ৰাৰ্থী ড০ আবুবক্কৰ ছিদ্দিকৰ সমৰ্থনত প্ৰচাৰ চলোৱা হুছেইনে সমবেত ৰাইজক উদ্দেশ্যে কয়, 'নৰেন্দ্ৰ মোদীৰ ডাবল ইঞ্জিন চৰকাৰত আপোনালোকে সহযোগ কৰি ভোটাধিকাৰ সাব্যস্ত কৰক। কংগ্ৰেছে দেশখনক ভাগ ভাগ কৰি ৰাইজৰ মাজত বিভ্ৰান্ত আনি বিবাদৰ সৃষ্টি কৰিছে। এইবেলিও অসমত এখন কংগ্ৰেছমুক্ত বিজেপিৰ চৰকাৰ গঠন কৰি অসমবাসীক সেৱা আগবঢ়াব।' সভাত বিজেপিৰ নেতা দিবেশ দাস, দলীয় প্ৰাৰ্থী ড০ আবুবক্কৰ ছিদ্দিকে বক্তব্য ৰাখে।

# ভোট দিবলৈ আহিছে বহিঃৰাজ্যত কৰ্মৰত নগঞা শ্ৰমিক

## জনপ্ৰতিনিধিয়ে দুখ নুবুজিলেও কষ্টোপাৰ্জিত ধন খৰচ কৰি আহে ভোট দিবলৈ

বিশেষ সংবাদদাতা

**নগাঁও, ২৭ মাৰ্চ ঃ** প্ৰতিটো নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত নগাঁও জিলাৰ ধিং আৰু বটদ্ৰৱা, ৰূপহীহাট সমষ্টিৰ বিভিন্ন সংখ্যালঘু অধ্যুষিত গাঁৱলৈ বহিঃৰাজ্যৰ পৰা প্ৰত্যাৱৰ্তন ঘটে হেজাৰ হেজাৰ শ্ৰমিকৰ। নিজ ৰাজ্যত জীৱিকাৰ সন্ধান উলিয়াব নোৱাৰি জিলাখনৰ বিভিন্ন ঠাইৰ পৰা এই লোকসকল হৈ বহিঃৰাজ্যৰ বিভিন্ন কোম্পানী, ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত কৰ্মৰত গৈ আছে। নগাঁও জিলাৰ পৰা যোৱা লোকসকলে বিশেষকৈ কেৰালা, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, কৰ্ণাটক, উত্তৰ প্ৰদেশ, দিল্লী, অৰুণাচল প্ৰদেশ, নগালেণ্ড প্ৰমুখ্যে বিভিন্ন ৰাজ্যত শ্ৰমিকৰূপে নিয়োজিত হৈ জীৱিকা নিৰ্বাহ কৰে। কিন্তু আজি জিলাখনত প্ৰথম পৰ্যায়ত অনুষ্ঠিত নিৰ্বাচনত ভোটদানৰ বাবে নিজৰ কষ্টোপাৰ্জিত ধন খৰচ কৰি স্বগৃহলৈ আহিছে এই শ্ৰমিকসকল। ভোটদানৰ এদিন বা দুদিনৰ পাছত পুনৰ বহিঃৰাজ্যলৈ উভতি যাব এই শ্ৰমিকসকল। একোজন সচেতন নাগৰিকৰূপে নিজা ভোটাধিকাৰ সাব্যস্ত কৰিবৰ নিমিত্তে এই শ্ৰমিকসকলে শ শ টকা খৰচ কৰি ঘৰলৈ নাহে। ভোটদান নকৰিলে ভোটাৰ তালিকাৰ পৰা নাম কাটি দিয়া, 'ডি' ভোটাৰ হৈ যোৱা কিম্বা বাংলাদেশী জাননী অহাৰ ভয়তহে প্ৰতিটো নিৰ্বাচনতে এই শ্ৰমিকসকলে অতি কষ্ট কৰি হাজিৰা কৰা টকাকেইটা খৰচ কৰি ভোটদান কৰিবলৈ আহে। স্মৰ্তব্য যে এনেদৰে ভোটদান কৰিবলৈ অহা প্ৰব্ৰজিত শ্ৰমিকসকলৰ ভিতৰৰ অধিকাংশই ধিং, বটদ্ৰৱা আৰু ৰূপহীহাট সমষ্টিৰ। লোকসভা নিৰ্বাচনেই হওঁক বা বিধানসভা নিৰ্বাচনেই হওঁক, আনকি পঞ্চায়তৰ নিৰ্বাচনতো ভোটদান কৰিবলৈ বহিঃৰাজ্যৰ পৰা ঢপলিয়াই আহে এই শ্ৰমিকসকলে। ভোটদান কৰি পুনৰ কৰ্মস্থলীলৈ উভতি যায়। তেওঁলোকৰ ভোট লৈয়েই কোনোবা বিধায়ক হয়, কোনোবা সাংসদ হয়, আন কোনোবা পঞ্চায়ত প্ৰতিনিধি হৈ পৃথিৱীৰ সমস্ত সুখ ভোগ কৰে। কিন্তু পৰিৱৰ্তন নহয় শ শ টকা খৰচ কৰি বহিঃৰাজ্যৰ পাৰ স্বগৃহলৈ আহি ভোটদান কৰা জিলাখনৰ হতভগা শ্ৰমিকসকলৰ।

তথ্য মতে, এই শ্ৰমিকসকলক ভোটদানৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা আমন্ত্ৰণ জনা-অনা হোৱা নাই। অথবা কোনোবা ৰাজনৈতিক দলে প্ৰলোভন দিও অনা নাই। কিম্বা এওঁলোকৰ ৰাজনৈতিক সচেতনতাও বিশেষ নাই। তৎসত্বেও প্ৰতিটো নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত তেওঁলোক নিজ গাঁৱলৈ উভতি আহে। ইয়াৰ অন্যতম কাৰণ ভয়। এই ভয় ভোটাৰ তালিকাৰ পৰা নাম নাইকিয়া হোৱাৰ, বাংলাদেশী হৈ পৰাৰ। এনে ধৰণৰ অদ্ভুত কথা-বতৰা গাঁওসমূহৰ সহজ-সৰল ৰাইজে নিজেই ধাৰণা কৰি লোৱা অথবা আন কোনোবাই তেওঁলোকৰ মগজুত সুমুৱাই দিয়া। এনেদৰে ভোটদান কৰিবলৈ অহাৰ ফলত শ্ৰমিকসকল কমেও পাঁচ-ছয় দিন কামৰ পৰা বঞ্চিত হ'বলগীয়া হয়। যিহেতু কাম নকৰিলে তেওঁলোকে মজুৰিও নাৰায়, সেয়েহে এই দিনকেইটাৰ মজুৰিৰ পৰাও বঞ্চিত হ'বলগীয়া হয়। তদুপৰি অহা-যোৱাৰ বাবদ তেওঁলোকৰ প্ৰত্যেকৰে তিনি-চাৰি হেজাৰ টকা পৰ্যন্ত খৰচ হয়। এইবোৰ কথা কিন্তু এন্ধাৰৰ মাজতে ৰৈ যায়। নিৰ্বাচন অনুষ্ঠিত হৈ যাব, এদিন ফলাফল ঘোষণা কৰা হ'ব। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো কোনো বিধায়ক হ'ব, মন্ত্ৰী হ'ব! তেওঁলোকৰ জীৱনৰ আমূল পৰিৱৰ্তন হ'ব। কিন্তু তেওঁলোকক ভোট দিবলৈ নিজৰ কষ্টোপাৰ্জিত ধন খৰচ কৰি অহা শ্ৰমিকসকলৰ জীৱনৰ কোনো পৰিৱৰ্তন নহ'ব। বহিঃৰাজ্যতেই নিতৌ হাড়ভগা পৰিশ্ৰম কৰি দেহ-মন ঘুণীয়া কৰিব লাগিব এই শ্ৰমিকসকলে। এওঁলোকৰ মৰ্মবেদনা, এওঁলোকৰ ত্যাগৰ মূল্য কোনোবাই দিবনে কেতিয়াবা?

# হাজোত অজাপৰ সমষ্টি কমিটীৰ মুখ্য কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**হাজো, ২৭ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যজুৰি নিৰ্বাচনী ৰণডংকা তুংগত উঠিছে। তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া হাজো বিধানসভা সমষ্টিতো সমাগত নিৰ্বাচনক লৈ সমষ্টিবাসী ভোটাৰ ৰাইজৰ মাজত উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। সমষ্টিটোত অজাপৰ নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে প্ৰাৰ্থী দুলু আহমেদে। উল্লেখ্য যে যোৱা দুটা দিনত হাজো সমষ্টিৰ সৰ্বমুঠ ২০খনকৈ পঞ্চায়তত ২০টা মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ পাছতে কালি সন্ধিয়া অজাপই হাজোৰ পটনিত সমষ্টি কমিটীৰ মুখ্য কাৰ্যালয় মুকলি কৰে। অজাপৰ প্ৰাৰ্থী দুলু আহমেদে কালি আঞ্চলিক দলটোৰ একাংশ দলীয় নেতা-কৰ্মীৰ উপস্থিত এই নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি কয় যে হাজোত অজাপৰ প্ৰাৰ্থীজনে ২০ৰ পৰা ২৫ হেজাৰ ভোটৰ ব্যৱধানত জয়ী হোৱাটো নিশ্চিত হৈ পৰিছে। হাজোৰ কংগ্ৰেছৰ প্ৰাৰ্থীজন দুৰ্দশাত পৰা বুলি কটাক্ষ কৰি নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াৰ মাজতে মূল যুঁজ হ'ব বুলিও তেওঁ মন্তব্য কৰে। এই সভাতে দুলু আহমেদৰ কাম-কাজত আকৃষ্ট হৈ অগপ নেতা জিন্নাত আলী, প্ৰাক্তন 'আছু' নেতা পৰমা দাস সহ অগপৰ অৰ্ধ শতাধিক নেতা-কৰ্মীয়ে অজাপত কালি যোগদান কৰে। নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত অজাপ নেতা ছাইদুল ইছলাম, ৰমণী মালাকাৰ, অংকুমণি কলিতা, জিতেন্দ্ৰ, দ্বীপেন ভাণ্ডাৰ কায়স্থ, নাৰায়ণ নমঃশূদ্ৰ, গিৰিন্দ্ৰ কলিতাকে ধৰি দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে।

# চিৰাঙত বুজন পৰিমাণৰ বিলাতী সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৭ মাৰ্চ ঃ** চিৰাঙৰ চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাসুগাঁও-ছালাকাটি পথত কালি বিয়লি এছ এছ টি আৰু আৰক্ষীৰ এটা দলে যৌথ অভিযান চলাই বুজন পৰিমাণৰ বিলাতী সুৰা জব্দ কৰে। নিৰ্বাচনী আচৰণ বিধি বলৱৎ থকা সময়তে বাসুগাঁও চহৰৰ পৰা ছালাকাটিৰ পিনে গৈ থকা অট'ৰিক্সা এখনত তালাচী চলাই অভিযানকাৰী দলটোৱে ছয় কাৰ্টন মুঠ ৪২ লিটাৰ বিলাতী সুৰা জব্দ কৰে। আৰক্ষীৰ তালাচী চলি থকাৰ সময়তে সুৰা কঢ়িয়াই অনা লোকজন পলাই যাবলৈ সক্ষম হয়।

# গোৱালপাৰা এন পি পিৰ প্ৰাৰ্থী ৰিংকু মজুমদাৰৰ মটৰ চাইকেল ৰেলী

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ মাৰ্চ ঃ** গোৱালপাৰা পূৰ সমষ্টিৰ এন পি পি এলৰ প্ৰাৰ্থী ৰিংকু মজুমদাৰে যোৱা ২৬ মাৰ্চত গোৱালপাৰা চহৰত মটৰ চাইকেল সমদল উলিয়ায়। উল্লেখ্য যে এন পি পিৰ প্ৰাৰ্থী ৰিংকু মজুমদাৰে তেওঁৰ পিতৃ তথা প্ৰাক্তন বিধায়ক শাদিদ মজুমদাৰক লগত লৈ সমষ্টিৰ চুকে-কোণে প্ৰচাৰ অভিযান চলাই ৰাইজৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা চলাইছে।

# জুইত এটা পৰিয়ালৰ পাঁচটা গৃহ ভস্মীভূত

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২৭ মাৰ্চ ঃ** যোৱা ২৫ মাৰ্চৰ নিশা প্ৰায় আঠ বজাত সৰুক্ষেত্ৰী সমষ্টিৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৪৩ নম্বৰ দক্ষিণ পাকা গাঁও পঞ্চায়তৰ হেলছা গাঁৱৰ হামেদ আলীৰ পুত্ৰ আনোৱাৰ হুছেইনৰ পাঁচটা গৃহ জুইত ভস্মীভূত হয়। এই জুইৰ বাবে পাঁচটা গৃহৰ লগতে গৃহত থকা প্ৰায় ৮০ মোন ধান আৰু নগদ প্ৰায় ২৫ হেজাৰ টকা ছাই হয়। জুই লগাৰ কোনো নিশ্চিত হোৱা নাই যদিও বৈদ্যুতিক বিজুতীৰ বাবে এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি ৰাইজে অনুমান কৰিছে।

# পাভ সমবায় সমিতিৰ ভোটাৰ তালিকা নিৰ্মাণৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**লালুক, ২৭ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ পাভ সমবায় সমিতিৰ ২০২১-২০২২ৰ সাধাৰণ সভা আৰু নিৰ্বাচনৰ বাবে সমবায় সমিতিৰ তৰফৰ পৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে। উক্ত ভোটাৰ তালিকা সন্দৰ্ভত কোনো অংশীদাৰৰ কিবা ওজৰ-আপত্তি থাকিলে অহা চাৰি এপ্ৰিলৰ ভিতৰত কাৰ্যালয় খোলা থকা সময়ত নিজে উপস্থিত থাকি লিখিত অভিযোগ দিবলৈ পাভ সমবায় সমিতিৰ সভাপতি অক্কাছ আলী আৰু সম্পাদক শ্বেখ আব্দুল্লাই অনুৰোধ জনাইছে। সমিতিখনে জানিবলৈ দিয়া মতে অহা চাৰি এপ্ৰিলৰ পাছত কোনো অংশীদাৰৰ ওজৰ-আপত্তি গ্ৰহণ কৰা নহ'ব।

# বিশ্বনাথৰ ব্যৱসায়ী পদুম কুমাৰ শেঠীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ মাৰ্চ ঃ** বিশ্বনাথ চাৰিআলিৰ এজন বিশিষ্ট ব্যৱসায়ী পদুম কুমাৰ শেঠীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈয়ো তেওঁ নিজৰ কাম সম্পাদন কৰি গৈছিল। ১৯৪৬ৰ ১৭ এপ্ৰিলত জন্ম গ্ৰহণ কৰা শেঠীয়ে বিশ্বনাথ চাৰিআলি নবীন ৰেডিঅ' নামৰ ব্যৱসায়ী প্ৰতিষ্ঠান স্থাপন কৰি ব্যৱসায় কাৰ্য আগবঢ়াই নিছিল। ৰোগত আক্ৰান্ত হোৱাৰ পাছতো বহুবছৰ নাকত পাইপ লগাই নিজ কাৰ্য নিয়াৰিকৈ সম্পাদন কৰি যোৱা ২১ মাৰ্চত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত পত্নীৰ উপৰি যুৱ ব্যৱসায়ী নবীন শেঠী, ৰাজেশ কুমাৰ শেঠীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যাৰ লগতে আত্মীয়ক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত মাৰোৱাৰী সমাজ, বিশ্বনাথ চাৰিআলিত বণিক সন্থাকে ধৰি বহু সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

# কালাগ-বৰকুৰিহাত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল উৎসৱ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৭ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰভাগৰ কালাগ দৌল প্ৰাংগণ আৰু সৎসংগী দামোদৰী আলগা সত্ৰৰ সৌজন্যত বৰকুৰিহতা আজি পৰা শ্ৰীকৃষ্ণৰ পৱিত্ৰ দৌল মহোৎসৱৰ আৰম্ভ কৰিছে। অঞ্চলটোৰ দুয়ো ঠাইতে ধৰ্মীয় ধ্বজা উত্তোলন, বৃক্ষৰোপণ, চাফাই অভিযান, আতচবাজী (ফটকা) বিতৰণ, আতচবাজী (ফটকা) উছৰ্গা, স্থানীয় সংকৰ্তীন দলৰ দ্বাৰা সংকীৰ্তন পৰিৱেশন, গোসাঁই লৈ শোভাযাত্ৰা, আতচবাজী প্ৰদৰ্শন কৰাৰ উপৰি মাৰ্চত ফাকুৱা উৎসৱ আৰম্ভ, গোসাঁই লৈ সুৱৰী উৎসৱ আৰম্ভ, বাঁহ ভাঙা প্ৰদৰ্শন, আদি কাৰ্যসূচী অনুষ্ঠিত হৈছে। উল্লেখ্য যে কালাগত অনুষ্ঠিত দৌল উৎসৱত ২৮ মাৰ্চত দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। একেদৰে সৎসংগী দামোদৰী আলগা সত্ৰৰ সৌজন্যত ৪০ সংখ্যক শ্ৰীকৃষ্ণৰ দৌল যাত্ৰা মহোৎসৱ বৰকুৰিহাৰ গোপীনাথ বিগ্ৰহ প্ৰাংগণত অনুষ্ঠিত হৈছে। মহোৎসৱৰ লগত সংগতি ৰাখি আয়তীসকলৰ নাম, ধুনচা যাত্ৰা, ফটকা প্ৰজ্বলন, নাগাৰা নাম পৰিৱেশন আদি কাৰ্যসূচী অনুষ্ঠিত হৈছে।



# অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূপেন ৰায়ৰ হৈ প্ৰচাৰ কাৰ্য তুংগত

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৭ মাৰ্চ ঃ** ৰাজ্যখনৰ তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ ৰাজনৈতিক দলসমূহে প্ৰচাৰ কাৰ্য তুংগত তুলিছে। বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিত কালি অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূপেন ৰায়ৰ হৈ সমষ্টিটোৰ বিভিন্ন স্থানত সভা-সমিতি অনুষ্ঠিত কৰাৰ লগতে কে'বাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। সমষ্টিটোৰ চক্ৰভৌম পঞ্চায়তৰ চাৰিপুনীয়া চাৰিআলিত কালি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয়টো উদ্বোধন কৰে কংগ্ৰেছ ত্যাগ কৰি অগপত যোগদান কৰা চিৰেন ৰায়ে। স্থানীয় অগপ নেতা ৰজনী ৰায়ৰ সভাপতিত্বত এই উপলক্ষে আয়োজিত সভাত উত্তৰ বিধান পৰিষদৰ সভাপতি দিলীপ কুমাৰ ৰায়, সৃজনগ্ৰাম জিলা পৰিষদৰ সদস্যা জানকী ৰায়, ভুৱন ৰাজবংশী, কীৰ্তন ৰায়কে ধৰি মিত্ৰজোঁট বিজেপিৰ ৰাম আৰ্যই অগপ প্ৰাৰ্থী ভূপেন ৰায়ক বিপুল ভোটত জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ উপৰি সমষ্টিটোৰ কাছাৰীপেটীতো মুকলি কৰা নিৰ্বাচনী কাৰ্যালয় উদ্বোধনী সভাত অঞ্চলটোৰ ৰাইজৰ লগতে মহিলাসকলে স্বতঃস্ফূৰ্তভাৱে সভাত অংশগ্ৰহণ কৰে।

# চিকিৎসালয়ৰ শৌচালয়ত ড্ৰাগছ আসক্ত বিহাৰৰ যুৱকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৭ মাৰ্চ ঃ** আমিনগাঁও তোলাৰাম বাফনা অসামৰিক চিকিৎসালয়ৰ মহিলা শৌচালয়ৰ ভিতৰত এজন ড্ৰাগছ আসক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে চিকিৎসালয়খনৰ মহিলা শৌচালয়ৰ দুৱাৰ বন্ধ থকা অৱস্থাত তেজ নিগৰি অহা দেখি চিকিৎসা কৰ্মীয়ে কালি হুৱাদুৱা লগায়। পাছত চিকিৎসালয়ৰ কৰ্মচাৰীয়ে দুৱাৰ ভাঙি দিয়াত ভিতৰত ড্ৰাগছ আসক্ত যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। মৃতদেহৰ লগত চিৰিঞ্জ আৰু ড্ৰাগছ কণ্টেইনাৰ উদ্ধাৰ কৰা হৈছে। তদুপৰি উদ্ধাৰ হোৱা ড্ৰাইভিং লাইচেন্সত সন্তোষ ৰয় (২৬), ঘৰ বিহাৰৰ মজাফ্‌ফৰ নগৰৰ বুলি উল্লেখ কৰা আছে। আনহাতে, বৰ্তমানৰ ঠিকনা দেখুওৱা হৈছে দৰং জিলাৰ কলাইগাঁও। লোকজনে ক'ৰ পৰা কেনেকৈ চিকিৎসালয়ৰ শৌচাগাৰ পালে সেই বিষয়ে কোনো তথ্য নাই চিকিৎসালয় কৰ্তৃপক্ষৰ লগতে আৰক্ষীৰ হাতত। শৌচালয়ত যোৱাৰ বেশত আহি শৌচালয়ৰ ভিতৰত যুৱকজনে ড্ৰাগছ সেৱন কৰিছিল বুলি আশংকা কৰা হৈছে। উল্লেখ্য যে ড্ৰাগছৰ মুকলি বেহাত পৰিণত হৈছে উত্তৰ কামৰূপ। ফলত ড্ৰাগছৰ কৰাল গ্ৰাসত পৰিছে উঠি অহা যুৱক-যুৱতীসকল।

# বৰকলাৰ জলাহত প্ৰাঞ্জুমণিৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৭ মাৰ্চ ঃ** নগাঁও জিলাৰ বৰকলা গাঁৱৰ জলাহত কালি বিয়লি এটি মৃতদেহ উদ্ধাৰ হয়। বেবেজীয়া পহৰা আৰক্ষী চকীৰ অন্তৰ্গত বৰকলাৰ কচুইগুৰিৰ প্ৰাঞ্জুমণি বৰা (১৯) যোৱা ২৪ মাৰ্চৰ পৰা নিখোঁজ হৈ আছিল। তেওঁ কলিয়াবৰত আত্মীয় লোকৰ ঘৰত থাকি স্নাতক বিজ্ঞান শাখাত পঢ়ি আছিল যদিও কিছুদিনৰ পূৰ্বে ঘৰলৈ আহিছিল। হঠাৎ প্ৰাঞ্জুমণি নিখোঁজ হৈ পৰাৰ পাছত আজি তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# গোৱালপাৰাত ঘৰে ঘৰে গৈ প'ষ্টেল ভোট সংগ্ৰহ অভিযান আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ মাৰ্চ ঃ** প'ষ্টেল বেলটযোগে ভোটদান কৰিব খোজা ভোটাৰসকলৰ ঘৰে ঘৰে গৈ কালিৰে পৰা গোৱালপাৰা নিৰ্বাচনী চাৰিওটা বিধানসভা সমষ্টিৰ বাবে ভোট সংগ্ৰহ অভিযান আৰম্ভ কৰিছে। জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিজ্ঞপ্তিযোগে জনোৱা মতে জিলাখনৰ দুধনৈ সমষ্টিত ২৪৬ গৰাকী, গোৱালপাৰা পূৱত ৩১৯ গৰাকী, গোৱালপাৰা পশ্চিমত ২৮১ গৰাকী আৰু জলেশ্বৰ সমষ্টিত ১৯৬ গৰাকী ৮০ বছৰৰ উৰ্দ্ধৰ বয়সপ্ৰাপ্ত আৰু বিশেষভাৱে সক্ষম লোকে প'ষ্টেল বেলটযোগে ভোটদান কৰিব। ইয়াৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনৰ ১২১ গৰাকী ছেক্টৰ বিষয়া, ৩০ গৰাকী মাইক্ৰ'পৰ্যবেক্ষক আৰু ৬০ গৰাকী ভোটগ্ৰহণকাৰী বিষয়া নিযুক্ত হৈ আছে। ভোটগ্ৰহণ কৰিবলৈ যোৱাৰ সময়ত ভোটগ্ৰহণকাৰী প্ৰতিটো দলত সংশ্লিষ্ট অঞ্চলৰ বিএলঅ' গৰাকী, নিৰাপত্তাৰক্ষী আৰু একোগৰাকী ভিডিঅ'গ্ৰাফাৰ লগত থাকে। প'ষ্টেল বেলটযোগে ভোটদান প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছ, নিকা আৰু প্ৰভাৱমুক্তভাৱে তথা গোপনীয়তা ৰক্ষা কৰিবৰ বাবে ইয়াৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকলক ইতিমধ্যে প্ৰশিক্ষণ দিয়া হৈছে। কালিৰে পৰা ৩১ মাৰ্চলৈ চলিবলগীয়া এই প'ষ্টেল বেলটৰ ভোট সংগ্ৰহৰ ক্ষেত্ৰত গোৱালপাৰা জিলা নিৰ্বাচনী বিষয়া বৰ্ণালী ডেকাৰ তত্বাৱধানত সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰা হৈছে বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰিছে।

# পলাশবাৰীৰ আমতলাত বিজেপিৰ নিৰ্বাচনী সভা

**ছয়গাঁও, ২৭ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাত্ৰকেইটামান দিন বাকী থকা সময়তে যোৱা ২৬ মাৰ্চত পলাশবাৰী সমষ্টিৰ আমতলা-জীয়াকুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত তিনি নম্বৰ আমতলা গাঁৱৰ ভুপেন হাজৰিকা মঞ্চত বিজেপিৰ এখন নিৰ্বাচনী সভা সম্পন্ন হয়। পলাশবাৰী সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হেমাংগ ঠাকুৰীয়াই অংশ লোৱা সভাত বিকাশ আৰু উন্নয়নৰ স্বাৰ্থত বিজেপিক ভোট প্ৰদান কৰিবলৈ ৰাইজক আহ্বান জনায়। স্থানীয় বিজেপি নেতা তপন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলা সভাপতি ধনেশ্বৰ তালুকদাৰে ভাষণ প্ৰসংগত কংগ্ৰেছ প্ৰাৰ্থী যতীন মালীক ভোট দিয়া মানে বদৰুদ্দিন আজমলক মুখ্যমন্ত্ৰী হোৱাৰ সুযোগ দিয়া বুলি কৈ কংগ্ৰেছক ভোট নিদিবলৈ আহ্বান জনায়। দক্ষিণ সৰু বংশৰ জিলা পৰিষদৰ সদস্য হৰেন দাসে পলাশবাৰী সমষ্টিত বিজেপিৰ প্ৰতিদ্বন্দ্বী নাই বুলি কয়।

# নগৰবেৰাত অগপ-বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**আলোপতি, ২৭ মাৰ্চ ঃ** বকো বিধানসভা সমষ্টিত বিভিন্ন প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসে যোৱা কে'বাদিন ধৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত ভোটাৰৰ ঘৰে ঘৰে, হাট-বজাৰ আদি বিভিন্ন ঠাইত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। জ্যোতিপ্ৰসাদ দাসে বৃহত্তৰ নগৰবেৰা, মেধিপাৰা, মালপঞ্চা, কালুবাৰী, পথালিপাৰা, পলাহৰটাৰী, পিজুপাৰা আদি অঞ্চলৰ ৰাইজৰ পদূলিলৈ গৈ ভোট ভিক্ষা কৰাৰ লগতে কে'বাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। সন্ধিয়া নগৰবেৰা বজাৰত অগপ-বিজেপি মিত্ৰজোঁটৰ এখন নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে মিত্ৰজোঁটৰ প্ৰাৰ্থী জ্যোতিপ্ৰসাদ দাসে। কাৰ্যালয় মুকলি কৰি কয়, 'মই ১৯৯১ৰ পৰাই বকো সমষ্টিবাসী ৰাইজৰ লগত আছো। মই বিধায়ক হৈ থকা সময়ছোৱাত সততাৰে ৰাইজৰ উন্নয়নমূলক কাম কৰিছো। সেয়ে মোৰ প্ৰতি ৰাইজৰ আস্থা আৰু বিশ্বাস আছে। এইবাৰো মই প্ৰাৰ্থী হিচাপে সকলোতে বিপুল সমৰ্থন লাভ কৰিছো। এই নিৰ্বাচনত মই বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰিম।' তদুপৰি দাসে আগন্তুক নিৰ্বাচনত অসমত মিত্ৰজোঁটৰ চৰকাৰ হ'ব বুলি কোৱাৰ লগতে বিধায়ক হিচাপে নিৰ্বাচিত হ'লে বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰিব বুলি কয়। অগপ-বিজেপিৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী আৰু সমৰ্থক উপস্থিত থকা অনুষ্ঠানত কংগ্ৰেছ আৰু এআইইউডিএফ ত্যাগ কৰি কে'বাজন লোকে অগপত যোগদান কৰে।

# হাজো সমষ্টিজুৰি কংগ্ৰেছৰ ১৪ টাকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**হাজো, ২৭ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া হাজো সমষ্টিত মহাজোঁটৰ সমৰ্থনত কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী আনোৱাৰ হুছেইনে (গণেশ) প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। কংগ্ৰেছৰ প্ৰাৰ্থী আনোৱাৰ হুছেইনে পৰহিৰে পৰা সমষ্টিটোৰ ধুহি, বালিসত্ৰ, কয়া-পুল্লা, বাৰাংহাটী, বৰম্বৈ, মনাহকুছি, উখুৰা, বামুন্দী, হালোগাঁও, দামপুৰ আদিত ১৪ টাকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰ কৰে। কাৰ্যালয় মুকলিৰ সমান্তৰালকৈ নিৰ্বাচনী সভাৰ মাজতে জ্যেষ্ঠজনৰ লগত মত-বিনিময় কৰাৰ উপৰি বৰ্ষীয়ান লোকক ফুলাম গামোচাৰে আদৰণি জনায়। আটাইকেইখন সভাতে মহাজোঁটৰ প্ৰাৰ্থী আনোৱাৰ হুছেইনে বিজেপি চৰকাৰখনক আৰু হাজো সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়া আৰু এজেপিৰ প্ৰাৰ্থী দুলু আহমেদক তীব্ৰ ভাষাৰে সমালোচনা কৰে।

# শুৱালকুছি থানৰ সমীপৰ পৰা দিন দুপৰতে মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৭ মাৰ্চ ঃ** বস্ত্ৰনগৰী শুৱালকুছি বাথান চুবুৰিৰ পৰা যোৱা ২৬ মাৰ্চত দিনৰ দুই বজাত এখন পালছাৰ মটৰ চাইকেল চুৰি হয়। শুৱালকুছি থানাৰ সমীপৰ বাথানৰ নীল পৱন দাসৰ ঘৰৰ সন্মুখত ৰখাই থোৱা এছ ০১-২৫-৯৪৪১ নম্বৰৰ ক'লা আৰু নীলা ৰঙৰ বাহনখন দুপৰীয়া চুৰি কৰি লৈ যায়। পাছত পৰিয়ালৰ লোকে বহুত বিচাৰ-খোচাৰ কৰিও কোনো সন্ধান নাপালে। আৰক্ষী থানাৰ সমীপত এনেদৰে দিন দুপৰতে ৰাইজৰ চকুত ধূলি দি বাহন চুৰি হোৱা ঘটনাক ৰাইজে সহজভাৱে ল'ব পৰা নাই।

# ধেমাজি ডিজিটেল মেডিয়া সংস্থা ভংগ

অগ্ৰদূত বাৰ্তা

**ধেমাজি, ২৭ মাৰ্চ ঃ** ধেমাজি ডিজিটেল মিডিয়া সংস্থাৰ সভাপতি ললিত শইকীয়াই যোৱা ২৬ মাৰ্চত ডিজিটেল মিডিয়া সংস্থাৰ সভাপতি পদৰ পৰা অব্যাহতি লোৱাৰ লগতে পুৰণা সমিতিখন ভংগৰ কৰা বুলি ঘোষণা কৰিছে। সভাপতিজনে ইয়াকো কয় যে যোৱা এটা বছৰে তেওঁ অধিক দায়বদ্ধতাৰে কাম কৰিছিল যদিও সম্পাদকজনে সংগঠনৰ মতৰ বিৰুদ্ধে কাম কৰা বাবে তেওঁ এই সিদ্ধান্ত ল'বলৈ বাধ্য হ'ল বুলিও জানিবলৈ দিছে। তেওঁ পৰৱৰ্তী সময়ত গঠন হ'ব লগা সমিতিখনত যাতে সমিতিক আগুৱাই নিব পৰা যোগ্য ব্যক্তিৰ দ্বাৰা গঠন হোৱাটোও কামনা কৰে। সেয়ে তেওঁ এতিয়াৰ পৰা ডিজিটেল মিডিয়া সংস্থা নথকাৰ বাবে ধেমাজিৰ কোনো ব্যক্তিয়ে যদি বাতৰি সংক্ৰান্তীয় কিবা পাতিবলগীয়া থাকিলে তেওঁৰ লগত ব্যক্তিগতভাৱে পাতিবলৈ আহ্বান জনাইছে।

# গোসাঁইগাঁৱত হাৰ্ডৱেৰৰ দোকানত চুৰি

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৭ মাৰ্চ ঃ** যোৱা ২৫ মাৰ্চৰ নিশা গোসাঁইগাঁও চহৰৰ বজাৰৰ সমীপৰ ডি কে পথৰ দাঁতিত অৱস্থিত জগদম্বা হাৰ্ডৱেৰ ষ্টোৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ তলা ভাঙি চোৰে দোকানখনৰ পৰা সাতটাকৈ পানী উঠোৱা মটৰসহ কেছ বাকচৰ পৰা নগদ ১৫ হেজাৰ টকাৰ লগতে আন বহু দামী সামগ্ৰী চুৰি কৰি উধাও হয়। পুৱা দোকান খুলিবলৈ আহি তলা ভঙা অৱস্থা প্ৰত্যক্ষ কৰি প্ৰতিষ্ঠানটোৰ গৰাকী যুৱ ব্যৱসায়ী বিনোদ প্ৰসাদে চুৰি সামগ্ৰীৰ তালিকাসহ এখন এজাহাৰ গোসাঁইগাঁও আৰক্ষী থানাত দাখিল কৰে। নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ লগতে আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ লোকে ২৪ ঘণ্টাই পহৰা দি থকা মূল পথৰ দাঁতিত অৱস্থিত ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ পৰা চোৰে তলা ভাঙি নগদ ধনৰ লগতে অন্যান্য সা-সামগ্ৰী লুটি নিয়া ঘটনাই স্থানীয় ব্যৱসায়ী মহলক উদ্বিগ্ন কৰি তুলিছে।

# হোজাই নিৰ্বাচনী জিলাত ড্ৰাই ডে ঘোষণা

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৭ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচন-২০২১ হোজাই নিৰ্বাচনী জিলাত স্বচ্ছ, নিৰপেক্ষ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি হোজাই জিলাৰ জিলা দণ্ডাধীশে এক আদেশযোগে সমগ্ৰ হোজাই জিলাতে প্ৰযোজ্য হোৱাকৈ ৩০ মাৰ্চৰ সন্ধিয়া ছয় বজাৰ পৰা এক এপ্ৰিলৰ সন্ধিয়া ছয় বজালৈ আৰু অহা দুই মে'ত নিৰ্ধাৰিত ভোট গণনাৰ দিনটোত গণনা প্ৰক্ৰিয়া সমাপ্ত নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা কৰিছে। এই সময়ছোৱাত সকলো সুৰাৰ বিপণী, সুৰাৰ পণ্যাগাৰ আৰু দেশীয় সুৰা বিপণী বন্ধ থাকিব।তদুপৰি এই সময়ছোৱাত কোনো ব্যক্তিয়ে সুৰা মজুত ৰাখিব নোৱাৰিব। এই নিৰ্দেশ উলংঘা কৰিলে অসম আবকাৰী আইন আৰু নিৰ্বাচন বিধিৰ ১৩৫ (চি) ধাৰাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি হোজাই মহকুমা তথ্য আৰু জনসংযোগ বিষয়া নিৰাৰয়ে এক বিবৃতিত উল্লেখ কৰে।

# মহাজোঁটৰ চৰকাৰ হ'লে নিবনুৱাক সংস্থাপিত কৰা হ'ব

## ঘগ্ৰাপাৰ-বালিতাৰাৰ নিৰ্বাচনী সভাত কংগ্ৰেছ নেত্ৰী অলকা লম্বা

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৭ মাৰ্চ ঃ** 'অসম নহয়, সমগ্ৰ ভাৰতবৰ্ষতে প্ৰতিটো সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক কোঙা কৰি পেলাইছে। ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ অসমৰ ৰাইজৰ সময় সমাগত।' এই মন্তব্য নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ তথা প্ৰাক্তন বিধায়িকা অলকা লম্বাৰ। অহা পহিলা এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া নলবাৰী সমষ্টিত মহাজোঁটৰ প্ৰাৰ্থী প্ৰদ্যুৎ কুমাৰ ভূঞাৰ হৈ এলানি নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ দুখনৰ বিৰুদ্ধে সৰৱ হৈ পৰে। সমষ্টিটোৰ অন্তৰ্গত বালিতাৰা ঔতল চ'কত আৰু দক্ষিণ ঘগ্ৰাপাৰস্থিত কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয়ত অনুষ্ঠিত সভা দুখনত নেত্ৰীগৰাকীয়ে নৰেন্দ্ৰ মোদী এগৰাকী সৰ্বকালৰ মিছলীয়া প্ৰধানমন্ত্ৰী বুলি উল্লেখ কৰি দেশৰ সম্পদসমূহ এপদ এপদকৈ বিক্ৰী কৰি দেশৰ নাগৰিকক ধ্বংসৰ মুখলৈ ঠেলি দিয়া বুলি মন্তব্য কৰে। সভা দুখনত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ব্যৰ্থ মন্ত্ৰী বুলি সমগ্ৰ দেশতে চৰ্চিত হোৱা বুলি উল্লেখ কৰি অসমৰ নিবনুৱা বিস্ফোৰণে ভয়াৱহ ৰূপ ধাৰণ কৰে বুলি মন্তব্য কৰে। কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ চৰকাৰ গঠন হ'লে মূল্যবৃদ্ধি ৰোধ কৰাকে ধৰি নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি মন্তব্য কৰে। নিশা ঘগ্ৰাপাৰ ব্লক কংগ্ৰেছৰ সভাপতি ভুৱনেশ্বৰ কলিতাই আঁত ধৰা নিৰ্বাচনী সভাখনত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে নিজ ভাষণত বিজেপিয়ে ভাল দিনৰ, পৰিৱৰ্তনৰ, কৰ্মসংস্থাপনৰ, জাতি-মাটি-ভেটিৰ কথা কৈছিল। কিন্তু এটা প্ৰতিশ্ৰুতিও পালন কৰিব নোৱাৰিলে। এই চৰকাৰৰ দিনত ধৰ্মীয় মেৰুকৰণেৰে অশুভ পৰম্পৰা সৃষ্টি কৰা হ'ল। অন্যায়ৰ প্ৰতিবাদ কৰাৰ মৌলিক অধিকাৰ খৰ্ব কৰা হ'ল। সেয়েহে সকলো মিলি বিজেপিৰ দৰে সাম্প্ৰদায়িক ৰাজনীতিক প্ৰতিহত কৰিব লাগিব। লগতে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ভাষণত কয় যে এইবাৰ মহাজোঁটৰ চৰকাৰ হ'লে মহাজোঁটৰ পাঁচটা গেৰাণ্টী সফল ৰূপায়ণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

# মৰিগাঁও জিলাত সুৰা নিষিদ্ধ দিন ঘোষণা

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৭ মাৰ্চ ঃ** মৰিগাঁও জিলা প্ৰশাসনে অসম বিধানসভা নিৰ্বাচন ২০২১ৰ দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পহিলা এপ্ৰিল আৰু দুই মে'ত সমগ্ৰ জিলাত সুৰা নিষিদ্ধ দিন হিচাপে ঘোষণা কৰিছে। অহা ৩০ মাৰ্চৰ সন্ধিয়া ছয় বজাৰ পৰা এক এপ্ৰিলৰ সন্ধিয়া ছয় বজালৈ আৰু ভোট গণনাৰ দিনাখনো জিলাখনৰ পাইকাৰী আৰু খুচুৰা সুৰা বিপণীসমূহ খোলা ৰাখিব নোৱাৰিব। আনহাতে, নগাঁও নিৰ্বাচনী জিলাৰ অন্তৰ্গত থকা বটদ্ৰৱা আৰু ধিং বিধানসভা সমষ্টিৰ যিবিলাক অঞ্চল মৰিগাঁও জিলা ৰাজহ চক্ৰৰ ভিতৰত পৰে সেই ঠাইসমূহত ২৫ মাৰ্চৰ সন্ধয়া ছয় বজাৰ পৰা ২৭ মাৰ্চৰ সন্ধিয়া ছয় বজালৈ সুৰা নিষেধাজ্ঞা প্ৰযোজ্য কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰিলে অসম আবকাৰী আইন মতে দণ্ডনীয় হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে।



# ভোটগ্ৰহণ কেন্দ্ৰত পিষ্টল লৈ ভাবুকি

*এক পৃষ্ঠাৰ পৰা* অন্তৰ্গত এটা ভোটগ্ৰহণ কেন্দ্ৰত এজন লোকে মাৰণাস্ত্ৰ লৈ সন্ত্ৰাস চলোৱা কাৰ্যই সকলোৰে চকু কপালত তুলিছে। আজি ডিব্ৰুগড়ৰ মোহনবাৰী আৰক্ষী চকীৰ অন্তৰ্গত নিজ মৈদুমীয়া গাঁৱৰ নিম্ন প্ৰাথমিক বিদ্যালয়ত ভোটাৰক পিষ্টল দেখুৱাই এজন চিকিৎসক গ্ৰেপ্তাৰ হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মনোজ চেতিয়া নামৰ লোকজনে এই সন্দৰ্ভত দাখিল কৰা এজাহাৰ অনুসৰি আজি লাহোৱাল বিধানসভা সমষ্টি মোহনবাৰীৰ নিজ মৈদুমীয়া প্ৰাথমিক বিদ্যালয়ৰ ১০৬ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোট প্ৰদানৰ বাবে শাৰী পাতি থকা অৱস্থাত দিনৰ প্ৰায় ১-৪৫ বজাত এজন ব্যক্তিয়ে শাৰীৰ মাজেৰে অগ্ৰসৰ হৈ ভোটগ্ৰহণ কেন্দ্ৰটোত প্ৰৱেশ কৰে। তেতিয়া মনোজ চেতিয়াই লোকজনে কিয় এনেদৰে প্ৰৱেশ কৰিছে বুলি প্ৰশ্ন কৰাত লোকজনে খৰ্গহস্ত হৈ এটা পিষ্টল উলিয়াই শাৰী পাতি থকা লোকসকলৰ সন্মুখতে প্ৰাণে মৰাৰ ভাবুকি দিয়ে। ভোটদানৰ বাবে শাৰী পাতি থকা আন লোকসকলৰ সন্মুখতে এইদৰে পিষ্টল দেখুৱাই হত্যাৰ ভাবুকি দিয়া আতংকিত হৈ পৰে ভোটাৰসকল। ব্যক্তিজনে নিজৰ কঁকালৰ পৰা মাৰণাস্ত্ৰ উলিয়াই উপস্থিত সকলোকে উদ্দেশ্যি কৰি গুলিয়াই দিয়াৰ ভাবুকি দিয়াৰ উপস্থিত একাংশই তৎপৰতাৰে লোকজনক ঘেৰাও কৰি ধৰে যদিও নিজ বাহনৰ জৰিয়তে পলায়নৰ চেষ্টা কৰে। কিন্তু ভোটগ্ৰহণ কেন্দ্ৰত থকা ভিৰৰ বাবে পলায়ন কৰিবলৈ সক্ষম নহ'ল। ইয়াকে লৈ উত্তেজনাৰ সৃষ্টি হোৱাত আৰক্ষীৰ খবৰ দিয়াত আৰক্ষীয়ে উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অৱশ্যে ব্যক্তিজনে পৰৱৰ্তী সময়ত নিজকে এজন চৰকাৰী নডেল বিষয়া বুলিও অৱগত কৰে যদিও তেওঁক পাছত আটক কৰে। আটক কৰা লোকজন লাহোৱাল প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ মুনীন চন্দ্ৰ পাঠক। তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে এটা পইণ্ট ৩২ পিষ্টল জব্দ কৰে। বিধানসভা নিৰ্বাচনৰ পূৰ্বে ডিব্ৰুগড় জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে মাৰণাস্ত্ৰ অনুজ্ঞাপত্ৰ থকা লোকসকলৰ মাৰণাস্ত্ৰসমূহ জব্দ কৰিছিল যদিও তাৰ পাছতো চিকিৎসকজনৰ হাতত কেনেকৈ মাৰণাস্ত্ৰ থাকিলে সেয়া ৰহস্যৰ বিষয় হৈ পৰিছে। ইপিনে, এজন চৰকাৰী বিষয়া তথা চিকিৎসক হৈয়ো নিৰ্বাচনৰ সময়ত কিয় মাৰণাস্ত্ৰ হাতত লৈ ঘূৰি ফুৰিছিল সেয়া সকলোকে ভবাই তুলিছে।

# জয়ৰ দাবীৰে ৮০ শতাংশ ভোটদান

*এক পৃষ্ঠাৰ পৰা* হাৰ পূৰ্বৰ তুলনাত বৃদ্ধি হোৱাটোও লক্ষ্যণীয় হৈ পৰিছে। ৰাজনৈতিক বিশ্লেষকৰ মতে, ভোটদানৰ হাৰ বৃদ্ধিয়ে প্ৰতিষ্ঠান বিৰোধী টোকে বহু সময়ত প্ৰতিফলিত কৰে। অৱশ্যে শাসক দল বিজেপিয়ে সেই ধাৰণাক আজি নাকচ কৰে। তাৰ বিপৰীতে প্ৰধান প্ৰতিদ্বন্দ্বী দল কংগ্ৰেছে দাবী কৰে যে ৰাইজে চৰকাৰৰ বিৰুদ্ধে ভোট দিয়াৰ বাবেই বৃদ্ধি হৈছে ভোটদানৰ হাৰ। ৰাইজে বিজেপিৰ বিকল্প হিচাপে কংগ্ৰেছক আদৰি লোৱা বুলি দলটোৱে দাবী কৰে।

ৰাজ্যিক নিৰ্বাচন বিভাগৰ তথ্য অনুসৰি, নিশা নবজা পৰ্যন্ত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ভোটদানৰ হাৰ হ'ল কমেও ৭৭ শতাংশ। এই হাৰ অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা ব্যক্ত কৰে মুখ্য নিৰ্বাচন বিষয়া নীতিন খাড়েই। কিয়নো সকলো কেন্দ্ৰৰ পৰা চূড়ান্ত তথ্য উপলব্ধ হোৱা নাই। সেয়েহে ভোটদানৰ হাৰ ৮০ শতাংশলৈ বৃদ্ধিৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৱা ডিব্ৰুগড়ত ভোটদানৰ পাছত মাজুলীত উপস্থিত হৈ গড়মূৰৰ নীলকণ্ঠ মন্দিৰত সেৱা লয়। তাৰ পাছত তেওঁ তিনিটা ভোটকেন্দ্ৰ পৰিদৰ্শন কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত বিজেপি আৰু মিত্ৰদলৰ সকলো প্ৰাৰ্থীয়ে বিশাল ভোটৰ ব্যৱধানত জয়যুক্ত হ'ব। মুখ্যমন্ত্ৰীয়ে ৰাইজে অত্যন্ত উৎসাহ আৰু আন্তৰিকতাৰে ভোটদানত সহযোগ কৰাটো গণতন্ত্ৰৰ বাবে শুভ লক্ষণ বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয়, 'ৰাইজৰ সহযোগিতাই গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰিব। গণতন্ত্ৰৰ মৰ্যাদাও ইয়াৰ ফলত বৃদ্ধি হয়।' ইপিনে, ডিব্ৰুগড়ৰ বিধানসভা সমষ্টিৰ সুসজ্জিত ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে চহৰৰ ঐতিহাসিক বগাবাবাৰ মাঝাৰত সেৱা জনায় আৰু বগাবাবাৰ সমাধিত চাদৰ অৰ্পণ কৰি আশিস লয়। মুখ্যমন্ত্ৰীয়ে ভোটদান কৰা কেন্দ্ৰটো বিবাহ বাহৰৰ দৰে সজাই তোলা হৈছিল।

আজিৰ সমষ্টিবোৰৰ ভিতৰত কমেও ৪২টা বিজেপিয়ে দখল কৰিব বুলি দাবী কৰে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে। ইয়াৰ বিপৰীতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই এনে সংখ্যাৰ উল্লেখ নকৰিলেও দাবী কৰে যে প্ৰথম পৰ্যায়ৰ সমষ্টিবোৰৰ গৰিষ্ঠ সংখ্যকে কংগ্ৰেছ আৰু মহাজোঁটে দখল কৰাটো নিশ্চিত। বৰাই কয়, 'ৰাইজে বিপুল হাৰত ভোটদান কৰাটোৱে প্ৰতিষ্ঠান বিৰোধী টোৰ শক্তি স্পষ্ট কৰিছে। বিভিন্ন ঠাইৰ পৰা আমি খবৰ পোৱা মতে ৰাইজে এইবাৰ কংগ্ৰেছক মন খুলি আদৰি লৈছে। একেদৰে আমাৰ মহাজোঁটৰ প্ৰাৰ্থীকো গ্ৰহণ কৰিছে।' গহপুৰৰ প্ৰাৰ্থীজনে আজি পুৱা ৮-৩০ বজাত গহপুৰ মজলীয়া বিদ্যালয়ত স্থাপন কৰা ১১৭ নম্বৰ ভোট কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। পত্নী তথা প্ৰাক্তন বিধায়িকা মণিকা বৰা, পুত্ৰ সিদ্ধাৰ্থ বৰা আৰু জীয়ৰী সংঘমিত্ৰা বৰাক লৈ ভোট দিবলৈ অহা ৰিপুন বৰাই লগতে কয় যে গহপুৰবাসী ৰাইজে তেওঁৰ প্ৰতি যেনেদৰে সমৰ্থন আগবঢ়াইছে তাৰ জৰিয়তে স্পষ্ট হৈছে যে সমষ্টিবাসীয়ে এইবাৰ 'পৰিৱৰ্তন'ৰ পৰা পৰিত্ৰাণ বিচাৰি কংগ্ৰেছৰ পক্ষত ভোটাধিকাৰ সাব্যস্ত কৰিব। নিজৰ বিজয় সুনিশ্চিত বুলি আত্মবিশ্বাস প্ৰদৰ্শন কৰি বৰাই মন্তব্য কৰে যে কংগ্ৰেছৰ বিৰুদ্ধে অসমত প্ৰতিষ্ঠান বিৰোধী টো বলিবলৈ ১৫ বছৰ লাগিছিল যদিও বিজেপিৰ ক্ষেত্ৰত মাত্ৰ পাঁচ বছৰতে সেই বতাহ তীব্ৰতৰ হয়। সেয়েহে এইবাৰ কংগ্ৰেছৰ নেতৃত্বত মহাজোঁটৰ চৰকাৰ হোৱাটো নিশ্চিত।

আনহাতে, বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ অসম গণ পৰিষদ (অগপ)ৰ সভাপতি অতুল বৰায়ো কয় যে তেওঁলোকৰ যথেষ্ট ভাল হ'ব। ভবাতকৈয়ো ভাল ফলাফল তেওঁলোকৰ মিত্ৰজোঁটে লাভ কৰিব বুলি বৰাই দাবী কৰে। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অগপৰ প্ৰাৰ্থীৰ সংখ্যা হ'ল ১০ গৰাকী। বৰাই আজি জীয়ৰী সংঘমিত্ৰাক লগত লৈ ভোটদান কৰে। আনহাতে, দলটোৰ কাৰ্যকৰী সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই ভোটদানৰ পাছত দাবী কৰে যে ৰাইজৰ যি বিপুল সঁহাৰি পৰিলক্ষিত হৈছে তাৰ পাছত আৰু ভাবিবলগীয়া একো নাই, জয় নিশ্চিত। অগপই তিনিটা পৰ্যায়ত ২০ খন আসন লাভ কৰিব বুলি মহন্তই প্ৰসংগক্ৰমে দাবী কৰে। নিজৰ জয়ৰ ভোটৰ ব্যৱধানো এইবাৰ পূৰ্বৰ তুলনাত বৃদ্ধি হ'ব বুলি মহন্তই কয়। আজি পুৱা মহন্তই নামঘৰত সেৱা লৈ তেতীয়াগাঁও অংগনৱাড়ী কেন্দ্ৰত ৪৪ নম্বৰ ভোট কেন্দ্ৰত মাতৃ, পত্নী, কন্যা, ভ্ৰাতৃকে ধৰি পৰিয়ালসহ শাৰীপাতি ভোটাধিকাৰ সাব্যস্ত কৰে। তেওঁক সবিতা মইনা পাৰিজাতৰ কণ কণ মইনাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ আদৰি নিয়ে। মহন্তই কয় যে সবিতা মইনা পাৰিজাতৰ মইনা হিচাপে তেওঁ সামাজিক জীৱনৰ অ, আ, ক, খ শিকিছিল।

ইপিনে, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও তেওঁলোকৰ দলে কিমান আসন প্ৰথম পৰ্যায়ত দখল কৰিব সেই কথা স্পষ্টকৈ নক'লেও মন্তব্য কৰে যে অসমৰ জনতা যে জাতীয়তাবাদৰ পক্ষত আছে সেয়া অহা দুই মে'ত সকলোৱে বুজি পাব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অধিকাংশ আসন জাতীয় পৰিষদে লাভ কৰিব বুলি তেওঁ দাবী কৰে। চুৰিয়া পিন্ধি গগৈয়ে পুৱাই নামঘৰত সেৱা জনাই তিনিচুকীয়া সমষ্টিৰ অন্তৰ্গত তেওঁৰ জন্ম গাঁও বৰলাইপুলি মধ্য ইংৰাজী বিদ্যালয়ৰ ভোটকেন্দ্ৰত ৮-৩০ বজাত ভোটদান কৰে। তেওঁক সহযোগ কৰে তিনিচুকীয়াৰ দলীয় প্ৰাৰ্থী ছমেশ্বৰ সিঙে। প্ৰসংগক্ৰমে উল্লেখ্য যে গগৈয়ে ভোটদান কৰাৰ সময়ত উক্ত কেন্দ্ৰটোত উপস্থিত হয় তিনিচুকীয়াৰ বিধায়ক তথা এইবাৰৰ বিজেপি প্ৰাৰ্থী মন্ত্ৰী সঞ্জয় কিষাণ। দুয়ো দুয়োকে দেখা পাই আলিংগন কৰি শুভেচ্ছা জ্ঞাপন কৰে।

আনহাতে, আজি নিজৰ জয় এশ শতাংশ নিশ্চিত কৰি পুৱাই আমনিৰ আমনিবস্তি প্ৰাথমিক বিদ্যালয়ৰ ২৪ নম্বৰ কেন্দ্ৰত পত্নী আৰু পুত্ৰসহ ভোটাধিকাৰ সাব্যস্ত কৰে প্ৰাক্তন মন্ত্ৰী তথা কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে। তেওঁ কয়, 'যোৱা সময়ছোৱাত চামগুৰিবাসী ৰাইজৰ যি অকুণ্ঠ মৰম আৰু আশীৰ্বাদ লাভ কৰিছো তাৰ বাবেই মোক পঞ্চমবাৰৰ বাবে নিৰ্বাচিত কৰিব। আনকি চামগুৰিৰ এজনো ভোটাৰ মোৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলাই নাহিল। মোৰ বিৰুদ্ধে যি তিনিজন প্ৰাৰ্থী থিয় হৈছে তেওঁলোকৰ এজনো চামগুৰিৰ নহয়। এজনেও নিজৰ ভোটটো চামগুৰি সমষ্টিত দিব নোৱাৰিলে।' এইবাৰ মহাজোঁটৰ চৰকাৰ গঠন নিশ্চিত বুলি দাবী কৰে হুছেইনে। চামগুৰিৰ বিজেপি প্ৰাৰ্থী অনিল শইকীয়ায়ো জয় নিশ্চিত বুলি দাবী কৰি সমষ্টিটোত গুণ্ডাগিৰীৰ অৱসান ঘটাই উন্নয়নৰ ধাৰা নমাই আনিব বুলি কয়। নগাঁৱৰ আন এটি সমষ্টি ৰূপহীহাটৰ কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাই বৌমাৰী মোক্তাব স্কুলত স্থাপন কৰা ১৪৯ নম্বৰ ভোট কেন্দ্ৰত ভোটদান কৰি নিজৰ বিজয় নিশ্চিত বুলি দাবী কৰে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী নাজিৰ হুছেইনে লাওগাঁও এম ই মাদ্ৰাছাত ভোটদান কৰি তেওঁৰো বিজয় নিশ্চিত বুলি দাবী কৰে। আনহাতে, বটদ্ৰৱাৰ বিজেপি প্ৰাৰ্থী আঙুৰলতা ডেকায়ো স্বামী আকাশদীপ ডেকাৰ লগত কপাহেৰা বিদ্যালয়ত ভোটদান কৰি ২০১৬তকৈ অধিক ভাল ফলাফল লাভ কৰিব বুলি দাবী কৰে। একেদৰে বিজয় নিশ্চিত বুলি দাবী কৰে সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই। এই সমষ্টিৰ এআইইউডিএফৰ প্ৰাৰ্থী বিধায়ক আমিনুল ইছলামেও নিজৰ জয়ৰ লগতে মহাজোঁটৰ চৰকাৰ নিশ্চিত বুলি দাবী কৰে।

# চামগুৰিত কংগ্ৰেছ-বিজেপিৰ সংঘৰ্ষ

*এক পৃষ্ঠাৰ পৰা* দুই-এক স্থানত কিছু বিক্ষিপ্ত ঘটনাও সংঘটিত হয়। নগাঁও জিলাৰ চামগুৰি আৰু ডিব্ৰুগড় জিলাৰ চাবুৱাত অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বিপৰীতে নাজিৰাত প্ৰক্সি ভোটৰ অভিযোগ উত্থাপিত হৈছে।

চামগুৰি সমষ্টিৰ এটা ভোটকেন্দ্ৰত সংঘটিত হিংসাত্মক ঘটনাত তিনিজন বিজেপি সমৰ্থক আহত হয়। কংগ্ৰেছ আৰু বিজেপি কৰ্মী-সমৰ্থকৰ মাজত হোৱা মাৰপিটৰ ঘটনাৰ পিছতে এখন গাড়ীয়ো ক্ষতিসাধন কৰা হয়। বিজেপি সমৰ্থক ঘটনাৰ সন্দৰ্ভত সমষ্টিটোৰ অন্তৰ্গত খাটোৱাল আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা অনুসৰি, পেনাইৰ ৫৮ নম্বৰ ভোটকেন্দ্ৰত পুৱা প্ৰায় ১০-৩০ বজাত একাংশ কংগ্ৰেছ সমৰ্থকে প্ৰৱেশ কৰি বিজেপি সমৰ্থক তথা পুলিং এজেণ্টক প্ৰহাৰ কৰি ভোটকেন্দ্ৰৰ পৰা বাহিৰ কৰি দিয়ে। ইয়াৰ পিছতে বিজেপিৰ ৰাজিয়াগাঁও মণ্ডলৰ সভাপতি প্ৰাঞ্জিত বৰাই একাংশ দলীয় কৰ্মীৰ স'তে এ এছ-০২ এ ডি-৬৮৬৯ নম্বৰৰ ইন'ভা গাড়ীৰে পেনাই অভিমুখে যোৱাৰ সময়ত তেওঁলোকৰ গাড়ীখনো আক্ৰমণ কৰে। ফলত গাড়ীখনৰ ক্ষতিসাধন হোৱাৰ লগতে বিজেপি কৰ্মী আবুল আহমেদ, সোনা বৰা আৰু ওমীন শইকীয়া আহত হয়। তিনিওকে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে, সমষ্টিটোত এজন নিৰ্বাচনী বিষয়াৰ গাড়ীৰ ক্ষতিসাধন কৰা হৈছে। চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁওস্থিত এটা ভোটকেন্দ্ৰৰ সমীপত এজন নিৰ্বাচনী বিষয়াই ব্যৱহাৰ কৰা এ এছ-০১ ই ই-৬৫৩৩ নম্বৰৰ গাড়ীখনত দুৰ্বৃত্তই আক্ৰমণ কৰে। ফলত গাড়ীখনৰ ক্ষতিসাধন হয় যদিও নিৰ্বাচনী বিষয়াজনে গাড়ীসহ পলায়ন কৰি চামগুৰি আৰক্ষী থানাত উপস্থিত হৈ ঘটনাৰ বিষয়ে অৱগত কৰে।

নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত দুটাকৈ ভোটগ্ৰহণ কেন্দ্ৰত ব্যাপক বিসংগতিৰ তথ্য পোৱা গৈছে। সমষ্টিটোৰ গেলেকীৰ ন পাম বাৰুৱতীৰ ৮৪ নম্বৰ ভোটকেন্দ্ৰত কাজল ভূমিজ নামৰ মহিলাগৰাকীৰ নামত আন কোনো লোকে ভোটদান কৰাক কেন্দ্ৰ কৰি অঞ্চলটোৰ ভোটাৰৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সেইদৰে সমষ্টিটোৰ গেলেকীৰ পুখুৰী মজলীয়া বিদ্যালয়ৰ পশ্চিম খণ্ডৰ ৯৪ নম্বৰ ভোটকেন্দ্ৰত পুতলী গগৈ নামৰ মহিলাগৰাকীৰ পৰিৱৰ্তে আন কোনো লোকে ভোটদান কৰে। ইয়াকে লৈ ভোটকেন্দ্ৰটোত কিছু উত্তেজনাৰ সৃষ্টি হয়। উল্লেখ্য যে ভোটকেন্দ্ৰ দুটাত চিচি কেমেৰাৰ ব্যৱস্থা নাছিল। পৰৱৰ্তী সময়ত দুয়োটা কেন্দ্ৰতে টেণ্ডাৰ ভোটৰ ব্যৱস্থা কৰা হয়।

ইপিনে, নাজিৰা প্ৰশাসনে নিৰ্বাচনী প্ৰক্ৰিয়াত জড়িত বিষয়া-কৰ্মচাৰীসকলৰ বাবে নিম্ন মানৰ খাদ্য যোগান ধৰাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি, নিম্ন মানৰ খাদ্য গ্ৰহণ কৰি কৰ্তব্যত নিয়োজিত হৈ পৰাৰ পাছতে যোৱা নিশাৰ পৰা একাংশ পুলিং, প্ৰিজাইডিং বিষয়া, অন্যান্য কৰ্মচাৰী আৰু আৰক্ষী জোৱানে ডায়েৰিয়াত আক্ৰান্ত হৈ শৌচ-বমি কৰিবলগীয়া অৱস্থা হোৱাৰ হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। এই ঘটনাৰ তদন্তৰ দাবী উঠিছে।

চাবুৱা বিধানসভা সমষ্টিৰ এটা ভোটকেন্দ্ৰত আজি সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী অজয় ফুকনৰ এক অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। ডিকম নাহৰতলি চাহ বাগিচা এল পি স্কুলত স্থাপন কৰা সাত নম্বৰ ভোটকেন্দ্ৰত এই ঘটনা সংঘটিত হয়। ৫০ শতাংশ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ সময়তে ইভিএমৰ কংগ্ৰেছৰ চিহ্ন সম্বলিত বুটামত এটা ষ্টিকাৰ কোনোবাই লগাই থোৱা বুলি প্ৰাৰ্থীজনৰ লগতে একাংশ কংগ্ৰেছ কৰ্মীয়ে অভিযোগ কৰে। অসম গণ পৰিষদৰ লোকে এই কাৰ্য কৰা বুলি প্ৰাৰ্থী ফুকনে প্ৰকাৰান্তৰে বুজাব খুজি ভোটকেন্দ্ৰত উপস্থিত ভোটাৰক উদ্দেশ্যি বক্তব্য আগবঢ়োৱাৰ সমান্তৰালকৈ একাংশ সংবাদ মাধ্যমৰ লোকে কংগ্ৰেছৰ বিৰুদ্ধাচৰণ কৰা বুলি কটু মন্তব্য কৰে। ফলত কংগ্ৰেছ আৰু অগপৰ সমৰ্থকসকলৰ মাজত বাক-বিতণ্ডা আৰু ঠেলা-হেঁচা আৰম্ভ হয় যদিও আৰক্ষী-অৰ্ধসামৰিক বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। সমষ্টিটোৰ অগপ প্ৰাৰ্থী পোনাকণ বৰুৱাই বিগত কিছুদিন ধৰি সুৰা আৰু ধনৰ প্ৰলোভন দি ভোটাৰৰ মাজত বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰা বুলি কংগ্ৰেছ প্ৰাৰ্থীজনে অভিযোগ কৰে। তেওঁ লগতে প্ৰশাসনেও নিৰপেক্ষ ভূমিকা পালন কৰাত ব্যৰ্থ হোৱা বুলি কয়। আনহাতে, কংগ্ৰেছ প্ৰাৰ্থীজনে সংবাদ মাধ্যমৰ বিৰুদ্ধে কটু মন্তব্য কৰাৰ উপস্থিত সংবাদ মাধ্যমৰ লোকসকলো ক্ষুব্ধ হৈ পৰে। অৱশ্যে কংগ্ৰেছ প্ৰাৰ্থীজনে দুই-এক সংবাদ মাধ্যমেহে পক্ষপাত কৰা বুলি দায় সৰাৰ চেষ্টা কৰাৰ উপৰি আন এটা ভোটকেন্দ্ৰত কংগ্ৰেছৰ প্ৰতীক চিহ্নত চিঞাহী ঢালি দিয়া বুলি অভিযোগ কৰে। অৱশ্যে কংগ্ৰেছ প্ৰাৰ্থী ফুকনৰ এনে অভিযোগ নস্যাৎ কৰিছে অগপ আৰু অসম মহিলা পৰিষদে। ফুকনে পৰাজয় নিশ্চিত বুলি জানিয়ে এনে মন্তব্য কৰা বুলি কয় মহিলা পৰিষদৰ এগৰাকী কেন্দ্ৰীয় সমিতিৰ নেত্ৰীয়ে। অগপৰ তৰফৰ পৰা কয় যে সুৰা আৰু ধনৰ প্ৰলোভনৰ ৰাজনীতি কংগ্ৰেছৰহে সংস্কৃতি।

# হাগ্ৰামাক জীয়াই ৰখাৰ সিদ্ধান্ত

*এক পৃষ্ঠাৰ পৰা* অক্সিজেন দি জীয়াই ৰাখিছিলো আৰু সেই সিদ্ধান্ত আমাৰ ভুল আছিল।' এই মন্তব্য ৰাজ্যিক বিজেপিৰ সভাপতি তথা পাটাছাৰকুছিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিৎ দাসৰ। বিপিএফৰ সভাপতি মহিলাৰীয়ে বিজেপিক অক্সিজেন দি জীয়াই ৰখা বুলি সঘনাই কৰা সমালোচনাৰ প্ৰত্যুত্তৰত দাসে উক্ত মন্তব্য কৰে। বিজেপিৰ ৰাজ্যিক সভাপতিজনে পুনৰ কয় যে মহিলাৰীৰ নেতৃত্বত এসময়ত বিটিচি অঞ্চল দুৰ্নীতি-ভ্ৰষ্টাচাৰত ডুব গৈছিল।

পাঠশালাৰ আতিথ্য হোটেলত আয়োজিত এক যোগদান সভাত অংশ লোৱাৰ সময়ত সাংবাদিকৰ আগত দাসে মহিলাৰীক আক্ৰমণ কৰি কয়, 'নৰেন্দ্ৰ মোদী ডাঙৰীয়াই, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এখন ভ্ৰষ্টাচাৰমুক্ত দেশ বা ৰাজ্য বিচাৰিছে, কিন্তু বিটিচি ভ্ৰষ্টাচাৰেৰে ভৰি পৰিছিল। আমি কোকৰাঝাৰলৈ গ'লে ভ্ৰষ্টাচাৰৰ বাবে আমাৰ উশাহ বন্ধ হৈ পৰিছিল। বিপিএফৰ স'তে আমাৰ মিত্ৰতা ভংগ হোৱাৰ দিনা আটাইতকৈ সুখী ব্যক্তিজনেই মই আছিলো। বিপিএফক আমি অক্সিজেন দি জীয়াই ৰাখিছিলো আৰু এতিয়া অক্সিজেনৰ পাইপডাল খুলি দিছো।' দাসে লগতে কয় যে এটা সময়ত বিটিচিত মানুহে শান্তিৰে বসবাস কৰিব নোৱাৰিছিল। একমাত্ৰ প্ৰধানমন্ত্ৰী মোদীৰ বাবেহে বিটিচিৰ ৰাইজে শান্তিৰে শুব পাৰিছে বুলি মন্তব্য কৰি ৰাজ্যিক বিজেপিৰ সভাপতিজনে কয়, 'বিটিচিত শান্তি প্ৰতিষ্ঠা কৰা মূল ব্যক্তিজন হ'ল নৰেন্দ্ৰ মোদী আৰু মূল দলটো হ'ল ভাৰতীয় জনতা পাৰ্টি। বিটিচিবাসীয়ে নৰেন্দ্ৰ মোদী আৰু ভাৰতীয় জনতা পাৰ্টিক কৃতজ্ঞতা জ্ঞাপন কৰা উচিত।' ইপিনে, দাসে কৃষক নেতা তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈকো সমালোচনা কৰে। গগৈৰ সন্দৰ্ভত দাসে কয়, 'অখিল গগৈ এজন আন্দোলনজীৱী মানুহ। তেওঁক শিৱসাগৰবাসী ৰাইজে ব্যক্তিগতভাৱে ভাল পায়, কিন্তু ভোট নিদিয়ে। তেওঁ ফলাফলত তিনি নম্বৰ স্থানতহে থাকিব।' পাটাছাৰকুছিৰ বিজেপি প্ৰাৰ্থীজনে লগতে কয় যে কৃষক নেতা গগৈয়ে প্ৰেৰণ কৰা পত্ৰৰ প্ৰভাৱ শূন্য হ'ব। তেওঁ কয়, 'তেওঁ নিজে হাৰিব আৰু হৰা ব্যক্তিৰ পত্ৰৰ প্ৰভাৱ একো নপৰে। মানুহক ভাল পালেই ভোট নিদিয়ে। ভূপেন হাজৰিকা ডাঙৰীয়াক সকলোৱে ভাল পায়, কিন্তু তেওঁ নিৰ্বাচনত পৰাজিত হৈছিল। তেনেদৰে শিৱসাগৰবাসীয়ে অখিল গগৈক ভাল পালেও ভোট নিদিয়ে।' উল্লেখ্য যে উক্ত সভাতে আজি কংগ্ৰেছৰ কে'বা শতাধিক লোকে বিজেপিত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত বজালী জিলা বিজেপিৰ সভাপতি নগেন চৌধুৰীও উপস্থিত থাকে।

# কংগ্ৰেছ-এআইইউডিএফ

*এক পৃষ্ঠাৰ পৰা* বাগানলৈ আহি মূৰত টুকুৰী লৈ পাত তুলিলে। কিন্তু কিমান সময় তুলিলে? এক মিনিট সময় বাগানত থাকি পাত তোলাৰ ফটো উঠি ভাইৰেল কৰিলে। বাগানত আঠ ঘণ্টা থাকা, আঠ ঘণ্টা ৰ'দত থাকি পাত তোলা। তেতিয়া গম পাবা পাত তোলাৰ সময়ত কিমান যন্ত্ৰণা হয়। তেওঁ চাহ শ্ৰমিকক অপমান কৰিবলৈ আহিছিল। সেয়েহে তেওঁলোকক উচিত শিক্ষা দিয়া উচিত। আগন্তুক পাঁচ বছৰত আমি চাহ শ্ৰমিকৰ মজুৰি আৰু বঢ়াম।' এই মন্তব্যৰে কংগ্ৰেছক সমালোচনা কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি বঢ়মপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী জিতু গোস্বামীৰ হৈ কঠিয়াতলিত এক সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ প্ৰচলিত কথিত ভাষাত পুনৰ কয়, 'আমি চাহ জনগোষ্ঠীৰ লোকক মৰম কৰিলো, মৰ্যাদা দিলো। চাহ মজদুৰক যদি আটাইতকৈ বেছি সন্মান দিয়া চৰকাৰ আছে সেয়া বিজেপি চৰকাৰ।

উল্লেখ্য যে আজি মুখ্যমন্ত্ৰীয়ে বঢ়মপুৰৰ উপৰি ৰহা, লামডিং, হোজাই আৰু নগাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত অংশ লয়। বঢ়মপুৰৰ প্ৰাৰ্থী গোস্বামীক বিপুল ভোটত জয়ী কৰোৱাৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কঠিয়াতলিৰ সভাখনত কয়, 'কংগ্ৰেছ আৰু এআইইউডিএফ আমাৰ আটাইতকৈ ডাঙৰ শত্ৰু। এই দুটা দলে মিলি ক্ষমতা দখল কৰিব বিচাৰিছে। ক্ষমতা দখল কৰিলে বাংলাদেশৰ পৰা অবৈধ বাংলাদেশী আনি অসমৰ মাটিত সংস্থাপিত কৰি অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ অস্তিত্ব সম্পূৰ্ণৰূপে বিপন্ন কৰিব। এই ষড়যন্ত্ৰক প্ৰতিহত কৰিব লাগিব।' সভাত উপস্থিত থকা হিন্দু বাঙালী আৰু নেপালী সম্প্ৰদায়ৰ লোকসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয়, 'বাঙালী আৰু নেপালী লোকসকলক কংগ্ৰেছে আহি বিভিন্ন কথা কৈ বিভ্ৰান্ত কৰাৰ চেষ্টা চলাব পাৰে। বাঙালী আৰু নেপালী লোকসকল বিজেপি থকালৈকে সম্পূৰ্ণ নিৰাপদ। আপোনালোকক নিৰাপত্তা দিয়াৰ দায়িত্ব আমাৰ।' মুখ্যমন্ত্ৰীয়ে লগতে বিজেপি নেতৃত্বাধীন চৰকাৰৰ দুৰ্নীতি বিৰোধী স্থিতি আৰু বিভিন্ন উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিৰ বিষয়েও সদৰী কৰে। ছহিদ কনকলতা মহিলা সৱলীকৰণ আঁচনি, অৰুণোদয় আঁচনি আদিৰ বিষয়ে উল্লেখ কৰি কয়, 'মহিলা শক্তি মহাশক্তি। আমাৰ প্ৰতিগৰাকী মহিলা সন্মান সহকাৰে জীয়াই থাকক। পৰিয়ালটোক মৰ্যাদা সহকাৰে আগুৱাই নিয়ক, স্বাভিমান ৰক্ষা কৰক। ইয়াৰ বাবে চৰকাৰে শক্তিশালী সিদ্ধান্ত হাতত লৈছে।' ইপিনে, সভাৰ অন্তত সাংবাদিকৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰীয়ে পুনৰ বিজেপি নেতৃত্বাধীন চৰকাৰ নিশ্চিত বুলি দাবী কৰি বঢ়মপুৰৰ দলীয় প্ৰাৰ্থী গোস্বামীয়েও জয়লাভ কৰিব বুলি কয়। আজিৰ সভাত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ বৰুৱা আদিও উপস্থিত থাকে।

### কংগ্ৰেছৰ দিনত সংখ্যালঘু লোক সুৰক্ষিত নাছিল

ইপিনে, ৰহা সমষ্টিৰ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী বিষ্ণু দাসৰ হৈ মুখ্যমন্ত্ৰীয়ে কচুৱাত এখন নিৰ্বাচনী সভাত অংশ লয়। সভাত মুখ্যমন্ত্ৰীয়ে 'শ্ৰীৰাম' ধ্বনিৰে আৰম্ভ কৰা ভাষণত কয়, 'অসমৰ বিজেপি চৰকাৰে সকলো জাতি-জনগোষ্ঠীৰ সুৰক্ষা আৰু সম উন্নয়নৰ হকে কাম কৰি আহিছে। এই চৰকাৰৰ কাৰ্যকালত কোনো ধৰ্মীয় সংখ্যালঘু লোকৰ ক্ষতি হোৱা নাই আৰু সংঘৰ্ষও হোৱা নাই।কংগ্ৰেছৰ দিনত সংখ্যালঘু লোক সুৰক্ষিত নাছিল। কংগ্ৰেছে গোষ্ঠীগত সংঘৰ্ষ লগাই মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। অসমত কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ আহিলে ৰাজ্য শান্তিত থাকিব নোৱাৰিব।' কংগ্ৰেছে পুনৰ সংঘাত সৃষ্টি কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সভাত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই ৰহা সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত অগপ প্ৰাৰ্থীজনক ভোট দিবলৈ আহ্বান জনায়। উক্ত সভাত হাৰিয়ানাৰ মন্ত্ৰী মনীষ গোভাৰ, কেন্দ্ৰীয় প্ৰভাৰী মুকেশ শৰ্মা, সৰ্বভাৰতীয় জমিয়তৰ নেতা ছোৱেইব কাছিমী, প্ৰাক্তন মন্ত্ৰী নুৰুল হুছেইন, ৰহাৰ বিধায়ক ডিম্বেশ্বৰ দাস আদি উপস্থিত থাকে।

### অসমত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীকে ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব

মুখ্যমন্ত্ৰীয়ে আজি কাকীত লামডিঙৰ বিজেপি প্ৰাৰ্থী শিবু মিশ্ৰৰ হৈও নিৰ্বাচনী প্ৰচাৰত অংশ লয়। এক নম্বৰ কাকী ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে কয়, 'অসমৰ সমাজক ব্যৱস্থাক শক্তিশালী কৰিছে বিজেপি চৰকাৰে। যাতে অসমত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে সম মৰ্যাদাৰে জীয়াই থাকিব পাৰে। সেয়ে বিজেপি চৰকাৰে সম অধিকাৰ প্ৰদান কৰিব বিচাৰিছে। অসমত বাস কৰা এই সকলোকে ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব।' নিৰ্বাচনী ইস্তাহাৰত বিজেপি দলে দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি পূৰণ কৰা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আগন্তুক পাঁচ বছৰত ১০ লাখ যুৱক-যুৱতীক সৰ্ম সংস্থাপন দিয়া হ'ব আৰু বৃদ্ধ-বৃদ্ধাসকলকো উপযুক্ত মৰ্যাদা প্ৰদান কৰা হ'ব। লামডিঙৰ বিজেপি প্ৰাৰ্থী এক লাখ ৩০ হেজাৰ ভোটত বিজয়ী কৰাবলৈকো মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায়। উল্লেখ্য যে সভাৰ অন্তত মুখ্যমন্ত্ৰীয়ে মঞ্চৰ পৰা নামি আহি সভাত উপস্থিত থকা এজন বিশেষভাৱে সক্ষম যুৱকক নিজৰ চেলেং-গামোচাৰে আদৰণি জনায়। মুখ্যমন্ত্ৰীৰ এনে কাৰ্যক সভাস্থলীত উপস্থিত সকলোৱে কৰতালিৰে স্বাগতম জনায়। মুখ্যমন্ত্ৰীয়ে আজি হোজাইৰ বিজেপি প্ৰাৰ্থী ৰামকৃষ্ণ ঘোষ আৰু নগাঁও সদৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাৰ হৈও নিৰ্বাচনী সভাত অংশ লয়।

### কংগ্ৰেছৰ অত্যাচাৰৰ পৰা আটাইতকৈ দৰিদ্ৰজনো বাচি যোৱা নাছিল

'যোৱা পাঁচটা বছৰত ৰাইজৰ স্বাৰ্থত কাম কৰাৰ বাবে নগাঁৱৰ ৰাইজে ৰূপক শৰ্মাক যি আশীৰ্বাদ দিলে, যি সহযোগিতা আগবঢ়ালে তাৰ বাবে মই নগাঁও সমষ্টিৰ ৰাইজৰ ওচৰত কৃতজ্ঞ। ৰূপক শৰ্মাই যেতিয়াই মোৰ ওচৰলৈ যায়, কেৱল ৰাইজৰ কথা লৈহে যায়। কেতিয়াও নিজৰ কথা লৈ নাযায়। নগাঁৱৰ ৰাইজ সৌভাগ্যবান যে এগৰাকী সুদক্ষ, কৰ্মোদ্যমী, পৰিশ্ৰমী বিধায়ক পাইছে। সেয়েহে মোৰ আহ্বান, পুনৰ পাঁচ বছৰৰ বাবে ৰূপক শৰ্মাক নিৰ্বাচিত কৰক। মই ৰূপক শৰ্মাৰ হৈ এই কাৰণেই ভোট বিচাৰিছো, তেওঁ ভাল কাম কৰে।' আজি সন্ধিয়া নগাঁৱত এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে। নগাঁও সদৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাৰ হৈ চহৰৰ হিন্দু বাঙালী আৰু মাৰোৱাৰী সম্প্ৰদায়ৰ লোকৰ অধ্যুষিত হয়বৰগাঁৱত এক নিৰ্বাচনী সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে লগতে কংগ্ৰেছকো ক্ষুৰধাৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'কংগ্ৰেছ দলে প্ৰতিশ্ৰুতি দিয়ে ৰাইজক প্ৰতাৰণা কৰিবৰ কাৰণে। আমি প্ৰতিশ্ৰুতি দিওঁ নিষ্ঠা সহকাৰে জনসাধাৰণৰ স্বাৰ্থত কাম কৰাৰ বাবে।' দুৰ্নীতিৰ পৰা ৰাজ্যখনক মুক্ত কৰাত সফল হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'কংগ্ৰেছৰ কাৰ্যকালত যি দুৰ্নীতি, ভ্ৰষ্টাচাৰ, দমননীতি সংঘটিত হৈছিল; ইয়াৰ ফলত অসমৰ প্ৰতিটো প্ৰান্তৰ শ্ৰেণীৰ লোকে জীয়াতু ভুগিবলগীয়া হৈছিল। আনকি তেওঁলোকৰ এই অত্যাচাৰৰ পৰা সমাজৰ আটাইতকৈ দৰিদ্ৰ লোকজনো বাচি যোৱা নাছিল। সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীও ক্ষতিগ্ৰস্ত হৈছিল।' কংগ্ৰেছৰ দিনৰ সকলো দুৰ্নীতি-ভ্ৰষ্টাচাৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে কঠোৰ হাতেৰে দমন কৰিলে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে আজি হোজাইৰ বিজেপি প্ৰাৰ্থী ৰামকৃষ্ণ ঘোষ হৈও নিৰ্বাচনী সভাত অংশ লয়।

# চৰকাৰ ব্যৰ্থ বাবে অসমত মুখ্যমন্ত্ৰী

*এক পৃষ্ঠাৰ পৰা* কৰে ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই। আজি ৰাজীৱ ভৱনত আয়োজিত এক সংবাদমেলত খাৰ্গেই কয় যে চৰকাৰ চলি থাকিলে মুখমন্ত্ৰীজনৰ নেতৃত্বত নিৰ্বাচনত অৱতীৰ্ণ হোৱা যায়; কিন্তু বিজেপিয়ে এইবাৰ সেই কাম নকৰাৰ অৰ্থ হ'ল চৰকাৰ ব্যৰ্থ। খাৰ্গেই প্ৰধানমন্ত্ৰী মোদীৰ নামতো অসমৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে ভোট বিচৰাতো আশ্চৰ্যকৰ বুলি মন্তব্য কৰে। তেওঁ কয়, 'বিজেপিয়ে কৈছে মোদীক ভোট দিয়ক, মোদীক ভোট দিয়ক, এয়াতো লোকসভা নিৰ্বাচন নহয়! লোকসভা হ'লেও বেলেগ কথা আছিল। বিধানসভাত মোদীৰ কি কাম? ৪৯ বছৰ মই নিৰ্বাচন খেলিছো। ১২টা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছো। এবাৰ হাৰিছো। এই দীঘলীয়া সময়ত মই এনে আজৱ কাণ্ড দেখা নাছিলো। এখন দেশ নিৰ্মাণ হয় সকলোকে লগত লৈ। এজনৰ নামেৰে দেশ চলে নেকি? এনে ধৰণৰ মানসিকতা একেবাৰে ভুল।' ইপিনে, যাৰ নামত অসমত ভোট বিচৰা হৈছে সেই গৰাকী প্ৰধানমন্ত্ৰীয়ে দেশৰ কোনো এটা সমস্যাৰ আলোচনাৰ উত্তৰ নিদিয়ে বুলি সমালোচনা কৰে জ্যেষ্ঠ কংগ্ৰেছ নেতাজনে। তেওঁ কয় যে তিনিদিন পূৰ্বে ৰাজ্যসভা শেষ হৈছে। লোকসভাৰ অধিবেশনো সমাপ্ত হৈছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সংসদ চলা দিনৰ চাৰিভাগৰ এভাগো প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী উপস্থিত নাথাকিল। উপস্থিত থকা দিনকেইটাতো তেওঁলোক মূল্যবৃদ্ধিকে ধৰি দেশৰ কোনো এটা সমস্যাৰ উত্তৰ দিবলৈ প্ৰস্তুত নাছিল। খাৰ্গে কয়, 'পেট্ৰ'ল-ডিজেলৰ প্ৰতিলিটাৰত ৩২ টকা কৰ লগাই কেন্দ্ৰীয় চৰকাৰে দুখীয়া কৃষক, মধ্যবিত্তৰ চান কাঢ়িছে। এনেদৰে পেট্ৰ'লজাত সামগ্ৰীৰ পৰা ছয়-সাত বছৰত চৰকাৰে ১২ লাখ কোটি টকা আৰ্জিছে। সেই ধন ক'ত খৰচ কৰা হৈছে? আমি উত্তৰ বিচাৰিছো। কিন্তু চৰকাৰে নিদিয়ে।' এনে পলায়নবাদী ভূমিকা লৈ অহা চৰকাৰখনে আচলতে কি কৰিছে? কি ক'ব বিচাৰে নিজেই নাজানে। সেই কাৰণে বিজেপিৰ নেতাসকলে ৭০ বছৰে দেশত একো নোহোৱা বুলি চিঞৰে। অথচ তেওঁলোকে পাহৰি যায় যে ৭০ বছৰৰ ৫০ বছৰহে কংগ্ৰেছে দেশত শাসন চলাইছে। বাকী বছৰবোৰত অটল বিহাৰী বাজপেয়ী, মোৰাৰজী দেশাই, বিশ্বনাথ প্ৰতাপ সিং, চন্দ্ৰশেখৰ, আই কে গুজৰাল, এইছ ডি দেবেগৌড়া চৰকাৰ আছিল। দেশৰ নিৰ্মাণত সকলোৰে অৱদান আছে। কংগ্ৰেছৰ অৱদান আটাইতকৈ বেছি। বিজেপিক আমাৰ পৰামৰ্শ হ'ল যে তোমালোকে যি কাম কৰিছা তাৰ কৃতিত্ব লোৱা। নকৰা কামত কৃতিত্ব কিয় লাগে? আচলতে আমাৰ দেশত বৰ্তমান একনায়কত্ববাদ চলিছে। যি সেয়া হ'বই লাগিব। এইবোৰক লৈ সমালোচনা হ'লে, ভোটৰ কথা আহিলে মোদীয়ে তেতিয়া অন্য কথা কৈ মানুহৰ মন অন্য দিশলৈ নিয়াৰ চেষ্টা কৰে।' তদুপৰি তেওঁ কয় যে দেশৰ সম্পদ বিক্ৰীৰ দৌৰতো নামিছে মোদী চৰকাৰ। পৰিস্থিতি এনে হৈছে যে পাৰিলে বতাহো চৰকাৰে বিক্ৰী কৰিব বুলি খাৰ্গে মন্তব্য কৰে। এই পৰ্যন্ত ক্ষমতাৰ বাহিৰত থকা বাবেহে বতাহ বিক্ৰী কৰিব পৰা নাই।

সংবাদমেলত এআইচিচিৰ মুখপাত্ৰ গৌৰৱ বল্লভে বিজেপিৰ মিত্ৰদল ইউপিপিএলৰ নিৰ্বাচনী ইস্তাহাৰত সন্নিবিষ্ট এটা বিষয়ক লৈ সৰৱ হয়। বল্লভে কয় যে ইস্তাহাৰত মূলসুঁতিলৈ ওভতা উগ্ৰপন্থী সদস্যক সেনাবাহিনীত চাকৰি দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে। এয়া আইন বিৰুদ্ধ বুলি অভিযোগ কৰি নিৰ্বাচন আয়োগক ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনাইছে। সংবাদমেলত ৰাজ্যসভাৰ সাংসদদ্বয় নাছিৰ হুছেইন আৰু অখিলেশ প্ৰসাদ সিঙো উপস্থিত থাকে।

# হিমন্তবিশ্ব কংসৰ দৰে জনপ্ৰিয় মামা

*এক পৃষ্ঠাৰ পৰা* দেশবাসীৰ কাৰণে মহাত্মা গান্ধীয়ে বুকুত গুলি পাতি লৈও ইংৰাজৰ পৰা মুক্ত কৰা ভাৰতবৰ্ষৰ বুকুত থকা ৰাষ্ট্ৰীয় সম্পদৰ ধ্বংসযজ্ঞ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে।' এই মন্তব্য সৰ্বভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ যুৱনেতা কানহায়া কুমাৰৰ। আজি বাঁওপন্থী নেতাজনে মৰিগাঁৱৰ মহাজোঁট বন্ধনৰ চিপিআইৰ প্ৰাৰ্থী মুনিন মহন্তৰ হৈ প্ৰচাৰত অংশ লৈ উক্ত মন্তব্য কৰে। মৰিগাঁৱৰ বিহুতলীত অনুষ্ঠিত সভাখনত নিজৰ ভাষণত কুমাৰে লগতে কয়, 'কেন্দ্ৰত বিজেপি চৰকাৰ হ'লে বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুই কোটি চৰকাৰী চাকৰি, বিদেশত থকা ক'লাধন আনি দেশৰ প্ৰতিটো পৰিয়ালৰ মাজত ভগাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। যোৱা পাঁচটা বছৰত দুই কোটি চৰকাৰী চাকৰি দিয়াতো বাদেই, ক'লাধনো ঘূৰাই আনিবলৈ সক্ষম নহ'ল। সেয়ে দেশৰ এজন মিচলীয়া প্ৰধানমন্ত্ৰীৰ শাসনকালত জনসাধাৰণে কি আশা কৰিব?'

প্ৰধানমন্ত্ৰীৰ সমান্তৰালকৈ বাঁওপন্থী নেতাজনে কেন্দ্ৰীয় গৃহমন্ত্ৰীকো আক্ৰমণ কৰে। নিজৰ ভাষণত শ্বাহক কটাক্ষ কৰি কুমাৰে কয়, 'অমিত শ্বাহে উচ্চ শিক্ষিত নিবনুৱাক পকৰি বেচি স্বাৱলম্বী হ'বলৈ ভাষণত কৈ আহিছে। কিন্তু তেওঁৰ পুত্ৰক পকৰি বেচি স্বাৱলম্বী হ'বলৈ নকয় কিয়? ইউপিএছচি, এপিএছচি ডিগ্ৰী নথকাকৈয়ে গৃহমন্ত্ৰীৰ পুত্ৰক মোদী চৰকাৰে কিদৰে মিনিষ্টাৰ ছেক্ৰেটাৰী বনালে?' কুমাৰে লগতে বিজেপি নেতৃত্বাধীন বিজেপি চৰকাৰকো সমালোচনা কৰে। পবিত্ৰ অসমভূমি কেৱল শ্ৰীমন্ত শংকৰদেৱ আৰু আজান ফকীৰৰ ভূমি বুলি মন্তব্য কৰি কুমাৰে কয়, 'দেশৰ ইতিহাস নজনা বিজেপিৰ চৰকাৰে অসমত কয়লা, ছুপাৰি ছিণ্ডিকেট চলাই লুণ্ঠন কৰাৰ বাহিৰে ৰাজ্যৰ জনসাধাৰণৰ বাবে কি কৰিব?' আনহাতে, মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি তেওঁ কয়, 'সাম্প্ৰদায়িকতাৰ ৰাজনীতি কৰা বিজেপি চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা এতিয়া কংসৰ দৰে জনপ্ৰিয় মামা, কিন্তু মই কানহায়া।' কুমাৰে লগতে কয় যে দেশক আগবঢ়াই নিবলৈ হিন্দু-মুছলমানৰ নামত ৰাজনীতি কৰিলে নহ'ব। দেশৰ লগতে অসমক উন্নয়নৰ দিশত আগুৱাই নিয়াৰ স্বাৰ্থত ধৰ্মৰ নামত সাম্প্ৰদায়িক ৰাজনীতি কৰা সকলক ওফৰাই দিয়াৰ লগতে মৰিগাঁও সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত চিপিআই প্ৰাৰ্থী মহন্তক বিপুল ভোটত জয়ী কৰাবলৈ কমিউনিষ্ট নেতাজনে আহ্বান জনায়। আনহাতে, মৰিগাঁৱৰ প্ৰাৰ্থী মহন্তই নিজৰ ভাষণত কয়, 'অসমত এইবাৰ মহাজোঁট বন্ধনৰ ঢৌ উঠিছে। মহাজোঁট বন্ধনৰ এই শক্তিশালী ঢৌত বিৰোধী দল উটি যাব।' এসম জাতীয় পৰিষদক সমালোচনা কৰি প্ৰাৰ্থী মহন্তই কয়, 'বিজেপি চৰকাৰক সহায় কৰিবলৈ অসম জাতীয় পৰিষদে এইবাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈছে।'

মন কৰিবলগীয়া যে মৰিগাঁৱৰ প্ৰাক্তন বিধায়িকা তথা জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি জোনজোনালী বৰুৱাই মহাজোঁটৰ নিৰ্বাচনী সভাখনত উপস্থিত নথকা বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰে। অৱশ্যে জিলা কংগ্ৰেছৰ সভাপতি বীৰ কুমাৰ কোঁৱৰ, কংগ্ৰেছ নেতা প্ৰণৱজ্যোতি বৰকটকী আদিয়ে আজিৰ সভাত অংশগ্ৰহণ কৰে।

# পৰৱৰ্তী মুখ্যমন্ত্ৰী

*এক পৃষ্ঠাৰ পৰা* দল বিজেপিয়ে ২০১৬ত কৰাৰ দৰে এইবাৰ মুখ্যমন্ত্ৰী পদৰ বাবে কাকো প্ৰক্ষেপ নকৰাকৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ৰাজ্যিক বিধান সভাৰ নিৰ্বাচনত কাৰোবাক মুখ্যমন্ত্ৰী বুলি প্ৰক্ষেপ কৰাত যেনেকৈ বাধা নাই ঠিক তেনেকৈ কোনোবাই এইটো আইন বিৰুদ্ধ বা অসাংবিধানিক বুলি কোৱাত বাধা নাই যিহেতু মুখ্যমন্ত্ৰী বিধায়িনী দলৰ সভাতহে নিৰ্বাচিত কৰা হয়। সংবিধানত ইমান স্পষ্ট নিৰ্দেশনা থকাৰ পাছতো দলে কেনেকৈ মুখ্যমন্ত্ৰী নিৰ্বাচিত কৰিব পাৰে ভাবিলে আচৰিত হ'ব লাগে। দল আৰু নিৰ্বাচিত বিধায়কসকলৰ মুখ্যমন্ত্ৰীকেন্দ্ৰিক বিবাদ নাথাকিলে নিৰ্বাচনত কাৰোবাক মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰা কথাটো আইন বিৰুদ্ধ বুলি কোৱাতকৈ অনৈতিক বুলি কোৱাটোহে সমীচীন হ'ব। আইন বিৰুদ্ধ হ'বলৈ আদালতৰ মোহৰ লাগিব। আইন বিৰুদ্ধ বুলি ভাবিলে যিকোনো ব্যক্তিয়েই আদালতৰ দৃষ্টিগোচৰ কৰিব পাৰে। কিন্তু আদালতৰ দৃষ্টিগোচৰ কৰাৰ পৰিৱৰ্তে নিজে আদালতৰ ভূমিকাত অৱতীৰ্ণ হৈ মতামত দিয়াটো বাক্-স্বাধীনতাৰ অপপ্ৰয়োগ বুলি ভবাৰ থল আছে। শাসকীয় বিজেপিয়ে ২০১৬ত কাৰোবাক মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপিত কৰাটো আইনসন্মত নাছিল কাৰণেহে এইবাৰ নকৰা বুলি কোৱা নাই। সেইবাৰ কিবা অংকত প্ৰক্ষেপ কৰিছিল, এইবাৰ কিবা অংকত প্ৰক্ষেপ কৰা নাই। প্ৰক্ষেপ নকৰিলে বুলি যে আগৰ গৰাকী হ'ব নোৱাৰিব বা তেওঁৰ পৰিৱৰ্তে দ্বিতীয় গৰাকী হ'ব সেইটোৰো নিশ্চয়তা নাই। যোৱাবাৰতকৈ যে এইবাৰ বিজেপিৰ সংখ্যা কমিব সেই সম্পৰ্কত নিশ্চয় কোনো দ্বিমত নহ'ব। সেয়েহে আগৰ গৰাকীয়ে এইবাৰ নিজেও প্ৰক্ষেপিত হ'বলৈ ইচ্ছুক নহ'ব পাৰে যাতে সময়ত কোৱাৰ সুবিধা থাকে যে প্ৰক্ষেপ নকৰা কাৰণেহে সংখ্যা কমিল। প্ৰভাৱশালী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এইবাৰ মুখ্যমন্ত্ৰী হোৱাৰ সম্ভাৱনা থকা বুলি কিছুসংখ্যক চকুচৰহাই আশংকা প্ৰকাশ কৰিছে যদিও শুভাকাংক্ষী হিচাপে কেইবাটাও কাৰণত মই ইয়াৰ সম্ভাৱনা দেখা নাই। প্ৰথম, মন্ত্ৰীগৰাকীয়ে নিজেই ইয়াৰ বাবে আগ্ৰহী নহয় কিয়নো এতিয়াও যথেষ্ট বয়স বাকী আছে। দ্বিতীয়, সকলো ফালৰ পৰা যোগ্য, দক্ষ সেনাপতি এজন সমানে পাৰদৰ্শী ৰজা হোৱাৰ সম্ভাৱনা নাথাকে। কিয়নো ৰজা আৰু সেনাপতিৰ কাৰ্যক্ষেত্ৰ সুকীয়া। তৃতীয়, বিজেপি অতিকেন্দ্ৰিক তথা ওপৰৰ পৰা পৰিচালিত ৰাজনৈতিক দল সেয়েহে এওঁলোকে পৰাপক্ষত বা উপায়হীন নহ'লে দক্ষ ব্যক্তিক মূল চকীত নবহুৱায়। চতুৰ্থতে, হিমন্তই তোষামোদকাৰীক প্ৰশ্ৰয় নিদিয়ে তথা তেওঁৰ কোনো স্থায়ী পৰামৰ্শদাতা নাই। পৰামৰ্শদাতা নোহোৱা ক্ষমতাশালী ব্যক্তি লেকাম নোহোৱা ঘোঁৰাৰ দৰে। সময়ত নক'ব লগা বা নকৰিব লগাবোৰ কৰি অনুশোচনাত ভোগে। পৰামৰ্শদাতাৰ কাম কেৱল পৰামৰ্শ দিয়াতেই সীমাবদ্ধ নাথাকে। তেওঁলোকে সমাজৰ লগত যোগসূত্ৰ স্থাপন কৰি ৰাজহুৱা পৰামৰ্শ সংগ্ৰহো কৰে। পৰামৰ্শদাতা নথকা কাৰণে হিমন্তৰ চিন্তাৰ লগত সমাজৰ চিন্তাৰ বৃহৎ পাৰ্থক্য থকা কাৰণেই যথেষ্ট পৰিশ্ৰম কৰা সত্ত্বেও সমাজৰ সহানুভূতি আদায় কৰিবলৈ সক্ষম হোৱা নাই। হিমন্তই তেওঁতকৈ বয়সত জ্যেষ্ঠ বা জ্ঞান তথা অৰ্হতা থকা লোকৰ লগত উঠা-বহা কৰিবলৈ অসুবিধা পায়। হীনমান্যতাত ভোগে। সেয়েহে সকলোকে আদেশ-নিৰ্দেশ দি সহায়কাৰী বুলি ভবাৰ ফলত স্বাধীন চিন্তাৰ পাৰদৰ্শী লোকসকল আঁতৰি থাকে। ৰাজ্যখনৰ সৰ্বাংগীণ উন্নতিত এইবোৰ কথাই বাধা সৃষ্টি কৰাৰ লগতে হিমন্ত নিজে বৌদ্ধিক দিশত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। নহ'লেনো আজিৰ দিনত কম্পিউটাৰত বুটাম টিপি যিকোনো বিষয় ভিন্ন ভাষালৈ ভাবান্তৰ কৰিব পৰা ব্যৱস্থা থকাৰ পাছতো অমিত শ্বাহৰ বিষয়ে কোনোবাই লিখা কিতাপ অসমীয়ালৈ অনুবাদ কৰা বুলি নিশ্চয় জয়ঢোল নবজালেহেঁতেন। পঞ্চমতে, মূল চকীখনত বহিব খোজা ব্যক্তিজনৰ সিদ্ধান্ত বা চিন্তা যিমানেই নিৰ্ভুল নহওক কিয় নিজৰ মতত চলা বুলি ৰাইজ বা হাইকমাণ্ডে জনাটো উচিত নহয়। নিজস্ব মত থাকিব লাগে কিন্তু কাৰো কথা নুশুনা স্বভাৱৰ হ'ব নালাগে। ৰাজহুৱা কথাত নিজস্ব চিন্তাই অগ্ৰাধিকাৰ পোৱা অনুচিত। কাৰো কথা শুনিব নোখোজা আৰু সকলো অকলেই কৰিব যোৱাটো অগণতান্ত্ৰিক চৰিত্ৰৰ পৰিচায়ক। ভ্ৰষ্টাচাৰী, চৰিত্ৰহীন, ভয়ংকৰ অপৰাধীতকৈও অগণতান্ত্ৰিক চিন্তা সমাজৰ বাবে বিপদজনক। কিয়নো অগণতান্ত্ৰিক চৰিত্ৰৰ স্থায়িত্ব দীৰ্ঘকালিন হোৱাৰ বিপৰীতে বাকীবোৰৰ স্থায়িত্ব পৰিস্থিতি সাপেক্ষে সাময়িক। ষষ্ঠতে, হিমন্ত পৰিশ্ৰমী লোক। সেয়েহে অন্যক কামত লগোৱাৰ পৰিৱৰ্তে সকলো কাম নিজে কৰিব যোৱাটো সেনাপতিৰ ক্ষেত্ৰত উচিত বিবেচিত হ'লেও মূল চকীখনত বহা ব্যক্তিজনৰ ক্ষেত্ৰত শোভা নাপায়। মূল ব্যক্তিজনে নিজে কাম কৰাৰ পৰিৱৰ্তে আনক কামত খটুৱাব পাৰিব লাগে। পৰিশ্ৰমী লোকৰ চিন্তাশক্তি লোপ পায় আৰু কোনোবাই কিবা ক'লেও উভতি ধৰা স্বভাৱৰ হয় ফলত কোনো ওচৰ নচপা হয় যিটো মূল চকীত বহাজনৰ ক্ষেত্ৰত উচিত নহয়। সপ্তমতে, হিমন্তই ব্যক্তিগত তোষামোদকাৰীক প্ৰশ্ৰয় নিদিয়ে যদিও ৰাজহুৱা স্বীকৃতি বিচাৰি উত্ৰাৱল হৈ পৰে বা পাৰিলে দাবী কৰিবলৈও সংকোচ নকৰে। দক্ষ লোকে স্বীকৃতি বিচাৰি হাবাথুৰি খালে হিতে বিপৰীত হয়। সেই কাৰণেই নিজৰ মনোনয়ন দিয়াৰ সময়ত কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উপস্থিতি আশা কৰে। কিন্তু উক্ত ঘটনাৰ প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰীসকলে নিজ ৰাজ্যত কিদৰে সন্মুখীন হ'ব সেইটো বিবেচনা নকৰে। এইবোৰ কাৰণতে ইমান কাম কৰাৰ পাছতো কোনোৱে কামৰ স্বীকৃতি দিব নোখোজে। অষ্টমতে, ব্যক্তিগত পৰ্যায়ত হিমন্তই কথা দি কথা ৰাখে যদিও কোন মুহূৰ্তত ইউটাৰ্ণ মাৰে সেই লৈ সকলো সন্দিহানত থকাৰ ফলত সামাজিক বিশ্বাসযোগ্যতা আদায়ত ব্যৰ্থ হোৱা দেখা গৈছে। নৱমত, হিমন্ত অকলে খাব খোজা তথা কাকো একো দিব নোখোজা লোক বুলি বদনাম আছে যদিও আচলতে ইয়াৰ ওলোটাটোহে সঁচা। নিজ হাতে খৰি যোগাৰ কৰি ৰন্ধা-বঢ়া কৰি থাকোঁতেই সাজি-কাছি বগা ফোঁট লৈ মুখত এমোকোৰা হাঁহিৰে কোনে ভাতৰ পাতত বহে সেইটো আমি সকলোৱে নেদেখা নহয়। অৱশ্যে এইটোও সঁচা যে সাংঘাতিক দক্ষ নহ'লে এওঁৰ পৰা কাম আদায় কৰা সহজ নহয়। ফলত সুবিধা আদায় কৰাসকলে নিজকে অতি দক্ষ লোক বুলি ভবাৰ বাবে সময়ত অনুগামীৰ সহানুভূতি আদায় কৰিবলৈ অসফল হোৱা দেখা গৈছে। শেষত, হিমন্ত স্পষ্ট কথা কোৱা লোক। পেটত এটা, মুখত অন্য এটা কোৱা মানুহ নহয়। এইফালৰ পৰা হিমন্তৰ পেট আৰু মুখ একেখনেই। ব্যক্তিগত পৰ্যায়ত এই গুণটো বেয়া নহয় যদিও ৰাজহুৱা ক্ষেত্ৰত ই বিপদজনক। পশ্চিমীয়া জ্ঞান-ধাৰণা অনুযায়ী বুৰ্বক বা অকৰা মানুহৰহে পেট আৰু মুখ একেখনেই। আমাৰ সভ্যতা-সংস্কৃতি তথা ধৰ্মীয় শিক্ষা অনুযায়ী উক্ত ধাৰণাটো সম্পূৰ্ণ বিপৰীত নীতি-শিক্ষাৰ নামত আমাক স্পষ্টবাদী হোৱাৰ বাবে অনুপ্ৰাণিত কৰি অহা হৈছে। পশ্চিমীয়া সমাজ ব্যৱস্থা গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ বিপৰীতে আমাৰ সভ্যতা-সংস্কৃতি পৰিয়ালকেন্দ্ৰিক হোৱা কাৰণে সমাজৰ ধাৰণাটো স্পষ্ট নহয়। গতিকে আমি শিকা কিছু নীতিশিক্ষামূলক কথা পৰৱৰ্তী সময়ত ই উন্নতিত বাধাৰ সৃষ্টি কৰাৰ সম্ভাৱনা নথকা নহয়। যিয়েই নহওক, দোষ-গুণৰ সমষ্টিয়েই ব্যক্তিৰ ব্যক্তিত্ব। কিন্তু ব্যক্তিৰ জনপ্ৰিয়তা বা গ্ৰহণযোগ্যতা নিৰ্ভৰ কৰে সমাজে এই দোষ-গুণবোৰ কি হিচাপে লয়। মাত্ৰ দুটা ভাল গুণেও ৯৮টা বেয়া গুণক ওফৰাই ব্যক্তিজনক জনপ্ৰিয়তাৰ শীৰ্ষত অৱস্থান কৰাৰ বিপৰীতে হিমন্তৰ ৯৮টা ভাল গুণ থকা সত্ত্বেও দুটা বেয়া গুণৰ বাবে গ্ৰহণযোগ্যতাৰ দৌৰত পিছপৰি থাকিব লগাত পৰিছে। প্ৰয়োজনতকৈ বেছি হিন্দু হ'ব খুজিলে গ্ৰহণযোগ্যতা হ্ৰাস পায়। কিন্তু একে সময়তে বেছি মুছলমান হ'ব খোজাজনৰ গ্ৰহণযোগ্যতা হ্ৰাস নাপায়। দেখাত বিষয়টো ধৰ্মীয় শিক্ষাৰ তাৰতম্যৰ ফল যেন লাগিলেও ই আচলতে গণতান্ত্ৰিক চিন্তাৰহে প্ৰতিফলন। বেছি হিন্দু হ'ব খোজাসকল স্বভাৱজাতভাৱেই অগণতান্ত্ৰিক চিন্তাৰ পৃষ্ঠপোষকতাৰ ভূমিকাত অৱতীৰ্ণ হয়। কিয়নো অগণতান্ত্ৰিক চিন্তাক হিন্দু ধৰ্মীয় কথা-বাৰ্তাক অপৰাধ বুলি গণ্য কৰাৰ বিপৰীতে শক্তিশালীৰ প্ৰতীক বুলিহে গণ্য কৰে। ঠিক তেনেদৰে বেছি মুছলমানজনৰ চিন্তা অগণতান্ত্ৰিক নোহোৱাৰ কাৰণে সমাজৰ গ্ৰহণযোগ্যতা হ্ৰাস নাপায়। এইটো ধৰ্মীয় শিক্ষা বা চিন্তাৰ ফল। গণতান্ত্ৰিক মন লৈ বেছি হিন্দু হ'ব খুজিলে জনপ্ৰিয়তাৰ শীৰ্ষত অৱস্থান কৰা বহুতো হিন্দু গুৰুৱে আজিও সমাজত দপদপাই আছে। গতিকে অতি হিন্দু ধ্যান-ধাৰণা অপ্ৰয়োজনীয়ভাৱে ৰাজহুৱা নকৰি গণতান্ত্ৰিক মূল্যবোধক সন্মান কৰিব পাৰিলে হিমন্তৰ বাবে মূল চকীখন বেছি আঁতৰত নহয় যেন অনুভৱ হৈছে।

*লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা*

ফোন ঃ ৬০০১৬৭৫২২৩

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ মাৰ্চ, দেওবাৰ, ২০২১ পৃষ্ঠা ১১



# মহৌষধি তুলসী

**তুলসী** গছক অতীতৰে পৰা পৱিত্ৰ গছ হিচাপে গণ্য কৰা হৈছে। হিন্দু ধৰ্মত এইবিধ গছৰ পাত দেৱলোকৰ কাৰ্যত ব্যৱহাৰ কৰাৰ বিষয়ে শাস্ত্ৰ তথা ধৰ্মপুথিসমূহত পোৱা যায়। পূজা আদিত তুলসী পাতৰ ব্যৱহাৰ অপৰিহাৰ্য। কেৱল পূজাতেই নহয় পূজাৰীসকলে এইবিধ পাত খোৱাৰ পাছতহে দেৱকাৰ্য আৰম্ভ কৰে। তুলসী গছ সম্পৰ্কে বহুতো আখ্যানো পোৱা যায়। উদ্ভিদ বিজ্ঞানীৰ মতে এইবিধ গছৰ জন্ম পাঁচ হেজাৰ বছৰ পূৰ্বে হৈছিল। ভাৰতীয় উপমহাদেশত জন্মা গছবিধৰ বৈজ্ঞানিক নাম হ'ল Ocimum Sanctum. হিন্দু শাস্ত্ৰ মতে তুলসী তিনি প্ৰকাৰৰ ৰাম তুলসী, বনতুলসী আৰু কৃষ্ণ তুলসী। এই তিনিওবিধ তুলসী অঞ্চল বিশেষে মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ কৰিলে আকাৰ প্ৰকাৰ আৰু গুণৰ মাজত কিছু পাৰ্থক্য দেখা যায়। যিসকলে লোকে নিয়মীয়াকৈ তুলসী পাত খায় তেওঁলোকৰ বিভিন্ন ৰোগ বিশেষকৈ হৃদৰোগ, হাওঁফাওঁৰ ৰোগ, চাইনাচাইটিছ, মাইগ্ৰেন, চৰ্দি-কাহ আদি প্ৰতিৰোধ হয়। আনহাতে, তুলসী গছৰ পৰা প্ৰচুৰ পৰিমাণে অক্সিজেন উৎপন্ন হয়। সেই বাবে বহুতো লোকে ঘৰৰ চৌহদত তুলসী গছ ৰোৱে। আধুনিকতাৰ ধামখুমীয়াত বহুতে তুলসী গছৰ পৰিৱৰ্তে এনে কিছু সৌন্দৰ্যবৰ্ধক ফুলগছ বা গছ ৰোপণ কৰে যিবোৰৰ পৰা সাধাৰণতে এলাৰ্জীজনিত সমস্যাৰ সৃষ্টি হোৱাৰ আশংকা অধিক। তুলসী পাত নিয়মীয়াকৈ কিয় খাব লাগে সেই বিষয়ে উল্লেখ কৰা হ'ল।

### মেলেৰিয়া বহনকাৰী মহৰ লাৰ্ভা-ধ্বংস কৰে

আপুনি জানেনে তুলসী গছৰ ওচৰত মহ নাথাকে। কেৱল মহেই নহয়, শৰীৰৰ বাবে অপকাৰী কীট-পতংগও ইয়াৰ ওচৰলৈ নাহে। কাৰণ তুলসী পাতৰ পৰা এনে এবিধ ৰসে গোন্ধ প্ৰস্তুত কৰে যাৰ বাবে মহ, কীট-পতংগ আদি ইয়াৰ ওচৰলৈ আহিব নোৱাৰে। সেই বাবে প্ৰায়ভাগ লোকে ঘৰৰ ওচৰতে মহৌষধি তুলসী ৰুইছিল। সাধাৰণতে তুলসীৰ পৰা নিষ্কাসন কৰা ইউজেমল নামৰ ৰাসায়নিক যৌগবিধে মেলেৰিয়াৰ বীজাণু বহনকাৰী মহৰ লাৰ্ভা ধ্বংস কৰিব পাৰে। তুলসীৰ পৰা প্ৰস্তুত কৰা এছেনচিয়েল অয়ল বা উদ্বায়ী তেল আদিয়ে মহ আৰু কীট-পতংগ ধ্বংস কৰিব পাৰে। তুলসীৰ পাত আৰু গুটিৰ পৰা ইমান উপকাৰ লাভৰ বিষয়ে বহুতে জ্ঞাত নহয়। যিসকলে ইয়াৰ গুৰুত্ব বুজি পায় বা উপলব্ধি কৰে তেওঁলোকে তুলসী পূজা কৰাৰ লগতে ঘৰৰ সমীপত এইবিধ গছ ৰোৱে।

### হৃদৰোগৰ আশংকা হ্ৰাস কৰে

যিসকলে নিয়মীয়াকৈ তুলসীপাত খায় তেওঁলোকৰ হৃদৰোগৰ আশংকা হ্ৰাস পায়। তুলসীত লাইকোপেন নামৰ এবিধ শক্তিশালী



উপাদান থাকে। অৰ্থাৎ ই হ'ল শক্তিশালী এণ্টি অক্সিডেণ্ট। এইবিধ এণ্টি অক্সিডেণ্টৰ উপৰি ভিটামিন 'চি' আৰু ফাইটো কেমিকেল আদি পোৱা যায়। সেই বাবে যদিহে সম্ভৱ হয় তেতিয়াহ'লে নিয়মীয়াকৈ তুলসীৰ পাত খাব লাগে।

### চাপ প্ৰতিৰোধী ক্ষমতা আছে

তুলসীপাতৰ চাপ প্ৰতিৰোধী ক্ষমতা আছে। দৰাচলতে তুলসীত এণ্টি অক্সিডেণ্টৰ উপৰি বিভিন্ন উপাদান থাকে যিবোৰে চাপ প্ৰতিৰোধ কৰিব পাৰে। তদুপৰি এইবোৰ উপাদানে মনত প্ৰশান্তিৰ ভাবো জাগ্ৰত কৰে।

### কৰ্কট ৰোগ প্ৰতিৰোধ কৰে

তুলসীৰ কৰ্কটৰোগ প্ৰতিৰোধ কৰিব পৰা উপাদানো থাকে। তুলসীপাতত এছকৰ্ঠিক এচিড আৰু কোৰোটিন পোৱা যায়। এই দুয়োবিধেই হ'ল এণ্টি অক্সিডেণ্ট। তদুপৰি তুলসীপাতত ফাইটোনিউট্ৰিয়েণ্টছ থকা বাবে কৰ্কটৰোগ প্ৰতিৰোধৰ সহায়ক হয়।

### কি কি উপাদান পোৱা যায়

তুলসীপাতত শৰীৰৰ বাবে প্ৰয়োজনীয় বিভিন্ন উপাদান পোৱা যায়। ইয়াত লাইকোপেন, ভিটামিন 'চি', এছকৰ্ঠিক এচিড, ভিটামিন 'এ', 'বি', 'কে'ৰ উপৰি পটাছিয়াম, কেলচিয়াম, তাম, মেগনেছিয়াম, মেংগানিজ, জিংক আদিও থাকে।

### হজম শক্তি স্বাভাৱিক কৰে

হজম শক্তি স্বাভাৱিক কৰিবলৈ নিয়মীয়াকৈ তুলসী খাব লাগে। তুলসীৰ পাতৰ ৰস খালে উপকাৰ পোৱা যায়।

### নিদ্ৰাহীনতাত ভুগিছে নেকি

আজিকালি প্ৰায়ভাগ লোকে নিদ্ৰাহীনতা সমস্যাত ভুগিছে। আধুনিক জীৱন-যাপনৰ লগে লগে বেছি ভাগ লোকৰে মানসিক চাপ আদি বৃদ্ধি পাইছে। বহুতো লোকে এনে সমস্যাৰ পৰা হাত সাৰিবলৈ টোপনিৰ ঔষধ খায়। দীৰ্ঘদিন ধৰি টোপনিৰ ঔষধ খালে পাছত অভ্যাসত পৰিণত হ'ব পাৰে। যদিহে নিয়মীয়াকৈ তুলসীৰ পাত খায় তেতিয়াহ'লে নিদ্ৰাহীনতাৰ সমস্যাৰ পৰা সহজে হাত সাৰিব পাৰিব। পুৱাই উঠিয়ে তুলসীৰ পাত চোবাই খোৱাৰ অভ্যাস গঢ়িব পাৰিলে নিদ্ৰাহীনতাৰ সমস্যাই গা কৰি উঠিব নোৱাৰে।

### হাড় শক্তিশালী কৰে

তুলসীৰ পাতত থকা বিভিন্ন উপাদানে হাড় শক্তিশালী কৰাত সহায় কৰে। ইয়াত থকা ভিটামিন 'কে'ই অস্থিসন্ধিৰ বিষ বা ফুলি উঠা প্ৰতিৰোধ কৰিব পাৰে। আথ্ৰাইটিছৰ সমস্যাৰ পৰাও কিছু পৰিমাণে হাত সাৰিব পাৰি।

### বসন্ত ৰোগতো উপকাৰী

বসন্ত কালত বসন্ত ৰোগ বেছিকৈ হয়। অৱশ্যে বছৰৰ আন সময়তো এইৰোগ হ'ব পাৰে। কিছুমানৰ বসন্ত ৰোগৰ গুটি ওলোৱাত পলম হয়। অৰ্থাৎ শৰীৰটোত আস্বস্তি অনুভৱ হয় যদিও গুটিবোৰ ছালত দেখা নিদিয়ে। যদিহে তুলসীৰ পাত খোৱা হয় তেতিয়াহ'লে গুটিবোৰ সোনকালে ওলাই ভিতৰ ভাগক সকাহ দিব। আনহাতে, মুখত যদি বসন্তৰ দাগ থাকে তেতিয়া হ'লে সেই ঠাইত তুলসী পাতৰ ৰস লগালে সুফল পোৱা যায়। কেইদিনমান এনেদৰে ৰস লগালে দাগ আঁতৰিব।

### স্নায়ুতন্ত্ৰ শক্তিশালী হয়

স্নায়ুতন্ত্ৰ শক্তিশালী হ'লেহে শৰীৰটোৱে উপযুক্তভাৱে সকলো সংকেত লাভ কৰিব পাৰে। স্নায়ুৰ টনিক হিচাপে কাম কৰে তুলসীৰ ৰসে। স্মৃতিশক্তি স্বাভাৱিক হৈ থাকে। সেই বাবে তুলসীৰ ৰস বা পাত নিয়মীয়াকৈ খাব লাগে। প্ৰতিগৰাকী ব্যক্তিয়ে সকলো কাম স্বাভাৱিকভাৱে সম্পাদন কৰিব পাৰে যদিহে স্নায়ুতন্ত্ৰ শক্তিশালী হৈ থাকে। বহুতো লোকেই জ্ঞাত নহয় যে তুলসীৰ স'তে স্নায়ুতন্ত্ৰৰ সম্পৰ্ক আছে।

# এই সময়ত হোৱা ৰোগ বসন্ত ৰোগ



ডাঃ প্ৰবীৰ কুমাৰ বৰদলৈ
জ্যেষ্ঠ মেডিচিন বিশেষজ্ঞ,
দিছপুৰ পলিক্লিনিং এণ্ড নাৰ্ছিং হোম
ফোন ঃ ৯৮৬৪০-৬৩৬৩১

**শীতৰ** অন্তৰ লগে লগে বসন্ত ৰোগ বেছিকৈ হয়। বসন্ত কালত এই ৰোগৰ প্ৰকোপ বৃদ্ধি পায় বুলি সকলোৰে জ্ঞাত। সাধাৰণতে এই ৰোগত সকলোৱে আক্ৰান্ত হয় যদিও তুলনামূলকভাৱে শিশুসকলৰ বেছিকৈ হোৱা দেখা যায়। ৭০ দশকৰ আগলৈকে বসন্ত ৰোগ আছিল সকলোৰে বাবে শংকাৰ কাৰণ। কিয়নো 'বৰ আই' ওলালে আক্ৰান্তজনৰ জীৱনলৈ সংশয় নামি আহিছিল। এই বৰ আইত আক্ৰান্তসকলৰ অধিকাংশৰেই মৃত্যু হৈছিল। আনহাতে, যিসকলে জীয়াই আছিল তেওঁলোকৰো বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠিছিল। কিছুমানে পংগুত্ব জীৱন-যাপন কৰিবলগীয়া হৈছিল। পৰম সৌভাগ্যৰ বিষয় এয়ে যে এতিয়া বৰ আইৰ বীজাণু নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হৈছে। শেহতীয়াভাৱে বসন্ত ৰোগ নিৰ্মূলৰ বাবে বিশেষ আঁচনি প্ৰস্তুত কৰা হৈছে। সেয়েহে এই ৰোগ প্ৰতিৰোধৰ বাবে শিশুসকলক টিকা দিয়া হয়। বসন্ত ৰোগক আজিও আমাৰ সমাজত 'আই ওলোৱা' বুলি কয়।



শুকান বতৰত বায়ুমণ্ডলৰ জলীয়ভাপ হ্ৰাস পাবলৈ ধৰাত ধূলিময় পৰিৱেশ এটিৰ সৃষ্টি হয়। যিমানেই ধূলিৰ প্ৰকোপ বৃদ্ধি পায় সিমানেই ভাইৰাছৰ আক্ৰমণো তীব্ৰতৰ হয়। বসন্ত কালত যিবোৰ ভাইৰাছজনিত ৰোগ হয় সেইবোৰৰ ভিতৰত অন্যতম হ'ল বসন্ত ৰোগ বা 'আই'। অসমত পৰম্পৰাগতভাৱে এইবিধ ৰোগক 'আই' বুলিয়ে জনা যায়। শীতৰ অন্তৰ লগে লগে সকলোৰে মনত বসন্ত ৰোগ বা 'আই'ৰ চাপে খুন্দিয়াবলৈ ধৰে। ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰা মানুহৰ মনত বসন্ত ৰোগৰ আশংকাৰ সৃষ্টি হৈছে। আগতে বসন্ত ৰোগ বুলি ক'লে শংকাৰ কাৰণ আছিল। ১৯৭৭ত অন্তিমবাৰৰ বাবে বৰ আইত আক্ৰান্ত ৰোগীগৰাকীৰ মৃত্যু হোৱাৰ পাছত আজি পৰ্যন্ত এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা নাযায়। অৰ্থাৎ বৰ আইৰ ভয়ংকৰ আক্ৰমণৰ পৰা মানৱ জাতিয়ে হাত সাৰিবলৈ সক্ষম হোৱা বাবে সেই ৰোগৰ প্ৰতি শংকাও বহুলাংশে হ্ৰাস পাইছে। বসন্ত ৰোগ কোনো এটি বিশেষ অঞ্চলৰ ৰোগ বুলি ক'ব নোৱাৰি, কাৰণ পৃথিৱীৰ সকলো ঠাইতে ইয়াৰ প্ৰাদুৰ্ভাৱ দেখা যায়। সৰু আই বা মাজু আই যিয়েই নহওক কিয় এই দুয়োবিধ কিন্তু কেতিয়াবা প্ৰাণনাশীও হ'ব পাৰে। সেয়েহে পৰম্পৰাগত পদ্ধতিৰে চিকিৎসা কৰি নিজৰ বিপদ নিজে চপাই লোৱাতকৈ বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিহে চিকিৎসা কৰা উচিত। এইখিনিতে উল্লেখ কৰা হ'ল যে বহুতে বসন্ত ৰোগ কেৱল বসন্ত কালতহে হোৱা ৰোগ বুলি ভাবে। শীত কালতো এই ৰোগ হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। খাদ্যৰ পৰা আৰম্ভ কৰি থকা ঠাইলৈকে সকলো ক্ষেত্ৰতে সাৱধান নহ'লে ৰোগবিধে যে সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে সেয়া পুনৰায় দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই। সৰু আই বা মাজু আই দুয়োবিধৰে উৎস হ'ল 'ভাইৰাছ'।

### ইনকিউবেছন পিৰিয়ড

এই শব্দটোৰ স'তে অধিকাংশ লোকে পৰিচিত নহয়। সাধাৰণতে কিছুমান ৰোগৰ বীজাণু শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে ৰোগৰ লক্ষণ ফুটি নুঠে। কিছু সময়ৰ পাছত অথবা কে'বাদিন অতিক্ৰম কৰাৰ পাছতহে এই ৰোগৰ লক্ষণ ফুটি উঠে। শৰীৰত ৰোগৰ বীজাণু বা ভাইৰাছ প্ৰৱেশ কৰাৰ পৰা লক্ষণ ফুটি উঠালৈকে যিখিনি সময়ৰ প্ৰয়োজন চিকিৎসা বিজ্ঞানৰ ভাষাত সেই সময়খিনিয়ে হ'লে 'ইনকিউবেছন পিৰিয়ড'।

### সৰু আই

সম্প্ৰতি সৰু আইৰ প্ৰকোপ বৃদ্ধি পোৱা দেখা যায়। আক্ৰান্তসকলৰ ভিতৰত অধিকাংশৰেই সৰু আই ওলোৱা দেখা যায়। ই এবিধ ভাইৰাছজনিত ৰোগ। সাধাৰণতে পেৰামিক্স ভাইৰাছে আক্ৰমণ কৰাৰ পাছত এই ৰোগৰ লক্ষণ ফুটি উঠে। ভাইৰাছে আক্ৰমণ কৰাৰ পাছত কিছুমান বিশেষ লক্ষণ ফুটি উঠে। এই লক্ষণসমূহৰ ভিতৰত অন্যতম হ'ল—

■ শৰীৰৰ উত্তাপ বৃদ্ধি পায়।
■ শৰীৰৰ বিভিন্ন অংশত বিষ আৰম্ভ হয়।
■ এই বিষৰ প্ৰকোপ বৃদ্ধি পালে ই ফেৰিংছলৈ সংক্ৰমিত হ'ব পাৰে।
■ চকু ৰঙা পৰিব পাৰে আৰু পটা ফুলি উঠে।
■ শুকান কাহ হোৱা দেখা যায়।
■ আক্ৰান্তজনৰ কাম-বন কৰিবলৈ মন নাযায়। ■ প্ৰথমতে সৰু সৰু গুটি সদৃশ ফোঁহা ওলায়।

### মাজু আই

মাজু আইক বিভিন্ন নামেৰে জনা যায়। ইয়াৰ মূল ভাইৰাছবিধ হ'ল ভেৰিছেল্লা জোষ্টাৰ ভাইৰাছ। এইবিধ ভাইৰাছে হাৰ্পিছ গ্ৰুপৰ। এই ভাইৰাছবিধে প্ৰথমতে শ্বাসনলীত আক্ৰমণ কৰে। শ্বাসনলীত সংক্ৰমিত হোৱাৰ লগে লগে পৰৱৰ্তী সময়ত তেজলৈ বিয়পি পৰে। এই ভাইৰাছবিধে শৰীৰত প্ৰৱেশ কৰিলে লাহে লাহে কিছুমান বিশেষ লক্ষণ ফুটি উঠিবলৈ ধৰে। এই লক্ষণসলমূহৰ ভিতৰত অন্যতম হ'ল—

■ শৰীৰৰ উত্তাপ ১০৩ ডিগ্ৰী ফাৰেণহাইট পৰ্যন্ত বৃদ্ধি পাব পাৰে। ■ শৰীৰৰ উত্তাপ বৃদ্ধি হোৱাৰ লগে লগে আক্ৰান্তজনে অস্বস্তিৰে সময় অতিবাহিত কৰে।
■ মাজু আই ওলোৱাৰ সাতদিনৰ ভিতৰত গুটিবোৰৰ ভিতৰত থকা পানী শুকাবলৈ ধৰে।
■ লক্ষণ ফুটি উঠাৰ চাৰিদিনমান আগতে ভাইৰাছে শৰীৰত খোপনি পোতে।
■ শিশুৰ পেট বিষায়।
■ গুটিবোৰ ওলোৱাৰ পাছত ৰঙা পৰিবলৈ ধৰে।

### শিশুৰ কেনেকৈ সংক্ৰমণ ঘটে

সাধাৰণতে শিশুসকলৰ সংক্ৰমণ বেছি হোৱাৰ মূলতে হ'ল স্কুললৈ অহা-যোৱা কৰা আৰু লগৰীয়াৰ স'তে খেলা-ধূলা কৰা। হাঁচি বা কাহ মাৰিলে ভাইৰাছ এজনৰ পৰা আন এজনলৈ বিয়পিব পাৰে। এনেদৰে এজনৰ পৰা আন এজনলৈ বিয়পাক কোৱা হয় 'ড্ৰপলেট স্প্ৰেড'। এজনৰ পৰা আন এজনলৈ সংক্ৰমিত হোৱাৰ পাছত শৰীৰক ভাইৰাছে আক্ৰমণ কৰিলে 'ভাইৰেজিম' বুলি কোৱা হয়।

### সৰু আইৰ পাছত শংকা

সাধাৰণতে সৰু আই বা মিজিলছত আক্ৰান্ত হোৱাৰ পাছত কিছুমানৰ ছাব একিউট স্কেলৰ'ছিং পান এনকেফেলাইটিছ' হোৱাৰ আশংকা থাকে।



অৱশ্যে সকলোৰে হোৱাৰ পৰিৱৰ্তে কিছুমানৰহে হোৱা পৰিলক্ষিত হয়। এক লাখৰ ভিতৰত এজনৰ হয় বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। সৰু আইৰ ভাইৰাছবিধ কেতিয়াবা মস্তিষ্কলৈ যায়। কিছুমানৰ আকৌ মস্তিষ্কৰ কোষত সুপ্ত অৱস্থাত থাকে। এনেদৰে থকা ভাইৰাছে পৰৱৰ্তী সময়ত কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত সক্ৰিয় হয়। যেতিয়া কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত ই সক্ৰিয় হৈ পৰে তেতিয়া এইবিধ ৰোগে গা কৰি উঠে। এইবিধ ৰোগৰ বৰ্তমানলৈকে কোনো নিৰ্দিষ্ট চিকিৎসা ওলোৱা নাই। সেইবাবে ছাব একিউট স্কেলৰ'ছিং পান এনকেফেলাইটিছত আক্ৰান্ত হ'লে ৰোগীৰ মৃত্যু নিশ্চিত। যিহেতু এনে ৰোগ লাখৰ ভিতৰত মাত্ৰ এজনৰহে হয় সেয়েহে ৰোগবিধৰ বিষয়ে প্ৰায়ভাগ লোক অজ্ঞ হোৱাটোৱে স্বাভাৱিক।



### বগা কাপোৰ কিয় পিন্ধে?

বসন্ত ৰোগত আক্ৰান্ত হ'লে সকলোৱে বগা কাপোৰ পৰিধান কৰে। পৰম্পৰাগতভাৱে এই ৰোগত আক্ৰান্ত হ'লে বগা কাপোৰ পৰিধান কৰে যদিও ইয়াৰ আঁৰত কিন্তু বিশেষ কাৰণ নাই। সাধাৰণতে এই ৰোগত আক্ৰান্ত হ'লে পৰিষ্কাৰ কাপোৰ পৰিধান কৰিব লাগে। যিহেতু এই ৰোগৰ কোনো বিশেষ চিকিৎসা এতিয়ালৈকে সম্ভৱ হোৱা নাই সেয়েহে পৰিষ্কাৰ- পৰিচ্ছন্নতাৰে ৰোগ নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। সচৰাচৰ বগা কাপোৰ পৰিধান কৰিলে মলিয়ন হোৱাৰ বিষয়টো সহজেই ধৰা পৰে। ৰঙীন কাপোৰ পিন্ধিলে মলিয়ন হ'লেও সহজে ধৰা পৰে। সেইবাবেই সকলোৱে বগা কাপোৰ পৰিধান কৰে। কি কাপোৰ পৰিধান কৰিছে সেইটো ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ বিষয়টো হ'ল পৰিষ্কাৰ কাপোৰ পৰিধান কৰাটোহে।

### কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব

বসন্ত ৰোগৰ যিহেতু কোনো নিৰ্দিষ্ট চিকিৎসা বৰ্তমানলৈকে সম্ভৱ হোৱা নাই সেয়েহে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। কোনবোৰ দিশত অধিক গুৰুত্ব প্ৰদান কৰিব—

■ আক্ৰান্তজনে চাফ-চিকুণ হৈ থাকিব লাগে। আনে পৰিধান কৰা কাপোৰ পিন্ধিব নালাগে। একেদৰে ৰোগীয়ে পৰিধান কৰা কাপোৰ পৰিয়ালৰ আন সদস্যসকলে ব্যৱহাৰ কৰিলে এই ৰোগৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱাৰ শংকা থাকে। ■ আক্ৰান্তসকলক আছুতীয়া কোঠাত ৰাখিব লাগে। বিশেষকৈ সৰু ল'ৰা-ছোৱালীক এনে আক্ৰান্ত লোকৰ ওচৰলৈ যাব দিব নালাগে। ■ বহু ক্ষেত্ৰত দেখা যায় যিটো কোঠাত আক্ৰান্তজনক ৰখা হয় সেই কোঠাটোৰ দুৱাৰ-খিৰিকী আদি বন্ধ কৰি থয়। এনে কৰাটো অনুচিত। কিয়নো মুকলি বতাহ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিলে কোঠাটোৰ ভিতৰৰ বায়ু দূষিত হয়। এনেদৰে দূষিত বায়ুৰ ফলত এজনৰ পৰা আন এজনলৈ বিয়পাৰ শংকা থাকে। ■ টিকাকৰণৰ ক্ষেত্ৰত সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। আজি কালি শিশুসকলক বিভিন্ন ধৰণৰ টিকা প্ৰদান কৰা হয়। সময়মতে টিকা প্ৰদান কৰিলে শিশুটিক ভৱিষ্যতে এনে ৰোগৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰি। বহু ক্ষেত্ৰত দেখা যায় পিতৃ-মাতৃৰ লগতে অভিভাৱকে সময়মতে টিকা প্ৰদান কৰিবলৈ অনীহা প্ৰকাশ কৰে। ফলত পৰৱৰ্তী সময়ত শিশুটিৰ এনে ৰোগ হোৱা দেখা যায়। ■ খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগিব। এই ৰোগত আক্ৰান্ত হ'লে সাধাৰণতে সহজপাচ্য খাদ্য গ্ৰহণ কৰা উচিত। এনে ধৰণৰ খাদ্য গ্ৰহণ কৰিলে পেটৰ অসুখ হোৱাৰ শংকা নাথাকে। বহুতে মাছ-মাংস আদি খোৱাৰ পৰা বিৰত থাকে। আনকি আক্ৰান্তজনৰ ঘৰতো মাছ-মাংস নাখায়। চিকিৎসা শাস্ত্ৰত এনে ধৰণৰ নিষেধ আৰোপ কৰা হোৱা নাই। ■ আক্ৰান্ত হ'লে শিশুটিক স্কুললৈ পঠিয়াব নালাগে। কিয়নো এনে ৰোগ হাঁচি, কাহৰ জৰিয়তে এজনৰ পৰা আন এজনলৈ সহজে বিয়পিব পাৰে। স্কুলত সাধাৰণতে একোটা কোঠাত বহুতো ল'ৰা-ছোৱালীয়ে একেলগে পাঠ গ্ৰহণ কৰে। একেলগে খেলা-ধূলা কৰে। সেয়েহে আক্ৰান্ত শিশুটিৰ পৰা আনলৈ বিয়পাৰ শংকা থাকে। ■ ঘামচিসদৃশ ফোঁহা ভাঙি দিলে সংক্ৰমণ হ'ব পাৰে। সেয়েহে এনে ধৰণৰ সংক্ৰমণৰ পৰা হাত সাৰিবলৈ পৰিষ্কাৰ হৈ থকা উচিত।

### প্ৰতিষেধক

আজি কালি বসন্ত ৰোগৰ প্ৰতিষেধক উপলব্ধ হৈছে। সেয়েহে শিশুটিক প্ৰতিষেধক দিয়াৰ ওপৰত গুৰুত্ব দিয়া উচিত।

*অনুলিখন ঃ নয়ন কুমাৰ শৰ্মা*

# ডাবৰ পানীত থকা খনিজ পদাৰ্থই শৰীৰত ভাৰসাম্য ৰক্ষা কৰে

**পানীয়েই** প্ৰাণীৰ প্ৰাণ বুলি এষাৰি কথা আছে, পানী অবিহনে কোনোৱে জীয়াই থাকিব নোৱাৰে। এই পানীখিনি শৰীৰে বিভিন্ন মাধ্যমেদি লাভ কৰে। আমি খোৱা খাদ্যত কম বেছি পৰিমাণে পানী থাকে। যিবোৰ খাদ্যত বিশেষকৈ ফল-মূলত প্ৰচুৰ পৰিমাণে পানী থাকে বা উপাদানসমূহৰ ভিতৰত পানীৰ অংশ বেছি তেনে খাদ্য গ্ৰহণ কৰিলেও বিশেষ সমস্যাৰ উদ্ভৱ নহয়। সমস্যাৰ সৃষ্টি হয় তেতিয়া যেতিয়া শৰীৰে প্ৰয়োজনীয় পানী ভাগ লাভ নকৰে। গৰমৰ দিনত প্ৰায়ভাগে ডাবৰ পানী খায় তৃষ্ণা নিবাৰণ কৰে। ডাবৰ পানীত থকা বিভিন্ন উপাদানে শৰীৰটো সতেজ হোৱাত সহায়ো কৰে। ডাবৰ পানীখিনি বিশুদ্ধ। প্ৰকৃতিৰ বুকুৰ পৰা আপোনা আপুনি ডাবৰ ভিতৰত জমা হোৱা পানীখিনিৰ আন শীতল পানীয় আদিৰ তুলনা নহয়। কেৱল গ্ৰীষ্ম প্ৰধান অঞ্চলতে ডাবৰ পানী জনপ্ৰিয় নহয়, শীত প্ৰধান অঞ্চলতো সমানেই জনপ্ৰিয়। স্বাস্থ্য সচেতন ব্যক্তিয়ে বজাৰৰ শীতল পানীয় খোৱাৰ পৰিৱৰ্তে ডাবৰ পানী খোৱাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে। কাৰণ ডাবৰ পানীত শৰীৰৰ বাবে ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য নাথাকে। কিন্তু যিবোৰ কৃত্ৰিমভাৱে প্ৰস্তুত কৰা শীতল পানীয় খোৱা হয় তাত উপকাৰী উপাদনতকৈ অপকাৰী উপাদানহে বেছিকৈ মিহলি হৈ থাকে।

এশ গ্ৰাম ডাবৰ পানীত ১.৫-৫.৪ শতাংশ কাৰ্বোহাইড্ৰেট থাকে। নাৰিকলৰ একেবাৰে কোমল অৱস্থাত মূলতঃ গ্লুক'জ-ফ্ৰুক্টোজ অৱস্থাত থাকে কাৰ্বোহাইড্ৰেট। ইয়াৰ উপৰি প্ৰ'টিন ০.০১ শতাংশ, পটাছিয়াম ২৯০ ইউনিট, ছ'ডিয়াম ৪২ ইউ, কেলছিয়াম ৪০ ইউ, মেগনেছিয়াম-১০ ইউ, ফছফ'ৰাছ-৯, আয়ৰণ ১০ত ইউ, ক'পাৰ ২৭ ইউ পোৱা যায়। শৰীৰত খনিজ পদাৰ্থৰ ভাৰসাম্য ৰক্ষাৰ উপৰি প্ৰয়োজনীয় খনিজ উপাদানসমূহৰো যোগান ধৰে। ডাবৰ পানীত থকা উল্লেখযোগ্য এমিনো এচিদসমূহৰ ভিতৰত অন্যতম হ'ল এলানিন, অৰ্জিনিন, এছপাৰ্টিক, হিষ্টিডিম, লিঅ'চিন, লাইচিন, প্ৰ'লিন, ফিনাইল এলানিন, ছিৰিন, টাইৰোছিন আদি। এনে খনিজ উপাদানৰ উপৰি ভিটামিন 'বি' আৰু ভিটামিন 'চি' পোৱা যায়। এনে ধৰণৰ পানী সকলোৰে বাবে উপকাৰী। প্ৰায়ভাগ লোকে ডাবৰ পানীৰ উপকাৰিতা সম্পৰ্কে ভালদৰে জ্ঞাত নহয় বাবে খাব নোখোজে।



বমি ভাব হোৱা, বদহজম অথবা পেটত গেছ জমা হোৱাৰ সমস্যায় গা কৰি উঠিলে ডাবৰ পানী খালে উপকাৰ পোৱা যায়। উচ্চ ৰক্তচাপত আক্ৰান্ত ব্যক্তিয়ে এনে পানীয় গ্ৰহণতো কোনো বাধা নাই। কিডনীৰ বিভিন্ন ৰোগ প্ৰতিৰোধতো এনে পানীয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি কোৱা হয়। যিসকল মূত্ৰনলীৰ সংক্ৰমণত আক্ৰান্ত তেওঁলোকে নিয়মীয়াকৈ ডাবৰ পানী খালে উপকাৰ লাভ কৰিব পাৰে।

ডাবত শৰীৰৰ বাবে প্ৰয়োজনীয় খনিজ পদাৰ্থ মিহলি হৈ থকাৰ বিপৰীতে শীতল পানীয় আদিত এনে কিছুমান ৰাসায়নিক দ্ৰব্য মিহলি কৰা হয় যিবোৰে শৰীৰৰ অপৰিসীম ক্ষতি কৰে। বিশেষকৈ ফেনিল পানীয়, আইচক্ৰীম চোডা, কোকাকোলা, পেপছি কোলা, কাৰ্বোনেটেড বেভাৰেজ, লেমন লাইট চোডা, নো-কেলৰী বেভাৰেজ আদি পানীয়ত থকা আন উপাদানৰ কথাতো বাদেই পানীখিনিয়ে বিশুদ্ধ নহয়। অবাঞ্ছিত ফুড এডিটিভ থকাৰ উপৰি বিভিন্ন ক্ষতিকাৰক ৰং, চেনী আদি থাকে। শেহতীয়াভাৱে বিভিন্ন মহলে এই বুলি দাবী উত্থাপন কৰিছে যে নিয়মীয়াকৈ শীতল পানীয় আদি গ্ৰহণ কৰা সকলৰ ডায়েবেটিছ টাইপ-২, স্নায়বিক ৰোগ, পেটৰ অসুখ আদি হোৱাৰ প্ৰৱণতা বেছি। সেই বাবে এনেধৰণৰ পানীয় আদি খোৱাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

শীতল পানীয় খোৱাতো আজিকালি বহুতে ফেশ্বন বুলি ভাবে। ৰেষ্টোৰা, মুকলি ঠাই আদিত এনে পানীৰ আনে দেখাকৈ বিভিন্ন ভংগীমাত খোৱাৰ পৰৱৰ্তী সময়ত শৰীৰত কেনে সমস্যাৰ সৃষ্টি হ'ব পাৰে সেইবিষয়ে ভাবি নাচায়। প্ৰায়ভাগ ক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ আন সদস্যয়ো উৎসাহ যোগোৱাহে দেখা যায়। কিন্তু এনে কাৰ্য কেতিয়াও যুক্তিসঙ্গত নহয়। সন্তানে যাতে ডাবৰ পানী খায় আৰু তেনে প্ৰকৃতিৰ বুকুৰ পৰা লাভ কৰা পানী খালে শৰীৰৰ উপকাৰ হয় সেই বিষয়ে বুজাব লাগে। ডাবৰ পানীৰ উপকাৰী দিশসমূহ আঙুলিয়াই দিলে নিশ্চয় খোৱাৰ বাবে আগ্ৰহী হ'ব। ডাব নাৰিকলটো ভালদৰে পানীত ধুই লৈ ভিতৰৰ পানীখিনি গিলাচত উলিয়াই পৰিৱেশন কৰিলে মনটো উৎফুল্লিত হৈ পৰে। এনে অভ্যাস সৰুৰে পৰা গঢ়ি তুলিবলৈ সকলোৱে চেষ্টা কৰা উচিত।

# ফাকুৰ ৰঙে সৃষ্টি কৰিব পৰা ৰোগ

**ৰঙৰ** বতৰ 'ফাকুৱা'। বসন্ত কালৰ আগমনত সকলোৱে সাজু হয় ফাকুৱা উৎসৱ উদ্‌যাপনৰ বাবে। অঞ্চল বিশেষে এনে উৎসৱ চাৰি-পাঁচ দিনলৈকে উদ্‌যাপিত হয়। ফাকুৱাত সকলোৱে ফাকু খেলে। দেহত বিভিন্ন ধৰণৰ ফাকুৱাৰ বৰণে মুখমণ্ডলৰ পৰা ভৰিলৈকে কিম্ভুতাকাৰ কৰে। ফাকু খেলাত প্ৰায়ভাগে অংশগ্ৰহণ কৰে আৰু ইয়াৰ ভিতৰত কিছুমানৰ আনন্দৰ মাজতে বিষাদো দেখা যায়। আকস্মিকভাৱে সংঘটিত হোৱা ঘটনাৰ বাবে ফাকুৱাৰ ৰং-ৰহইছ ম্লান হয়। দৰাচলতে ফাগুনৰ পছোৱাৰ পৰা আৰম্ভ কৰি ফাকুত মিহলি ধূলিৰ লগতে ৰাসায়নিক দ্ৰব্যই যিকোনো ব্যক্তিৰে ক্ষতিসাধন কৰিব পাৰে। এনে ধৰণৰ সমস্যা দেখাত বেছি গুৰুত্বপূৰ্ণ যেন নালাগে যদিও সময়ত মৃত্যুদূত হিচাপে থিয় দিবও পাৰে। আজি কালি পৰিৱেশৰ ওচৰত কোনোৱে গুৰুত্ব নিদি কেৱল নিজৰ কথাক লৈয়ে ব্যস্ত। ফাকুৱাৰ বাবে ছালৰ ক্ষতি হোৱা কথাটো সকলোৱে জ্ঞাত যদিও আন ৰোগৰ বিষয়ে প্ৰায়ভাগেই অজ্ঞ। শ্বাস-প্ৰশ্বাসৰ পৰা আৰম্ভ কৰি কাণৰ অসুখলৈকে সকলোবোৰ ৰোগেই হোৱাৰ আশংকা থাকে। ফাকুৱাত বিশেষ ক্ষতি নহয় যদিহে উন্নতমানৰ ফাকু খেলা হয়। এলাৰ্জিৰ সমস্যাই এই সময়ত বেছিকৈ গা কৰি উঠে। এই এলাৰ্জিৰ বাবে শ্বাস-প্ৰশ্বাসৰ লগতে কাণৰ ভিতৰতো খজুৱাবলৈ আৰম্ভ কৰে। সাধাৰণতে বজাৰত যিবোৰ ৰং কিনা হয় সেইবোৰত বিভিন্ন ৰাসায়নিক মিহলি হৈ থকাটো নিশ্চিত। উদাহৰণ স্বৰূপে ব্ৰঞ্জৰ পৰা সোণালী বৰণৰ ফাকু, এলুমিনিয়ামৰ পৰা ৰূপালী ৰঙৰ ফাকু প্ৰস্তুত কৰা হয়। ক'লা ৰঙৰ বিষয়টো ক'বই নালাগে। সকলোবোৰ ৰঙেই কম-বেছি পৰিমাণে ছালৰ বাবে ক্ষতিকাৰক। কাণৰ ফুটাৰ ভিতৰত এনে ধৰণৰ ফাকু প্ৰৱেশ কৰিলে সহজতে ওলাই নাহে। বিশেষকৈ কম বয়সীয়া ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বৰ সমস্যাৰ সৃষ্টি হয়। কিয়নো শিশুকালত কাণৰ ফুটাটোৰ দৈৰ্ঘ্য মাত্ৰ এক ইঞ্চি থাকে। পৰিষ্কাৰ বাডছ আদিৰে ভালদৰে সময়মতে চাফ নকৰিলে বিপদ হোৱাৰ আশংকা বৃদ্ধি পায়।

ফাকু কাণত সোমোৱাৰ লগে লগে খজুৱতি আৰম্ভ হ'লে বিষয়টো গুৰুত্বসহকাৰে লোৱা উচিত। অন্যথা পৰৱৰ্তী সময়ত ইয়াৰ প্ৰভাৱ পৰিব পাৰে শ্ৰৱণশক্তিৰ ওপৰত। শুকান ফাকু মিহলাই খেলিলে যদিহে কাণৰ ফুটাৰে ভিতৰত সোমায় তেতিয়াহ'লে সহজতে সংক্ৰমণ হ'ব পাৰে। যদিহে আগতে কাণৰ



ভিতৰত ঘা আদি হৈ থাকে তেতিয়া কম সময়ৰ ভিতৰতে সংক্ৰমিত হ'বলৈ সুযোগ পায়। আনহাতে, যদিহে কাণৰ মলি আগৰে পৰাই বেছিকৈ থাকে তেতিয়া ফাকুৰ লগত মিহলি হৈ কাণৰ ফুটা পৰ্যন্ত সাময়িকভাৱে বন্ধ কৰিব পাৰে। এনে হ'লে কাণৰ ভিতৰত ভোঁ ভোঁ শব্দ হৈ থাকে। আনকি কিছুমানে শুনাতো অসুবিধা পায়।

ফাকুৰ গুড়ি অথবা ৰঙৰ সংস্পৰ্শলৈ আহিলে বহুতে হাঁচি মাৰিবলৈ আৰম্ভ কৰে। যিসকলৰ ৰঙত মিহলি হৈ থকা ৰাসায়নিক বিধৰ এলাৰ্জি থাকে তেওঁলোকৰ সোনকালে এনে হোৱা দেখা যায়। এনে হ'লে নাকেৰে পানী ওলাই থাকে। চকুত ধূলি-বালি পৰিলে অলপ পাছতে খোচ্ খোচ্ আৰম্ভ হয়। ফাকু যিহেতু মুখমণ্ডলত বেছিকৈ ঘঁহি দিয়া হয় সেয়েহে চকুযুৰিৰো আঘাত হোৱাৰ আশংকা বৃদ্ধি পায়। ফাকুৰ ৰঙৰ বাবে চকুৰ এলাৰ্জি হোৱাৰ উপৰি ইয়াত মিহলি হৈ থকা বীজাণুৰে চকুৰ ক্ষতিসাধন কৰিব পাৰে। সাধাৰণতে গাঢ় ৰঙৰ ফাকুত মিহলি কৰা হয় ৰেড লেড্, সেউজীয়াত ক্ৰ'মিক অক্সাইড, গোলাপীৰ লেড্ মনোক্সাইড, নীলাত কপাৰ অক্সাইড ৰাসায়নিক। এনেবোৰ ৰাসায়নিক ছালৰ সংস্পৰ্শলৈকে আহিলে সকলোতে কম-বেছি পৰিমাণে ক্ষতি হোৱাৰ আশংকা থাকে।

গতিকে ফাকু খেলা সময়ত কেইটামান বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। বিশেষকৈ কম বয়সীয়া ল'ৰা-ছোৱালীয়ে সাৱধানতা অৱলম্বন কৰাটো অতিকৈ প্ৰয়োজনীয়। কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰিব—

■ যিসকলৰ এলাৰ্জিৰ সমস্যা আছে তেওঁলোকে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ ফাকু খেলিব নালাগে। বিশেষকৈ ব্ৰঙ্কিয়েল এজ্‌মাত আক্ৰান্ত ব্যক্তিয়ে নেখেলাটোৱে মংগলজনক। ■ চকুযুৰিক আঘাতৰ পৰা ৰক্ষা কৰিবলৈ চছমা ব্যৱহাৰ কৰিব লাগে। প্ৰয়োজন হ'লে চকু বিশেষজ্ঞৰ পৰামৰ্শ লৈ ড্ৰপ আদিও ব্যৱহাৰ কৰা উচিত। ■ যদিহে ছালৰ বেমাৰ হৈ আছে তেন্তে সংক্ৰমণ বৃদ্ধি হোৱাৰ আশংকা থাকে। সেইবাবে এনে ৰোগীয়ে ফাকু খেলাৰ পৰা আঁতৰি থাকিব লাগে। ■ প্ৰায়ভাগ লোকৰে মনত এটি ভ্ৰান্ত ধাৰণা আছে যে ফাকু খেলিলে বসন্ত ৰোগ নহয়। দৰাচলতে বসন্ত ৰোগ ভাইৰাছজনিত ৰোগ। গতিকে ফাকু খেলা-নেখেলাৰ স'তে কোনো ধৰণৰ সম্পৰ্ক নাই। ফাকু খেলিলেও হ'ব পাৰে আৰু নেখেলিলেও হ'ব পাৰে। ■ কোনো ধৰণৰ আলকাতৰাৰ দৰে ৰং ব্যৱহাৰ কৰাটো সমীচীন নহয়। ■ চকুযুৰি অথবা কাণত যাতে কোনো ধৰণৰ ৰাসায়নিক পৰিব নোৱাৰে তাৰ বাবে সতৰ্ক হওক। ■ শিশুটিয়ে যাতে এনে ধৰণৰ ৰং খেলি চকু স্পৰ্শ নকৰে অথবা কোনো ধৰণৰ খাদ্য গ্ৰহণ নকৰে তাৰ বাবে সতৰ্ক কৰি দিব লাগে।



মৰিয়নিত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ বাবে ভোট কেন্দ্ৰত দীঘলীয়া শাৰী, শনিবাৰে।

# মৰাণ, মাহমৰাত ভোটদান শান্তিপূৰ্ণ

## বিজেপি, কংগ্ৰেছৰ বিজয়ৰ দাবী

বিধানসভা নিৰ্বাচন ২০২১

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৭ মাৰ্চঃ** পূব আৰু উত্তৰ অসমক সামৰি ৪৭ টা সমষ্টিৰ ভিতৰত মৰাণ আৰু মাহমৰা বিধানসভা সমষ্টি দুটাত আজি হোৱা ভোটদান শান্তিপূৰ্ণভাৱে সামৰণি পৰে। চৰাইদেউ জিলাৰ ১০৫ নম্বৰ মাহমৰা সমষ্টি আৰু ডিব্ৰুগড় জিলাৰ ১১৫ নম্বৰ মৰাণ সমষ্টি দুটাত কেইটামান ভোট কেন্দ্ৰত পুৱা আৰম্ভণিতে ইভিএমৰ সামান্য বিজুতি ঘটিছিল যদিও পাছত সমস্যাৰ সমাধান হোৱাত ৰাইজে ভোটদান কৰে। মাহমৰা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী যোগেন মহনক নিৰ্বাচন সন্দৰ্ভত প্ৰশ্ন সোধাত মহনে কয় ভোটদানৰ কাৰণে ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই অহা কথাটো শুভ লক্ষণ। তদুপৰি নতুন প্ৰজন্মৰ ভোটখিনি বিজেপিৰ প্ৰতি আশীৰ্বাদ হ'ব। ২০১৬ত ১৫০০ ভোটত বিজয়ৰ বিপৰীতে এইবাৰ তাৰ দুগুণ ভোটত বিজয়ী হ'ব বুলি মহনে দাবী কৰে। একেটা সমষ্টিৰে অজাপৰ প্ৰাৰ্থী মাণিক গগৈয়ে কয়, 'এইবাৰ দিছপুৰত জাতীয়তাবাদী আঞ্চলিক পতাকা উৰিব। বিজেপি আৰু কংগ্ৰেছে দলে যিমানেই ধনবল, বাহুবল নেদেখুওৱাক ৰাইজে ৰাষ্ট্ৰীয়তাবাদী দলবিলাকৰ অপ শাসনত অতিষ্ঠ হৈছে আৰু আঞ্চলিক জাতীয়তাবাদী দলক আদৰি লৈছে।' কিমান সংখ্যক ভোটত জিকিব সেই কথা প্ৰাৰ্থীজনে নক'লেও বিজয় নিশ্চিত বুলি কয়। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সূৰুয দিহিংগীয়াৰ মতে সমষ্টিটোত কংগ্ৰেছৰ জয় নিশ্চিত। কাৰণ বিজেপিৰ পাঁচ বছৰীয়া শাসন কালত মাহমৰা সমষ্টিত একো উন্নতি নহ'ল। অসমৰ আন আন সমষ্টিত ৰাস্তা নিৰ্মাণ কৰি বিজেপিয়ে বাঃ বাঃ লোৱাৰ বিপৰীতে মাহমৰা সমষ্টিৰ মেৰুদণ্ড সদৃশ মৰাণ-সোণাৰি পথটোকে ধৰি বাকী পথসমূহৰ সমস্যা একেদৰেই থাকিল। মন্ত্ৰী মহনে সমষ্টিটোৰ একাংশ যুৱকক বন্দুকৰ অনুজ্ঞা পত্ৰ দি সমষ্টিটোত গুণ্ডাৰাজৰ সৃষ্টি কৰিলে বুলি কংগ্ৰেছৰ প্ৰাৰ্থীজনে কয়। মাহমৰা সমষ্টিত এইবাৰ ৩৬,০৬৯ গৰাকী ভোটাৰৰ বিপৰীতে প্ৰধান ৰাজনৈতিক দল বিজেপি, কংগ্ৰেছ, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীকে ধৰি সৰ্বমুঠ সাতগৰাকী প্ৰাৰ্থীৰ মাজত নিৰ্বাচনৰ যুঁজ হৈছে। আনহাতে, ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিত এইবাৰ কংগ্ৰেছ আৰু বিজেপিৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা চলিছে। বিজেপিৰ প্ৰাৰ্থী তথা বিধায়ক চক্ৰধৰ গগৈয়ে উল্লেখ কৰা মতে তেওঁৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ব বুলি ভবা নাই। কাৰণ ৰাইজে উন্নয়নৰ কথা ভাবিহে এইবাৰ ভোটদান কৰিছে। ভোটদানত ৰাইজৰ ভিৰৰ কথা উল্লেখ কৰি গগৈয়ে কয় যে ভোটদানৰ সংখ্যা যিমানেই বৃদ্ধি হ'ব সিমানেই বিজেপিৰ কাৰণে ভাল। অসমৰ কথা ক'ব নোৱাৰিলেও ডিব্ৰুগড় জিলাৰ সাত সমষ্টিৰ আটাইকেইখন বিজেপিয়ে দখল কৰিব বুলি গগৈয়ে দাবী কৰে। বিজেপিৰ অন্যতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰে দৃঢ়তাৰে তেওঁৰ জয় এশ শতাংশ নিশ্চিত বুলি কয়। অহা দুই মে'ত কংগ্ৰেছৰ মহাজোঁট দলে চৰকাৰ গঠন কৰিব বুলিও ঘাটোৱাৰে দাবী কৰে। চাহ বাগিচাৰ ভোটাৰে কংগ্ৰেছক ভোট দিছেনে বুলি প্ৰশ্ন সোধাত প্ৰাৰ্থীজনে কয় চাহ বাগিচা বুলিয়ে নহয় গাঁও অঞ্চলৰ লোকসকলেও এইবাৰ কংগ্ৰেছক ভোট দিছে। উল্লেখ্য যে মৰাণ বিধানসভা সমষ্টিটোত ভোটাৰৰ সংখ্যা ১,৪২,৪৯৩ গৰাকী। এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে কংগ্ৰেছ, বিজেপি, অসম জাতীয় পৰিষদকে ধৰি আৰু তিনিজন নিৰ্দলীয় প্ৰাৰ্থীয়ে।

### তোলাৰাম বাফনা চিকিৎসালয়ৰ শৌচাগাৰত যুৱকৰ মৃতদেহ উদ্ধাৰ

# চিকিৎসালয়ত অধীক্ষকৰ নেতৃত্বত ড্ৰাগছ-সুৰাৰ ৰমৰমীয়া বেহাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৭ মাৰ্চ ঃ** আমিনগাঁৱৰ তোলাৰাম বাফনা অসামাৰিক চিকিৎসালয়ত নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলা বুলি অভিযোগ উত্থাপিত হৈছে। কালি পুৱা চিকিৎসালয়খনৰ শৌচাগাৰত চাংসাৰি জলাহৰ জোন আলী (২৬) নামৰ এজনৰ মৃতদেহ উদ্ধাৰৰ আঁত ধৰি একাংশ ৰাইজে এই অভিযোগ উত্থাপন কৰিছে। যোৱা ২৫ মাৰ্চৰ পৰা যুৱকজন নিৰুদ্দেশ হৈ আছিল। আজি একাংশ ৰাইজ আৰু পৰিয়ালৰ লোকে অভিযোগ কৰে যে চিকিৎসালয়খনৰ অধীক্ষক কন্দৰ্প দাসে একাংশ কৰ্মচাৰীৰ সহযোগত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। ড্ৰাগছৰ লগতে ভাং আৰু সুৰাও চিকিৎসালয়ৰ কোঠাত পোৱা যায়। এই সন্দৰ্ভত মৃত যুৱকজনৰ আত্মীয় ৰাজীৱ আলীয়ে অভিযোগ কৰে যে জোনক চক্ৰান্তমূলকভাৱে চিকিৎসালয়লৈ মতাই নি অধিক ড'জৰ ড্ৰাগছ খুৱাই একাংশ কৰ্মচাৰীয়ে হত্যা কৰিছে। চিকিৎসালয়ৰ চৌহত থকা মুন্না নামৰ এজন চাহ দোকানী ড্ৰাগছ সৰবৰাহৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগ কৰে। তেওঁ লগতে কয় যে নাৰায়ণা চিকিৎসালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত থকা এই চাহ দোকানখনৰ পৰা বহিঃৰাজ্যৰ যুৱতীৰ সহায়ত সমগ্ৰ উত্তৰ কামৰূপৰ লগতে দুয়োখন চিকিৎসালয়তো ড্ৰাগছৰ অবাধ বেহা চলি আহিছে। অধীক্ষক দাসৰ সন্দৰ্ভত উত্থাপিত অভিযোগ অনুসৰি কৰ্তব্যৰ সময়তো তেওঁ চিকিৎসালয়ৰ পিছফালে থকা এটি চৰকাৰী আৱাসত সুৰপানত মছগুল হৈ থাকে। চিকিৎসালয়খনত ৰোগীয়ে বিভিন্ন পৰীক্ষা কৰিবলৈ আহিলে তেওঁলোকক নাৰায়ণা চিকিৎসালয়লৈ পঠিয়াই দিয়া হয়। এই অভিযোগবোৰক লৈ আজি তোলাৰাম বাফনা চিকিৎসালয়খনৰ চৌহদত উত্তাল পৰিৱেশৰ সৃষ্টি হয়। পাছত আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# হামৰেণত ২৯৮টা ভোট গ্ৰহণ কেন্দ্ৰ সাজু

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৭ মাৰ্চ ঃ** বৈঠালাংছ' বিধানসভা সমষ্টিৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলা নিৰ্বাচনী বিষয়াই ইতিমধ্যে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। আজি বিয়লি হামৰেণস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ত এক সংবাদমেল আয়োজন কৰি জিলা নিৰ্বাচনী বিষয়াই এই সন্দৰ্ভত সাংবাদিকক জানিব দিয়ে। সমষ্টিটোত মুঠ ২৯৮টা ভোটকেন্দ্ৰ থকাৰ গতে ক'ভিড প্ৰট'কলৰ বাবে অতিৰিক্ত আৰু ২৮টা ভোটগ্ৰহণ কেন্দ্ৰ সংলগ্ন কৰি সৰ্বমুঠ ৩২৬টা ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচন আয়োগৰ নিৰ্দেশ মতে সম্পূৰ্ণ ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি জানিব দিয়াৰ লগতে পহিলা এপ্ৰিলত সমষ্টিটোত দুই লাখ ১০ হেজাৰ ৪৮১গৰাকী ভোটাৰে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইপিনে, পাহাৰীয়া জিলাখনৰ দুৰ্গম অঞ্চল হোৱা হেতুকে ৬৪টা ভোটগ্ৰহণ কেন্দ্ৰত বিজুলী শক্তিৰ বিপৰীতে সৌৰশক্তিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ গতে ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত কোনো ধৰণৰ দূৰ সংযোগৰ ব্যৱস্থাই ঢুকি নোপোৱাত অসম আৰক্ষীৰ এপিআৰঅ'ৰ ব্যৱস্থাৰে ম'বাইল সংযোগ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। সমষ্টিটোত ৫৯টা স্পৰ্শকাতৰ আৰু ১০টা অতিকৈ স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে জিলা নিৰ্বাচনী বিষয়াই ইতিমধ্যে চিহ্নিত কৰিছে। ইপিনে, জিলাখনত পোন প্ৰথমবাৰৰ বাবে ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেব কাষ্টিঙৰ সংলগ্ন ব্যৱস্থা কৰাৰ লগতে পাঁচটাকৈ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰিজাইডিং, প'লিং বিষয়াকে আদি কৰি সম্পূৰ্ণভাৱে মহিলা বিষয়া-কৰ্মচাৰীক দায়িত্ব অৰ্পণ কৰিছে। লগতে জিলা নিৰ্বাচনী বিষয়াই সদৰী কৰা মতে, নিৰ্বাচনৰ আচৰণ-বিধি অনুযায়ী জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰৱা ১০ লাখ টকা জব্দ কৰা বুলি সদৰী কৰি জিলাখনৰ আইন-শৃংখলাৰ সন্দৰ্ভতো সকলো ব্যৱস্থা কটকটীয়াকৈ গঢ়ি তোলা হৈছে বুলি জানিব দিয়ে।

# যমুনামুখৰ শ্ৰীশ্ৰী কালিয়াদমন মহাপ্ৰভু থানত দৌল মহোৎসৱ



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৭ মাৰ্চঃ** আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যমুনামুখৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কালিয়াদমন মহাপ্ৰভু থানত আৰম্ভ হৈছে শ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ। আজি সন্ধিয়া গোসাঁইৰ ঘণুচা নৈৰ পৰা পানী তোলা ইয়াৰ পাছতে গোসাঁইৰ স্নান আৰু পূজা-অৰ্চনা কৰা হয়। পুৱা ১০ বজাত হোম যজ্ঞ, নাম-প্ৰসংগ, দিহানাম আৰু গোসাঁইৰ ফাকুৱা উৎসৱ আৰু সন্ধিয়া প্ৰসাদ বিতৰণ কৰা হ'ব। অন্তিম দিনা পুৱা ঊষা কীৰ্তন, গোসাঁইৰ স্নান, পূজা-অৰ্চনা ইয়াৰ পাছতে গোসাঁইৰ নগৰ ভ্ৰমণ আৰু সন্ধিয়া মহাপ্ৰসাদ বিতৰণ কৰা হ'ব।

# মালিকুছি শ্যামৰাই সত্ৰৰ ৭১ সংখ্যক দৌল মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৭ মাৰ্চ ঃ** নলবাৰী চহৰৰ সমীপৱৰ্তী মালিকুছিস্থ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শ্যামৰাই সত্ৰৰ ৭১ সংখ্যক দৌল মহোৎসৱ আজিৰে পৰা আৰম্ভ হৈছে। পুৱা সত্ৰৰ ধৰ্মধ্বজা উত্তোলন কৰে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি কেশৱ বৰ্মন। ইয়াৰ পাছত মহোৎসৱৰ ধ্বজা উত্তোলন কৰে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ফণীধৰ ডেকাই। লগে লগে বৰেণ্য ব্যক্তিৰ দ্বাৰা ৭১খন পতাকা উত্তোলন কৰা হয় দৌল খোলাত। স্মৃতিচাৰণ আৰু ছহিদ তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিপিন শৰ্মা আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই। সমূহীয়া চাফাই আৰু গছপুলি ৰোপণ কাৰ্যসূচী সমাপন হয়। দিনৰ ভাগত জগন্নাথ চক্ৰৱৰ্তী সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয় সত্ৰ প্ৰাংগণত। সন্ধিয়া দৌল মণ্ডপত কৃষ্ণ গোসাঁইক প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ পাছতে পূজা-অৰ্চনা আৰু দৌল মহোৎসৱৰ মুকলি, আতচবাজী কাৰ্যসূচী সম্পন্ন হয়। মহোৎসৱৰ দ্বাৰ মুকলি কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰমোদ বৈশ্যই। নিশা নাগাৰা নাম পৰিৱেশন কৰে জনপ্ৰিয় পাঠিকা বৰষা দাস (আল্লিয়া) আৰু বিনিতা বৰুৱা (পৈচাৰা)ই। ইপিনে, কাইলৈৰ পৰা পূজা-অৰ্চনা, আমাৰ প্ৰশ্ন ৰাইজৰ উত্তৰ, পৰম্পৰাগত হোম পাৰ্বন আৰু ভোগ বিতণ, তিনি বজাৰ পৰা সীমিত প্ৰতিযোগীৰে অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি চাৰি বজাৰ পৰা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী সম্পন্ন হ'ব। মহোৎসৱৰ সামৰণি অৰ্থাৎ ২৯ মাৰ্চত পুৱাৰ অন্যান্য কাৰ্যসূচী সম্পন্ন কৰাৰ পাছতে দিনৰ ভাগত গোসাঁইক লৈ নগৰ পৰিভ্ৰমণ কাৰ্যসূচী সম্পন্ন হ'ব। উল্লেখ্য যে কৰ'না অতিমাৰীৰ প্ৰভাৱ এতিয়াও থকাত আৰু সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এইবেলি মহোৎসৱৰ পাঁচদিনৰ পৰিৱৰ্তে তিনিদিন কৰা হৈছে বুলি দৌল উদ্‌যাপন সমিতিৰ সভাপতি ফণীধৰ ডেকা, সভাপতি, কাৰ্যকৰী সভাপতি মহানন্দ তালুকদাৰ আৰু সাধাৰণ সম্পাদক ৰাজেশ কুমাৰ মেধি (ৰাণা)ই সদৰী কৰিছে।

# বৰভাগত কংগ্ৰেছত যোগদান যুৱকৰ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৭ মাৰ্চঃ** নলবাৰী জিলাৰ ৬০ নম্বৰ বৰক্ষেত্ৰী সমষ্টিত প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰচাৰ কাৰ্য আৰম্ভ কৰিছে যদিও সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপি মাজতেই মূল যুঁজখন হোৱাৰ সম্ভাৱনা আছে। সম্প্ৰতি সমষ্টিটোৰ অন্তৰ্গত বৰভাগ আৰু বৰক্ষেত্ৰীত প্ৰতিটো দলতে যোগদান পৰ্ব চলিয়ে আছে। কালি সন্ধিয়া ৰাইমাধাত কংগ্ৰেছৰ মুখ্য কাৰ্যালয় মুকলি কৰে কংগ্ৰেছ প্ৰাৰ্থী দিগন্ত বৰ্মনে। কাৰ্যালয় মুকলি অনুষ্ঠানৰ পাছতে সমষ্টিটোৰ অন্তৰ্গত বৰভাগৰ নখেতি আৰু উলাবড়ীত কংগ্ৰেছ প্ৰাৰ্থী দিগন্ত বৰ্মনৰ ওচৰত কে'বাজন যুৱকে কংগ্ৰেছত যোগদান কৰে।

# নলবাৰীত জিলা দণ্ডাধীশৰ ১৪৪ ধাৰা জাৰি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৭ মাৰ্চঃ** নিৰ্বাচন ঘোষণাৰ পাছত জিলাখনত শান্তি-শৃংখলা ভংগ হোৱাৰ আশংকা কৰি নলবাৰীৰ জিলা দণ্ডাধীশ পূৰবী কোঁৱৰে সমগ্ৰ নলবাৰী জিলাতে প্ৰযোজ্য হোৱাকৈ ভাৰতীয় ফৌজদাৰী আইনৰ ১৪৪ ধাৰাৰ অধনীত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি নলবাৰী জিলাৰ খেলপথাৰ, ৰাজহুৱা পথ, চৰকাৰী বা অৰ্ধচৰকাৰী কাৰ্যালয় আদিত পাঁচজন বা ততোধিক লোকৰ সমাগম নিষিদ্ধ কৰা হৈছে। ৰাজহুৱা পথত শোভাযাত্ৰা উলিওৱা নিষিদ্ধ কৰা হৈছে। যিকোনো লোকে আইন সংগতভাৱে কৰ্তব্য কৰাত কোনো লোকে বাধা দিব নোৱাৰিব। যিকোনো লোকে ৰাজহুৱা স্থান, পথ আদিত ফটকা, বিস্ফোৰক আদি ফুটাব নোৱাৰিব। কোনো লোকে আন লোকক অসৎ উদ্দেশ্যত আবদ্ধ কৰি ৰাখি থ'ব নোৱাৰিব। ৰাজহুৱা পথ বা আন ৰাজহুৱা স্থান কোনো লোকে লাঠি, দা, পাথৰ, ইটা, বিস্ফোৰক সামগ্ৰী, আগ্নেয়াস্ত্ৰ আদি কঢ়িয়াই ঘূৰি ফুৰিব নোৱাৰিব। যিকোনো অনুষ্ঠান বা চৰকাৰী কাৰ্যালয়ত কোনেও সত্যাগ্ৰহ, ধৰ্মঘট, ধৰ্ণা আদি দিব নোৱাবি। চৰকাৰী কাৰ্যালয়ত কোনেও প'ষ্টাৰ, বেনাৰ, প্লেকাৰ্ড লগাব বা দেৱাল লিখন আদি কৰিব নোৱাৰিব। দোকান, ব্যৱসায়িক প্ৰতিষ্ঠান, ব্যক্তিগত ঘৰ, চৰকাৰী কাৰ্যালয়, বাছ আস্থান আদিত কোনেও চান্দা তুলিব নোৱাৰিব। যিকোনো বন্ধ, ধৰ্ণা, ধৰ্মঘট, শ্ল'গান দিয়া আদিৰ বাবে লাউড স্পীকাৰ বা মাইক্ৰ'ফোন ব্যৱহাৰ কৰিব নোৱাৰিব। গাড়ীত ক'লা গ্লাছ ব্যৱহাৰ কৰিব নোৱাৰিব। মাস্কৰ স'তে হেলমেট পিন্ধিব নোৱাৰিব। যিকোনো থিয়েটাৰ, সাংস্কৃতিক কাৰ্যসূচী, খেল আদি জিলা দণ্ডাধীশ বা অতিৰিক্ত জিলা দণ্ডাধীশৰ আগতীয়া অনুমতি অবিহনে অনুষ্ঠিত কৰিব নোৱাৰিব। যদি কোনোৱে আগতীয়া অনুমতি অবিহনে এনেকুৱা কাৰ্যসূচী অনুষ্ঠিত কৰে তেতিয়া হ'লে আয়োজকে নিজৰ দায়িত্বত অনুষ্ঠান বন্ধ কৰিব লাগিব আৰু নিজৰ দায়িত্বত খেলুৱৈ বা অন্য ক্ষেত্ৰত মাননি দিব লাগিব। দুচকীয়া বাহনত দুজন লোকে উঠি ফুৰিব নোৱাৰিব। প্ৰথম নিষেধাজ্ঞাটো কৰ্তব্যৰত দণ্ডাধীশ, আৰক্ষীৰ লোক, নিৰাপত্তাৰক্ষী বা দৈনিক বজাৰ, সাপ্তাহিক বজাৰ, চিনেমা হল, শিক্ষানুষ্ঠান, বাছ ষ্টেণ্ড, ৰেল ষ্টেছন, খেলপথাৰ আদিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। উক্ত নিষেধাজ্ঞা তৎকালীনভাৱে প্ৰযোজ্য হ'ব আৰু ৬০ দিন পৰ্যন্ত বাহাল থাকিব।

# ভোটগ্ৰহণ-গণনাৰ সময়ছোৱাত ধুবুৰীত ড্ৰাই ডে' ঘোষণা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৭ মাৰ্চ ঃ** ধুবুৰী জিলাত তৃতীয় পৰ্যায়ত অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে ড্ৰাই ডে ঘোষণা কৰিছে ধুবুৰী জিলা উপায়ুক্ত দেৱ কুমাৰ কলিতাই। জিলা উপায়ুক্ত তথা জিলা দণ্ডাধীশ কলিতাই ঘোষণা কৰা মতে অহা চাৰি এপ্ৰিলৰ সন্ধিয়া ছয় বজাৰ পৰা ছয় এপ্ৰিলৰ সন্ধিয়া ছয় বজালৈকে সমগ্ৰ ধুবুৰী জিলাত ড্ৰাই ডে বাহাল থাকিব। আনহাতে ভোটগণনাৰ দিনা দুই মে'ত ভোটগণনাৰ প্ৰক্ৰিয়া অন্ত নপৰা পৰ্যন্ত ড্ৰাই ডে অব্যাহত থাকিব। এই সন্দৰ্ভত জাৰি কৰা এটা নিৰ্দেশত কোৱা হয় যে ড্ৰাই ডেত সকলো ধৰণৰ বণ্ডেড ৱেৰহাইছ, বিলাতী সুৰাৰ বিপনী, দেশীয় সুৰাৰ বিপনী আদি বন্ধ ৰাখিব লাগিব। এই নিৰ্দেশ অমান্য কৰোতাক অসম আবকাৰী আইন আৰু বিধি মতে শাস্তি বিহা হ'ব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

# মঙলদৈৰ বড়ো ভোটাৰক লৈ কংগ্ৰেছ-বিজেপিৰ টনা-আঁজোৰা

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৭ মাৰ্চ ঃ** মঙলদৈ সমষ্টিত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বড়ো জনগোষ্ঠীৰ ভোটাৰক লৈ বিজেপিৰ প্ৰাৰ্থী গুৰুজ্যোতি দাস আৰু কংগ্ৰেছৰ বসন্ত দাসৰ মাজত টনা-আঁজোৰা হৈছে। উল্লেখ্য যে মঙলদৈ সমষ্টিৰ বৃহত্তৰ ভকতপাৰা-মুদৈবৰী ঞ্চলৰ চালনিকুছি, মাজগাঁও, কৰ্মীপাৰা, চাণ্ডোৱালপাৰা, কছাৰীপাৰা, চিলাবান্ধা, খাখলাচুবা, বেবেজীয়া, ওৱাৰপাৰা, ঝাৰগাঁও, কেহোতলী, তেতেলিভাঙুৰী, পূণিয়া, বৰদোৱানেজা আদি অঞ্চলসমূহ মূলতঃ বড়ো লোকৰ বসতিপ্ৰধান। একাংশ বি টি চি অঞ্চলৰ অধীন যদিও মঙলদৈ সমষ্টিৰ অন্তৰ্গত হৈ আছে। ইয়াৰে মুদৈবৰী ভি চি ডি চি আৰু ভকতপাৰা ভি চি ডি চিৰ অধীনত ১৭ হেজাৰৰো অধিক বড়ো ভোটাৰৰ আছে। সততে অৱহেলিত বুলি পৰিগণিত অঞ্চলটোত সম্প্ৰতি নিৰ্বাচনী প্ৰাৰ্থীয়ে প্ৰচাৰ তীব্ৰতৰ কৰিছে। বিজেপিৰ প্ৰাৰ্থী গুৰুজ্যোতি আৰু কংগ্ৰেছৰ বসন্তই দুই বিপৰীত মেৰুত থাকিলেও বড়ো ভোটাৰসকলৰ মন জয় কৰিবলৈ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। কালি বসন্ত দাসে আৰু আজি গুৰুজ্যোতিয়ে ৰাইজৰ পদুলিয়ে পদুলিয়ে ভোট ভিক্ষা কৰে। তদুপৰি মিত্ৰজোঁটৰ অংশীদাৰ হোৱাৰ সূত্ৰে কংগ্ৰেছ বসন্তই বি পি এফৰ সহযোগত ভোট ভিক্ষা কৰি আছে। কংগ্ৰেছৰ দাসৰ সমৰ্থনত নামিছে বি পি এফ নেতা তথা প্ৰাক্তন ই এম জগদীশ সৰকাৰ। পূৰ্বে বিজেপিক সমৰ্থন কৰা অঞ্চলটোত এইবেলি কংগ্ৰেছ আৰু বিজেপিৰ মাজত দুভাগ হোৱাৰ সম্ভাৱনা আছে। সামগ্ৰিকভাৱে এনে কুচকাৱাজৰ ফলত বৃহত্তৰ মুদৈবৰী-ভকতপাৰাৰ ৰাজনৈতিক বতাহ গৰম হৈ উঠিছে। উল্লেখ্য যে এইবেলি মঙলদৈৰ বড়ো ভোটাৰ দুভাগত বিভক্ত হোৱাৰ উমান পোৱা গৈছে। সমষ্টিটোৰ সংখ্যালঘু ভোটাৰক লৈ সকলো পক্ষ সক্ৰিয় হৈ থকাৰ পাছত এইবেলি বড়ো ভোটাৰসকলো যে নিৰ্ণায়ক হ'ব সেয়া নিশ্চিত।



কলিয়াবৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ বাবে ভোট কেন্দ্ৰত দীঘলীয়া শাৰী, শনিবাৰে।

# গোৰ্খা নেতাক প্ৰহাৰৰ ঘটনাক গৰিহণা গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৭ মাৰ্চ ঃ** নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত কালি শদিয়াত বিজেপিৰ একাংশ সমৰ্থকে অসম গোৰ্খা সন্মিলন-তিনিচুকীয়া জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি গকুল সিং ৰাইক নিৰ্মমভাৱে প্ৰহাৰ কৰা ঘটনাক সহজভাৱে ল'ব পৰা নাই গোলাঘাট জিলা গোৰ্খা সন্মিলনে। গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ সভাপতি-সম্পাদক ক্ৰমে কাজিৰাম বিষ্ট আৰু ৰাজু খনালে এক বিবৃতিযোগে এই কথা সদৰী কৰে। বিবৃতিটোত সংগঠনটোৱে বিজেপিৰ গুণ্ডাবাহিনীয়ে সংঘটিত কৰা এই ঘটনাক গোৰ্খা সন্মিলনৰ গোলাঘাট জিলা সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। লগতে সংগঠনটোৱে এই ঘটনাৰ স'তে জড়িত প্ৰতিজন দোষীকে কাঠৰতম শাস্তি প্ৰদানৰ বাবে আহ্বান জনাইছে।

# ৰাইজৰ দলৰ প্ৰাৰ্থীৰ নিৰ্বাচনী পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৭ মাৰ্চঃ** ভৱানীপুৰ সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী কমল কুমাৰ মেধিৰ নিৰ্বাচনী পৰিচালনা আৰু প্ৰচাৰ সমিতিখন আজি গঠন কৰা হয়। সৰুপেটা মিলন মন্দিৰ প্ৰেক্ষাগৃহত স্থানীয় অসম জাতীয় পৰিষদৰ নেতা দিলীপ দাসৰ সভাপতিত্বত আয়োজিত এখন সভাত দিলীপ দাসক সভাপতি, চাইফুল ইছলামক উপ-সভাপতি, গুৰু প্ৰসাদ দাসক সাধাৰণ সম্পাদকৰূপে লৈ ৩১ জনীয়া নিৰ্বাচনী পৰিচালনা আৰু প্ৰচাৰ সমিতিখন গঠন কৰা হয়। সভাখনত ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ স্থানীয় প্ৰতিনিধিসকলৰ লগত একাধিক জাতীয় সংগঠনৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰে। সভাখনত প্ৰাৰ্থী কমল কুমাৰ মেধিয়ে জাতীয় সংকটৰ বিৰুদ্ধে দলীয় সতীৰ্থ আৰু ৰাইজক মাৰ বান্ধি নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। লগতে ভৱানীপুৰ এইবাৰ ৰাইজৰ দলে লাভ কৰাটো নিশ্চিত বুলি দাবী কৰে।

# নলবাৰীৰ তিনি সমষ্টিত বিমোৰত ভোটাৰ

**নলবাৰী, ২৭ মাৰ্চ ঃ** ২০২১ৰ নিৰ্বাচনী সমীক্ষা অনুসৰি অইন বেলিৰ তুলনাত এইবাৰ কিছু নিয়মৰ সাল-সলনি কৰা দেখা গৈছে। বিশেষকৈ দীঘলীয়া সময় এইবাৰ কৰ্তন কৰিছে। এয়া এক শুভ লক্ষণ বুলি ক'ব পাৰি। দীঘলীয়া সময় পালে নিৰ্বাচনী প্ৰচাৰ কাৰ্যই বহু ক্ষেত্ৰত অশান্তি কাৰক হৈ পৰে। দুৰ্নীতি, অন্যায়, অনীতি আদিও বহু পৰিমাণে সংঘটিত হোৱা দেখা যায়। ইয়াতকৈও আমি আৰু চমু দিনৰহে আশা কৰো। খৰচান্ত নিৰ্বাচনী প্ৰচাৰ কাৰ্যই নিৰ্ধনী অৰ্থাৎ ধনবল নোহোৱা প্ৰাৰ্থীজনৰ প্ৰচাৰ কাৰ্যত ব্যাপক প্ৰভাৱ পেলাব। ধনবলে নিকা আৰু সৎ প্ৰাৰ্থীজনৰ ক্ষেত্ৰত মাধমাৰ শোধায়। এই ক্ষেত্ৰতো নিৰ্বাচন আয়োগে কঠোৰ সিদ্ধান্ত ল'ব লাগে যাতে কোনোজন প্ৰাৰ্থীয়ে গাড়ী মটৰ লৈ নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰে, ৰাজহুৱা স্থানত বৃহৎ সভা কৰিব নোৱাৰে ইত্যাদি।

ইয়াৰ বিপৰীতে নিৰ্বাচন আয়োগে সমষ্টিৰ ৰাজহুৱা স্থানত প্ৰতিগৰাকী প্ৰাৰ্থীৰ ফটো, অৰ্হতা, সামাজিক কাৰ্যৰ চমু বিবৰণ আদি লিপিবদ্ধ কৰি আঁৰি দিয়াৰহে ব্যৱস্থা কৰিব লাগে আৰু প্ৰতিগৰাকী প্ৰাৰ্থীয়ে নিজৰ নিজৰ সামাজিক স্থিতি, ৰাজনৈতিক স্থিতি বা অন্যান্য কাৰ্যাৱলী গোহাৰিযোগে ৰাইজৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। নলবাৰী জিলাখনত বিধানসভাৰ মূল সমষ্টি তিনিটা যদিও টিহু অঞ্চলৰ এটা অংশ বৰ্তমানৰ বজালী জিলাৰ পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্ভুক্ত। জিলাখনৰ মূল সমষ্টি তিনিটা হ'ল- নলবাৰী, ধৰ্মপুৰ আৰু বৰক্ষেত্ৰী। সদৰ সমষ্টি নলবাৰীত এইবাৰ বিজেপি, কংগ্ৰেছ, অসম জাতীয় পৰিষদকে ধৰি আৰু দুই এটি দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীও অৱতীৰ্ণ হৈছে। বিজেপিৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱা, কংগ্ৰেছৰ প্ৰদ্যুৎ ভূঞা আৰু অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী নগেন ডেকাৰ মাজত নিৰ্বাচনী যুঁজ অব্যাহত থাকিব বুলি বহুজনে মত পোষণ কৰিছে। বিজেপিৰ জয়ন্ত মল্ল বৰুৱা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ ভূঞা এসময়ত এটা দলৰে অৰ্থাৎ কংগ্ৰেছৰে সতীৰ্থ আছিল। এইবেলি দুয়োজনে দুই ৰাষ্ট্ৰীয় দলৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হোৱাত একাংশ ভোটাৰ ৰাইজ বিমোৰত পৰা দেখা গৈছে। পূৰ্বে কংগ্ৰেছৰ পৰা জয়ন্ত মল্ল বৰুৱাই জয়ী হৈ কিছু ৰাজহুৱা কাম কৰাটো পৰিলক্ষিত হৈছে। কিন্তু বিজেপিৰ প্ৰাৰ্থীৰূপে জয়ন্ত মল্ল বৰুৱা এইবাৰ নতুন মুখৰ বুলিহে অভিহিত হৈছে। ইয়াৰ বিপৰীতে প্ৰদ্যুৎ ভূঞাই যোৱা বেলি নিৰ্বাচনত কংগ্ৰেছৰ পৰা অৱতীৰ্ণ হৈছিল যদিও বিজেপিৰ প্ৰাৰ্থী অশোক শৰ্মাৰ হাতত পৰাজয় হয়। সেয়েহে এটা সময়ৰ দুই সতীৰ্থ এতিয়া দুই মেৰুত বিভাজিত হোৱাত একাংশ ভোটাৰ ৰাইজে অৱগত কৰিছে যে এই সমষ্টিটোত কংগ্ৰেছ-বিজেপিৰ প্ৰাৰ্থীৰ ব্যক্তিত্ব মূল্যাংকন নকৰি দলৰ ফালে চাইহে ভোট প্ৰদান কৰিব। আনহাতে, 'কা' বিৰোধী আন্দোলনৰ গইনা লৈ নতুনকৈ গঠিত হোৱা অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী নগেন ডেকায়ো তুমুল নিৰ্বাচনী প্ৰচাৰ কাৰ্যত নমাটো পৰিলক্ষিত হৈছে। নগেন ডেকাৰো সামাজিক স্থিতি বিশেষভাৱে মন কৰিবলগীয়া।

সেয়েহে একাংশ ৰাইজে মত পোষণ কৰিছে যে তিনিও গৰাকী প্ৰাৰ্থীয়ে সমান্তৰালভাৱে নিৰ্বাচনী প্ৰচাৰ কাৰ্যত নামিছে। জিলাখনৰ আন এটা গুৰুত্বপূৰ্ণ আৰু প্ৰভাৱশালী সমষ্টি হ'ল ধৰ্মপুৰ। এই বেলি সমষ্টিটোত বিজেপিৰ চন্দ্ৰমোহন পাটোৱাৰী, কংগ্ৰেছৰ পৰা ৰাতুল পাটোৱাৰী, অসম জাতীয় পৰিষদৰ পৰা ড° শিখৰ শৰ্মাই প্ৰাৰ্থিত্ব লাভ কৰিছে। ইয়াৰ লগতে সমষ্টিটোৰ পৰা আন দলৰ প্ৰাৰ্থী আৰু নিৰ্দলীয় প্ৰাৰ্থীও অৱতীৰ্ণ হৈছে। এই সমষ্টিটোৰ প্ৰভাৱশালী নেতাৰূপে পৰিচিত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। অসম আন্দোলনৰ পটভূমিত গঠন হোৱা অসম গণ পৰিষদ দলত অন্তৰ্ভুক্ত হৈ ৰাজনৈতিক ক্ষেত্ৰত অৱতীৰ্ণ হোৱা চন্দ্ৰমোহন পাটোৱাৰী এগৰাকী ৰাজনৈতিক পুৰোধা ব্যক্তি। অগপ চৰকাৰৰ কাৰ্যকালত সমষ্টিটোত সৰহ সংখ্যকৰ চাকৰি পাটোৱাৰীৰ মন্ত্ৰিত্বৰ কাৰ্যকালত হৈছে। তেনে মাধ্যমেৰেও চন্দ্ৰমোহন পাটোৱাৰীয়ে সমষ্টিটোত ৰাজনৈতিক ভেটি মজবুত কৰি ৰাখিছে যদিও বিগত সময়ত প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাৰ স'তে প্ৰতিদ্বন্দ্বিতা কৰি দুবাৰ পৰাজয়বৰণ কৰিছে। আৰু যোৱা বেলি অগপ দলৰ পৰা ফালৰি কাটি বিজেপিত যোগদান কৰি এই দলৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰি মন্ত্ৰী পদত অধিষ্ঠিত হয়। কিন্তু কথা হ'ল সমষ্টিটোৰ একাংশ ৰাইজৰ পাটোৱাৰীৰ ওপৰত ক্ষোভ আছে। কাৰণ সৰ্বসাধাৰণে কিবা কিবি ক্ষেত্ৰত পাটোৱাৰীক লগ ধৰাৰ পৰা বিৰত থাকিবলগীয়া হয়। কাৰণ তেওঁক লগ পোৱাটো সহজ নহয়। পুৱা গৈ মাজনিশাহে তেওঁক লগ ধৰিব পাৰি। এই ক্ষেত্ৰত বহুতে ক্ষোভ প্ৰকাশ কৰে। আনহাতে, পাটোৱাৰী জয়ী হোৱাৰ পাছত সমষ্টিলৈ খুব কম দিনহে আহে। আকৌ পাটোৱাৰীয়ে তেওঁৰ কাৰ্যকালত বহু অযোগ্য ব্যক্তিকো শিক্ষকৰ দৰে পবিত্ৰ চাকৰিত নিয়োজিত কৰাৰো অভিযোগ আছে। এনেবোৰ ক্ষেত্ৰত বহুতৰে ক্ষোভ সজীৱ হৈ আছে। কথা চহকী পাটোৱাৰীয়ে সমষ্টিটোত একাংশ দালালক বহু ক্ষেত্ৰত প্ৰাধান্য দি অহা বুলিও বহুতৰ মুখে মুখে চৰ্চিত। বহুতে কয় পাটোৱাৰীয়ে দালালকহে চিনি পায় সৰ্বসাধাৰণক চিনি নাপায়। কাৰণ চাকৰি আৰু অন্যান্য সা-সুবিধা লাভ কৰা সকলৰ বংশলতায়ো পাটোৱাৰীকে ভোটদান কৰি অহা বুলি চৰ্চিত। এইবেলি কিন্তু পাটোৱাৰীৰ মূল প্ৰতিদ্বন্দ্বী দুখন নতুন মুখৰ আৰু তেওঁতকৈ কনিষ্ঠ। মূল প্ৰতিদ্বন্দ্বী দুগৰাকী হ'ল কংগ্ৰেছ দলৰ ৰাতুল পাটোৱাৰী আৰু অসম জাতীয় পৰিষদৰ ড° শিখৰ শৰ্মা। কংগ্ৰেছৰ যুৱনেতা ৰাতুল পাটোৱাৰীয়েও মনোনয়ন দাখিলৰ দিনা ব্যাপক হাৰত জনশক্তি দেখা গৈছে। শক্তি প্ৰদৰ্শনৰ ক্ষেত্ৰত চন্দ্ৰমোহন পাটোৱাৰী, ৰাতুল পাটোৱাৰী আৰু ড° শিখৰ শৰ্মা প্ৰায় সমান বুলি ক'ব পাৰি। সেয়েহে একাংশই মতপোষণ কৰি আহিছে যে এইবাৰ এই সমষ্টিটোত খুব কম ভোটৰ ব্যৱধানত হৰা জিকা হ'ব।

জিলাখনৰ আন এটা গুৰুত্বপূৰ্ণ সমষ্টি হ'ল বৰক্ষেত্ৰী সমষ্টিটো পূৰ্বে কংগ্ৰেছ আৰু ডাঃ ভূমিধৰ বৰ্মনৰ সমষ্টিৰূপে পৰিগণিত হৈছিল। কিন্তু যোৱা বেলি এই সমষ্টিটো বিজেপিৰ দখললৈ আহে। বাৰ্ধক্যজনিত কাৰণত ডাঃ ভূমিধৰ বৰ্মন নিৰ্বাচনত অৱতীৰ্ণ নহৈ তেওঁ পুত্ৰক প্ৰক্ষেপ কৰে যদিও বিজেপিৰ নাৰায়ণ ডেকাৰ হাতত কংগ্ৰেছ প্ৰাৰ্থী দিগন্ত বৰ্মনে পৰাজয় বৰণ কৰে। এইবেলিও নিৰ্বাচনত বিজেপিৰ পৰা নাৰায়ণ ডেকা, কংগ্ৰেছৰ পৰা দিগন্ত বৰ্মন, অসম জাতীয় পৰিষদৰ পৰা অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পুলকেশ বৰুৱাই প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লগতে এআইইউডিএফৰ পৰা চম্পক কলিতা, জে ডি ইউৰ পৰা শান্তনু কলিতায়ো মনোনয়ন দাখিল কৰে। কিন্তু কথা হ'ল বৰক্ষেত্ৰী সমষ্টিটোতো শক্তি প্ৰদৰ্শনৰ ক্ষেত্ৰত বিজেপি, কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদ সমান্তৰালভাৱে আগবাঢ়ি আছে। বহুতে ধাৰণা কৰি আহিছে যে এইবেলি তিনিওটা সমষ্টি বিজেপি, কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হ'ব আৰু খুব কম ভোটৰ ব্যৱধানত হাৰা জিকা হ'ব।

যা নহওক আমি বিচাৰো শান্তিপূৰ্ণভাৱে নিৰ্বাচন পাৰ হওক। প্ৰতিগৰাকী প্ৰাৰ্থীয়ে তাহানিৰ প্ৰাৰ্থীসকলৰ দৰে বন্ধুত্বমূলকভাৱে আগবঢ়াৰ চেষ্টা কৰক। তেতিয়াহে আমাৰ সমাজ সভ্যতা সুন্দৰৰ ফালে আগবাঢ়িব।



# অন্তৰ্বাসো খুলিবলৈ দিছিল প্ৰিয়ংকাক

## কেৰিয়াৰৰ আৰম্ভণিতে ভয়ানক অভিজ্ঞতা হৈছিল প্ৰাক্তন বিশ্ব সুন্দৰীও

বলিউদত কাম পোৱাৰ বাবে বিভিন্নজনৰ কাষলৈ যাবলৈ বাধ্য হোৱা বহু অভিনেত্ৰীয়েই ভয়ানক অভিজ্ঞতাৰ সন্মুখীন হোৱাৰ কথাও নতুন নহয়। কিন্তু তাৰকাৰ কন্যা বা সৌন্দৰ্য প্ৰতিযোগিতাত বিজয়ী হৈ বলিউদলৈ অহা অভিনেত্ৰীয়ে সততে এই ধৰণৰ তিক্ত অভিজ্ঞতাৰ সন্মুখীন হোৱাৰ চৰ্চা ইমানদিনে হোৱা নাছিল।

**বিশ্বসুন্দৰী** হোৱাৰ সুবাদত বহু অভিনেত্ৰীয়ে বলিউদত সহজে ছবি লাভ কৰিবলৈ সক্ষম হৈছিল। আন বহুতো অভিনেত্ৰীৰ দৰে তেওঁলোকে বলিউদৰ ছবিত কাম পোৱাৰ বাবে প্ৰযোজকৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিবলগীয়া হোৱা নাছিল। বলিউদত কাম পোৱাৰ বাবে বিভিন্নজনৰ কাষলৈ যাবলৈ বাধ্য হোৱা বহু অভিনেত্ৰীয়েই ভয়ানক অভিজ্ঞতাৰ সন্মুখীন হোৱাৰ কথাও নতুন নহয়। কিন্তু তাৰকাৰ কন্যা বা সৌন্দৰ্য প্ৰতিযোগিতাত বিজয়ী হৈ বলিউদলৈ অহা অভিনেত্ৰীয়ে সততে এই ধৰণৰ তিক্ত অভিজ্ঞতাৰ সন্মুখীন হোৱাৰ চৰ্চা ইমানদিনে হোৱা নাছিল। কিন্তু তেনে এক ভয়ানক অভিজ্ঞতাৰ কথাই সদৰী কৰিলে প্ৰাক্তন বিশ্বসুন্দৰী তথা অন্যতম শীৰ্ষ অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাই। ইতিমধ্যে বলিউদৰ সমানে হলিউদতো নিজস্ব আসন এখন তৈয়াৰ কৰিছে প্ৰিয়ংকাই। বলিউদত ভৰি দিয়েই সাফল্যৰ মুখ দেখা সেই প্ৰিয়ংকায়ো কেৰিয়াৰৰ আৰম্ভণিতে হেনো 'কাষ্টিং কাউচ'ৰ সন্মুখীন হ'বলগীয়া হৈছিল। শেহতীয়া এক সাক্ষাৎকাৰত প্ৰিয়ংকাই এই কথা সদৰী কৰিছে।

প্ৰিয়ংকাই কয় যে সেইদিনা তেওঁ এজন প্ৰযোজকৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হোৱা নাছিল, সেই কথা ভাবিলে আজিও তেওঁৰ অস্বস্তি অনুভৱ হয়। বলিউদত প্ৰথমবাৰলৈ এখন ছবিত অভিনয়ৰ সুযোগ পাইছিল আবেদনময়ী অভিনেত্ৰীগৰাকীয়ে। কিন্তু প্ৰথমখন ছবিত অভিনয় কৰিবলৈ যোৱা অৱস্থাতে তেওঁ ছবিখনৰ প্ৰযোজকৰ অশ্লীল কাৰ্যকলাপৰ সন্মুখীন হৈছিল। প্ৰিয়ংকাই জনাইছে যে ছবিখনৰ চিত্ৰগ্ৰহণস্থলীতে লোকজনে নৱাগতা প্ৰিয়ংকাক যৌন উত্তেজক নাচ দেখুৱাবলৈ কয়। কেৱল নৃত্যই নহয়, নাচৰ তালে তালে তেওঁক 'ষ্ট্ৰীপ' অৰ্থাৎ শৰীৰৰ পোছাক এটি এটিকৈ খুলিবলৈ নিৰ্দেশ দিয়ে। প্ৰযোজকজনৰ অশ্লীল নিৰ্দেশ আছিল, শেষ পৰ্যন্ত প্ৰিয়ংকাই অন্তৰ্বাসো খুলি পেলাব লাগিব। তেতিয়া আৰু তেওঁ ধৈৰ্য ধৰি থাকিব নোৱাৰিলে। লগে লগে ছবিখন এৰি দিয়াৰ সিদ্ধান্ত লয় প্ৰিয়ংকাই। কিন্তু সেইদিনা কিয় প্ৰযোজকজনৰ অভব্য আচৰণৰ বিৰুদ্ধে থিয় নিদিলে, সেই কথা ভাবিলে প্ৰিয়ংকা আজিও নিজৰ ওপৰতে ক্ষুব্ধ হয়। অৱশ্যে উক্ত সাক্ষাৎকাৰতো তেওঁ প্ৰযোজকজনৰ নাম সদৰী কৰাৰ পৰা বিৰত থাকে।



# 'বেছিক ইনষ্টিংক্ট'ৰ আলোড়নকাৰী দৃশ্যৰ সন্দৰ্ভত মুখ খুলিলে শ্বেৰণে

## ফাকি দি গোপনাংগ কেমেৰাত বন্দী কৰিছিল পৰিচালকে



**প্ৰায়** তিনিটা দশকৰ পূৰ্বে এটা বিশেষ দৃশ্যৰে হলিউদৰ উপৰি সমগ্ৰ বিশ্বৰ দৰ্শকৰ মাজত আলোড়ন তুলিছিল শ্বেৰণ ষ্ট'নে। নিশাৰ ভিতৰতে বিশ্বব্যাপী খ্যাতি অৰ্জন কৰিছিল উক্ত বিতৰ্কিত দৃশ্যত অভিনয়ৰ বাবে। এটা বিশেষ দৃশ্যত তেওঁ কেমেৰাৰ সন্মুখত প্ৰদৰ্শন কৰিছিল নিজৰ গোপনাংগ। পোছাকৰ তলত অন্তৰ্বাস পৰিধান নকৰাকৈ তেওঁ ধৰা দিছিল কেমেৰাৰ সন্মুখত। মুহূৰ্তৰ বাবে গাউনৰ তলৰ পৰা দৰ্শকৰ চকুত ধৰা দিছিল শ্বেৰণৰ গোপনাংগ। সেই দৃশ্যৰ চৰ্চা আজিও অব্যাহত আছে। সম্প্ৰতি ৬৩ বছৰীয়া তাৰকা অভিনেত্ৰীগৰাকীয়ে সদৰী কৰিলে সেই দৃশ্যৰ অন্তৰালৰ কাহিনী।

হলিউদৰ বিখ্যাত অভিনেত্ৰীগৰাকীয়ে দাবী কৰিছে যে তেওঁৰ সন্মতি অবিহনেই মিছা কথাৰে পৰিচালকে সেই দৃশ্য কেমেৰাবন্দী কৰিছিল। যাৰ বাবে সেই সময়ত পৰিচালক পল ভাৰহোভেনক এপাত প্ৰচণ্ড চৰ শোধাবলৈকো তেওঁ ইতঃস্ততবোধ কৰা নাছিল। নিজৰ শেহতীয়া গ্ৰন্থ 'দ্য বিউটী অৱ লিভিং টুৱাইচ'ত শ্বেৰণে এই কাহিনী সদৰী কৰিছে।

অলপতে এক সাক্ষাৎকাৰত শ্বেৰণে নিজৰ গ্ৰন্থখনৰ প্ৰসংগত মন্তব্য কৰোতে কয়, 'বেছিক ইনষ্টিংক্ট ছবিৰ চিত্ৰগ্ৰহণৰ পাছত আমি ছবিখনৰ স'তে যুক্তসকলে ছবিখন চাইছিলো। তেতিয়াই মোৰ গোপনাংগৰ দৃশ্যটো প্ৰত্যক্ষ কৰি হতবাক হৈ পৰো। কিয়নো চিত্ৰগ্ৰহণৰ সময়ত তেওঁ মোক মিছা কথা কৈ অন্তৰ্বাস খুলিবলৈ কৈছিল। তেওঁ কৈছিল যে পোহৰৰ বাবে একো ধৰা নপৰিব। কিন্তু মোক প্ৰতাৰণা কৰা হ'ল। মই বিশ্বাস কৰিছিলো যে মোৰ যৌনাংগ দেখুওৱা নহ'ব।' উল্লেখ্য যে সেই দৃশ্যটোৰ বাবে 'বেছিক ইনষ্টিংক্ট' ছুপাৰহিট হৈছিল বুলি বহুতে দাবী কৰে। অৱশ্যে ছবিখনৰ সফলতাৰ গুৰিতে আছিল দুই মুখ্য অভিনয় শিল্পী শ্বেৰণ আৰু মাইকেল ডগলাছৰ অসাধাৰণ অভিনয়। শ্বেৰণে সাক্ষাৎকাৰত লগতে কয়, 'সেই দৃশ্যটো দেখাৰ পাছতে মই প্ৰজেক্টচন বুথলৈ গ'লো আৰু পৰিচালক ভাৰহোভেনক এটা চৰ শোধাইছিলো। পাছত বিষয়টোক কেন্দ্ৰ কৰি মই আইনজীৱীৰ শৰণাপন্ন হৈছিলো। আইনজীৱীয়ে ছবিখনৰ মুক্তি বন্ধ কৰাৰো আশ্বাস দিছিল। পাছত অৱশ্যে শ্বেৰণে নিজৰ সিদ্ধান্ত সলনি কৰে আৰু ছবিখন ছুপাৰহিট হয়।

## অক্টোবৰত ছবি গৃহত মুক্তি পাব

চুচৰি-বাগৰি আকৌ জীৱন সংগ্ৰামৰ যুঁজখনত দৌৰিবলগীয়া হৈছে। সেয়ে আমি প্ৰত্যেকেই একো একোগৰাকী যোদ্ধা। এনে বিষয়বস্তুকে লৈ নিৰ্মাণ কৰা হৈছে এখন গতানুগতিক অসমীয়া ছবি 'যোদ্ধা'।



# শেষ পৰ্যায়ৰ দৃশ্যগ্ৰহণত ব্যস্ত অসমীয়া ছবি 'যোদ্ধা'



**এই** গতিশীল জীৱনত নিজৰ নিজৰ ক্ষেত্ৰখনত প্ৰত্যেকগৰাকী মানুহেই সংগ্ৰামেৰে দৌৰিবলগীয়া হৈছে। প্ৰাপ্য বিচাৰি, ন্যায় বিচাৰি। কেতিয়াবা কেতিয়াবা ক'ৰবাত উজুটি খাই পৰিবলগীয়া হৈছে। তথাপিও চুচৰি-বাগৰি আকৌ জীৱন সংগ্ৰামৰ যুঁজখনত দৌৰিবলগীয়া হৈছে। সেয়ে আমি প্ৰত্যেকেই একো একোগৰাকী যোদ্ধা। এনে বিষয়বস্তুকে লৈ নিৰ্মাণ কৰা হৈছে এখন গতানুগতিক অসমীয়া ছবি 'যোদ্ধা'। যুৱ চামৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ সংগীত আৰু অভিনয় সমৃদ্ধ যোদ্ধা প্ৰযোজনা কৰিছে বিশিষ্ট ব্যৱসায়ী পৰিমল বিশ্বাসে। পৰিমল এণ্টাৰপ্ৰাইজৰ বেনাৰত নিৰ্মাণৰত যোদ্ধাৰ কাহিনী, সংলাপ, চিত্ৰনাট্য আৰু পৰিচালনা ভাস্কৰজ্যোতি গোস্বামীৰ। ছবিখনত অভিনয় কৰিছে ভ্ৰাম্যমাণ জগতৰ জনপ্ৰিয় অভিনেতা ৰাজকুমাৰ, অলিংকিতা গোস্বামী, কাজল শৰ্মা, প্ৰাণজিৎ দাস, চিন্ময় কটকী, জুৰি শৰ্মা আদিয়ে। ছবিখনৰ দৃশ্যগ্ৰহণ কৰিছে মুম্বাইত প্ৰতিষ্ঠিত অভিজিৎ গগৈয়ে। মুখ্য, সহকাৰী পৰিচালক জয়ন্ত শৰ্মা, সহকাৰী সিদ্ধাৰ্থ শংকৰ নাথ, সুৰজিৎ ফুকন। প্ৰযোজনা নিয়ন্ত্ৰণ মনোজ মিশ্ৰ, ৰূপসজ্জা বিশ্বজিৎ কলিতা, কলা নিৰ্দেশনা জ্যোতি শংকৰ ভট্টাচাৰ্য। সম্পাদনা মুম্বাইৰ প্ৰতিম খাউণ্ড (ৰাজা) আৰু শব্দ প্ৰযোজনা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত 'বাহুবলী'ৰ দেৱজিৎ চাংমাই। শেষ পৰ্যায়ৰ দৃশ্যগ্ৰহণ চলি থকা ছবিখনৰ অলপতে মুম্বাই, পণ্ডিচেৰী, গোৱাৰ বিভিন্ন মনোমোহা লোকেচনত গীতৰ দৃশ্যগ্ৰহণ হোৱাৰ পাছতে অহা অক্টোবৰত ছবিঘৰত মুক্তিলাভ কৰিব বুলি পৰিচালকে জনাইছে।

**মনোৰঞ্জন ভট্টাচাৰ্য**



**যোৱা** ২১ মাৰ্চ দেওবাৰে গায়ক শূলভৃত দৰ্শনৰ নিজা ৰচনাৰ আৰু তেওঁৰ দ্বাৰা সুৰ আৰোপিত আধ্যাত্মিক ভাব সমৃদ্ধ এমুঠি গীতৰ এক সংগীত সন্ধিয়া গুৱাহাটীৰ বামুণীমৈদামত এক ভাৱ গম্ভীৰ পৰিৱেশত অনুষ্ঠিত হয়। ইগ্নিছন আৰ্ট এণ্ড ক্ৰাফট চৌহদত আয়োজিত এই অনুষ্ঠানত শিল্পীগৰাকীয়ে ১২টা এনে গীত শ্ৰোতাসকলৰ আগত পৰিৱেশন কৰে।

শূলভৃতে যোৱা ২০১২ৰ পৰা আধ্যাত্মিকভাব জড়িত গীত ৰচনা কৰি আৰু গীতবোৰত সুৰ আৰোপ কৰি আহিছে। দেশ-বিদেশৰ অনেক আধ্যাত্মিকভাৱ সম্পন্ন লোকৰ সংস্পৰ্শৰ দ্বাৰা আৰু সেইসকলৰ স'তে ভাব বিনিময়ৰ দ্বাৰা তেওঁৰ এক অন্য ধৰণৰ মানসিকতা গঢ় লৈ উঠিছে যাৰ ফলত তেওঁৰ বেছি ভাগ ৰচনাত তেওঁৰ এক অন্য ধৰণৰ মানসিকতা গঢ় লৈ উঠিছে যাৰ ফলত তেওঁৰ বেছিভাগ ৰচনাত তেওঁৰ এই সংসাৰৰ প্ৰতি থকা এক নিজস্ব মনোভাব প্ৰকাশ পাইছে। প্ৰকৃতিৰ সুন্দৰতা আৰু ৰহস্যময়তা, প্ৰকৃতিৰ জৰিয়তে ঈশ্বৰ প্ৰাপ্তিৰ ইচ্ছা আদিৰ দৰে ভাব তেওঁৰ গীতবোৰত প্ৰকাশ পায়।

উদাহৰণ স্বৰূপে তেওঁৰ গীত 'মেৰে হৃদয়' গীতটোৰ মূল কথা এনে ঃ শূলভৃত এজন গুৰুৰ সন্ধানত ঃ এজন গুৰু যিয়ে তেওঁক মাৰ্গ দৰ্শনৰ দ্বাৰা এজন যোগীলৈ ৰূপান্তৰিত কৰিব পাৰে। বাৰাণসীৰ গংগাৰ তীৰৰ অসংখ্য ঘাটত তেওঁ মহাদেৱৰ আৰাধনাত; এজন গুৰু প্ৰাপ্তিৰ কামনাৰে মহাদেৱৰ অৰ্চনাত। এইটো গীত তেওঁৰ বাৰাণসীৰ ওপৰত নিৰ্মিত হ'ব লগা চুটি বোলছবি এখনৰ অন্তৰ্গত। আন এটা গীতত তেওঁ সৃষ্টিকৰ্তা ঈশ্বৰক সকলোতকৈ ডাঙৰ শিল্পী বুলি অভিহিত কৰিছে। গীতৰ মাজেৰে ঈশ্বৰপ্ৰাপ্তি এয়ে হ'ল যে শূলভূতৰ বেছিভাগ গীতৰ মূল সাৰ। আধুনিক আৰু ধ্ৰুপদী সংগীতৰ এক সংমিশ্ৰণত এই গীতসমূহৰ সুৰ শূলভূতে ৰচনা কৰিছে।

এতিয়ালৈকে কেৱল হিন্দী ভাষাত গীত পৰিৱেশন কৰা শূলভূত বৰ্তমান এই গীতসমূহ অসমীয়া ভাষালৈ ৰূপান্তৰিত কৰাত নিয়োজিত। পৰৱৰ্তী সময়ত এনে ধৰণৰ আধ্যাত্মিক ভাবৰ গীত অসমীয়া ভাষাত পৰিৱেশন কৰাৰ প্ৰস্তুতিত তেওঁ ব্যস্ত।

# আধ্যাত্মিক ভাব সমৃদ্ধ গীতৰ এসন্ধ্যা



# খলনায়ক হ'ব হেৰী পটাৰ

**গোলাকাৰ** চশমা, মিঠা হাঁহি, সৰলতাৰে ভৰা মুখ, জনপ্ৰিয় জাদুকৰ। ৰূপালী পৰ্দাত দীৰ্ঘদিন ধৰি শিশুৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠজনকো মুগ্ধ কৰিছিল হেৰী পটাৰে। কল্প কাহিনীৰ ছবিত হেৰী পটাৰ চৰিত্ৰটো হৈ উঠিছিল কিংবদন্তি। কিন্তু এতিয়া আৰু সেই দিন নাই। হেৰী পটাৰ এতিয়া অন্য ধৰণৰ চৰিত্ৰৰ প্ৰতি আগ্ৰহী হৈ পৰিছে। নহ'বনো কিয়? হেৰী পটাৰৰ সেই সৰল চেহেৰা এতিয়া নাই। হেৰী পটাৰ মানে, উক্ত চৰিত্ৰত অভিনয় কৰা ডেনিয়েল ৰাডক্লিফ এতিয়া এজন সুঠাম যুৱক। শিশুসুলভ সৰলতা এতিয়া তেওঁৰ চেহেৰাত নাই। অৱশ্যে ইতিমধ্যেই তেওঁ হেৰী পটাৰৰ চৰিত্ৰ এৰি বিভিন্ন ৰূপত হলিউদত আত্মপ্ৰকাশ কৰিছে। 'ছুইছ আৰ্মি মেন', 'দ্য অ'মেন ইন ব্লেক', 'কি ইয়ৰ ডাৰ্লিংছ' আদি ছবিত ডেনিয়েলে ভিন্নধৰ্মী ৰূপত দৰ্শকৰ আগত ধৰা দিছে। এইবাৰ তেওঁ একেবাৰে নতুন ৰূপত দৰ্শকৰ সন্মুখলৈ আহিব। এইবাৰ খলনায়ক হ'ব 'হেৰী পটাৰ'।

'দ্য লষ্ট চিটী অন ডী' ছবিত ডেনিয়েলক দেখা যাব নেতিবাচক চৰিত্ৰত। ছবিখনত তেওঁৰ স'তে অভিনয় কৰিব ছান্দ্ৰা বুলক, পেটী হেৰিছন, চেনিং টেটুমৰ দৰে তাৰকাই। প্ৰেম আৰু ৰোমাঞ্চেৰে ভৰা এই ছবিখন পৰিচালনা কৰিব আডাম আৰু এৰ'ন নীয়ে। তেওঁলোকে ইয়াৰ পূৰ্বে ২০১৫ত নিৰ্মাণ কৰিছিল 'বেণ্ড অৱ ৰ'বাৰ্ছ'। উল্লেখ্য যে ডেনিয়েলে ইয়াৰ পূৰ্বে অভিনয় কৰিছিল নেটফ্লিক্সৰ এটা কমেডী ছিৰিজত। এইবাৰ সকলোৰে প্ৰিয় 'হেৰী'য়ে প্ৰেমৰ ছবিত খলনায়ক হৈ দেখা দিব।

# হেল্প' টিভি চুটি ছবি মহোৎসৱ

**অসমৰ** মনোৰঞ্জন ক্ষেত্ৰখনত সংযোজন হোৱা অসমৰ প্ৰথমটো অ'টিটি প্লেটফৰ্ম হেল্প' টিভি আৰু অসমৰ প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় প্ৰডাক্চন হাউছ সঞ্চিতা প্ৰডাক্চনৰ উদ্যোগত নৱ প্ৰজন্মৰ পৰিচালক, ছবি নিৰ্মাতা আৰু অভিনেতা-অভিনেত্ৰীসকলক বিশেষভাৱে সন্মানিত কৰাৰ উদ্দেশ্যেৰে হেল্প' টিভিয়ে আয়োজন কৰিছে **'হেল্প' টিভি চুটি ছবি মহোৎসৱ ২০২০-২১'**। লকডাউনৰ সময়ছোৱাত অসমীয়া ছবিজগতত বাবে যি দুৰৱস্থা নামি আহিছিল, ঠিক সেই সময়তে সাংস্কৃতিক ক্ষেত্ৰখনত আমাৰ বতৰা কঢ়িয়াই লৈ আহিছিল সঞ্চিতা প্ৰডাকচনে। ছবি নিৰ্মাতা আৰু পৰিচালকসকলক এক মৰ্যাদা দিয়াৰ প্ৰয়াসেৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত ছবি পৰিচালিকা অভিনেত্ৰী সঞ্চিতা তালুকদাৰ আৰু ছবি নিৰ্মাতা পৰিচালক জ্যোতি কাকতিৰ যৌথ প্ৰচেষ্টাত সকলোৰে বাবে বিনামূলীয়াকৈ মুকলি কৰি দিছিল চুটি ছবিৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ৬৩ খন ছবিয়ে অংশগ্ৰহণ কৰে আৰু ছবিয়ে অংশগ্ৰহণ কৰে আৰু তাৰে মাজৰে পৰা ২২ খন ছবিয়ে অফিচিয়েল চিলেকচন পাবলৈ সক্ষম হয়। ২৪ মাৰ্চ ২০২১ বুধবাৰে গুৱাহাটী সদৌ অসম মুক্তিযুজাৰুৰ প্ৰেক্ষাগৃহত অতি জাকজমকতাৰে অনুষ্ঠিত হৈ যায় হেল্প' টিভি চুটি ছবিৰ মহোৎসৱ। অসমীয়া ছবিজগতৰ বিশিষ্ট অভিনেতা নিপন গোস্বামী, চম্পক শৰ্মা, বিশিষ্ট পৰিচালক উপকুল বৰদলৈ, প্ৰযোজক চিন্ময় শৰ্মা, গোপাল জালান, জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈ, অচ্যুত পাটোৱাৰীকে ধৰি কে'বাজনো জনপ্ৰিয় ছবি পৰিচালক আৰু অভিনেতা-অভিনেত্ৰীৰ উপস্থিতিত বহুত সফলভাৱে অনুষ্ঠিত হয় হেল্প' টিভি চুটি ছবি মহোৎসৱ। এই মহোৎসৱত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰে ছবি **লকডাউন ডায়েৰী** শ্ৰেষ্ঠ ছবিৰ প্ৰযোজক পৰিচালকে লাভ কৰে নগদ ১০,০০০ টকা, ট্ৰফি আৰু মানপত্ৰ। দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ বঁটা বিজয়ী **লাইফ উইদাউত** গ্ৰেভিটি ছবিখন প্ৰযোজক পৰিচালকে লাভ কৰে নগদ সাত হেজাৰ টকা, ট্ৰফি আৰু মানপত্ৰ, তৃতীয় শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰে **'লঞ্চ'** ছবিখনে আৰু



ছবিখনৰ প্ৰযোজক পৰিচালকে লাভ কৰে নগদ চাৰি হেজাৰ টকা, ট্ৰফি আৰু মানপত্ৰ। জুৰিৰ বিশেষ শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰে প্ৰতুষে আৰু সমালোচকৰ শ্ৰেষ্ঠ ছবি বঁটা লাভ কৰে ছবি মৰিশালীয়ে। হেল্প টিভি অসম গৌৰৱ সন্মান নামেৰে এটি বিশেষ সন্মানীয় বঁটা আগবঢ়ায় **'ব্ৰিজ'** ছবিৰ যোগেদি ৰাষ্ট্ৰীয় বঁটা লাভ কৰা পৰিচালক 'কৃপাল কলিতাক'। লগতে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপ্ত নৃত্য ৰত্ন ৰামকৃষ্ণ তালুকদাৰক হেল্প টিভিৰ তৰফৰ পৰা জীৱনজোৰা সত্ৰীয়া নৃত্যৰ অৱদানৰ বাবে **'সৰ্বোত্তম বঁটা'** এটি আগবঢ়োৱা হয়। ইয়াৰ উপৰিও মহোৎসৱটিত সৰ্বমুঠ ৩০ (ত্ৰিশ) টা বঁটা আগবঢ়োৱা হয়। বঁটাসমূহ হৈছে ঃ শ্ৰেষ্ঠ পৰিচালক ঃ দ্বিপজ্যোতি কলিতা, ছবি ঃ লকডাউন ডায়েৰী, শ্ৰেষ্ঠ কাহিনী ঃ ৰিতা ভূঞা বৰুৱা, ছবি ঃ প্ৰত্যুষ, শ্ৰেষ্ঠ চিত্ৰনাট্য ঃ মিন্তু বৰ্মন, জনাৰ্দন পাটোৱাৰী, ৰাজতিলক ডেকা, ছবি ঃ মৰিশালী, শ্ৰেষ্ঠ সংলাপ ঃ পৰমানন্দ শইকীয়া, ছবি ঃ স্তব্ধ সময়, শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰী ঃ সুজিত দেববৰ্মা, ছবি ঃ লাইফ উইদাউট গ্ৰেভিটি, শ্ৰেষ্ঠ সম্পাদক ঃ ৰিতুৰঞ্জন হাতিমুৰীয়া, ছবি ঃ মিৰৰ, শ্ৰেষ্ঠ শব্দগ্ৰহণকাৰী ঃ ৰেহান আৰু আহমেদ, ছবি ঃ কেনপচিয়া, শ্ৰেষ্ঠ আবহ সংগীত ঃ প্ৰণিল বড়ো, ছবি ঃ লাইফ উইদাউত গ্ৰেভিট, শ্ৰেষ্ঠ সাজসজ্জা ঃ প্ৰণৱজ্যোতি আৰু সুজিত, ছবি ঃ ন দ্য হোম, শ্ৰেষ্ঠ কণ্ঠশিল্পী ঃ মানসী দেৱী, ছবি ঃ মিৰৰ, শ্ৰেষ্ঠ ৰূপসজ্জা ঃ হাইমা আৰু চিমি, ছবি ঃ মিৰৰ, শ্ৰেষ্ঠ অভিনেতা ঃ কুমাৰ চন্দ্ৰ নাৰায়ণদেৱ, ছবি ঃ লকডাউন ডায়েৰী, শ্ৰে অবিনেত্ৰী ঃ ৰজ লাংচাৰ, ছবি ঃ লাইফ উইদাউত গ্ৰেভিটি, শ্ৰেষ্ঠ সহ অভিনেতা ঃ নৱজিৎ কলিতা, ছবি ঃ লকডাউন ডায়েৰী, শ্ৰেষ্ঠ সহ অভিনেত্ৰী ঃ জুলি লস্কৰ, ছবি ঃ অপেক্ষা, শ্ৰেষ্ঠ শিশু শিল্পী ঃ হানিফ ৰহমান, ছবি ঃ লাঞ্চ, শ্ৰেষ্ঠ খলনায়ক ঃ হিৰাপ্ৰেম খান, সুপ্ৰভাত গুপ্ত, ছবি ঃ মিৰৰ, অবলা, শ্ৰেষ্ঠ নৱাগত অভিনেতা ঃ ৰূপকজ্যোতি দাস, ছবি ঃ হেপাহ, শ্ৰেষ্ঠ নৱাগত অভিনেত্ৰী ঃ কিনকিন মহন্ত, ছবি ঃ সেন্দুৰ, জুৰিৰ শ্ৰেষ্ঠ অভিনেতা ঃ ৰাজেশ দাস, ছবি ঃ কেনপচিয়া, জুৰিৰ শ্ৰেষ্ঠ অভিনেত্ৰী ঃ প্ৰতিভা চৌধুৰী, ছবি ঃ মৰিশালী, সমালোচক শ্ৰেষ্ঠ অভিনেতা ঃ পৰমানন্দ শইকীয়া, ছবি ঃ স্তব্ধ সময়, শ্ৰেষ্ঠ এৰিয়েল ঃ ড্ৰিবকাম ৰামচিয়াৰী, ছবি ঃ ৰং বিহিন ৰঙালী।

স্পেচিয়েল ফেষ্টিভেল বঁটা লাভ কৰা ছবিসমূহ হৈছে ঃ ৰংবিহিন ৰঙালী, অপেক্ষা, মিৰৰ, সেন্দুৰ, কেনপচিয়া, স্তব্ধ সময়, হেপাহ, আখৰা ঘৰ, অবলা, দহন।

# দিঠকত হেৰাল সপোনে অসমীয়া ছবি জগতত খলকনি তুলিব ঃ মঞ্জু বৰা

**দি**ঠকত হেৰাল সপোনে অসমীয়া ছবিজগতত খলকনি তুলিব। ক'ভিড মহামাৰীৰ ভয়ানক দিন পাৰ হৈ যোৱাৰ পাছত এতিয়া সকলোৱে এতিয়া পৰিত্ৰাণ পাইছে। নিৰ্বাচনৰ পাছত বিহুৰ সময়ত মুক্তি পাবলগীয়া দিঠকত হেৰাল সপোন চাবলৈ সকলো আহক। আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ বিজয়ী অসমীয়া চলচ্চিত্ৰ 'দিঠকত হেৰাল সপোন'ৰ পোষ্টাৰ আজি গুৱাহাটী প্ৰেছ ক্লাবত আবেলি তিনি বজাত আনুষ্ঠানিকভাৱে পোষ্টাৰ মুকলি কৰি এনেদৰে কয় যশস্বী পৰিচালক মঞ্জু বৰাই। মিচিং ছবি নিৰ্মাণৰ আঁৰৰ কাহিনী ব্যক্ত কৰি বিশিষ্ট পৰিচালকজনে অসমীয়া ছবি চাবলৈ সকলোকে আহ্বান কৰে। বিশিষ্ট চিত্ৰনাট্যকাৰ আৰু ছবিখনৰ পৰিচালক পংকজ পল্লৱ শৰ্মাই আঁত ধৰা অনুষ্ঠানত অতিথিৰ আসন গ্ৰহণ কৰে আৰক্ষী বিষয়া পৰেশ চন্দ্ৰ বৰদলৈ। সংগীতকাৰ অবনী ৰঞ্জন পাঠক, অভিনেতা মুকুল দাস আৰু প্ৰযোজক অজিত বৰ্মনে।

ইতিমধ্যে সাংস্কৃতিক মহলকে ধৰি ইলেকট্ৰনিক মিডিয়াতো বিশেষ চৰ্চা লাভ কৰা দিঠকত হেৰাল সপোনে লাভ কৰিছে টেগুৰ ইণ্টাৰনেচনেল ফিল্ম মহোৎসৱত নেৰেটিভ শাখাত বেষ্ট এচিভমেণ্ট এৱাৰ্ড। আনহাতে, চলচ্চিত্ৰখন শিলিগুৰী ফিল্ম এণ্ড টেলিভিছন ইনষ্টিটিউট আৰু ইউনিভাৰ্চেল ষ্টুডিঅ'ৰ পৰা লাভ কৰিছে বিশেষ সন্মান। দিঠকত হেৰাল সপোনৰ প্ৰযোজনা কৰিছে মাকনপ্ৰিয়া প্ৰডাকচনৰ বেনাৰত অজিত বৰ্মনে। চিত্ৰনাট্য, সংলাপ ৰচনা কৰিছে পংকজ পল্লৱ শৰ্মাই। শৰ্মাই চলচ্চিত্ৰখন পৰিচালনা কৰিছে। নাগাৰা নামৰ যশস্বী পাঠক ৰামচৰণ ভড়ালী ভ্ৰাম্যমাণ থিয়েটাৰৰ এসময়ৰ মোহনীয় অভিনেত্ৰী মণি বৰা, জৰ্জীয়া মেধি, অজিত বৰ্মন, পংকজ পল্লৱ শৰ্মা, দিগন্ত কুমাৰ নাথ, দ্বিজেন্দ্ৰ শৰ্মাকে ধৰি বহু ন-পুৰণি শিল্পীয়ে চলচ্চিত্ৰখনত অভিনয় কৰিছে। চলচ্চিত্ৰখনৰ সংগীত অপূৰ্ব বেজবৰুৱা আৰু অজিত বৰ্মনৰ। কণ্ঠশিল্পী ড° অনিমা চৌধুৰী সুকন্যা গোস্বামী দেবৰ্চনা কাশ্যপ আৰু অজিত বৰ্মন। আজিৰ অনুষ্ঠানত মুম্বাইৰ অভিনেতা আনন্দ সিং, দিগন্ত কুমাৰ নাথ, পৰিচালক নাৰায়ণ শীল, মিলি তালুকদাৰ, প্ৰণৱ মেধী, কবিতা বৈদ্য, বিশিষ্ট সংগীত শিল্পী সুনয়না গোস্বামী, নিলোৎপল শৰ্মা, দ্বিজেন শৰ্মা গীতা বৰ্মন, স্বপ্না নাথ মনোজ বৰ্মন, নিৰ্মল নাথ জীৱন ডাইকা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

**জয়ন্ত কুমাৰ শৰ্মা**



গুৱাহাটী প্ৰেছ ক্লাবত আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ বিজয়ী অসমীয়া ছবি 'দিঠকত হেৰাল সপোন'ৰ পোষ্টাৰ মুকলি



## গুৱাহাটী চিটীৰ গ্ৰেটাৰ গুৱাহাটী বেবী লীগ আৰম্ভ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** গুৱাহাটী চিটী এফ চিয়ে আয়োজন কৰা গ্ৰেটাৰ গুৱাহাটী বেবী লীগ আজিৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে ফিফা অনুমোদিত টাৰ্ফ গেম অন এৰিনাত আয়োজন কৰা হৈছে গ্ৰেটাৰ গুৱাহাটী বেবী লীগ। গুৱাহাটী চিটী এফ চিয়ে আঠ, দহ আৰু বাৰ বছৰ অনূৰ্ধ দলৰ মাজত গ্ৰেটাৰ গুৱাহাটী বেবী লীগ আয়োজন কৰিছে। উল্লেখ্য যে গ্ৰুপ আৰু নকআউট পদ্ধতিৰে আয়োজিত গ্ৰেটাৰ গুৱাহাটী বেবী লীগত যোল্লটা দলকহে খেলাৰ সুযোগ দিব গুৱাহাটী চিটী এফ চিয়ে। আজি দহ বছৰ অনূৰ্ধ্বৰ মেচত গুৱাহাটী চিটী এফ চিয়ে 19-2 গ'লত পৰাস্ত কৰে ৰেইনবো এফ চি চিক।

## চিটী ক্ৰিকেটক এক ৰাণত হৰুৱাই চেম্পিয়ন মহাৰাণা

**বিশেষ সংবাদদাতা, মঙলদৈ, ২৭ মাৰ্চ ঃ** মঙলদৈত চলি থকা গোলাপ হাজৰিকা-আৰতি হাজৰিকা আৰু শৰৎ কলিতা ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে গুৱাহাটীৰ মহাৰাণা ক্লাব। উল্লেখ্য যে প্ৰতিযোগিতাৰ ফাইনেল মেচখন অনুষ্ঠিত হয় গুৱাহাটীৰ মহাৰাণা ক্লাব আৰু চিটী ক্ৰিকেট ক্লাবৰ মাজত। ৰোমাঞ্চকৰ মেচত এক ৰাণত জয়লাভ কৰি মহাৰাণা ক্লাব চেম্পিয়ন হয়। উল্লেখ্য যে স্বৰূপম পুৰকায়স্থৰ শতকৰে মহাৰাণা ক্লাবে ন উইকেটত 233 ৰাণ কৰে। প্ৰত্যুত্তৰত নিৰ্ধাৰিত অভাৰত চিটী ক্ৰিকেট ক্লাবে চাৰি উইকেটত 232 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনৰ দ্বিতীয় ছেমিফাইনেলত চিটী ক্ৰিকেট ক্লাব মুখামুখি হয় লখিমপুৰৰ নকাৰী ক্লাবৰ। মেচখনত 43 ৰাণত জয়ী হয় চিটী ক্ৰিকেট ক্লাব। ইয়াৰপূৰ্বে প্ৰথম ছেমিফাইনেলত মহাৰাণা ক্লাবে 110 ৰাণত পৰাস্ত কৰিছিল চিটী ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক। চেম্পিয়ন মহাৰাণা ক্লাবে এক লাখ আৰু ৰাণাৰ্ছআপ চিটী ক্ৰিকেট ক্লাবে 50 হেজাৰ টকা লাভ কৰে।

### মেচৰ ফলাফলে নিৰ্ণয় কৰিব তিনিখনীয়া এদিনীয়া শৃংখলাৰ শ্ৰেষ্ঠ কোন

# আজি ভাৰত-ইংলণ্ডৰ অন্তিম এদিনীয়া

**পুনে, ২৭ মাৰ্চ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে দিবা-নৈশ এই মেচতে নিৰ্ণয় হ'ব শৃংখলা কোনটো দলে দখল কৰে। ইতিমধ্যে টেষ্ট আৰু টি-20 শৃংখলা হেৰুৱাইছে ইংলণ্ডে। আনহাতে, তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম মেচতো ইংলণ্ড পৰাজয়ৰ সন্মুখীন হৈছিল। কিন্তু দ্বিতীয় মেচত জয়ৰে 1-1 ত সমতা স্থাপন কৰি প্ৰত্যাৱৰ্তন কৰিছে। উল্লেখ্য যে এই মেচ ইংলণ্ডৰ বাবে আছিল মৰণপণ। পৰাজয় মানেই ভ্ৰমণৰ অন্তিমটো ব্যৰ্থতা। কিন্তু অনবদ্য বেটিং প্ৰদৰ্শন কৰি ইংলণ্ডে দ্বিতীয়খন এদিনীয়া মেচত ভাৰতক ছয় উইকেটত পৰাস্ত কৰি চলিত শৃংখলাত শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছে। দিবা-নৈশ মেচখনত ভাৰতে দিয়া 337 ৰাণৰ বিজয়লক্ষ্য ইংলণ্ডে 43.3 অভাৰত চাৰিটা উইকেট হেৰুৱাই পূৰ্ণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। ইংলণ্ড দলৰ হৈ জনি বেয়াৰষ্টোৱে 124 ৰাণৰ বিস্ফোৰক শতকীয় ইনিংছ খেলাৰ লগতে শতকীয় যুটি কৰে জেছন ৰয় (55] আৰু বেন ষ্টকছ (99] ৰ লগত। ইংলণ্ডৰ বেটিং শক্তিয়ে দলক তৃতীয় মেচৰ পূৰ্বে আত্মবিশ্বাসী কৰি তুলিছে। বেটিং শক্তি আছে ভাৰতৰো। দ্বিতীয় মেচত পোনতে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 336 ৰাণ। উল্লেখ্য যে প্ৰথম মেচৰ দৰেই দ্বিতীয় মেচতো ভাৰতে দুটাকৈ শতকীয় যুটি কৰিবলৈ সক্ষম হয়। যাৰবাবে ক্ৰমাগত দ্বিতীয়খন মেচত তিনিশ ৰাণৰ সংখ্যা পাৰ কৰে ভাৰতে। অধিনায়ক বিৰাট কোহলিয়ে পুনৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলে। একেদৰে লোকেছ ৰাহুলেও ধাৰাবাহিকতা ৰক্ষা কৰি শতক অৰ্জন কৰিবলৈ সক্ষম হয়। ভাৰতৰ প্ৰথমটো শতকীয় যুটি হয় বিৰাট আৰু ৰাহুলৰ মাজত। অধিনায়ক বিৰাট কোহলিয়ে 66 ৰাণ কৰি আউট হয় যদিও ৰাহুলে পুনৰ শতকীয় যুটি কৰে ঋষভ পণ্টৰ লগত। উল্লেখ্য যে ৰাহুলে 108 ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে ঋষভে 77 ৰাণ কৰে। কিন্তু বেটিং বিক্ৰমৰ পাছতো বলাৰৰ ব্যৰ্থতাৰ বাবে পৰাজয়ৰ সন্মুখীন হয় ভাৰত। ইয়াৰপূৰ্বে ভাৰতে বলাৰৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে প্ৰথমখন এদিনীয়া মেচত ইংলণ্ডৰ বিৰুদ্ধে 66 ৰাণত জয়লাভ কৰিছিল। ভাৰতে দিয়া 318 ৰাণ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে 42.1 অভাৰত 251 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে দলৰ দুই অপেনাৰ বায়াষ্টো (94] আৰু জেছন ৰয়ে (46] 135 ৰাণৰ যুটী বান্ধি ইংলণ্ডক সুন্দৰ আৰম্ভণি দিছিল যদিও বাকীসকল ব্যৰ্থ হয়। ভাৰতৰ হৈ অভিষেক কৰা প্ৰসিদ্ধ কৃষ্ণাই চাৰিটা উইকেট লাভ কৰাৰ বিপৰীতে ছাৰ্দুল ঠাকুৰে তিনিটা আৰু ভুৱনেশ্বৰ কুমাৰে দুটা উইকেট পায়। ইয়াৰপূৰ্বে পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত 317 ৰাণ কৰে। উল্লেখ্য যে ভাৰতীয় দলৰ এই ৰাণৰ মূলতে হ'ল দুটা শতকীয় যুটী। অপেনাৰ শিখৰ ধৱন আৰু অধিনায়ক বিৰাট কোহলিয়ে শতকীয় যুটী কৰাৰ পাছত লোকেছ ৰাহুল আৰু অভিষেক কৰা ক্ৰুনাল পাণ্ডিয়ায়ো শতকীয় যুটী কৰে।





## কৰ'নাত আক্ৰান্ত শচীন তেণ্ডুলকাৰ

**নতুন দিল্লী, ২৭ মাৰ্চ ঃ** মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰ কৰ'নাত আক্ৰান্ত হৈছে। আজি নিজে এই কথা জনাই শচীনে। উল্লেখ্য যে চত্তিছগড়ত অনুষ্ঠিত আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাত অংশ লৈছিল শচীনে। এতিয়া পৰীক্ষাত কৰ'না ধৰা পৰিছে। স্মৰ্তব্য যে শচীনৰ নেতৃত্বত খেলি ইণ্ডিয়া লিজেণ্ডে প্ৰথম আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন হৈছে। ৰায়পুৰৰ বীৰ নাৰায়ণ সিং আন্তৰ্জাতিক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেল মেচত ইণ্ডিয়া লিজেণ্ডে 14 ৰাণত পৰাস্ত কৰে শ্ৰীলংকা লিজেণ্ডক। উল্লেখ্য যে ভাৰতে দিয়া 182 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত অভাৰত সাত উইকেট হেৰুৱাই 167 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

## জে কে বৰুৱা ক্ৰিকেটৰ ফাইনেলত নলবাৰী-শিলচৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন অহা 29-30 মাৰ্চত অনুষ্ঠিত হ'ব। ফাইনেলত নলবাৰী মুখামুখি হ'ব শিলচৰৰ। উল্লেখ্য যে অপৰাজেয় হৈ নলবাৰীয়ে প্ৰতিযোগিতাত প্ৰথমটো দলৰূপে ফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ 'বি'ৰ দুয়োখন মেচতে জয়লাভ কৰিছে নলবাৰীয়ে। দ্বিতীয় মেচখনত নলবাৰীয়ে তিনিচুকীয়াৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে জয়লাভ কৰে। উল্লেখ্য যে মেচখনত প্ৰথমে বেটিং কৰি তিনিচুকীয়াই 132 ৰাণত প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত নলবাৰীয়ে প্ৰথমদিনাৰ খেলৰ অন্তত চাৰি উইকেটত 174 ৰাণ কৰি প্ৰথম ইনিংছত 44 ৰাণৰ অগ্ৰগতি লৈছিল। দ্বিতীয় দিনা দলে 256-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰে। ইফালে, তিনিচুকীয়াই দ্বিতীয় ইনিংছত 236 ৰাণ কৰাৰ পাছত নলবাৰীয়ে দ্বিতীয় ইনিংছত এটা উইকেট হেৰুৱাই 56 ৰাণ কৰাৰ সময়তে মেচ ড্ৰ হয়। প্ৰথম ইনিংছৰ অগ্ৰগতিৰ বাবে নলবাৰীয়ে তিনি পইণ্ট লাভ কৰে। দলৰ মুঠ পইণ্ট হয় ন। উল্লেখ্য যে পূৰ্বৰ মেচত নলবাৰীয়ে আঠ উইকেটত পৰাস্ত কৰিছিল গোলাঘাটক। এই জয়ৰে ছয় পইণ্ট লাভ কৰে নলবাৰীয়ে। দুদিনীয়া মেচখনত নলবাৰীয়ে টছত জয়ী হৈ গোলাঘাটক বেটিং কৰিবলৈ দিয়ে। গোলাঘাটে প্ৰথম ইনিংছত 172 ৰাণ কৰে। প্ৰত্যুত্তৰত নলবাৰীয়ে 176 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, গোলাঘাটে পাঁচ উইকেটত 181 ৰাণত দ্বিতীয় ইনিংছ ঘোষণা কৰি নলবাৰীৰ সন্মুখত 178 ৰাণৰ বিজয়লক্ষ্য ৰাখে। নলবাৰীয়ে এই লক্ষ্য অনুসৰণ কৰি দুটা উইকেট হেৰুৱাই 180 ৰাণ কৰি বিজয় অৰ্জন কৰে। উল্লেখ্য যে জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডলৈ ছটা দল উন্নীত হৈছিল। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচ দুদিনীয়া হোৱাৰ লগতে যি ছটা দলে ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে সেয়া দুটা গ্ৰুপত ভাগ কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষ দলে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। গ্ৰুপ 'বি'ৰ পৰা নলবাৰী ফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ 'এ'ৰ পৰা ফাইনেলত প্ৰৱেশ কৰিছে শিলচৰে। উল্লেখ্য যে গ্ৰুপ 'এ'ত গুৱাহাটী, ধেমাজি আৰু শিলচৰ থকাৰ বিপৰীতে গ্ৰুপ 'বি'ত আছিল গোলাঘাট, নলবাৰী আৰু তিনিচুকীয়া।

## ২৯ মাৰ্চত শ্ৰীলংকা-ৱেষ্টইণ্ডিজৰ দুখনীয়া শৃংখলাৰ দ্বিতীয় টেষ্ট



**এণ্টিগুৱা, ২৭ মাৰ্চ ঃ** শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ চলিত দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচ অহা 29 মাৰ্চৰ পৰা এণ্টিগুৱাত আৰম্ভ হ'ব। উল্লেখ্য যে দ্বিতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কোন দলে দখল কৰে। কাৰণ উভয় দলৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছে। উল্লেখ্য যে প্ৰথম টেষ্টত শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ সন্মুখত 375 ৰাণৰ বিজয়লক্ষ্য দিছিল। কিন্তু অন্তিমদিনা ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত 236 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। কেৰিবিয়ান দলৰ হৈ অপৰাজিত শতক অৰ্জন কৰে বাৰ্ণাৰে (113]¼ তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 102 ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। টেষ্টখনত পোনতে বেটিং কৰা সিংহলী বাহিনীয়ে 169 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত কেৰিবিয়ান বাহিনীয়ে 271 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। কিন্তু দ্বিতীয় ইনিংছত শক্তিশালী প্ৰত্যাৱৰ্তন কৰে শ্ৰীলংকাই। সিংহলী বাহিনীয়ে 476 ৰাণ কৰি পৰাজয় ৰক্ষাৰ লগতে দৃঢ় স্থিতিত উপনীত হয়। দলৰ হৈ নিছাংকাই (103 ৰাণ) শতক অৰ্জন কৰাৰ বিপৰীতে ডিকবালে 96, ফাৰ্ণাণ্ডোই 91, থিৰিমানে 76 আৰু ছিলভাই 50 ৰাণ কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত জয় কৰিছিল। আনহাতে, ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছিল।

## অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ ৰূপালী জয়ন্তী অনুষ্ঠানত ৰাজ্যৰ খেলুৱৈ-ক্ৰীড়া সংগঠকক সন্মান



**গুৱাহাটী, ২৭ মাৰ্চ ঃ** গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত আজি সন্ধিয়া অনুষ্ঠিত হয় অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ সামৰণি অনুষ্ঠান। উল্লেখ্য যে লৌহপুৰুষ প্ৰেমদা কান্ত শৰ্মাৰ জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত হোৱা অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱ এইবাৰ ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈছে। পূৰ্বৰ দৰেই এইবাৰো অসম ক্ৰীড়া সাংস্কৃতিক উৎসৱৰ সামৰণি অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে প্ৰেমধৰ শৰ্মা, ডাঃ হৰ্ষ ভট্টাচাৰ্য, প্ৰশান্তজ্যোতি বৰুৱা, নুৰুদ্দিন আহমেদ, মিফতাউদ্দিন আহমেদ, বিষ্ণুৰাম নুনিছা, পদ্মশ্ৰী সূৰ্য হাজৰিকা, কৈলাশ শৰ্মা, কৃষ্ণ ৰয় আদি। উল্লেখ্য যে সমিতিয়ে ইতিমধ্যে 2020-21 বৰ্ষৰ বঁটা ঘোষণা কৰিছিল। এইবাৰ জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয় ঃ মিহিৰ দেউৰী (সাংবাদিকতা), ডাঃ অখিল কুমাৰ বৰুৱা (চিকিৎসা), চেতনা দাস (সংস্কৃতি), বাবুল হোড় (ক্ৰীড়া) আৰু ইন্দ্ৰমোহন দাসক (সমাজসেৱা)। ইফালে, বিক্ৰম বড়ো শ্ৰেষ্ঠ প্ৰশিক্ষক, অমল নাৰায়ণ পাটোৱাৰী শ্ৰেষ্ঠ ক্ৰীড়া সংগঠক, আয়ান ৰছিদ শ্ৰেষ্ঠ ক্ৰীড়াবিদ, 'লক্ষ্যভেদ' শ্ৰেষ্ঠ ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ আৰু অনিৰ্বান দাসে শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা লাভ কৰাৰ লগতে শ্ৰেষ্ঠ গ্ৰন্থ নিৰ্বাচিত হৈছে বড়ো আন্দোলনৰ পটভূমিত গীতালী বৰুৱাই ৰছনা কৰা উপন্যাস 'দাহালথুংগ্ৰি'। বিশ্ব মহিলা বক্সিঙত প্ৰথম অসমীয়া ৰূপে পদক লাভ কৰা কল্পনা চৌধুৰী, বি চি চি আইৰ কিউৰেটৰ মুকুট কলিতা, সমৰকলাৰ জ্যেষ্ঠ প্ৰশিক্ষক দেৱজিত গগৈ, নাট্য পৰিচালিকা স্মিতা বৰ্মন আৰু স্কাউট এণ্ড গাইডৰ শিক্ষয়িত্ৰী জুনু ৰাজখোৱাক সমিতিয়ে বিশেষ বঁটা প্ৰদান কৰে।

## আন্তঃজিলা ক্ৰিকেটত ধেমাজিক প্ৰথম ইনিংছৰ অগ্ৰগতিৰে হৰুৱাই খিতাপৰ যুঁজত শিলচৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত দ্বিতীয়টো দল ৰূপে ফাইনেলত প্ৰৱেশ কৰিছে শিলচৰ। উল্লেখ্য যে ফাইনেল ৰাউণ্ডৰ অন্তিমখন মেচত শিলচৰে ধেমাজিৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ফাইনেলত প্ৰৱেশ কৰে। দুদিনীয়া মেচৰ প্ৰথমদিনা পোনতে বেটিং কৰি শিলচৰে 321 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ শতক অৰ্জন কৰে ৰ'ছন তপ্নই (113]¼ আনহাতে, ধেমাজিৰ হৈ ৰাজেশ ছাহানিয়ে পাঁচটা উইকেট পায়। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত ধেমাজিয়ে প্ৰথম ইনিংছ আৰম্ভ কৰি 18 ৰাণত দুটা উইকেট হেৰুৱায়। আজি ধেমাজিৰ প্ৰথম ইনিংছ 159 ৰাণত সমাপ্ত হয়। ইফালে, শিলচৰে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত 79 ৰাণ কৰাৰ সময়তে মেচ ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনত যিটো দলে জয়লাভ কৰিব সেই দলটোৱে গ্ৰুপ 'এ'ৰ পৰা ফাইনেলত প্ৰৱেশ কৰাৰ সুযোগ আছিল। গ্ৰুপ 'বি'ৰ পৰা নলবাৰী ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে গ্ৰুপৰ প্ৰথম মেচত প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰিছিল। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা বেটিং কৰি গুৱাহাটীয়ে 281 ৰাণত প্ৰথম ইনিংছ সামৰে। আনহাতে, ধেমাজিয়ে ন উইকেটত 384 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। ইফালে, গুৱাহাটীয়ে দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনি উইকেটত 90 ৰাণ কৰাৰ সময়তে দ্বিতীয় দিনাৰ খেল সমাপ্ত হয় আৰু মেচখন ড্ৰ বুলি ঘোষণা কৰে আম্পায়াৰে। কিন্তু প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰে। ধেমাজিয়ে লাভ কৰে তিনি পইণ্ট। আনহাতে, শিলচৰেও প্ৰথম ইনিংছৰ অগ্ৰগতিৰে জয় অৰ্জন কৰিছিল গুৱাহাটীৰ বিৰুদ্ধে। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে আঠ উইকেটত 400 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। প্ৰত্যুত্তৰত গুৱাহাটীয়ে 248 ৰাণত প্ৰথম ইনিংছ সামৰে। গুৱাহাটীৰ ইনিংছ সামৰণিৰ পাছতে আম্পায়াৰে মেচ ড্ৰ ৰূপে ঘোষণা কৰে। শিলচৰে তিনি আৰু গুৱাহাটীয়ে এক পইণ্ট পায়।



## ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ উশ্বুত অসমৰ ২৮ টা পদক লাভ

**অগ্ৰদূত বাৰ্তা**
**দুমনিচকী, ২৭ মাৰ্চ ঃ** অসমৰ উশ্বু দলে ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ প্ৰতিযোগিতাত অনবদ্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ৰাঁচিত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ উশ্বু প্ৰতিযোগিতাত অসমে মুঠ 28 টা পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে 21-26 মাৰ্চলৈ অনুষ্ঠিত হোৱা ল'ৰা-ছোৱালীৰ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ প্ৰতিযোগিতাখনত অসম উশ্বু দল ৰানাৰ্ছআপ ৰূপে বিবেচিত হয়। অসম উশ্বু সন্থাৰ প্ৰচাৰ সম্পাদক গনেশ শীলে জনোৱা অনুসৰি অসম উশ্বু দলে ল'ৰা-ছোৱালীৰ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ প্ৰতিযোগিতাখনত ছটা সোণ, নটা ৰূপ আৰু 13 টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

## আজি বাংলাদেশ-নিউজিলেণ্ডৰ টি-২০

**হেমিল্টন, ২৭ মাৰ্চ ঃ** বাংলাদেশ আৰু নিউজিলেণ্ডৰ মাজৰ টি-20 শৃংখলাটো কাইলৈৰ পৰা আৰম্ভ হ'ব। হেমিল্টনত অনুষ্ঠিত হ'ব প্ৰথমখন টি-20 মেচ। উল্লেখ্য যে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো নিউজিলেণ্ডে 3-0 ব্যৱধানৰে দখল কৰিছে। উল্লেখ্য যে শৃংখলাৰ অন্তিমখন মেচতো নিউজিলেণ্ডে 164 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেট হেৰুৱাই 318 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে কঠিন বিজয়লক্ষ্য অনুসৰণ কৰি 42.4 অভাৰত 154 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে দ্বিতীয়খন মেচত নিউজিলেণ্ডে পাঁচ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে ছয় উইকেটত সংগ্ৰহ কৰে 271 ৰাণ। প্ৰত্যুত্তৰত নিউজিলেণ্ডে 48.2 অভাৰত পাঁচ উইকেট হেৰুৱাই 275 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। ইফালে, নিউজিলেণ্ডে প্ৰথমখন এদিনীয়া মেচত বাংলাদেশৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে 41.5 অভাৰতে 131 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে 21.2 অভাৰতে দুই উইকেট হেৰুৱাই 132 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। এতিয়া কিৱি বাহিনীৰ লক্ষ্য টি-20 শৃংখলাটো দখল কৰা।



অসম ৰোলবল সন্থাই আয়োজন কৰা প্ৰথম প্ৰাইজমাণি ছাব জুনিয়ৰ আৰু ছুপাৰ মিনি ৰোলবল প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠান

দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৮ মাৰ্চ, ২০২১ দেওবাৰ পৃষ্ঠা ১২



প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটদানৰ অন্তত ৰাজ্যৰ হেভিৱেইট প্ৰাৰ্থীৰ একাংশ ঃ বাওঁফালৰ পৰা ক্ৰমে লুৰীণজ্যোতি গগৈ, ৰকিবুল হুছেইন, আঙুৰলতা ডেকা, অজয় ফুকন আৰু পৃথ্বিৰাজ ৰাভা।

## কলিয়াবৰত কেশৱ মহন্ত-চামগুৰিত ৰকিবুল হুছেইনৰ পৰিয়ালসহ শাৰী পাতি ভোটাধিকাৰ সাব্যস্ত ঃ ধিঙত আমিনুল ইছলাম, ৰূপহীহাটত নুৰুল হুদাৰ ভোটদান

# বিক্ষিপ্ত ঘটনাৰ মাজেৰে নগাঁৱৰ পাঁচ সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মাৰ্চ ঃ** নগাঁও জিলাৰ পাঁচটা বিধানসভা সমষ্টি ক্ৰমে কলিয়াবৰ, চামগুৰি, ৰূপহীহাট, বটদ্ৰৱা আৰু ধিং সমষ্টিত আজি প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ প্ৰক্ৰিয়া দুই-এটা বিক্ষিপ্ত ঘটনাৰে শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। পুৱা ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ আৰম্ভণিতে একাধিক ভোটগ্ৰহণ কেন্দ্ৰৰ ইভিএম বিকল হোৱাত ভোটগ্ৰহণ প্ৰক্ৰিয়া বহু পলম হয় যদিও অৱশ্যে প্ৰশাসনে ততাতৈয়াকৈ বিকল্প ইভিএমৰ ব্যৱস্থা কৰি পুনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সন্ধিয়া ছয় বজা পৰ্যন্ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিত ভোটদানৰ হাৰ আছিল ৮০ শতাংশৰো অধিক।

জিলাখনৰ কলিয়াবৰত মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী তথা মন্ত্ৰী কেশৱ মহন্তই পুৱা নামঘৰত সেৱা লৈ তেলিয়াগাঁও অংগনৱাড়ী কেন্দ্ৰৰ ৪০ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত মাতৃ, পত্নী, কন্যা, ভ্ৰাতৃ তথা পৰিয়ালসহ শাৰী পাতি ভোটাধিকাৰ সাব্যস্ত কৰে। প্ৰাৰ্থী মহন্তক সবিতা মইনা পাৰিজাতৰ কণ কণ মইনাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ আদৰি লৈ যায়। ভোটাধিকাৰ সাব্যস্ত কৰি মহন্তই কয়, 'সবিতা মইনা পাৰিজাতৰ মইনাৰূপে মই সামাজিক জীৱনৰ অ, আ, ক, খ শিকিছিলো। সেয়েহে মইনা পাৰিজাতৰ যিকোনো শুভ মুহূৰ্তত মই সহযোগ কৰি আহিছো। সেয়েহে আজি এই মইনা পাৰিজাতৰ শিশুসকলে ওলাই আহিছে।' জয় নিশ্চিত বুলি দাবী কৰি তেওঁ কয়, 'ৰাইজৰ যি বিপুল সঁহাৰি দেখিছো, ইয়াত আৰু পুনৰ ঘূৰাই ভাবিব লগা একো নাই। জয় নিশ্চিত। ভোটৰ ব্যৱধান পূৰ্বৰ তুলনাত বৃদ্ধি হ'ব। যিটো ৰাজনৈতিক সমীকৰণ দেখা গৈছে। এই ৰাজনৈতিক সমীকৰণত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰূপে আৰু বিগত সময়খিনিত যিখিনি প্ৰতিশ্ৰুতি দিছিলো যিমান পাৰো ৰক্ষা কৰিছো। গতিকে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰিছো।' ইপিনে, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰশান্ত কুমাৰ শইকীয়ায়ো সপত্নীক কুঁৱৰীটোল ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ হাতীগাঁও ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ আগত তেওঁ বিজয় নিশ্চিত বুলিও দাবী কৰে।

ইফালে, চামগুৰি সমষ্টিত প্ৰাক্তন মন্ত্ৰী তথা কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে আমনিৰ আমনিবস্তি প্ৰাথমিক বিদ্যালয়ৰ ২৪ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত পত্নী-পুত্ৰসহ ভোটাধিকাৰ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ আগত নিজৰ জয় এশ শতাংশ নিশ্চিত বুলি দাবী কৰি তেওঁ কয়, 'বিগত সময়ছোৱাত চামগুৰিবাসী ৰাইজৰ যি অকুণ্ঠ মৰম আৰু আশীৰ্বাদ লাভ কৰিছো তাৰ বাবেই মোক চামগুৰিবাসীয়ে পুনৰ পঞ্চমবাৰৰ বাবে নিৰ্বাচিত কৰিব। আনকি চামগুৰিৰ এজনো ভোটাৰ মোৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব ওলাই নাহিল। মোৰ বিৰুদ্ধে যি তিনিজন প্ৰাৰ্থী থিয় হৈছে তেওঁলোকৰ এজনো চামগুৰিৰ নহয়। তেওঁলোক এজনেও নিজে নিজৰ ভোটটো চামগুৰি সমষ্টিত দিব নোৱাৰিলে।' ইফালে, মহাজোঁটৰ নেতৃত্বত চৰকাৰ গঠন হোৱাটো নিশ্চিত বুলি দাবী কৰি তেওঁ কয়, 'আজি চৌদিশে কংগ্ৰেছ আৰু মহাজোঁটৰ জয় জয় ময় ময়। সেয়েহে এতিয়া মোৰ বন্ধুৰ মুখখন শুকাই গৈছে। তেওঁৰ বাবে সোমবাৰো দেওবাৰ হৈ পৰিছে।' আনহাতে, সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী অনিল শইকীয়ায়ো তেওঁৰ জয় নিশ্চিত বুলি দাবী কৰে। একেদৰে, ৰূপহীহাট বিধানসভা সমষ্টি মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাই বৌমাৰী মুক্তাব স্কুলৰ ১৪৯ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে। তেওঁ কয়, 'ৰাইজৰ যি সঁহাৰি দেখিছো, ইয়াৰ পৰাই নিশ্চিত মই পুনৰ জয়ী হ'ম।' তদুপৰি সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী নাজিৰ হুছেইনে লাওগাঁও এম ই মাদ্ৰাছাত ভোটাধিকাৰ সাব্যস্ত কৰি নিজৰ জয় নিশ্চিত বুলি দাবী কৰে। জিলাখনৰ বটদ্ৰৱা সমষ্টিতো বিজেপি প্ৰাৰ্থী তথা বিধায়িকা আঙুৰলতা ডেকাই স্বামী তথা অভিনেতা আকাশদ্বীপৰ লগত কপাহেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৪৯ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত শাৰী পাতি ভোটাধিকাৰ সাব্যস্ত কৰে। ২০১৬তকৈ অধিক ভাল ফলাফল হ'ব বুলি মন্তব্য কৰি ডেকাই কয় যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত বিজেপিৰ ফলাফল যথেষ্ট ভাল হ'ব। আনহাতে, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই জাজৰি বালিকা মজলীয়া বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, 'বটদ্ৰৱা সমষ্টিবাসীৰ উৎসাহ দেখি মই অভিভূত হৈছো। আজি সকলো ভোটাৰ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে।'

ইফালে, জিলাখনৰ আন এটা সমষ্টি ধিঙৰ এআইইউডিএফৰ প্ৰাৰ্থী তথা বিধায়ক আমিনুল ইছলামে পৰমাইভেটি মাদ্ৰাছাৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰি তেওঁৰ জয় এশ শতাংশ নিশ্চিত বুলি দাবী কৰে। সমষ্টিটোৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মোক্তাৰে মৈৰাবাৰী মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰি বিগত ১০ টা বছৰে ধিঙৰ ৰাইজলৈ অন্ধকাৰ নমাই অনাৰ পাছত এইবাৰ ৰাইজে পোহৰৰ চাকি জ্বলাব বিচাৰিছে বুলি কয়।




## প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰি উৎফুল্লিত কণ্ঠশিল্পী নাহিদ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৭ মাৰ্চ ঃ** প্ৰথমবাৰৰ বাবে ভোটদান কৰিলে জনপ্ৰিয় কণ্ঠশিল্পী নাহিদ আফ্ৰিনে। ৭৭ নম্বৰ বিহালী বিধানসভা সমষ্টিৰ কুঁহিয়াৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত নাহিদে সাব্যস্ত কৰে ভোটাধিকাৰ।



পিতৃয়ে পঢ়ি যোৱা বিদ্যালয়ত প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলৈ পাই যথেষ্ট উৎফুল্লিত হৈ পৰিছে ইণ্ডিয়ান আইডল জুনিয়ৰৰ প্ৰথম ৰাণাৰ্ছ আপ তথা জনপ্ৰিয় কণ্ঠশিল্পী নাহিদ আফ্ৰিন। আনহাতে, নাহিদে পিতৃয়ে জন্মস্থান অথবা পিতৃ অধ্যয়ন কৰা বিদ্যালয়তে শাৰী পাতি পৰিয়ালসহ ভোটদান কৰাত নাহিদে ইণ্ডিয়ান আইডলত অংশগ্ৰহণ কৰিবলৈ যাওতে যি ধৰণে শাৰী পাতিছিল ঠিক আজিও তেনেকৈয়ে শাৰী পাতি ভোটদান কৰাত পুৰণি স্মৃতি মনত পৰা বুলি উল্লেখ কৰে। নৱপ্ৰজন্মৰ ভোটাৰ হিচাপে অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰ সম উন্নয়ন আৰু সম অধিকাৰ পোৱাটো কণ্ঠশিল্পী নাহিদ আফ্ৰিনে আশা প্ৰকাশ কৰে। আফ্ৰিনে কয়, 'নৱপ্ৰজন্ম আৰু সমাজৰ বাবে ভাল ভাল কাম কৰি যাওক। শিক্ষাৰ বাবে কাম কৰি যাওক আৰু লগতে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতে বিভিন্ন ধৰ্মৰ লোকে সমমৰ্যাদা পাওক তাকে কামনা কৰো।'



প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটদানত ব্যাপক হাৰত মহিলাৰ অংশগ্ৰহণ, শিৱসাগৰত শনিবাৰে।

# চতিয়াত সংঘটিত নিৰ্বাচনী হিংসাত ধাৰাবাহিকভাৱে আক্ৰান্ত বিজেপি সদস্য

## কংগ্ৰেছ প্ৰাৰ্থীৰ সন্মুখতে সমৰ্থকৰ প্ৰহাৰ শাসক দলৰ কৰ্মীক

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৭ মাৰ্চ ঃ** বিগত দুদিনমানৰ পৰা নিৰ্বাচনী হিংসাই উত্তপ্ত কৰি ৰাখিছে চতিয়া বিধানসভা সমষ্টিক। আজি সমষ্টিটোত ভোটগ্ৰহণ প্ৰক্ৰিয়া চলি থকা অৱস্থাতো হিংসাত্মক ঘটনা সংঘটিত হয়। এটা ভোটগ্ৰহণ কেন্দ্ৰত একাংশ কংগ্ৰেছ সমৰ্থকৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় এজন বিজেপি কৰ্মী। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰাণেশ্বৰ বসুমতাৰীৰ উপস্থিতিতে এই আক্ৰমণৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে।

উল্লেখ্য যে যোৱা ২৫ মাৰ্চত সমষ্টিটোত শান্তিপূৰ্ণভাৱেই প্ৰচাৰ পৰ্ব সমাপ্ত হয়। কিন্তু ২৫ মাৰ্চৰ বিয়লি প্ৰচাৰ পৰ্ব সমাপ্ত হোৱাৰ পাছতে সন্ধিয়াৰ পৰা সমষ্টিটোৰ বিভিন্ন প্ৰান্তত বিজেপিৰ কৰ্মী কংগ্ৰেছ কৰ্মী-সমৰ্থকৰ আক্ৰমণৰ বলি হোৱাৰ অভিযোগ উঠিছে। আজি সমষ্টিটোৰ চৌৰাংগ ভোটকেন্দ্ৰত হিংসাত্মক ঘটনা সংঘটিত হয়। কংগ্ৰেছৰ একাংশ সমৰ্থকে বিজেপিৰ সমৰ্থক মহেশ বসুমতাৰীক গুৰুতৰভাৱে প্ৰহাৰ কৰে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী বসুমতাৰী আৰু স্থানীয় আৰক্ষী প্ৰশাসনৰ সন্মুখতে উগ্ৰ কংগ্ৰেছ কৰ্মীসকলে বিজেপি সমৰ্থকজনক খেদি খেদি প্ৰহাৰ কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই আক্ৰমণত বিজেপি সমৰ্থকজন গুৰুতৰভাৱে আহত হয়। সম্প্ৰতি উন্নত চিকিৎসাৰ বাবে তেওঁক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে ২৫ মাৰ্চৰ সন্ধিয়াৰ পৰাই সমষ্টিটোৰ বিজেপি কৰ্মী-সমৰ্থকক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ অভিযোগ উঠিছে। সেইদিনা সমষ্টিটোৰ বিভিন্ন ঠাইত কংগ্ৰেছ সমৰ্থকৰ প্ৰহাৰত কে'বাজনো বিজেপি কৰ্মী-সমৰ্থক আহত হয়। সমষ্টিটোৰ গেলাইচিত বিজেপি কাৰ্যালয়লৈ আহি থকা অৱস্থাত বিজেপিৰ জিলা মহিলা মৰ্চাৰ সম্পাদিকা ৰেজিনা বসুমতাৰীক বাট আগচি ধৰি একাংশ লোকে শাৰীৰিকভাৱে আক্ৰমণ কৰে। সেইদিনাই জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁৱত বিজেপিৰ কাৰ্যালয়ৰ পৰা নিজগৃহলৈ ওভতাৰ পৰত অঞ্চলটোৰ জ্যেষ্ঠ বিজেপি কৰ্মী ৰাহুল জৈনক অচিনাক্ত বাহনত অহা দুজন লোকে ৰডেৰে প্ৰহাৰ কৰে। ফলত গুৰুতৰভাৱে আহত হোৱা জৈন এতিয়াও সুস্থ হৈ উঠা নাই। সেইদিনাই চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত লাল বৰাহীত দুজন বিজেপি সদস্যই নিৰ্বাচনী কাৰ্যালয়ৰ পৰা নিজগৃহলৈ আহি থকা অৱস্থাত সাতজনীয়া দল এটাই আগচি ধৰি প্ৰহাৰ কৰে। ফলত নবীন বসুমতাৰী আৰু টংকেশ্বৰ বড়ো নামৰ বিজেপি সদস্যদ্বয় আহত হয়।

কালিও সমষ্টিটোত হিংসাত্মক ঘটনা সংঘটিত হয়। একাংশ লোকৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় বিজেপি দলৰ দুজন পঞ্চায়ত প্ৰতিনিধি। ইয়াতে ক্ষান্ত নাথাকি দলটোৱে দাহালহঁত উঠি অহা বাহনখনো ৰডেৰে প্ৰহাৰ কৰি ক্ষতিগ্ৰস্ত কৰে।




# মহানগৰীত ২৮খন বিহু সমিতিয়ে অনুষ্ঠিত কৰিব সন্মিলন

## ৰঙালীলৈ মাজত মাথোঁ এপষেক ঃ কৰ'নাৰ নিতাল-নিস্তব্ধ পৰিৱেশত বসন্তৰ বতৰা পাই ঢোল-পেঁপাৰ মাতত ৰজনজনাই উঠিছে ৰাজ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** বিশ্বত্ৰাস কৰ'নাই বিগত বসন্তত ৰাজ্যবাসীৰ মাজৰ পৰা বিহুৰ আনন্দ ম্লান কৰিছিল যদিও পুনৰ প্ৰকৃতিৰ ধৰালৈ আগমন ঘটা হেঁপাহৰ ৰঙালীক উলহ-মালহেৰে আদৰিবলৈ সাজু হৈছে ৰাজ্যবাসী। কৰ'নাই নিতাল-নিস্তব্ধ কৰি ৰখা পৰিৱেশৰ মাজতে বৰদৈচিলাৰ বোকোচাত উঠি ব'হাগী অহাৰ বতৰা কুলি-কেতেকীয়ে চাৰিওদিশে বিয়পাই দিয়াৰ পাছতে মাজত মাথোঁ আৰু এটা পষেক থকা অৱস্থাত ঢোল-পেঁপাৰ মাতত ৰজনজনাই উঠিছে ৰাজ্য। প্ৰতিটো বসন্ততে ঢোল-পেঁপাৰ মাতে ৰজনজনাই থকা ৰাজ্যখনত বিগত বৰ্ষত কৰ'না মহামাৰী সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ব'হাগীৰ আনন্দ-উল্লাসৰ পৰা বিৰত থাকিবলগীয়া হৈছিল ৰাজ্যবাসী। 'ব'হাগ মাথোঁ এটি ঋতু নহয়, নহয় এটি মাহ, অসমীয়া জাতিৰ ই আয়ুস ৰেখা, গণ জীৱনৰ ই সাহ' ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই গোৱাৰ দৰে বাপতিসহোন বিহুটিৰ মৰ্যাদা ৰাখিবলৈ ঘৰতে অনুষ্টুপীয়াকৈ আয়োজন কৰিছিল এই যাউতিযুগীয়া উৎসৱৰ। কিন্তু শেহতীয়াকৈ কৰ'নাৰ সংক্ৰমণৰ প্ৰকোপ হ্ৰাস পোৱা আৰু নিয়ন্ত্ৰণলৈ অহা বুলি স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতে আগন্তুক ৰঙালীক উলহ-মালহেৰে আদৰিবলৈ সাজু হৈছে ৰাজ্যবাসী উল্লেখ্য যে গুৱাহাটী মহানগৰীৰ ২৮ খন বিহু সমিতিয়ে বিহু সন্মিলন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। বিগত বৰ্ষত কেৱল পতাকা উত্তোলনৰ জৰিয়তে সন্মিলন অনুষ্ঠিত কৰা উল্লিখিত বিহু সমিতিসমূহে পৰম্পৰা বৰ্তাই পূৰ্বৰ দৰে উলহ-মালহেৰে বিহু সন্মিলনসমূহ অনুষ্ঠিত হ'ব বুলি সদৰী কৰিছে বৃহত্তৰ গুৱাহাটী বিহু সন্মিলনীৰ সমন্বয়ৰক্ষী সমিতিয়ে। সমান্তৰালভাৱে পহিলা ব'হাগৰ পৰাই চাৰিদিনীয়াক ৰঙালীক আদৰাৰ লক্ষ্যৰে আজি লাইখুঁটা স্থাপন কৰিলে তিনিকুৰি বছৰ গৰকা পূব-গুৱাহাটী বিহু সন্মিলন সমিতিয়ে। উল্লেখ্য যে চান্দমাৰি খেলপথাৰত ১৯৬২-৬৩ৰ পৰাই অম্বিকাগিৰী ৰায়চৌধুৰী, ডাঃ ধৰণী বৰুৱা, হৰেন্দ্ৰ বৰুৱা, তীৰ্থেশ্বৰ বৰকটকী, মহেন্দ্ৰ মোহন চৌধুৰীৰ দৰে বৰেণ্য বক্তিৰ সভাপতিত্বত অনুষ্ঠিত হৈ অহা পূব-গুৱাহাটী বিহু সন্মিলনৰ আগন্তুক ৬০ সংখ্যক সমাৰোহৰ লাইখুঁটা আজি স্থাপন কৰে সন্মিলনৰ উপদেষ্টা ৰসেশ্বৰী হাজৰিকা বৰুৱাই। বৰ্ণাঢ্য কাৰ্যসূচীৰ মাজেৰে অনুষ্ঠিত হোৱা এই লাইখুঁটা স্থাপন অনুষ্ঠানত পূব-গুৱাহাটী সমষ্টিৰ জনপ্ৰতিনিধি তথা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, বৃহত্তৰ গুৱাহাটী বিহু সন্মিলনী সমন্বয়ৰক্ষী সমিতিৰ সভাপতি ৰঞ্জন বৰা, পূব-গুৱাহাটী বিহু সন্মিলনীৰ সভাপতি বসন্ত দাস আদিয়ে অংশগ্ৰহণ কৰে। অহা ১৪ এপ্ৰিলত পুৱা পতাকা উত্তোলনৰ জৰিয়তে আৰম্ভ হ'ব লগা পূব-গুৱাহাটী বিহু সন্মিলন ১৭ এপ্ৰিলত সাংস্কৃতিক অনুষ্ঠানৰে সামৰণি পৰিব বুলি সদৰী কৰিছে প্ৰচাৰ বিভাগৰ সভাপতি অভিজিৎ বৰুৱাই। ইফালে, পূব-গুৱাহাটী বিহু সন্মিলনীৰ সমান্তৰালভাৱে গুৱাহাটী বিহু সন্মিলন (লতাশিল), মালিগাঁও বিহু সন্মিলন (পাণ্ডু), পশ্চিম গুৱাহাটী বিহু সন্মিলন, মধ্য-পূব গুৱাহাটী ৰঙালী বিহু সন্মিলন (শিলপুখুৰী), নিউ-গুৱাহাটী বিহু সন্মিলন, নুনমাটি ৰঙালী বিহু সন্মিলন, নাৰেংগী ৰঙালী বিহু সন্মিলন, উলুবাৰী ৰঙালী বিহু সন্মিলন, মধ্য গুৱাহাটী বিহু সন্মিলন, দক্ষিণ-মধ্য গুৱাহাটী ৰঙালী বিহু সন্মিলন, গণেশগুৰি ৰঙালী বিহু সন্মিলন, দক্ষিণ-পূব গুৱাহাটী ৰঙালী বিহু সন্মিলনে হেপাহৰ বিহুটিক উদ্‌যাপনৰ লক্ষ্যৰে প্ৰস্তুতি আৰম্ভ কৰিছে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com